PG SO S2-01 (DSC)

স্নাতকোত্তৰ ডিগ্ৰী পাঠ্যক্ৰম

(চি. বি. চি. এচ আৰু নতুন শিক্ষা নীতি, ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

সামাজিক স্তৰীকৰণ

সমাজবিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান বিদ্যালয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সম্বিত মল্লিক, আই আই টি গুৱাহাটী,
অধ্যাপক সঞ্জয় বৰবৰা, কেলিফর্ণিয়া বিশ্ববিদ্যালয়
ড° ইন্দ্রাণী শর্মা, কটন বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ **ডোলা বৰকটকী**, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
উদিতা ঈশানী কাকতি, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*লেখক*	*ভাষান্তৰকাৰী*
১, ৬	ড° প্রার্থনা বৰুৱা, গেছ ফেকাল্টি, কটন বিশ্ববিদ্যালয়	ডোলা বৰকটকী (অধ্যায় ১—১৩)
২, ১২	কাবেৰী দাস, সহকাৰী অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩, ১০	মিনাক্ষী বুজৰবৰুৱা, গৱেষক পণ্ডিত, টি আই এছ এছ, গুৱাহাটী	
৮, ৯	ডোলা বৰকটকী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
৪, ৫, ৭, ১১, ১৩	প্রণতি বাগলাৰী, গৱেষণা পণ্ডিত, জে এন ইউ	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ **অভিজ্ঞান প্রসাদ**, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী

গাঁথনিক সম্পাদনা ঃ **ডোলা বৰকটকী**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ মে', ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ সামাজিক স্তৰীকৰণ ঃ এক পৰিচয় ৭-১৫

সমাজতত্বত সামাজিক স্তৰীকৰণৰ ধাৰণা ঃ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহ, স্তৰীকৰণৰ মাত্রাসমূহ; সামাজিক গতিশীলতা আৰু স্তৰীকৰণ।

অধ্যায় ২ ঃ স্তৰীকৰণৰ মৌলিক ধাৰণাসমূহ ১৬-২২

সংস্তৰণ আৰু পার্থক্য; বর্ণ আৰু জাতি; শ্রেণী; ক্ষমতা; নৃগোষ্ঠীয়তা।

অধ্যায় ৩ ঃ সামাজিক স্তৰীকৰণৰ ধাৰণা ২৩-২৯

সামাজিক স্তৰীকৰণ ঃ অর্থ আৰু সংজ্ঞা ঃ সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা, নৈতিক নিৰপেক্ষতাৰ সমস্যা, পার্থক্য, সমতা আৰু অসমতা, অসমতাৰ গঠন ঃ ধাৰণা আৰু স্বার্থৰ গুৰুত্ব।

অধ্যায় ৪ ঃ স্তৰীকৰণৰ ওপৰত কার্যবাদী দৃষ্টিভংগী ৩০-৩৫

স্তৰীকৰণৰ কার্যবাদী দৃষ্টিভংগী ঃ পার্সনৰ স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী, ডেভিছ আৰু মুৰৰ স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী, কার্যবাদী দৃষ্টিভংগীৰ সমালোচনা।

অধ্যায় ৫ ঃ স্তৰীকৰণৰ মার্ক্সবাদী দৃষ্টিভংগী ৩৬-৪৪

কার্লমার্ক্স'ৰ অসমতা আৰু স্তৰীকৰণৰ তত্ত্ব; স্তৰীকৰণ সন্দর্ভত ছীমুৰ মার্টিন লিপছেট আৰু ৰেইনহার্ড বেনডিক্স'ৰ ধাৰণাসমূহ; স্তৰীকৰণ সন্দর্ভত মেলভিন টুমিনৰ ধাৰণাসমূহ; স্তৰীকৰণৰ মার্ক্স'বাদী দৃষ্টিভংগীৰ সমালোচনা।

অধ্যায় ৬ ঃ সামাজিক স্তৰীকৰণৰ ৰেবেৰীয় দৃষ্টিভংগী ৪৫-৫১

ৰেবাৰৰ শ্রেণীৰ ধাৰণা; ৰেবাৰৰ মর্যাদা গোটৰ ধাৰণা; ৰেবাৰৰ দলৰ ধাৰণা।

অধ্যায় ৭ ঃ সামাজিক স্তৰীকৰণৰ ওপৰত নাৰীবাদী দৃষ্টভংগী ৫২-৬০

স্তৰীকৰণৰ সম্পর্কে উদাৰ নাৰীবাদী দৃষ্টিভংগী; স্তৰীকৰণৰ সম্পর্কেউগ্র নাৰীবাদী দৃষ্টিভংগী; স্তৰীকৰণৰ সম্পর্কে সমাজবাদী নাৰীবাদী দৃষ্টিভংগী।

অধ্যায় ৮ ঃ জাতি ব্যৱস্থা আৰু স্তৰীকৰণ ৬১-৭০

সামাজিক স্তৰীকৰণৰ এটা ৰূপ হিচাপে জাতি ব্যৱস্থা; জাতিগত উচ্চ-নীচ পদানুক্রম আৰু বৈষম্য; সমসাময়িক সমাজত জাতি ব্যৱস্থাৰ পৰিৱর্তনশীল প্রকৃতি ঃ জাতি, শ্রেণী আৰু ক্ষমতা ।

অধ্যায় ৯ঃ শ্রেণী আৰু সামাজিক স্তৰীকৰণ **৭১-৮২**

শ্রেণীৰ ধাৰণা ঃ শ্রেণী ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ; স্তৰীকৰণৰ আধাৰ হিচাপে শ্রেণীৰ ওপৰত সমাজতাত্ত্বিক দৃষ্টিভংগী; সামাজিক গতিশীলতা আৰু শ্রেণী গাঁথনি।

অধ্যায় ১০ঃ বর্ণ আৰু জনগোষ্ঠীয়তা **৮৩-৯১**

প্রাকৃতিক পার্থক্য আৰু সামাজিক অসমতা ঃ বর্ণ আৰু জনগোষ্ঠীয়তাৰ ওপৰত তাত্ত্বিক দৃষ্টিভংগীসমূহ, বর্ণ আৰু জনগোষ্ঠীয়তা ঃ এই দুয়োটা একেইনে ?; পৰিচয়, জাতীয়তা আৰু সামাজিক অসমতা।

অধ্যায় ১১ঃ লিংগ আৰু স্তৰীকৰণ **৯২-১০০**

লিংগ আৰু স্তৰীকৰণ ঃ পুৰুষতন্ত্র আৰু নাৰীৰ অধীনতা, অসমতাৰ কেন্দ্রস্থল হিচাপে পৰিয়াল, লিংগ, কর্ম আৰু অধিকাৰ/স্বত্ব, সম্প্রদায়, ৰাষ্ট্র আৰু পুৰুষতন্ত্র ।

অধ্যায় ১২ঃ সামাজিক স্তৰীকৰণৰ অন্যান্য আধাৰসমূহ **১০১-১০৯**

জনগোষ্ঠীয়তা; জনজাতি; ধর্ম; অঞ্চল; ভাষা।

অধ্যায় ১৩ঃ স্তৰীকৰণৰ সমসাময়িক বিতর্কসমূহ **১১০-১১৯**

স্তৰীকৰণৰ সমসাময়িক বিতর্কসমূহ; অপচৰণ/ পথভ্রষ্টতা আৰু স্তৰীকৰণ, প্রতিবন্ধকতা/অক্ষমতা আৰু স্তৰীকৰণ, যৌনতা আৰু স্তৰীকৰণ।

প্রসঙ্গ পুথি **১২০**

পাঠ্যবিষয়ৰ পৰিচয়

সমাজতত্ত্ব স্নাতকোত্তৰ পাঠ্যক্ৰমৰ দ্বিতীয় যাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়টোৰ শিৰোনাম হৈছে "সামাজিক স্তৰীকৰণ"। এই পাঠ্যক্ৰমটো শিক্ষাৰ্থীসকলক সামাজিক স্তৰীকৰণৰ বিভিন্ন ধাৰণা, তাত্ত্বিক মাত্ৰা আৰু ইয়াৰ ভিত্তি বা ৰূপসমূহৰ বিষয়ে গভীৰ বুজ লাভ কৰাত সহায় কৰিবলৈ প্ৰস্তুত কৰা হৈছে। সমাজতত্ত্বৰ এজন শিক্ষাৰ্থীৰ বাবে সামাজিক স্তৰীকৰণৰ বুজ নোপোৱালৈকে সমাজক বুজা সম্পূৰ্ণ নহয়। সেই অনুসৰি, এই পাঠ্যক্ৰমৰ আৰম্ভণি অধ্যায় ১-ত সামাজিক স্তৰীকৰণৰ অৰ্থ আৰু ধাৰণাৰ এক মৌলিক আলোচনাৰে কৰা হৈছে। অধ্যায় ২-ত শিক্ষাৰ্থীসকলক সামাজিক স্তৰীকৰণৰ গুৰুত্বপূৰ্ণ ধাৰণাসমূহৰ সৈতে পৰিচিত কৰোৱা হৈছে। অধ্যায় ৩-ত সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতাৰ মাজৰ সম্পৰ্ক আলোচনা কৰা হৈছে। অধ্যায় ৪, ৫, ৬ আৰু ৭-ত সামাজিক স্তৰীকৰণৰ বিভিন্ন তাত্ত্বিক দৃষ্টিভংগীৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। কাৰ্যকৰিতাবাদী (Functionalist) চিন্তাবিদসকলৰ যুক্তি আৰু তেওঁলোকৰ দৃষ্টিভংগীৰ সমালোচনা অধ্যায় ৪-ত বিশদভাৱে ব্যাখ্যা কৰা হৈছে। একেদৰে, সামাজিক স্তৰীকৰণ সম্পৰ্কে মাৰ্ক্সবাদী চিন্তাবিদসকলৰ মতামত অধ্যায় ৫-ত আলোচনা কৰা হৈছে। অধ্যায় ৬-ত সামাজিক স্তৰীকৰণৰ ওপৰত ৱেবাৰীয় (Weberian) দৃষ্টিভংগী আলোচনা কৰা হৈছে আৰু অধ্যায় ৭-ত স্তৰীকৰণ সম্পৰ্কীয় নাৰীবাদী (Feminist) দৃষ্টিভংগী ব্যাখ্যা কৰা হৈছে।অধ্যায় ৮ৰ পৰা ১৩লৈ শিক্ষাৰ্থীসকলক সামাজিক স্তৰীকৰণৰ বিভিন্ন ভিত্তি অথবা সমাজত স্তৰীকৰণ যিবোৰ ৰূপত কাৰ্যকৰী হয়, সেইসমূহৰ সৈতে পৰিচিত কৰোৱা হৈছে। অধ্যায় ৮-ত সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে জাতি (Caste) আলোচনা কৰা হৈছে আৰু কেনেদৰে বিভিন্ন গোটৰ লোকসকলক ভিন্নভাৱে জাতিগত মৰ্যাদা প্ৰদান কৰা হয় সেয়া ব্যাখ্যা কৰা হৈছে। একেদৰে, অধ্যায় ৯-ত সমাজৰ বিভিন্ন লোক কেনেদৰে বিভিন্ন শ্ৰেণীত স্তৰীকৃত হয় সেয়া ব্যাখ্যা কৰা হৈছে। অধ্যায় ১০-ত স্তৰীকৰণৰ ৰূপ হিচাপে বৰ্ণ (Race) আৰু গোষ্ঠী (Ethnicity) আলোচনা কৰা হৈছে আৰু অধ্যায় ১১-ত লিংগক সামাজিক স্তৰীকৰণৰ আন এক ভিত্তি হিচাপে আলোচনা কৰা হৈছে। অধ্যায় ১২-ত শিক্ষাৰ্থীসকলক জনজাতি (Tribe), অঞ্চল (Region) আদিৰ ভিত্তিত সৃষ্টি হোৱা স্তৰীকৰণৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায় ১৩-ত বিচ্যুতি (Deviance), অক্ষমতা (Disability) আদি সামাজিক স্তৰীকৰণৰ ৰূপ বা ভিত্তিসমূহ আলোচনা কৰা হৈছে।

এইদৰে "সামাজিক স্তৰীকৰণ" পাঠ্যক্ৰমটো এনে ধৰণে প্ৰস্তুত কৰা হৈছে যাতে শিক্ষাৰ্থীসকলে সামাজিক স্তৰীকৰণৰ গুৰুত্বপূৰ্ণ ধাৰণা, তাত্ত্বিক দৃষ্টিভংগী, লগতে ইয়াৰ বিভিন্ন ভিত্তি বা ৰূপসমূহ সম্যকভাৱে বুজি পাব পাৰে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ সামাজিক স্তৰীকৰণ ঃ এক পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সমাজতত্ত্বত সামাজিক স্তৰীকৰণৰ ধাৰণা
    ১.৩.১ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহ
    ১.৩.২ স্তৰীকৰণৰ মাত্রাসমূহ
১.৪ সামাজিক গতিশীলতা আৰু স্তৰীকৰণ
১.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্রগতিৰ খতিয়ান
১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক স্তৰীকৰণৰ অর্থ আৰু মৌলিক ধাৰণা জানিব পাৰিব
- সামাজিক গতিশীলতাৰ অর্থ আৰু সমাজত ইয়াৰ গুৰুত্ব বুজিব
- বিভিন্ন স্তৰীকৰণ ব্যৱস্থাৰ প্রবল্য আৰু অনমনীয়তা সমাজভেদে যে ভিন্ন হয় সেয়া বুজিব
- সমাজত বিভিন্ন স্তৰৰ মাজত সামাজিক গতিশীলতা কেনেকৈ সম্ভৱ হয় সেইটো ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

সাধাৰণ ভাষাত "স্তৰীকৰণ" শব্দটোৱে মানুহক বিভিন্ন গোটত বিভক্ত কৰাক বুজায়। আমি ভালদৰে জানো যে পৃথিৱীৰ ভূ-পৃষ্ঠ স্বাভাৱিকভাৱে বিভিন্ন স্তৰত গঠিত, এটা স্তৰৰ ওপৰত আন এটা স্তৰ থাকে। ঠিক সেইদৰে মানৱ সমাজতো বিভিন্ন স্তৰ থাকে, য'ত এটা গোট আন এটা গোটৰ ওপৰত অৱস্থিত হৈ থাকে। কিন্তু সমাজৰ এই স্তৰসমূহ প্রাকৃতিকভাৱে গঠিত নহয়; ই সময়ৰ সৈতে সামাজিকভাৱে গঢ় লৈ উঠা এক ব্যৱস্থা, যাক সামাজিক স্তৰীকৰণ বুলি কোৱা হয়। উদাহৰণস্বৰূপে জাতি ব্যৱস্থা সামাজিক স্তৰীকৰণৰ এটা ৰূপ।

সামাজিক স্তৰীকৰণ শব্দটোৱে সামাজিক অসমতা আৰু পার্থক্য দুয়োটাকে অন্তর্ভুক্ত কৰে। সামাজিক স্তৰীকৰণৰ সমাজতত্ত্বৰ অধ্যয়ন তত্ত্ব, গাঁথনি আৰু প্রক্রিয়াৰ সৈতে জড়িত। ইয়াত আমি সামাজিক স্তৰীকৰণ অধ্যয়নত তিনিটা মুখ্য দৃষ্টিভংগীৰ কথা উল্লেখ কৰিব পাৰো ঃ (i) কার্যকৰী তত্ত্ব আৰু ইয়াৰ সমালোচনা (Talcott Parsons, Kingsley Davis আৰু Wilbert Moore), (ii) সংঘাত তত্ত্ব (Karl Marx), আৰু (iii) ৱেবেৰিয়ান তত্ত্ব (Max Weber)। কিন্তু এই সকলো তত্ত্বই সমালোচনাৰ পৰা মুক্ত নহয়। আগন্তুক অধ্যায়সমূহত আমি এই সকলো দৃষ্টিভংগী আৰু ইয়াৰ সমালোচনাসমূহ বিস্তৃতভাৱে আলোচনা কৰিম।

সামাজিক স্তৰীকৰণ অধ্যয়নৰ এক অত্যন্ত স্পর্শকাতৰ বিষয়। ই মানৱ সভ্যতাৰ দৰেই প্রাচীন আৰু সকলো মানৱ সমাজৰ এক অনিবার্য বৈশিষ্ট্য, যদিও বিভিন্ন সমাজত ইয়াৰ মাত্রা আৰু ৰূপ ভিন্ন। আমাৰ সমাজখনত সকলো মানুহৰ একেই সামাজিক স্থান বা প্রস্থিতি নহয়। মানুহ জাতিভিত্তিক, শ্রেণীভিত্তিক আদি বিভিন্ন সামাজিক গোটত বিভক্ত।

প্রতিখন সমাজতে সাধাৰণতে তিনিধৰণৰ সম্পদে বিশেষ মূল্য লাভ কৰে—

(i) ক্ষমতা (Power) — আনৰ ওপৰত নিজৰ ইচ্ছা প্ৰয়োগ কৰাৰ সামৰ্থ্য;

(ii) সামাজিক প্ৰস্থিতিû মৰ্যাদা (Prestige) — আনৰ পৰা লাভ কৰা সন্মান;

(iii) সম্পত্তি (Property) — ভূমি আদি ৰূপত অধিকাৰভুক্ত ধন-সম্পদ।

এই সম্পদসমূহ সীমিত আৰু এই সীমিত সম্পদসমূহৰ অসমান বিতৰণে সমাজত বৈষম্য সৃষ্টি কৰে। সমাজ জটিল হওক বা সৰল, সম্পদসমূহৰ অসমান বিতৰণে সমাজত অসমতা, ভিন্নতা আৰু উচ্চ-নিম্নভিত্তিক বিভাজনৰ সৃষ্টি কৰে। সামাজিক সংস্তৰণে অসমতা আৰু ভিন্নতা— দুয়োটা দিশকে সামৰি লয়, যিবোৰ বিষয়ে পৰৱৰ্তী অধ্যায়ত বিশদভাৰে আলোচনা কৰা হ'ব।

সংস্তৰণ বা পদানুক্ৰম (Hierarchy) বুলিলে উচ্চ স্তৰৰ পৰা নিম্ন স্তৰলৈ বিন্যস্ত মৰ্যাদা বা অৱস্থানসমূহৰ এক সজ্জাক বুজায়। এই পদানুক্ৰমত বিভিন্ন স্তৰত থকা লোকসকলে ভিন্ন পৰিমাণৰ ক্ষমতা, মৰ্যাদা আৰু সম্পত্তিৰ অধিকাৰী হয়। এইদৰে সামাজিক গুৰুত্বৰ মূল্যায়নৰ ভিত্তিত গঢ় লোৱা বিভিন্ন মৰ্যাদা এক সামাজিক সম্পদ নিয়ন্ত্ৰণকাৰী পদানুক্ৰমলৈ ৰূপান্তৰিত হয়। ফলস্বৰূপে, সামাজিক সংস্তৰণ একে সময়তে অসমতাৰ কাৰণো আৰু পৰিণতিও।

যদিও শিকাৰ আৰু আহৰণভিত্তিক সমাজত সকলো সদস্যক সমান গুৰুত্ব আৰু স্থান দিয়া হয়, এনে সমাজ অতি বিৰল। যেতিয়া শ্ৰম বিভাজন (Division of Labour) বিস্তৃত হয়, তেতিয়া কিছুমান কাম আন কামতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি গণ্য হয় আৰু সেই কাম সম্পাদন কৰা লোকসকলে অধিক ক্ষমতা, সন্মান আৰু বস্তুগত সুবিধা লাভ কৰে। আন নহ'লেও প্ৰতিখন সমাজত অন্ততঃ লিংগ আৰু বয়সৰ ভিত্তিত শ্ৰম বিভাজন থকা দেখা যায়। সেয়ে সকলো সমাজতে লিংগভিত্তিক আৰু বয়সভিত্তিক সংস্তৰণ দেখা যায়।

শ্ৰম বিভাজন যিমান জটিল হয়, অথবা সমাজ যিমান জাতি, ধৰ্ম আৰু জাতীয় উৎপত্তিৰ ক্ষেত্ৰত বৈচিত্ৰ্যময় হয়, মানুহক ভিন্নভাৰে মূল্যায়ন কৰাৰ উপায়ো সিমান বৃদ্ধি পায়— তেওঁলোকে কি কাম স্ব-লব্ধ প্ৰস্থিতি (অৰ্জিত মৰ্যাদা û Achieved Status) অথবা তেওঁলোকে জন্মসূত্ৰে লাভ কৰা জন্মলব্ধ প্ৰস্থিতিৰ (আৰোপিত মৰ্যাদা û Ascribed Status) ভিত্তিত।

১.৩ সমাজতত্ত্বত সামাজিক স্তৰীকৰণৰ ধাৰণা

আহক, আমি কিছুমান সংজ্ঞাৰ সহায়ত আমাৰ আলোচনা আৰম্ভ কৰোঁ। Melvin M. Tumin ৰ মতে, সামাজিক স্তৰীকৰণ হৈছে এনে এক ব্যৱস্থা য'ত সমাজৰ লোকসকলক ক্ষমতা, সম্পত্তি, সামাজিক প্ৰস্থিতি, আদিৰ ভিত্তিত বিভিন্ন সামাজিক স্তৰত বিভাজিত কৰা হয় আৰুএক পদানুক্ৰমত অন্তৰ্ভুক্ত কৰা হয়। Talcott Parsons সামাজিক সংস্তৰণক এনে এক প্ৰক্ৰিয়া বুলি গণ্য কৰে য'ত কোনো নিৰ্দিষ্ট সামাজিক ব্যৱস্থাৰ অন্তৰ্গত ব্যক্তিসকলক সামাজিকভাৰে গুৰুত্বপূৰ্ণ কিছুমান ক্ষেত্ৰত উচ্চ আৰু নিম্ন ৰূপে পৃথক মৰ্যাদাত স্থান দিয়া হয়। Pitirim A. Sorokin ৰ মতে, সামাজিক স্তৰীকৰণ বুলিলে কোনো নিৰ্দিষ্ট জনসমষ্টিক পদানুক্ৰমভাৰে স্তৰীকৃত শ্ৰেণীসমূহত বিভক্ত কৰাক বুজায়। স্তৰীকৰণে সমাজৰ সদস্যসকলৰ মাজত অধিকাৰ, কৰ্তব্য, বিশেষাধিকাৰ আৰু দায়িত্বৰ অসম বণ্টনক সূচায় (Sharma, 1994, 2010)।

সেই অনুসৰি, সামাজিক স্তৰীকৰণ হৈছে সামাজিক পাৰ্থক্যসমূহক এক বা একাধিক মানদণ্ডৰ সহায়ত সুশৃঙ্খলভাৰে বিন্যস্ত কৰাৰ প্ৰক্ৰিয়া। সামাজিক স্তৰীকৰণ ৰ বিভিন্ন ভিত্তি বা ৰূপ আছে।

সহজ ভাষাত, সামাজিক স্তৰীকৰণৰ ধাৰণাটোৱে মানুহৰ জনসমষ্টি কেনেদৰে সামাজিকভাৰে পৃথকীকৃত হয়, বা মানুহৰ সমাজ কেনেদৰে স্তৰীকৃত হয়, সেইটো আমাক বুজায়। সামাজিক স্তৰীকৰণৰ ধাৰণাটোৱে মানুহৰ জনসমষ্টি কেনেদৰে সামাজিকভাৰে পৃথকীকৃত হয়, অৰ্থাৎ সমাজত যি পাৰ্থক্যসমূহ প্ৰকাশ্যভাৰে আৰু স্পষ্টভাৰে দেখা যায় (Gupta, 1991:2) সেইটো বুজায় । জাতিভেদ ব্যৱস্থাৰ মূল ভিত্তি হৈছে "প্ৰাকৃতিক উচ্চতা" (Natural Superiority) ৰ নীতি। এই প্ৰাকৃতিক উচ্চতা শাৰীৰিক সামৰ্থ্য বা বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰ নকৰে; বৰঞ্চ "শাৰীৰিক

পৰিত্রতা''ৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। Louis Dumont এ তেওঁৰ Homo Hierarchicus গ্রন্থত দেখুৱাইছে যে সমাজ কেনেদৰে পৰিত্রতা আৰু অপৰিত্রতাৰ ভিত্তিত সংস্তৰিত হয়।

সেই অনুসৰি, Louis Dumont ৰ মতে, সামাজিক স্তৰীকৰণৰ চূড়ান্ত ৰূপ বৃত্তিগত সংস্তৰণ, ভাষাভিত্তিক সংস্তৰণ, লিংগভিত্তিক সংস্তৰণ আৰু ধর্মীয় সংস্তৰণৰ সৈতে সহাৱস্থান কৰে। এই প্রতিটো সংস্তৰণৰ নিজস্ব নীতি বা ভিত্তি থাকে। সংস্তৰণউপাদানুক্রম (Hierarchy) হৈছে স্তৰীকৰণৰ এক আকাৰ, য'ত বিভিন্ন স্তৰ উলম্বভাৱে (vertically) বিন্যস্ত হৈ থাকে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ টেলকট পার্চন্সে (Talcott Parsons) সামাজিক স্তৰীকৰণক কেনেদৰে সংজ্ঞায়িত কৰিছে?

.....

প্রশ্ন ২ঃ Homo Hierarchicus গ্রন্থখনৰ লেখকৰ নাম লিখক।

.....

১.৩.১ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহ

Melvin M. Tumin-ৰ মতে, সামাজিক স্তৰীকৰণৰ ব্যৱস্থাটোৱে সমাজতত্ত্ববিদসকলৰ বিশেষ মনোযোগ আকর্ষণ কৰিছে, কাৰণ ইয়াৰ কিছুমান গুৰুত্বপূর্ণ বৈশিষ্ট্য আছে। সেইবোৰ হ'ল—

● **প্রাচীনতা** (Antiquity)

ঐতিহাসিক প্রমাণ অনুসৰি, সামাজিক স্তৰীকৰণ সৰু সৰু যাযাবৰউপ্তোনান্তৰশীল সমাজসমূহতো বিদ্যমান আছিল। অৱশ্যে, ইয়াৰ ৰূপ আৰু ভিত্তি বর্তমানৰ সমাজত দেখা পোৱা স্তৰীকৰণৰ পৰা পৃথক আছিল। সেই আদিম সমাজসমূহত বয়স, লিংগ, শাৰীৰিক শক্তি আদি সামাজিক স্তৰীকৰণৰ গুৰুত্বপূর্ণ ভিত্তিû আধাৰ আছিল।

● **সর্বজনীনতা** (Ubiquitous)

সামাজিক স্তৰীকৰণ এক সর্বজনীন ব্যৱস্থা। এই ব্যৱস্থাটো প্রায় প্রতিখন সমাজতে দেখা যায়, সেয়া পৰম্পৰাগত হওক বা আধুনিক, শিক্ষিত হওক বা নিৰক্ষৰ আধাৰ অৱশ্যে, ইয়াৰ ৰূপ আৰু পৰিসৰৰ ক্ষেত্রত কিছু পার্থক্য দেখা যায়।

● **সামাজিকভাৱে নির্ধাৰিত স্তৰীকৰণ** (The Social Patterning of Stratification)

সামাজিক নীতি-নিয়ম (Norms), প্রমূল্য (Values), সামাজিক নিষেধাজ্ঞা (Sanctions) আদি উপাদানে কোনো নির্দিষ্ট ধৰণৰ স্তৰীকৰণৰ মাত্রা, ভিত্তি বা আধাৰ নির্ধাৰণ কৰে। যিহেতু সকলো সমাজত নীতি-নিয়ম, মূল্যবোধ আৰু নিষেধাজ্ঞাসমূহ একে নহয়, সেয়েহে সামাজিক স্তৰীকৰণো সমাজভেদে ভিন্ন হয়।

উদাহৰণস্বৰূপে, কিছুমান সমাজত শাৰীৰিক শক্তিক অধিক গুৰুত্ব দিয়া হয়, আনহাতে কিছুমান সমাজত সম্পত্তি বা ধন-সম্পদ অধিক গুৰুত্বপূর্ণ। শাৰীৰিক শক্তি, সামাজিক প্রস্থিতি, সম্পদ, ক্ষমতা আদি স্তৰীকৰণৰ গুৰুত্বপূর্ণ আধাৰ, যাৰ ভিত্তিত মানুহক বিভিন্ন স্তৰভুক্ত বর্গত বিভক্ত কৰা হয়। সামাজিক স্তৰীকৰণৰ এই সামাজিক বিন্যাসগত দিশটোৱে সূচায় যে সকলো সমাজত সুযোগ —সুবিধাৰ বিতৰণ সমাজৰ প্রচলিত স্তৰীকৰণৰ নীতি-নিয়মৰ দ্বাৰাই নিয়ন্ত্রিত হয়।

● **স্তৰীকৰণৰ স্বৰূপ আৰু পৰিমাণৰ বৈচিত্র্য** (The Diversity of Form and Amount of Stratification)

অতীত আৰু বর্তমানৰ সমাজসমূহত স্তৰীকৰণৰ মাত্রা যিদৰে ভিন্ন, ঠিক সেইদৰে ইয়াৰ স্বৰূপৰ বৈচিত্র্য দেখা যায়। জাতি (Caste), শ্রেণী (Class) আৰু এষ্টেট (Estate- সামন্তীয় স্তৰ ব্যৱস্থা) আদি শব্দসমূহ সামাজিক স্তৰসমূহৰ বিভিন্ন বিন্যাস বুজাবলৈ ব্যৱহাৰ কৰা হয়। বিশ্বৰ প্রায় সকলো স্তৰীকৰণ ব্যৱস্থাক এই প্রকাৰ সমূহত বিভক্ত কৰিব পাৰি।

● **স্তৰীকৰণৰ পৰিণতি** (The Consequences of Stratification)

সম্পত্তি, ক্ষমতা আৰু সামাজিক প্ৰস্থিতি অসমান বিতৰণৰ ফলত উদ্ভৱ হোৱা পৰিণতিসমূহক সাধাৰণতে চাৰিটা শিৰোনামৰ অধীনত আলোচনা কৰিব পাৰি—

১) জীৱন-সুযোগ (Life Chances)

২) আচৰণৰ আনুষ্ঠানিক ধাৰা (Institutional Pattern of Conduct)

৩) জীৱনশৈলী (Life Style)

৪) প্ৰমূল্য, মনোভাৱ আৰু মতাদৰ্শ (Values, Attitudes and Ideologies)

১) জীৱন-সুযোগ (Life Chances)

জীৱন-সুযোগ বুলিলে এজন ব্যক্তিয়ে নিজৰ জীৱনকালত বিভিন্ন সুযোগ-সুবিধা, সাফল্য আৰু সন্তুষ্টিদায়ক অভিজ্ঞতা লাভ কৰাৰ বা লাভ নকৰাৰ সম্ভাৱনাক বুজায়। উদাহৰণস্বৰূপে, উচ্চ শ্ৰেণী বা উচ্চ জাতিভুক্ত ব্যক্তিৰ উচ্চশিক্ষা গ্ৰহণৰ সুযোগ তুলনামূলকভাৱে অধিক হয়।

২) আচৰণৰ আনুষ্ঠানিক ধাৰা (Institutional Pattern of Conduct)

ই সমাজৰ মৌলিক সংস্থাসমূহ—যেনে অৰ্থনীতি, ৰাজনৈতিক ব্যৱস্থা, পৰিয়াল আদি—ৰ সৈতে জড়িত দৈনন্দিন আচৰণৰ ধৰণক বুজায়। সম্পত্তি, ক্ষমতা সামাজিক প্ৰস্থিতি আৰু সন্মানৰ অসমতাই মানুহৰ আচৰণৰ ধাৰাক গভীৰভাৱে প্ৰভাৱিত কৰে।

৩) জীৱনশৈলী (Life Style)

জীৱনশৈলী বুলিলে মানুহে নিজৰ শক্তি, সময় আৰু সম্পদ কেনেদৰে ব্যৱহাৰ কৰি সমাজত এক নিৰ্দিষ্ট সন্মানজনক স্থান/প্ৰস্থিতি দাবী কৰে আৰু সেই স্থানক কাম্য তথা গ্ৰহণযোগ্য বুলি বিবেচনা কৰে, তাক বুজায়।

৪) মূল্যবোধ, মনোভাৱ আৰু মতাদৰ্শ (Values, Attitudes and Ideologies)

ই সেইসমূহ বিশ্বাস আৰু দৃষ্টিভংগীক বুজায় যিবোৰৰ জৰিয়তে মানুহে "এখন উত্তম সমাজৰ বৈশিষ্ট্য কি?", "এটা আদৰ্শ ব্যক্তিগত জীৱনৰ উপাদানসমূহ কি?" আদি প্ৰশ্নৰ উত্তৰ বিচাৰে। (Tumin, 1985)।

১.৩.২ স্তৰীকৰণৰ মাত্ৰাসমূহ

সামাজিক স্তৰীকৰণ বুলিলে ক্ষমতা, প্ৰতিপত্তি আৰু সম্পত্তিৰ অসম বিতৰণক বুজায়। বহু ক্ষেত্ৰত এই তিনিওটা স্তৰবিন্যাসৰ মাজত এক মৌলিক ঐক্য দেখা যায়; কিয়নো ধন-সম্পদ প্ৰায়ে ক্ষমতাৰ উৎস হয়, আৰু এই দুয়োটাকে আনৰ সন্মান বা শ্ৰদ্ধা লাভ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। কিন্তু Max Weber-এ বাস্তৱ জীৱনত এইবোৰ সদায় পৃথকভাৱে চিহ্নিত কৰিব নোৱাৰিলেও, সামাজিক স্তৰবিন্যাসৰ তিনিটা পৃথক মাত্ৰা বিবেচনা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল (Weber, 1922/1968)। এই মাত্ৰাসমূহ হ'ল—

- **শ্ৰেণী** (Class) ঃ শ্ৰেণী বুলিলে একে অৰ্থনৈতিক স্তৰত অৱস্থিত লোকসকলক বুজায়, যিসকলে নিজৰ উমৈহতীয়া স্বাৰ্থৰ বিষয়ে সচেতন হ'বও পাৰে, নোহোৱাও পাৰে।
- **প্ৰস্থিতি গোট** (Status Group) ঃ প্ৰস্থিতি গোটসমূহ প্ৰতিপত্তি বা সামাজিক স্থান আৰু সন্মানৰ ভিত্তিত গঠিত হয়। এই গোটৰ সদস্যসকলৰ জীৱনশৈলী একে ধৰণৰ হয়। কোনবোৰ গুণ বা বৈশিষ্ট্যই সন্মান লাভ কৰুৱাব, সেয়া সমাজভেদে বেলেগ বেলেগ হয়।
- **দল** (Party) ঃ দল হৈছে ৰাজনৈতিক গোট, যিবোৰ শ্ৰেণীগত স্বাৰ্থৰ ভিত্তিত সংগঠিত হ'বও পাৰে, নোহোৱাও পাৰে।

ক্ষমতা (Power)

মে' ৱেবাৰৰ মতে, ক্ষমতা হৈছে সমাজৰ আন মানুহৰ ওপৰত নিজৰ ইচ্ছা আৰোপ কৰাৰ সামৰ্থ্য, আনকি তেওঁলোকৰ নিজা ইচ্ছাৰ বিপৰীতেও। ক্ষমতা এক সামাজিক সম্পদ, যি অধিকাংশ সমাজ, গোট আৰু সামাজিক সম্পৰ্কত অসমভাৱে বিতৰিত হৈ থাকে। ক্ষমতা এক সম্পৰ্কমূলক (relational) ধাৰণাও; অৰ্থাৎ আন লোকে

মানি চলিলেহে ক্ষমতাৰ বাস্তৱ প্ৰকাশ ঘটে।

কৰ্তৃত্ব বুলিলে এনে ক্ষমতাক বুজায় যি কোনো সামাজিকভাৱে স্বীকৃত প্ৰস্থিতিৰ সৈতে জড়িত থাকে, যেনে—ৰাষ্ট্ৰপতি, আৰক্ষী বিষয়া বা নিয়োগকৰ্তা। সেইবাবে সমাজৰ আন সদস্যসকলে এই ক্ষমতাক বৈধ (legitimate) বুলি স্বীকাৰ কৰে।

ইয়াৰ বিপৰীতে, প্ৰভাৱ (Influence) হৈছে আনক নিজৰ ইচ্ছা অনুসৰি কাম কৰিবলৈ অনুপ্ৰাণিত বা প্ৰৰোচিত কৰাৰ ক্ষমতা। ই কোনো নিৰ্দিষ্ট পদবীতকৈ আন্তঃব্যক্তিক দক্ষতা, ব্যক্তিগত গুণ আৰু সামাজিক সংযোগ স্থাপন ক্ষমতাৰ ওপৰত অধিক নিৰ্ভৰশীল। প্ৰভাৱশালী ব্যক্তিসকল সাধাৰণতে কৰ্তৃত্বশীল ব্যক্তিৰ ঘনিষ্ঠ হয় অথবা বিশেষ জ্ঞান আৰু দক্ষতাৰ অধিকাৰী হয়।

প্ৰতিপত্তি (Prestige)

প্ৰতিপত্তি বা প্ৰস্থিতিগত সন্মান (status honour) এক সামাজিক মূল্য, যি আনসকলে প্ৰদান কৰা সন্মানৰ ওপৰত নিৰ্ভৰ কৰে। কিছুমান সমাজে জ্ঞানী আৰু বিনয়ী ব্যক্তিক সন্মান কৰে, আন কিছুমানে আত্মপ্ৰচাৰমুখী বা আক্ৰমণাত্মক ব্যক্তিক অধিক মূল্য দিয়ে। কিন্তু সকলো সমাজতে আনৰ পৰা লাভ কৰা সন্মান এক মূল্যৱান সামাজিক সম্পদ।

আধুনিক ঔদ্যোগিক সমাজত প্ৰতিপত্তি মূলতঃ পেছাগত প্ৰস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে, এই ক্ষেত্ৰত আয়ো এক গুৰুত্বপূৰ্ণ উপাদান। উদাহৰণস্বৰূপে, চিকিৎসক, আইনজীৱী, বিজ্ঞানী আৰু মহাবিদ্যালয়ৰ অধ্যাপকসকলক উচ্চ প্ৰতিপত্তিসম্পন্ন পেছাজীৱী হিচাপে গণ্য কৰা হয়।

পেছা (Profession) বুলিলে এনে এক বৃত্তিক বুজায় যাৰ বাবে দীঘলীয়া প্ৰশিক্ষণৰ প্ৰয়োজন হয় আৰু য'ত ইতিমধ্যে নিয়োজিত ব্যক্তিসকলেই পেছাটোত প্ৰৱেশৰ নিয়ম, মানদণ্ড আৰু সদস্যসকলৰ কাৰ্যদক্ষতা নিয়ন্ত্ৰণ কৰে।ইয়াৰ বিপৰীতে, যিবোৰ কামৰ বাবে বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন নহয়, য'ত কঠিন বা তথাকথিত "অপৰিষ্কাৰ" কাম কৰিব লাগে, অথবা য'ত বিনা প্ৰশ্নে আদেশ মানি চলিব লাগে, সেই পেছাসমূহক নিম্ন প্ৰতিপত্তিসম্পন্ন বুলি গণ্য কৰা হয়, ইয়াৰ সৈতে জড়িত লোকসকলৰ সামাজিক প্ৰস্থিতি নিম্ন হয় উদাহৰণস্বৰূপে, সহায় কৰ্মী, ঝাড়ুদাৰ আদি।

সেয়ে, যি পেছাৰ সামাজিক মূল্য অধিক, সেই পেছাৰ সৈতে জড়িত উচ্চ আয় আৰু সামাজিক স্বীকৃতিকো সিমানেই ন্যায্য বুলি গণ্য কৰা হয়। তদুপৰি, কোনো পেছাত পুৰুষ নে মহিলা অধিক সংখ্যক আছে, তাৰ ওপৰতো প্ৰতিপত্তিৰ মূল্যায়ন প্ৰভাৱিত হয়। সাধাৰণতে মহিলাপ্ৰধান পেছাসমূহক তুলনামূলকভাৱে কম মূল্যায়ন কৰা হয়।

সম্পত্তি (Property)

সমাজত কিছুমান বস্তুৱে সেই সমাজৰ বৈষয়িক বস্তুগত সফলতাৰ প্ৰতীক হিচাপে কাম কৰে। উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰত কোনো ব্যক্তি, পৰিয়াল বা গৃহস্থলীৰ সম্পদৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয় তেওঁলোকৰ অধিকাৰত থকা সকলো সম্পত্তিৰ আৰ্থিক মূল্য গণনা কৰি। ইয়াৰ ভিতৰত ঘৰ, গাড়ী, বেংক জমা, শ্বেয়াৰ, বণ্ড, জীৱন বীমা, অৱসৰকালীন পুঁজি, শিল্পকৰ্ম আৰু অলংকাৰ আদি অন্তৰ্ভুক্ত। আনহাতে, গ্ৰাম্য সমাজত সম্পত্তিৰ ভিতৰত স্থাৱৰ আৰু অস্থাৱৰ সম্পদৰ লগতে বিভিন্ন সামগ্ৰী আৰু সেৱাও অন্তৰ্ভুক্ত হয়। ইয়াৰ উপৰিও পোহনীয়া জীৱ-জন্তু আৰু চৰাই-চিৰিকতিও সম্পত্তিৰ অংশ হিচাপে গণ্য কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ সামাজিক স্তৰীকৰণ কি এক সৰ্বজনীন ব্যৱস্থা?

.....

প্ৰশ্ন ৪ ঃ সামাজিক স্তৰীকৰণৰ বিভিন্ন মাত্ৰাসমূহ কি কি?

.....

১.৪ সামাজিক গতিশীলতা আৰু সামাজিক স্তৰীকৰণ

সামাজিক গতিশীলতা বুলিলে মানুহে এটা সামাজিক স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা গতি বা স্থানান্তৰক বুজায়। কিন্তু মানুহৰ সামাজিক গতিশীলতা নির্ভৰ কৰে নির্দিষ্ট স্তৰীকৰণৰ ধৰণৰ ওপৰত। জাতি, এষ্টেট আদি কিছুমান স্তৰীকৰণৰ ব্যৱস্থাত গতিশীলতা অতি কঠিন, য'ত এজন ব্যক্তিৰ নিজৰ স্তৰৰ পৰা আন স্তৰলৈ যোৱা সহজ নহয় আৰু ইয়াৰ বাবে সময় লাগে। আনহাতে, শ্রেণী (class)ৰ দৰে কিছুমান স্তৰীকৰণ ব্যৱস্থাত গতিশীলতা ইমান কঠিন নহয়।

যি স্তৰীকৰণ ব্যৱস্থাত সামাজিক গতিশীলতাৰ সুযোগ অতি কম, তাক বন্ধ (closed) ধৰণৰ সামাজিক স্তৰীকৰণ বুলি কোৱা হয়। এনে ব্যৱস্থাত স্তৰসমূহৰ মাজৰ সীমা কঠোৰ ঊঅনমনীয় আৰু মানুহৰ স্থান মূলত তেওঁলোকৰ জন্মলব্ধ প্রস্থিতিৰ (ওপৰত নির্ভৰ কৰে। এই ক্ষেত্রত সামাজিক অৱস্থান বংশানুক্রমিক হয় আৰু ব্যক্তিগত ক্ষমতা বা প্রচেষ্টাই সাধাৰণতে বিশেষ ভূমিকা পালন নকৰে। সেয়ে জাতি ব্যৱস্থাক বন্ধ স্তৰীকৰণৰ উদাহৰণ হিচাপে গণ্য কৰিব পাৰি।

যিবোৰ স্তৰীকৰণ ব্যৱস্থাত সামাজিক গতিশীলতাৰ তুলনামূলকভাৱে অধিক সুযোগ থাকে, সেইবোৰক মুক্ত (open) স্তৰীকৰণ বুলি কোৱা হয়। মুক্ত স্তৰীকৰণত স্তৰসমূহৰ মাজৰ সীমা তুলনামূলকভাৱে নমনীয় হয় আৰু মানুহৰ অর্জিতঅৰ্জিত লব্ধ প্রস্থিতিৰ দ্বাৰা ইয়াক প্রভাৱিত কৰিব পাৰি। উদাহৰণস্বৰূপে শ্রেণী ব্যৱস্থা।

ইয়াত উল্লেখযোগ্যয়ে সামাজিক গতিশীলতাৰ তিনিটা ভিত্তি দেখা যায়ঃ মেধা (merit), সমতা (egalitarianism) আৰু ঐতিহাসিকতা (historicity)। যিসকলৰ প্রয়োজনীয় ক্ষমতা বা দক্ষতা থাকে, তেওঁলোকে নিজৰ প্রস্থিতি উন্নত কৰিব পাৰে। দ্বিতীয়তে, যেতিয়া সকলো লোকৰ সমান সুযোগ থাকে, তেতিয়া উচ্চ প্রস্থিতিলৈ যোৱাৰ পথত বাধা নাথাকে। তৃতীয়তে, ঐতিহাসিকভাৱে দেখা যায় যে সময়ৰ সৈতে অর্থনৈতিক আৰু জনসংখ্যাগত কাৰকে ব্যক্তি, পৰিয়াল আৰু সমাজৰ গাঁথনি পুনর্গঠন কৰে।

P. A. Sorokin-এ তেওঁৰ Social and Cultural Mobility (1964) গ্রন্থত সামাজিক গতিশীলতাৰ ধাৰণা আৰু ইয়াৰ বিভিন্ন প্রকাৰ বিশদভাৱে আলোচনা কৰিছে। তেওঁৰ মতে, সামাজিক গতিশীলতা হৈছে ব্যক্তিৰ, সামাজিক বস্তুৰ বা মূল্যৰ যিকোনো স্থানান্তৰ—যি মানৱ কার্যকলাপৰ দ্বাৰা সৃষ্টি হয়। তেওঁ গতিশীলতাৰ প্রপঞ্চটোক দুটা মুখ্য ভাগত বিভক্ত কৰিছে ঃ (i) অনুভূমিক (Horizontal) আৰু (ii) উলম্ব (Vertical)।

অনুভূমিক সামাজিক গতিশীলতা বুলিলে একে স্তৰত অৱস্থিত এটা সামাজিক গোটৰ পৰা আন এটা গোটলৈ ব্যক্তিৰ স্থানান্তৰক বুজায়। ই অতি উচ্চ স্তৰৰ গতিশীলতা সূচায়, কিন্তু ই সামাজিক স্তৰীকৰণৰ গাঁথনিত বিশেষ পৰিৱর্তন নানে । ই আন্তঃব্যৱস্থাগত (intra-systemic) — অর্থাৎ ব্যৱস্থাৰ ভিতৰৰ পৰিৱর্তন, ব্যৱস্থাটোৰ পৰিৱর্তন নহয়। উদাহৰণস্বৰূপে, এজন পিয়ন একে পদমর্যাদাত এটা কার্যালয়ৰ পৰা আন এটা কার্যালয়লৈ স্থানান্তৰিত হোৱা।

উলম্ব সামাজিক গতিশীলতা বুলিলে এজন ব্যক্তি বা গোটৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা স্থানান্তৰক বুজায়। উদাহৰণস্বৰূপে, এজন পিয়নে একেটা কার্যালয়তে পদোন্নতি পাই উচ্চ পদলৈ যোৱা। এই ধৰণৰ গতিশীলতা সাধাৰণতে অধিক মূল্যৱান আৰু ই বহু সময়ত প্রজন্মগতভাৱেও ঘটে। উলম্ব গতিশীলতাক পুনৰ দুটা ভাগত বিভক্ত কৰিব পাৰি—

- আৰোহণমূলক (ascending) ঃ য'ত ব্যক্তি বা গোট নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈ যায়।
- অৱনমনমূলক (descending) ঃ য'ত ব্যক্তি বা গোট উচ্চ স্তৰৰ পৰা নিম্ন স্তৰলৈ যায়।

Sorokin-এ উলম্ব গতিশীলতাৰ প্রাবল্য (intensiveness) আৰু বিস্তৃতি (generality)ৰ মাজতো পার্থক্য কৰিছে। প্রাবল্য বুলিলে এজন ব্যক্তিয়ে নির্দিষ্ট সময়ৰ ভিতৰত কিমান স্তৰ অতিক্রম কৰিছে তাক বুজায়। বিস্তৃতি বুলিলে কোনো সময়ছোৱাত উলম্ব দিশত স্থানান্তৰ হোৱা ব্যক্তিৰ সংখ্যাক বুজায়। এই সকলো দিশৰ পৰা সমাজ এখনৰ স্তৰীকৰণৰ প্রকৃতি বুজিব পাৰি।

Sorokin-এ উলম্ব গতিশীলতাৰ কিছুমান মূল নীতি উল্লেখ কৰিছে ঃ

- প্ৰায় কোনো সমাজেই সম্পূৰ্ণ বন্ধ স্তৰসমূহ থকা নাছিল; সকলো সমাজতেই কিছু পৰিমাণে উলম্ব গতিশীলতা থাকে।
- কোনো সমাজতেই সম্পূৰ্ণ মুক্ত উলম্ব গতিশীলতা নাথাকে; সদায় কিছু বাধা থাকে।
- উলম্ব গতিশীলতাৰ প্ৰাবল্য আৰু বিস্তৃতি সমাজভেদে আৰু সময়ভেদে ভিন্ন হয়।

উলম্ব গতিশীলতা যিকোনো সমাজতেই কিছু পৰিমাণে কাৰ্যকৰী হয়। স্তৰসমূহৰ মাজত কিছু নমনীয় সীমাৰেখা থাকে যাৰ জৰিয়তে ব্যক্তি ওপৰলৈ বা তললৈ যাব পাৰে। সামাজিক গতিশীলতাৰ মুখ্য মাধ্যমসমূহ হ'ল—

- সেনাবাহিনী
- ধৰ্মীয় প্ৰতিষ্ঠান (Church)
- বিদ্যালয়
- পৰিয়াল
- ৰাজনৈতিক, পেছাগত আৰু অৰ্থনৈতিক সংগঠনসমূহ

ইয়াৰ উপৰিও সামাজিক গতিশীলতাৰ আন দুটা ৰূপ আছে—প্ৰজন্মগত (Intergenerational) আৰু একপ্ৰজন্মগত (Intragenerational)।

প্ৰজন্মগত গতিশীলতা বুলিলে এটা প্ৰজন্মৰ পৰা আন প্ৰজন্মলৈ পৰিয়ালৰ সদস্যসকলৰ সামাজিক-অৰ্থনৈতিক স্তৰৰ পৰিৱৰ্তনক বুজায়। উদাহৰণস্বৰূপে, এজন শ্ৰমিকৰ সন্তান মেনেজাৰ হোৱা।

একপ্ৰজন্মগত গতিশীলতা বুলিলে এজন ব্যক্তিৰ নিজৰ জীৱনকালৰ ভিতৰত হোৱা স্তৰ পৰিৱৰ্তনক বুজায়। উদাহৰণস্বৰূপে, এজন একাউণ্টেণ্টে নিজৰ জীৱনকালত মেনেজাৰ পদলৈ পদোন্নতি লাভ কৰা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ঃ বন্ধ স্তৰীকৰণৰ এটা উদাহৰণ লিখক।

.....

প্ৰশ্ন ৬ঃ Social and Cultural Mobility গ্ৰন্থখনৰ লেখকৰ নাম লিখক।

.....

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক স্তৰীকৰণ ব্যৱস্থাই সামাজিক অসমতা আৰু সামাজিক পাৰ্থক্য দুয়োটাকে অন্তৰ্ভুক্ত কৰে।
- সামাজিক স্তৰীকৰণৰ সমাজতত্ত্বৰ বিষয়সমূহ তত্ত্ব, গাঁথনি আৰু স্তৰীকৰণৰ প্ৰক্ৰিয়াসমূহৰ সৈতে সম্পৰ্কিত।
- সামাজিক স্তৰীকৰণ মানৱ সভ্যতাৰ সমানেই পুৰণি আৰু ই সকলো মানৱ সমাজৰ এক অনিবাৰ্য বৈশিষ্ট্য।
- দুৰ্লভ সম্পদৰ অসম বিতৰণে, সেয়া জটিল বা সৰল যিকোনো সমাজতেই হওক, অসমতা, পাৰ্থক্য আৰু সমাজত স্তৰভিত্তিক বিভাজনৰ সৃষ্টি কৰে।
- সেয়ে স্তৰীকৰণ ব্যৱস্থা একে সময়তে অসমতাৰ কাৰণ আৰু ফলাফল দুয়োটাই।
- Melvin M. Tumin-ৰ মতে, সামাজিক স্তৰীকৰণ হৈছে যিকোনো গোট বা সমাজক এনে ধৰণে স্তৰভিত্তিক স্থানসমূহত সজোৱা, যিবোৰ ক্ষমতা, সম্পত্তি, সামাজিক মূল্যায়ন আৰু মানসিক সন্তুষ্টিৰ ক্ষেত্ৰত অসম।
- Talcott Parsons-ৰ মতে, সামাজিক স্তৰীকৰণ হৈছে কোনো সামাজিক ব্যৱস্থাত অন্তৰ্ভুক্ত

ব্যক্তিসকলৰ ভিন্ন স্তৰীয় ৰেংকিং, য'ত তেওঁলোকক কিছুমান সামাজিকভাৱে গুৰুত্বপূৰ্ণ দিশত উচ্চ আৰু নিম্ন হিচাপে মূল্যায়ন কৰা হয়।

- সামাজিক স্তৰীকৰণ হৈছে সামাজিক পার্থক্যসমূহক কিছুমান মানদণ্ড বা একক মানদণ্ডৰ সহায়ত শৃঙ্খলাবদ্ধ কৰা প্ৰক্ৰিয়া।
- সামাজিক স্তৰীকৰণে মানৱ জনসংখ্যা কেনেকৈ সামাজিকভাৱে পৃথকীকৃত হয়, অর্থাৎ স্পষ্টভাৱে দৃশ্যমান আৰু জনসমক্ষে প্ৰকাশিতভাৱে পৃথকীকৰণ হয়, সেইটো অধ্যয়ন কৰে।
- ঐতিহাসিক প্ৰমাণ অনুসৰি, স্তৰীকৰণ ক্ষুদ্ৰ যাযাবৰী (wandering) সমাজসমূহতো বিদ্যমান আছিল।
- সামাজিক স্তৰীকৰণ এক সৰ্বজনীন প্ৰক্ৰিয়া।
- সামাজিক স্তৰীকৰণ সমাজভেদে ভিন্ন হয়।
- সামাজিক স্তৰীকৰণে ক্ষমতা, প্ৰতিপত্তি আৰু সম্পত্তিৰ অসম বিতৰণক বুজায়।
- সামাজিক গতিশীলতা বুলিলে মানুহৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা স্থানান্তৰক বুজায়।
- যি স্তৰীকৰণ ব্যৱস্থাত সামাজিক গতিশীলতাৰ সুযোগ অতি কম থাকে, তাক বন্ধ (closed) স্তৰীকৰণ বুলি কোৱা হয়।
- তুলনামূলকভাৱে অধিক সামাজিক গতিশীলতা থকা স্তৰীকৰণ ব্যৱস্থাক মুক্ত (open) স্তৰীকৰণ বুলি কোৱা হয়।
- মেধা, সমতাবাদ আৰু ঐতিহাসিকতা হৈছে সামাজিক গতিশীলতাৰ তিনিটা গুৰুত্বপূৰ্ণ ভিত্তি।
- Pitirim Sorokin-এ গতিশীলতাৰ প্ৰপঞ্চক দুটা মুখ্য ভাগত ভাগ কৰিছে: অনুভূমিক (horizontal) আৰু উলম্ব (vertical)।
- উলম্ব সামাজিক গতিশীলতাক পুনৰ দুটা ভাগত বিভক্ত কৰা যায়: আৰোহণমূলক (ascending) আৰু অৱনমনমূলক (descending)।
- প্ৰাবল্য (intensiveness) বুলিলে উলম্ব সামাজিক দূৰত্ব বা এজন ব্যক্তিয়ে অতিক্ৰম কৰা স্তৰৰ সংখ্যাক বুজায়।
- বিস্তৃতি (generality) বুলিলে নির্দিষ্ট সময়ছোৱাত উলম্ব দিশত স্থানান্তৰ হোৱা ব্যক্তিসকলৰ মোট সংখ্যাক বুজায়।
- ওপৰত উল্লেখ কৰা সামাজিক গতিশীলতাৰ ৰূপসমূহৰ উপৰিও আৰু দুটা ৰূপ আছে: প্ৰজন্মগত (intergenerational) আৰু একপ্ৰজন্মগত (intragenerational)।

১.৬ অধিক জানিবলৈ

1) Gupta, Dipankar, 2010; *Social Stratification*, Oxford University Press: New Delhi.
2) Ghurye, G. S. 2004: *Caste and Race in India*. Bombay: Popular Prakashan.
3) Louis, Dumont 1998. *Homo Hierarchicus: The caste system and its Implications*, Delhi: Oxford university Press.
4) Sharma, K. L, 1994: *Social Stratification and Mobility*. Banglore, Hyderabad and Guwahati: Rawat Publications.
5) ..... 2010: *Perspective on Social Stratification*. Hyderabad and Guwahati: Rawat Publications.
6) Saikia, Jyotiprasad and H. Buragohain, 2016: *General Sociology*, Vidya Bhawan, Jorhat.
7) Tumin, Melvin M, 1985: *Social Stratification: The forms and Functions of Inequality*; Printice Hall.

✓ ১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ Talcott Parsons-এ সামাজিক স্তৰীকৰণক সংজ্ঞায়িত কৰিছে এয়া হিচাপে— কোনো সামাজিক ব্যৱস্থাত অন্তর্ভুক্ত ব্যক্তিসকলৰ ভিন্ন স্তৰীয় ৰেংকিং, য'ত তেওঁলোকক কিছুমান সামাজিকভাৱে গুৰুত্বপূর্ণ দিশত একে আনৰ তুলনাত উচ্চ আৰু নিম্ন হিচাপে গণ্য কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ লুই ডুমোঁ (Louis Dumont)

৩ নং প্রশ্নৰ উত্তৰ ঃ হয়, সামাজিক স্তৰীকৰণ এক সর্বজনীন প্রপঞ্চ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক্ষমতা, প্রতিপত্তি আৰু সম্পত্তি

৫ নং প্রশ্নৰ উত্তৰ ঃ জাতি (Caste) হৈছে বন্ধ স্তৰীকৰণৰ এটা উদাহৰণ।

৬ নং প্রশ্নৰ উত্তৰ ঃ পি. এ. ছ'ৰ'কিন (P. A. Sorokin)

? ১.৮ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দত দিব)

প্রশ্ন ১ঃ সামাজিক স্তৰীকৰণৰ ধাৰণা ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ মুক্ত আৰু বন্ধ স্তৰীকৰণৰ মাজত পার্থক্য লিখক, উপযুক্ত উদাহৰণসহ।

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০—৫০০ শব্দত দিব)

(খ) প্রশ্ন ১ঃ স্তৰীকৰণৰ বিভিন্ন মাত্রাসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ সামাজিক গতিশীলতা সংজ্ঞায়িত কৰক। Pitirim Sorokin-এ উল্লেখ কৰা সামাজিক গতিশীলতাৰ বিভিন্ন ৰূপ উদাহৰণসহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ স্তৰীকৰণৰ মৌলিক ধাৰণাসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সংস্তৰণ আৰু পার্থক্য
২.৪ বর্ণ আৰু জাতি
২.৫ শ্রেণী
২.৬ ক্ষমতা
২.৭ নৃগোষ্ঠীয়তা
২.৮ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আৰ্হি প্রশ্নসমূহ

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংস্তৰণ আৰু পার্থক্যৰ অর্থ জানিব পাৰিব
- বর্ণ, জাতি, শ্রেণী, ক্ষমতা আৰু নৃগোষ্ঠীয়তাৰ ধাৰণা বুজিব পাৰিব।

২.২ পৰিচয়

স্তৰীকৰণ মানৱ সমাজৰ সমগ্র বিশ্বজুৰি এক প্রধান বৈশিষ্ট্য। "Stratification" শব্দটো "stratum" শব্দৰ পৰা আহিছে, যাৰ অর্থ হৈছে স্তৰসমূহৰ এক পদানুক্রমীয় বিন্যাস, য'ত এটা স্তৰ আনটোৰ পৰা পৃথক হৈ থাকে, ঠিক পৃথিৱীৰ ভূ-পৃষ্ঠৰ স্তৰসমূহৰ দৰে। আগৰ অধ্যায়ত আমি শিকিছোঁ যে সামাজিক স্তৰীকৰণে জাতি, শ্রেণী, নৃগোষ্ঠীয়তা আৰু মানুহক সামাজিক মূল্য, সম্পদ, প্রস্থিতি, প্রতিপত্তি, ক্ষমতা আৰু সুবিধাৰ ভিত্তিত পদানুক্রমীয়ভাৱে গোটসমূহত বিভক্ত কৰে। এই অধ্যায়ে সামাজিক স্তৰীকৰণৰ কিছুমান মৌলিক ধাৰণা যেনে সংস্তৰণ, পার্থক্য, বর্ণ, জাতি, শ্রেণী, ক্ষমতা আৰু নৃগোষ্ঠীয়তা বুজাত সহায় কৰিব।

২.৩ সংস্তৰণ আৰু পার্থক্য

সংস্তৰণ হৈছে স্তৰীকৰণৰ এক নির্ধাৰক আৰু বিস্তৃত বৈশিষ্ট্য। সংস্তৰণে সমাজত সামাজিক প্রমুল্য, সম্পদ, প্রস্থিতি, ক্ষমতা, ধর্মীয় শুদ্ধতা আৰু সুবিধাৰ ভিত্তিত ব্যক্তি আৰু গোটসমূহক স্পষ্ট বা অস্পষ্টভাৱে পদানুক্রমীয়ভাৱে সজায়। সংস্তৰণ তেতিয়া স্পষ্ট হয় যেতিয়া ই নিয়মৰ ৰূপত নির্ধাৰিত হয় আৰু সমষ্টিগতভাৱে স্বীকৃত হয়; আনহাতে অস্পষ্ট সংস্তৰণ ব্যক্তিগতভাৱে বুজা হয় আৰু স্বতঃসিদ্ধভাৱে গ্রহণ কৰা হয়। Louis Dumont-এ সংস্তৰণক এক নিৰন্তৰ মানদণ্ডৰ ওপৰত ভিত্তি কৰি সমগ্রক উপাদানসমূহৰ এক শৃঙ্খলাবদ্ধ স্তৰ বিন্যাস হিচাপে সংজ্ঞায়িত কৰিছে। সেয়ে সংস্তৰণে সমগ্রৰ উপাদানসমূহক একত্রিত কৰি এক একক ব্যৱস্থা গঠন কৰে। ইয়াৰ মূল নীতি হৈছে সামগ্রিকতা, শৃঙ্খলা আৰু অনুগত্য; সংঘাত নহয়। সংঘাত তেতিয়াহে সৃষ্টি হয় যেতিয়া স্তৰীকৰণ ব্যৱস্থাত পার্থক্য থাকে। উদাহৰণস্বৰূপে, শ্রেণী সংঘাতৰ সৃষ্টি হয় জাতিসমূহৰ মাজত থকা পার্থক্যৰ বাবে,

যিবোৰ জাতি ব্যৱস্থাৰ ভিতৰত অন্তর্ভুক্ত। জাতি সমাজত একাধিক সংস্তৰণ থাকে, যিবোৰ পৃথক আৰু সমমানৰ ধৰণৰ, আৰু সিহঁতৰ স্থান জাতিগত আদর্শৰ দ্বাৰা সমর্থিত। সংস্তৰণত স্তৰসমূহ উলম্বভাৱে সজোৱা হয়, যেনে আয়ৰ ভিত্তিত মানুহক ওপৰলৈ বা তললৈ শৃঙ্খলাবদ্ধ কৰা। উদাহৰণস্বৰূপে, মানুহৰ আয়ক পদানুক্রমীয় ৰূপত সজাই স্তৰীকৰণ ব্যৱস্থা গঠন কৰিব পাৰি।

Dipankar Gupta-ৰ মতে সকলো স্তৰীকৰণ ব্যৱস্থা সংস্তৰণমূলক নহয়; কিছুমান পার্থক্যৰ ভিত্তিত গঠিত, য'ত সংস্তৰণৰ উপস্থিতি থাকিবও পাৰে বা নাথাকিবও পাৰে। সংস্তৰণত স্তৰসমূহ উলম্বভাৱে সজোৱা হয়, কিন্তু পার্থক্যত স্তৰসমূহ অনুভূমিক বা পৃথকভাৱে থাকে। উদাহৰণস্বৰূপে, ভাৰত এখন ধর্মনিৰপেক্ষ দেশ, য'ত প্রধান ধর্মসমূহ আইনগতভাৱে সমান আৰু তেওঁলোকৰ মাজত অনুভূমিক পার্থক্য স্বীকাৰ কৰা হয়। সংস্তৰণত মানদণ্ড সাধাৰণতে পৰিমাণগত বা মাপযোগ্য হয়, কিন্তু পার্থক্যত মানদণ্ড গুণগত হয়।

পার্থক্য হৈছে সামাজিক স্তৰীকৰণৰ আন এক বৈশিষ্ট্য, য'ত ব্যক্তি আৰু গোটসমূহক সম্পদ, দক্ষতা, শিক্ষা, প্রস্থিতি আৰু ক্ষমতাৰ ভিত্তিত সজোৱা হয়, যাতে এই পৃথক স্তৰসমূহ এক সামগ্রিক ব্যৱস্থা গঠন কৰে। Dipankar Gupta-ৰ মতে, কেৱল পার্থক্যই স্তৰীকৰণ নহয়; যেতিয়া পার্থক্য সামাজিকভাৱে দৃশ্যমান হয়, তেতিয়াহে ই স্তৰীকৰণলৈ ৰূপান্তৰিত হয়। সমাজত কিছুমান সামাজিক মাপকাঠি আৰু সূচক থাকে যিয়ে মানুহৰ মাজত বিভাজন সৃষ্টি কৰে। উদাহৰণস্বৰূপে, জাতিগত উচ্চতা শুদ্ধতাৰ ধাৰণাৰ ওপৰত নির্ভৰ কৰে, যি আচাৰ, নিষেধাজ্ঞা, ৰীতি-নীতি, সামাজিক আচৰণ, পেশা আৰু জীৱনশৈলীৰ ৰূপত প্রকাশ পায়। সেয়ে স্তৰীকৰণ কেৱল জৈৱিক পার্থক্য নহয়; ই সামাজিকভাৱে সেই পার্থক্যৰ প্রকাশৰ ওপৰত নির্ভৰ কৰে, যেনে পেশা, পোশাক, খাদ্যাভ্যাস, বাসস্থান আৰু চলাচল আদি।

Dipankar Gupta-ৰ মতে পার্থক্য স্বাভাৱিকভাৱে দৃশ্যমান নহয়। গৱেষক বা বিশে-ষকে সচেতনভাৱে এই দৃশ্যমান পার্থক্যসমূহক সংযোগ কৰি এটা বিশেষ স্তৰীকৰণ ব্যৱস্থা গঠন কৰিব লাগে। উদাহৰণস্বৰূপে, যদি পেশাক মানদণ্ড হিচাপে লোৱা হয়, তেন্তে শিক্ষক, চিকিৎসক, বিজ্ঞানী, আইনজীৱী, ইঞ্জিনিয়াৰ আদি পেশাৰ লোকসকলক এক গোটত অন্তর্ভুক্ত কৰিব পাৰি। ইয়াত তেওঁলোকৰ ধর্ম, ভাষা, লিংগ বা নৃগোষ্ঠীয়তা গুৰুত্বপূর্ণ নহয়; গুৰুত্বপূর্ণ হৈছে কেৱল পেশাগত মানদণ্ড, যিয়ে মানুহক স্তৰসমূহত বিভক্ত কৰে আৰু এক ব্যৱস্থাৰ ভিতৰত একত্রিত কৰে। সংস্তৰণ আৰু পার্থক্য দুয়োটাই বর্ণ, জাতি, শ্রেণী, ক্ষমতা, নৃগোষ্ঠীয়তা আদি সকলো ধৰণৰ স্তৰীকৰণত দেখা যায়।

২.৪ বর্ণ আৰু জাতি

বর্ণ (Varna) শব্দটোৰ আক্ষৰিক অর্থ হৈছে "ৰং"। বর্ণই আর্য আৰু দাসৰ মাজৰ পার্থক্যক বুজাইছিল, য'ত ক্রমে ফিকা আৰু গাঢ় বর্ণৰ সংকেত আছিল। যজুর্বেদৰ অংশ শতপথ ব্রাহ্মণত চাৰি বর্ণক সমাজৰ চাৰি শ্রেণী হিচাপে বর্ণনা কৰা হৈছে। বর্ণ ব্যৱস্থাৰ উৎপত্তি ঋগ্ব দত পোৱা যায়, য'ত আর্য আৰু দাসৰ পার্থক্যৰ লগতে সমাজক তিনিটা গোটত ভাগ কৰা হৈছিল—ব্রাহ্ম, ক্ষত্রিয় আৰু বৈশ্য। পাছলৈ পুৰুষসূক্ত স্তোত্রত সমাজৰ চাৰি বর্ণৰ উল্লেখ পোৱা যায়, য'ত সৃষ্টিকর্তাৰ দেহৰ বিভিন্ন অংশৰ পৰা এই বর্ণসমূহ উৎপত্তি হোৱা বুলি কোৱা হৈছে—ব্রাহ্মণ (পুৰোহিত, শিক্ষক, পণ্ডিত আৰু চিকিৎসক) মুখৰ পৰা, ৰাজন্য বা ক্ষত্রিয় (শাসক, যোদ্ধা আৰু সৈনিক) বাহুৰ পৰা, বৈশ্য (বেপাৰী আৰু ব্যৱসায়ী) উৰুৰ পৰা আৰু শূদ্র (কৃষক, শ্রমজীৱী আৰু সেৱক) ভৰিৰ পৰা উৎপত্তি হোৱা বুলি ধৰা হয়।

এই দেহৰ অংশসমূহৰ সৈতে যুক্ত বর্ণসমূহৰ স্থান আৰু ক্রমে সমাজত তেওঁলোকৰ স্থান নির্ধাৰণ কৰে। প্রতিটো বর্ণ এক নির্দিষ্ট পদানুক্রমত অৱস্থিত আৰু সমাজৰ কার্যপদ্ধতি চলাবলৈ কিছুমান দায়িত্ব পালন কৰে। এই বর্ণ মডেলত অস্পৃশ্য বা "হৰিজন"সকলৰ স্থান নাই, যি নাম মহাত্মা গান্ধীয়ে সেই গোটৰ লোকসকলক দিছিল যিসকল বর্ণ ব্যৱস্থাৰ বাহিৰত আছিল। তথাপিও বেদ সাহিত্যত আয়োগৱ, চণ্ডাল, নিষাদ আৰু পৌল্কস আদি গোটৰ উল্লেখ পোৱা যায়, যিসকলক অৱহেলিত হিচাপে গণ্য কৰা হৈছিল। বর্ণ মডেলে চাৰি বর্ণৰ উৎপত্তি আৰু

ব্ৰাহ্মণসকলৰ শীৰ্ষস্থান বৰ্ণনা কৰে। কিন্তু "জাতি পুৰাণ" আদি অন্য উৎপত্তি কাহিনীত ব্ৰাহ্মণসকল শীৰ্ষত নাথাকে আৰু ই জাতিসমূহৰ মাজৰ পাৰ্থক্যক অধিক স্পষ্ট কৰে। সেয়ে বৰ্ণ আৰু জাতি একে নহয়; দুয়োটাক পৃথকভাৱে বুজিব লাগে।

জাতি (Caste) ভাৰতীয় সমাজৰ স্তৰীকৰণৰ এটা মুখ্য ভিত্তি আৰু এক গুৰুত্বপূৰ্ণ সংগঠন নীতি। জাতি তুলনামূলকভাৱে এক বন্ধ স্তৰীকৰণ ব্যৱস্থা, য'ত শ্ৰেণীৰ তুলনাত সামাজিক গতিশীলতা কম। "Caste" শব্দটো পৰ্তুগীজ শব্দ "casta"ৰ পৰা আহিছে, যাৰ অৰ্থ জাতি বা বংশ। জাতি বিভাজনসমূহক দেৱত্ব-নিৰ্ধাৰিত আৰু পদানুক্ৰমীয় বুলি ধৰা হয়, কিন্তু বহু সমাজতত্ত্ববিদৰ মতে ভাৰতীয় সমাজ মূলত জাতি আৰু উপ-জাতিৰ (jati) দ্বাৰা গঠিত। "Jati" শব্দটো সংস্কৃত "জন্ম" অৰ্থৰ পৰা আহিছে। জাতি হৈছে এক অন্তঃবিবাহমূলক, বংশানুগত সামাজিক গোট, যাৰ এক নাম আৰু কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য থাকে, যিবোৰ তাৰ সদস্যসকলে অনুসৰণ কৰে আৰু নিজৰ সামাজিক পদানুক্ৰমত স্থান লাভ কৰে।

জাতিয়ে ব্যক্তিৰ পেশা, স্থান, সামাজিক সুযোগ আৰু কেতিয়াবা বাধাও নিৰ্ধাৰণ কৰে। কিন্তু আধুনিকীকৰণৰ প্ৰক্ৰিয়াৰ ফলত ভাৰতত জাতি ব্যৱস্থাত গাঠনিক পৰিৱৰ্তন ঘটিছে বুলি Yogendra Singh-এ উল্লেখ কৰিছে।

জাতিৰ কিছুমান বৈশিষ্ট্য তলত দিয়া হ'ল—

আৰোপিত গোট ঃ জাতি জন্মৰ লগে লগে নিৰ্ধাৰিত হয় আৰু জীৱনভৰ সলনি নহয়। তথাপিও কিছুকিছু ক্ষেত্ৰত সংস্কৃতীকৰণ (Sanskritization)ৰ জৰিয়তে স্থান উন্নীত কৰিব পাৰি।

সংস্তৰণ (পদানুক্ৰম) ঃ জাতি পদানুক্ৰমীয় সম্পৰ্কৰ ওপৰত ভিত্তি কৰে, যিটো জন্মৰ সময়তে নিৰ্ধাৰিত হয়। কিন্তু অঞ্চলভেদে এই পদানুক্ৰম ভিন্ন হ'ব পাৰে। একে জাতি এটা অঞ্চলত উচ্চ স্থানত থাকিব পাৰে, আন অঞ্চলত নিম্ন স্থানত।

পৰম্পৰাগত পেশা ঃ জাতিয়ে জন্মৰ সৈতে পৰম্পৰাগত পেশা নিৰ্ধাৰণ কৰে। এই শ্ৰম বিভাজনে যজমানী ব্যৱস্থাৰ কাৰ্যক্ষমতাত সহায় কৰে, য'ত যজমান (patron) আৰু কামিন (client)ৰ মাজত পাৰস্পৰিক সহায়ৰ সম্পৰ্ক থাকে। কামিনে দিয়া সেৱাৰ বিনিময় নগদ বা সামগ্ৰী ৰূপত হ'ব পাৰে। কিন্তু আধুনিক সময়ত এই পেশাগত নিয়ম ইমান কঠোৰ নহয়।

আন্তঃবিবাহমূলক গোট ঃ জাতিৰ ভিতৰতেই বিবাহ সম্পন্ন হয়, কিন্তু নিজৰ গোত্ৰৰ বাহিৰত। আন্তঃজাতি বিবাহ আগতে নিষিদ্ধ আছিল যদিও এতিয়া কিছু পৰিমাণে সেই নিয়ম শিথিল হৈছে।

সামাজিক নিষেধাজ্ঞা ঃ জাতিয়ে খাদ্য গ্ৰহণ, পাত্ৰ ব্যৱহাৰ, শাৰীৰিক স্পৰ্শ, সামাজিক দূৰত্ব, আদি নিয়ন্ত্ৰণ কৰে। এতিয়া এই নিষেধাজ্ঞাসমূহ আইনগতভাৱে বহু ক্ষেত্ৰত আঁতৰোৱা হৈছে।

গাঁঠনিক পৰিৱৰ্তন সত্ত্বেও আধুনিক সময়ত জাতি চেতনা বৃদ্ধি পাইছে, যাৰ কাৰণ হৈছে জাতি সংগঠন, সংৰক্ষণ নীতি আৰু ৰাজনৈতিকীকৰণ। সেয়ে ভাৰতীয় সমাজত জাতি আজিও এক গুৰুত্বপূৰ্ণ স্তৰীকৰণৰ নীতি হৈ আছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ সংস্তৰণ আৰু পাৰ্থক্যৰ মাজত পাৰ্থক্য লিখক।

.....

প্ৰশ্ন ২ঃ বৰ্ণ মডেলৰ উৎপত্তি উল্লেখ কৰক।

.....

প্ৰশ্ন ৩ঃ জাতি কি?

.....

২.৫ শ্রেণী

শ্রেণী (Class) আধুনিক জটিল সমাজসমূহত স্তৰীকৰণৰ এক গুৰুত্বপূৰ্ণ ভিত্তি আৰু সংগঠক নীতি। "Class" শব্দটো লেটিন শব্দ "classis"ৰ পৰা আহিছে, যাৰ অর্থ হৈছে ৰোমান লোকসকলৰ বিভাজন, শিক্ষার্থীৰ শ্রেণী বা এক ধৰণৰ গোট। শ্রেণীয়ে মানুহৰ এক সমজাতীয় গোটে ভোগ কৰা বা সহ্য কৰা সামাজিকভাৱে গুৰুত্বপূৰ্ণ অর্থনৈতিক অৱস্থা, অর্থনৈতিক সুবিধা বা অসুবিধাক বুজায়। জাতিৰ তুলনাত শ্রেণী তুলনামূলকভাৱে অধিক মুক্ত, কাৰণ ইয়াত সামাজিক গতিশীলতা সম্ভৱ আৰু ই ব্যক্তিগত অর্জন (achievement)ৰ ওপৰত নির্ভৰ কৰে।

Karl Marx-ৰ মতে শ্রেণী হৈছে সামাজিক স্তৰীকৰণৰ ভিত্তি। তেওঁ কৈছে যে উৎপাদন ক্ষমতা বৃদ্ধি পালে সমাজত শ্রেণীৰ উদ্ভৱ হয়। তেওঁৰ মতে শ্রেণী হৈছে উৎপাদনৰ মাধ্যমৰ সৈতে থকা সম্পর্কৰ ভিত্তিত গঠিত ব্যক্তিসমূহৰ গোট। এই সম্পর্কৰ ভিত্তিত সমাজত মূলত দুটা বৃহৎ শ্রেণী গঠন হয়—উৎপাদনৰ মাধ্যমৰ মালিক (haves) আৰু শ্রম বিক্রী কৰা কিন্তু উৎপাদনৰ মাধ্যমৰ মালিক নোহোৱা শ্রমিকসকল (have-nots)। যদিও ইতিহাসৰ বিভিন্ন যুগত আন আন সামাজিক গোট (যেনে apprentice, guildmaster আদি) আছিল, সিহঁত বিশে-ষণাত্মকভাৱে মূল শ্রেণী পৰিৱর্তনৰ কেন্দ্র নহয়।

মালিক (haves) আৰু মালিক (have-nots)-ৰ মাজৰ সংঘাতেই সমাজ পৰিৱর্তনৰ মূল কাৰণ। haves হৈছে সংখ্যালঘু কিন্তু অধিক সম্পদৰ মালিক শ্রেণী, যি শাসক বা আধিপত্যশীল শ্রেণী গঠন কৰে; আনহাতে have-nots হৈছে সংখ্যাগৰিষ্ঠ কিন্তু সম্পদহীন শ্রেণী, যিসকল শোষিত বা অধীনস্থ শ্রেণী। ইতিহাসৰ বিভিন্ন যুগত এই শ্রেণীসমূহ ভিন্ন নামেৰে জনা যায়—দাস সমাজত মালিক আৰু দাস (master আৰু slave), সামন্তবাদী সমাজত প্রভু আৰু কৃষিদাস (lord আৰু serf), আৰু পুঁজিবাদী সমাজত বুর্জোৱা আৰু প্রলেতাৰিয়াত (bourgeoisie আৰু proletariat)। সেয়ে Marx-ৰ মতে সকলো ইতিহাস হৈছে শ্রেণীসংঘাতৰ ইতিহাস, যি শেষত কমিউনিষ্ট -সমাজত শ্রেণীহীন সমাজত পৰিণত হ'ব।

Max Weber-ৰ মতে শ্রেণী হৈছে এনে এক গোট, য'ত লোকসকলে বজাৰ ব্যৱস্থাত নিজৰ জীৱনৰ সুযোগ (life chances)ৰ ক্ষেত্রত একেধৰণৰ অর্থনৈতিক অৱস্থা ভোগ কৰে। Marx-ৰ তুলনাত Weber-এ শ্রেণীক কেৱল উৎপাদনৰ মাধ্যমৰ মালিকীত সীমাবদ্ধ নকৰে; তেওঁ বজাৰত প্রদান কৰিব পৰা সেৱা বা দক্ষতাকো অন্তর্ভুক্ত কৰে। তেওঁৰ মতে স্তৰীকৰণৰ তিনিটা মুখ্য মাত্রা আছে—শ্রেণী (class), প্রস্থিতি (status) আৰু দলক্ষেমতা (party)।

প্রস্থিতি (Status) হৈছে ব্যক্তিসকল বা গোটসমূহক সমাজে দিয়া সম্মান বা প্রতিপত্তিৰ ওপৰত ভিত্তি কৰি কৰা স্থান নির্ধাৰণ। এই প্রতিপত্তি জন্ম, পৰিয়াল, জাতি, পেশা, শিক্ষা, সম্পত্তি, জীৱনশৈলী আদি মানদণ্ডৰ ওপৰত নির্ভৰ কৰে। প্রস্থিতি জন্মলব্ধ বা স্বলব্ধ দুয়োটা ধৰণে হ'ব পাৰে। প্রস্থিতি গোট (status group) হৈছে একে জীৱনশৈলী আৰু সমান সম্মান ভোগ কৰা লোকৰ গোট। শ্রেণীৰ তুলনাত, প্রস্থিতি বজাৰ ব্যৱস্থাই সৃষ্টি কৰা জীৱন-সুযোগৰ ওপৰত সম্পূর্ণভাৱে নির্ভৰশীল নহয়। শ্রেণী অর্থনৈতিক উৎপাদন আৰু মালিকীত নির্ধাৰিত হয়, আনহাতে প্রস্থিতি সামাজিক প্রতিপত্তিৰ ওপৰত ভিত্তি কৰে।

দল (Party বা ক্ষমতা) হৈছে ৰাজনৈতিক গোট বা সংগঠন, য'ত সদস্যসকলে নিজৰ স্বার্থৰ বাবে ক্ষমতা ব্যৱহাৰ কৰে। Weber-ৰ মতে শ্রেণী, প্রস্থিতি আৰু দল পৃথক যদিও পৰস্পৰে আন্তঃসম্পর্কিত।

২.৬ ক্ষমতা

ক্ষমতা (Power) সমাজৰ স্তৰীকৰণৰ এক গুৰুত্বপূৰ্ণ মাত্রা। Max Weber-ৰ মতে ক্ষমতা হৈছে আনৰ প্রতিবাদৰ সত্ত্বেও নিজৰ ইচ্ছা প্রয়োগ আৰু বলবৎ কৰাৰ সামর্থ্য। ক্ষমতাৰ মূলত বল (force) আৰু আধিপত্য (domination) থাকে। ক্ষমতা বৈধ বা অবৈধ হ'ব পাৰে। ক্ষমতাধাৰীসকলে শাস্তি, নিষেধাজ্ঞা, পুৰস্কাৰ, উৎসাহ

আৰু বিশ্বাস উৎপন্ন কৰাৰ দৰে বিভিন্ন সম্পদ ব্যৱহাৰ কৰি আনক নিয়ন্ত্রণ কৰে।

ক্ষমতাই সামাজিক স্তৰসমূহ গঠন কৰে আৰু প্রতিপত্তিশালী (elite-এলিট) শ্রেণীৰ সৃষ্টি কৰে। ক্ষমতাৰ বিতৰণে কেৱল সমাজক স্তৰবিন্যাস নকৰে, ই ৰাজনৈতিক সংগঠনো সৃষ্টি কৰে। Weber-ৰ মতে অর্থনৈতিকভাৱে নির্ধাৰিত ক্ষমতা সামাজিক বা আইনগত ক্ষমতাৰ সৈতে সদায় একে নহয়।

Weber-এ ক্ষমতাক তিনিটা ভাগত ভাগ কৰিছে—অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষমতা; পাছত Svalastoga-এ তথ্যগত ক্ষমতা যোগ কৰিছে। Weber-এ ক্ষমতা আৰু কর্তৃত্ব (authority)ৰ মাজত পার্থক্য কৰিছে। কর্তৃত্ব সদায় বৈধ, কিন্তু ক্ষমতা বৈধ বা অবৈধ দুয়োটা হ'ব পাৰে।

কর্তৃত্বৰ তিনিটা ৰূপ হৈছে—পৰম্পৰাগত কর্তৃত্ব, কাৰিশ্মাটিক কর্তৃত্ব আৰু যুক্তি-আইনী কর্তৃত্ব। পৰম্পৰাগত কর্তৃত্ব ৰীতি-নীতি আৰু পৰম্পৰাৰ ওপৰত নির্ভৰ কৰে; উদাহৰণস্বৰূপে গোটৰ প্রধান। কাৰিশ্মাটিক কর্তৃত্ব ব্যক্তিগত গুণৰ ওপৰত নির্ভৰ কৰে; উদাহৰণ Napoleon। যুক্তি-আইনী কর্তৃত্ব নিয়ম আৰু পদবীৰ ওপৰত ভিত্তি কৰে; উদাহৰণ ভাৰতীয় সংসদ।

ক্ষমতাই ব্যক্তিগত সম্পর্কৰ লগতে বৃহৎ সামাজিক গঠন, সংগঠন আৰু চৰকাৰকো প্রভাৱিত কৰে। সংঘাত দৃষ্টিভংগীৰ মতে, সমাজত অসমান ক্ষমতা আৰু সম্পদৰ বিতৰণৰ ফলত স্তৰীকৰণ সৃষ্টি হয়। Ralf Dahrendorf-ৰ মতে সামাজিক স্তৰীকৰণ হৈছে নিয়ম, শাস্তি আৰু ক্ষমতাৰ আন্তঃসম্পর্ক।

২.৭ নৃগোষ্ঠীয়তা

নৃগোষ্ঠীয়তা (Ethnicity) হৈছে এক গোটৰ উমৈহতীয়া সাংস্কৃতিক দৃষ্টিভংগী, আচৰণ, মূল্যবোধ, বিশ্বাস, নিয়ম আৰু বৈশিষ্ট্যসমূহ, যিবোৰে এটা গোটক আন এটাৰ পৰা পৃথক কৰে। নৃগোষ্ঠীয় গোটৰ সাধাৰণ বৈশিষ্ট্যসমূহ হৈছে—সাধাৰণ সাংস্কৃতিক ঐতিহ্য, ইতিহাসবোধ, ভাষা, অঞ্চল, ধর্ম, পৰম্পৰা, পোশাক, খাদ্যাভ্যাস, সমষ্টিগত গোট-চেতনা (we-feeling) আৰু নির্দিষ্ট ভূখণ্ড বা মাতৃভূমিৰ সৈতে আত্মীয়তাৰ অনুভূতি আদি।

বৃহৎ চহৰসমূহত প্রায়ে নৃগোষ্ঠীয় আবদ্ধ অঞ্চল (ethnic enclaves) দেখা যায়, য'ত পথ-চিহ্ন, নৃগোষ্ঠীয় ৰেষ্টুৰেণ্ট, ঘৰ-নির্মাণ শৈলী, উপাসনাস্থল আৰু পোশাকৰ মাধ্যমেৰে পৃথকতা প্রকাশ পায়। এই এনক্লেভসমূহত প্রব্রজনকাৰীসকলৰ মাজত এক শক্তিশালী "আমাৰ-ভাব" (we-feeling) গঢ় লৈ উঠে আৰু তেওঁলোকে নিজৰ সংস্কৃতিৰ অংশ হিচাপে উৎসৱ পালন কৰি সামাজিক সংযোগ (নেটৱর্ক) গঢ়ি তোলে। উদাহৰণস্বৰূপে, কলকাতাৰ চায়নাটাউন অঞ্চলত চীনৰ পৰা অহা প্রব্রজনকাৰীসকলে তেওঁলোকৰ সংস্কৃতি, খাদ্য আৰু ৰন্ধনশৈলী আজিও সংৰক্ষণ কৰি ৰাখিছে।

নৃগোষ্ঠীয় পার্থক্য জন্মগত নহয়; ই সামাজিকীকৰণ (socialization)ৰ মাধ্যমেৰে শিকি লোৱা হয়। আমেৰিকা যুক্তৰাষ্ট্রত জাপান, চীন, ফিলিপাইন, কোৰিয়া আৰু মালয়েছিয়াৰ লোকসকলক একেলগে "Asian American" বুলি কোৱা হয়। বিভিন্ন নৃগোষ্ঠীক এক গোট হিচাপে একত্রিত কৰাৰ এই প্রক্রিয়াক "pan-ethnicity" বুলি কোৱা হয়।

যেতিয়া চৰকাৰী সাহায্য বা সামাজিক সেৱাৰ সুবিধা Asian American বা American Indian গোটৰ বাবে উপলব্ধ হয়, তেতিয়া ভিন্ন দেশৰ লোকসকলে এক বৃহৎ গোট হিচাপে নিজকে ভাবিবলৈ আৰম্ভ কৰে আৰু স্বাস্থ্যসেৱা, আইনী অধিকাৰ আদি ৰাজনৈতিক-সামাজিক সুবিধা লাভ কৰিবলৈ একত্রিত হয়।

এটা নৃগোষ্ঠীয় গোটৰ সংস্কৃতি আন গোটতকৈ শ্রেষ্ঠ বুলি বিশ্বাস কৰা ধাৰণাক নৃগোষ্ঠী-কেন্দ্রিকতা "ethnocentrism" বুলি কোৱা হয়। নৃগোষ্ঠীয়তা বহুক্ষেত্রত জনজাতীয় গোটসমূহৰ বাবে ৰাজনৈতিক অধিকাৰ দাবী আৰু প্রধান আঞ্চলিক সমাজৰ পৰা পৃথকতা স্থাপন কৰাৰ এক গুৰুত্বপূর্ণ চিহ্ন হৈ পৰিছে।

এই অধ্যায়ত আমি সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য আৰু ইয়াৰ বিভিন্ন প্রকাৰসমূহ অধ্যয়ন কৰিলোঁ। স্তৰীকৰণৰ প্রতিটো ৰূপ/প্রকাৰ বিশ্লেষণাত্মকভাৱে পৃথক, কিন্তু বাস্তৱত এটা ৰূপ আন এটা ৰূপৰ ওপৰত স্তৰ হিচাপে আবৃত হৈ থাকে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ প্রস্থিতি সংজ্ঞায়িত কৰক।

.....

প্রশ্ন ৫ ঃ নৃগোষ্ঠীয়তা কি?

.....

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক স্তৰীকৰণ মানৱ সমাজৰ এক বিশ্বব্যাপী বৈশিষ্ট্য; এই অধ্যায়ে স্তৰবিন্যাস (সংস্তৰণ), পার্থক্য, বর্ণ, জাতি, শ্রেণী, ক্ষমতা আৰু নৃগোষ্ঠীয়তা আদি মৌলিক ধাৰণা বুজাত সহায় কৰে।
- সংস্তৰণ হৈছে স্তৰীকৰণৰ এক নির্ধাৰক বৈশিষ্ট্য, য'ত ব্যক্তি আৰু গোটসমূহক সামাজিক প্রমূল্য, সম্পদ, প্রস্থিতি, ক্ষমতা আদি মানদণ্ডৰ ভিত্তিত পদানুক্রমীয়ভাৱে সজোৱা হয়।
- পার্থক্য হৈছে স্তৰীকৰণৰ আন এক বৈশিষ্ট্য, য'ত নির্দিষ্ট মানদণ্ডৰ ভিত্তিত ব্যক্তি আৰু গোটসমূহক একত্রিত কৰি এক ব্যৱস্থা গঠন কৰা হয়।
- সংস্তৰণ আৰু পার্থক্য বর্ণ, জাতি, শ্রেণী, ক্ষমতা আৰু নৃগোষ্ঠীয়তা আদি সকলো স্তৰীকৰণৰ ৰূপত দেখা যায়।
- বর্ণৰ অর্থ ৰং; বর্ণ ব্যৱস্থাত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্রৰ পদানুক্রমীয় বিভাজন পোৱা যায়।
- জাতি ভাৰতীয় সমাজৰ এক মুখ্য স্তৰীকৰণ ব্যৱস্থা, য'ত পেশা, প্রস্থিতি আৰু সুযোগ জন্মৰ ওপৰত নির্ভৰ কৰে।
- শ্রেণী তুলনামূলকভাৱে মুক্ত স্তৰীকৰণ, য'ত অর্জন মানদণ্ডৰ ওপৰত সামাজিক গতিশীলতা সম্ভৱ।
- ক্ষমতা হৈছে আনৰ প্রতিবাদ সত্ত্বেও নিজৰ ইচ্ছা বলবৎ কৰাৰ সামর্থ্য, আৰু ই সমাজত স্তৰ সৃষ্টি কৰে।
- নৃগোষ্ঠীয়তা হৈছে এক গোটৰ সাংস্কৃতিক বৈশিষ্ট্যসমূহৰ ভিত্তিত গঠিত পৃথকতা আৰু গোট-চেতনা।
- বাস্তৱত সকলো ধৰণৰ স্তৰীকৰণ ৰূপ একেলগে একে সমাজত স্তৰ হিচাপে বিদ্যমান থাকে।

২.৯ অধিক জানিবলৈ

1) Davis, Kingsley and Wilbert E. Moore. (1966). *Some Principles of Stratification in Reihard Bendix and Seymour*, Martin, Lipset (eds.) Class, Status and Power Stratification in Comparative Perspective. New York: The Free Press.
2) Tumin, Melvin M, 1985: *Social Stratification: The forms and Functions of Inequality*; Printice Hall.

২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সংস্তৰণত স্তৰীকৰণৰ মাপকাঠি পৰিমাণগত বা মাপযোগ্য হয়, অর্থাৎ ইয়াক কোনো সম্পত্তিৰ অধিক বা কম ৰূপত প্রকাশ কৰিব পাৰি। আনহাতে পার্থক্যত স্তৰীকৰণৰ মাপকাঠি গুণগত হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ বর্ণ মডেলৰ উৎপত্তি ঋগ্বেদত পোৱা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ জাতি হৈছে এক আন্তঃবিবাহমূলক, বংশানুগত সামাজিক গোট, যাৰ এটা নাম আৰু

কিছুমান বৈশিষ্ট্য থাকে, যিবোৰ তাৰ সদস্যসকলে অনুসৰণ কৰে আৰু নিজৰ গাওঁৰ সামাজিক পদানুক্রমত নিজৰ স্থান অনুসৰি জীৱন-ধাৰণ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রস্থিতি হৈছে কোনো ব্যক্তি বা গোটক সমাজে জন্ম, পৰিয়াল পটভূমি, নৃগোষ্ঠীয়তা, পেশা, জীৱিকা, শিক্ষা, সম্পত্তি, আয়, সমাজলৈ অৱদান, জীৱনশৈলী আদি ভিত্তিত দিয়া মান-সম্মান বা প্রতিপত্তি।

৫ নং প্রশ্নৰ উত্তৰ ঃ নৃগোষ্ঠীয়তা হৈছে এক গোটৰ মাজত ভাগ কৰা সাংস্কৃতিক দৃষ্টিভংগী, আচৰণ, মূল্যবোধ, বিশ্বাস, নিয়ম আৰু বৈশিষ্ট্যসমূহ, যিয়ে এটা গোটক আন এটাৰ পৰা পৃথক কৰে।

? ২.১১ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ জাতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ নৃগোষ্ঠীয় আবদ্ধ অঞ্চল (ethnic enclaves) কি ? উদাহৰণসহ ব্যাখ্যা কৰক।

(খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ বর্ণ আৰু জাতিৰ মাজত পার্থক্য লিখক।

প্রশ্ন ২ ঃ শ্রেণীৰ ওপৰত Marx আৰু Weber-ৰ দৃষ্টিভংগীৰ তুলনা আৰু পার্থক্য আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ সামাজিক স্তৰীকৰণৰ ধাৰণা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ সামাজিক স্তৰীকৰণ ঃ অর্থ আৰু সংজ্ঞা
৩.৩.১ সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা
৩.৩.২ নৈতিক নিৰপেক্ষতাৰ সমস্যা
৩.৩.৩ পার্থক্য, সমতা আৰু অসমতা
৩.৩.৪ অসমতাৰ গঠন ঃ ধাৰণা আৰু স্বার্থৰ গুৰুত্ব
৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৫ অধিক জানিবলৈ
৩.৬ অগ্রগতিৰ খতিয়ান
৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতাৰ ধাৰণাটো বুজিবলৈ সক্ষম হ'ব
- নৈতিক নিৰপেক্ষতাৰ সমস্যাটো বুজিবলৈ সক্ষম হ'ব
- কেনেদৰে সামাজিক গাঁথনি আৰু ইয়াৰ প্রক্রিয়াসমূহে বিভিন্ন স্তৰীকৰণক গঢ় দিয়ে আৰু সহায় কৰে, সেইটো ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

সমাজ বহুস্তৰীয় আৰু সূক্ষ্মভাৱে গঠিত, য'ত বিভিন্ন ধৰণৰ বৈচিত্র্য আৰু পার্থক্য বিদ্যমান। এই পার্থক্যসমূহ ধর্ম, লিংগ, অর্থনৈতিক অৱস্থা আদি বিভিন্ন মাপকাঠিৰ ওপৰত ভিত্তি কৰি থাকে। ফলস্বৰূপে সমাজ বিভিন্ন স্তৰত বিভক্ত আৰু স্তৰীকৃত হৈ পৰে, যাৰ ফলত সম্পদ আৰু সুবিধাসমূহৰ প্রাপ্তিত অসমতা সৃষ্টি হয়।

এই স্তৰীকৰণৰ জৰিয়তে সমাজত কিছুমান ধাৰণা আৰু বিশ্বাস ব্যৱস্থা গঢ় লৈ উঠে, যিয়ে ব্যক্তিসকলক বিভিন্ন শ্রেণী বা স্তৰত ভাগ কৰি তেওঁলোকৰ মাজত পার্থক্য সৃষ্টি কৰে। এই প্রক্রিয়াই সমাজত সমষ্টিগতভাৱে গৃহীত "পার্থক্যৰ ধাৰণা"ক পুনৰ উৎপাদন আৰু শক্তিশালী কৰে।

সামাজিক স্তৰীকৰণ বিভিন্ন ৰূপত দেখা যায় আৰু ইয়াৰ ফলাফল ভিন্ন ভিন্ন পৰিপ্রেক্ষিতত একে নহ'বও পাৰে। এই প্রক্রিয়াটো বহু সময়ত স্বাভাৱিক বুলি ধৰা হয়, যদিও বাস্তৱত ই সামাজিকভাৱে গঠিত আৰু সামাজিকভাৱে পুনৰ শক্তিশালী কৰা হয়। ই ক্ষমতা, মর্যাদা, নিয়ন্ত্রণ আৰু কর্তৃত্বৰ প্রাপ্তিৰ সৈতে ওতপ্রোতভাৱে জড়িত।

সামাজিক স্তৰীকৰণ মূলতঃ এক প্রক্রিয়া, যিয়ে সমাজৰ সদস্যসকলক এক নির্দিষ্ট শৃংখলা বা শ্রেণীবিন্যাস অনুসৰি বিভক্ত কৰে, যাৰ ফলত বিভিন্ন ধৰণৰ অসমতা সৃষ্টি হয়। উদাহৰণস্বৰূপে ভাৰতৰ জাতি ব্যৱস্থা সামাজিক স্তৰীকৰণৰ এক উৎকৃষ্ট উদাহৰণ। এই ব্যৱস্থা "পৰিত্রতা আৰু অপৰিত্রতা"ৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে, য'ত ব্যক্তিৰ জন্ম অনুসৰি তেওঁক চাৰিটা বর্ণৰ ভিতৰত একটাত অন্তর্ভুক্ত কৰা হয়—ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র। এই ব্যৱস্থাত বৃত্তি, বিবাহ, আন্তঃভোজন আদি ক্ষেত্রত কঠোৰ নিয়ম আৰু নিষেধাজ্ঞা থাকে।

এই অধ্যায়ত আমি প্রথমে সামাজিক স্তৰীকৰণৰ অর্থ আৰু বৈশিষ্ট্যসমূহ পুনৰালোচনা কৰিম, তাৰ পিছত

সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা, নৈতিক নিৰপেক্ষতাৰ সমস্যা, আৰু কেনেদৰে সামাজিক গাঁথনি আৰু প্ৰক্ৰিয়াসমূহে স্তৰীকৰণক বিভিন্ন ৰূপত গঢ় দিয়ে, সেই বিষয়সমূহ আলোচনা কৰিম।

৩.৩ সামাজিক স্তৰীকৰণ ঃ অৰ্থ আৰু সংজ্ঞা

পূৰ্বৰ অধ্যায়সমূহত আলোচনা কৰা অনুসৰি, সামাজিক স্তৰীকৰণ হৈছে সমাজত এক বিন্যস্ত ব্যৱস্থা, য'ত কিছুমান মূল্যায়নৰ ভিত্তিত সমাজৰ এটা অংশক আন অংশতকৈ অধিক সুবিধা আৰু মৰ্যাদা দিয়া হয়, যাৰ ফলত অসমতা সৃষ্টি হয়। কিন্তু এইটো মন কৰিবলগীয়া যে অসমতা আৰু পাৰ্থক্য একে নহয়, আৰু সকলো পাৰ্থক্যই সদায় অসমতা সৃষ্টি নকৰে।

"Stratification" শব্দটো ভূতত্ত্বৰ (Geology) পৰা লোৱা হৈছে, আৰু ই এক বিশ্বজনীন প্ৰক্ৰিয়া। সামাজিক স্তৰীকৰণৰ উদাহৰণ হিচাপে জাতি ব্যৱস্থা, শ্ৰেণী, বৰ্ণ, লিংগ আদি উল্লেখ কৰিব পাৰি।

এই প্ৰক্ৰিয়াৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল—

- সামাজিক স্তৰীকৰণ বিশ্বজনীন
- ই সামাজিকভাৱে গঠিত
- ই স্তৰবিন্যাসমূলক আৰু বিদ্যমান ব্যৱস্থাক স্থায়ী কৰে
- ই আন্তঃপ্ৰজন্মীয় (এক প্ৰজন্মৰ পৰা আন প্ৰজন্মলৈ শিকোৱা হয়)
- ই সম্পদ আৰু সুযোগ-সুবিধাৰ প্ৰাপ্তিত প্ৰভাৱ পেলায়
- ই একৰূপী নহয়, বিভিন্ন সমাজত বিভিন্ন ৰূপত বিদ্যমান

বিভিন্ন চিন্তাবিদে এই ধাৰণাটো এইদৰে সংজ্ঞায়িত কৰিছে—

- মেলভিন এম. টুমিন (Melvin M. Tumin): সামাজিক স্তৰীকৰণ হৈছে সমাজ বা যিকোনো সামাজিক গোটক এনে ধৰণে বিন্যস্ত কৰা, য'ত ক্ষমতা, সম্পত্তি, সামাজিক মূল্যায়ন আৰু মানসিক সন্তুষ্টিৰ ক্ষেত্ৰত অসমান পদসমূহৰ এক শৃংখলা থাকে।
- সোৰ'কিন (Sorokin): সামাজিক স্তৰীকৰণ হৈছে জনসংখ্যাক বিভিন্ন স্তৰত বিভক্ত কৰা, য'ত ওপৰৰ আৰু তলৰ স্তৰ বিদ্যমান। ইয়াৰ মূল ভিত্তি হৈছে অধিকাৰ, সুবিধা, দায়িত্ব, সামাজিক মূল্য, ক্ষমতা আৰু প্ৰভাৱৰ অসমান বিতৰণ।
- কাৰ্ল মার্ক্স (Karl Marx): মার্ক্সৰ মতে সামাজিক স্তৰীকৰণৰ মূল ৰূপ হৈছে শ্ৰেণী। সমাজ দুটা পৰস্পৰবিৰোধী শ্ৰেণীত বিভক্ত হয়, য'ত এটা শ্ৰেণীয়ে আনটোক শোষণ কৰে। উৎপাদনৰ উপায়ৰ মালিকানা থকা শ্ৰেণীয়ে ৰাজনৈতিক ক্ষমতাও লাভ কৰে।
- মে' ৱেবাৰ (Max Weber): ৱেবাৰৰ মতে স্তৰীকৰণ কেৱল অৰ্থনৈতিক নহয়; ইয়াত শ্ৰেণীৰ লগতে মৰ্যাদা (status) আৰু ক্ষমতা (power)ও গুৰুত্বপূৰ্ণ। মার্ক্সৰ বিপৰীতে, তেওঁ বিশ্বাস নকৰে যে উৎপাদনৰ উপায়ৰ মালিকানাই সদায় ৰাজনৈতিক নিয়ন্ত্ৰণ নিশ্চিত কৰে।

৩.৩.১ সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা

অসমতা হৈছে সুবিধা আৰু সম্পদসমূহৰ এক নিৰ্দিষ্ট বিতৰণ, যাৰ ফলস্বৰূপে সমাজ স্পষ্টভাৱে বিভক্ত বা স্তৰীকৃত হৈ পৰে। তাত্ত্বিক দৃষ্টিকোণৰ পৰা ক'বলৈ গ'লে, গোটসমূহৰ মাজৰ পাৰ্থক্য সদায় অসমতালৈ পৰিণত নহ'বও পাৰে, কিন্তু অসমতাৰ অস্তিত্বই সদায় পাৰ্থক্যৰ অস্তিত্বক সূচায়। ইয়াতেই পাৰ্থক্যৰ সৈতে জড়িত মূল্যই এক মাপকাঠি হিচাপে কাম কৰে, যাৰ জৰিয়তে কিছুমান লোকক আন কিছুমানৰ ওপৰত উচ্চ বা নিম্ন স্থানত স্থাপন কৰা হয়।

কিংস্লি ডেভিছ (Kingsley Davis)—এ স্তৰীকৰণৰ কাৰ্যগত (functional) প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ মতে, সমাজে কিছুমান পুৰস্কাৰ (rewards) প্ৰদান কৰিব লাগিব, যাক উৎসাহ

(inducements) হিচাপে ব্যৱহাৰ কৰিব পৰা যায়, আৰু এই পুৰস্কাৰসমূহক বিভিন্ন সামাজিক পদৰ অনুসৰি ভিন্নভাৱে বিতৰণ কৰাৰ এক ব্যৱস্থা থাকিব লাগিব। সামাজিক পদৰ সৈতে জড়িত এই পুৰস্কাৰ আৰু ইয়াৰ বিতৰণৰ ফলতেই সামাজিক স্তৰীকৰণ সৃষ্টি হয়। এই পুৰস্কাৰসমূহ অৰ্থনৈতিক প্ৰৰোচনা, নান্দনিক প্ৰৰোচনা আৰু প্ৰতীকী প্ৰৰোচনাৰ ৰূপত হ'ব পাৰে। এই ভিন্ন ধৰণৰ পুৰস্কাৰৰ বিতৰণে সামাজিক অসমতা সৃষ্টি কৰে।

ডেভিছৰ মতে, সামাজিক অসমতা হৈছে এক অচেতনভাৱে বিকশিত হোৱা ব্যৱস্থা, যাৰ জৰিয়তে সমাজে নিশ্চিত কৰে যে আটাইতকৈ গুৰুত্বপূৰ্ণ পদসমূহ উপযুক্ত আৰু যোগ্য ব্যক্তিৰ দ্বাৰা পূৰণ কৰা হয়। সেয়েহে প্ৰতিটো সমাজত কিছু পৰিমাণৰ আনুষ্ঠানিক ভাৱে স্বীকৃত অসমতা বা সামাজিক স্তৰীকৰণ থাকিবই লাগে।

ডেভিছৰ এই দৃষ্টিভংগীৰ সমালোচনা হৈছে আৰু ইয়াৰ বিপৰীতে সংঘাতবাদী (conflict) দৃষ্টিভংগীও আগবঢ়োৱা হৈছে। কার্ল মার্ক্স (Karl Marx)—এ যদিও সামাজিক স্তৰীকৰণৰ ওপৰত কোনো তত্ত্ব আগবঢ়োৱা নাছিল, তথাপিও তেওঁ সামাজিক শ্ৰেণীৰ তত্ত্ব দিছিল, যাৰ ভিত্তিত আমি সমাজত স্তৰীকৰণ বা অসমতা বুজি পাওঁ। তেওঁৰ তত্ত্ব কার্যবাদী (functionalist) দৃষ্টিভংগীৰ এক মৌলিক বিকল্প। তেওঁ সমাজৰ মুখ্য স্তৰসমূহ বুজাবলৈ "শ্ৰেণী" শব্দ ব্যৱহাৰ কৰিছিল। মার্ক্সীয় দৃষ্টিভংগীৰ মতে, স্তৰীকৰণ ব্যৱস্থাসমূহ সমাজৰ বিভিন্ন গোট আৰু উৎপাদনৰ উপায়ৰ (forces of production) মাজৰ সম্পৰ্কৰ পৰা উদ্ভৱ হয়। প্ৰাৰম্ভিক সাম্যবাদ (primitive communism) বাদ দি—যাক মার্ক্স ইতিহাসৰ প্ৰথম স্তৰ বুলি বিবেচনা কৰে—বাকী সকলো সমাজেই স্তৰীকৃত। উদাহৰণস্বৰূপে দাসত্ব ব্যৱস্থাত মালিক আৰু দাস, সামন্ততান্ত্ৰিক ব্যৱস্থাত সামন্ত প্ৰভু আৰু ভূমিদাস(Lord and Seef), আৰু পুঁজিবাদত বুৰ্জোৱা আৰু প্ৰলেতাৰিয়েট।

ৱেবাৰ (Max Weber)ৰ মতে সকলো সমাজতে সম্পদসমূহ (স্পৰ্শযোগ্য, অস্পৰ্শযোগ্য, প্ৰতীকী আৰু ভৌতিক) এক নিৰ্দিষ্ট ধৰণে বিতৰণ হয়। এই বিতৰণ সদায় অসমান আৰু ই ক্ষমতাৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত। তেওঁ কৈছে—"শ্ৰেণী, প্ৰস্থিতি গোট (status groups) আৰু দল (parties) হৈছে সমাজৰ ভিতৰত ক্ষমতাৰ বিতৰণৰ পৰিণাম।"

৩.৩.২ নৈতিক নিৰপেক্ষতাৰ সমস্যা

মানৱ সমাজক বুজিবলৈ অধ্যয়নত বস্তুনিষ্ঠতা (objectivity) বজাই ৰখাটো সামাজিক বিজ্ঞান আৰু গৱেষণাৰ এক অতি গুৰুত্বপূৰ্ণ দিশ। ৱেবাৰে বস্তুনিষ্ঠতা আৰু নৈতিক নিৰপেক্ষতা বজাই ৰখাৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰিছে। বস্তুনিষ্ঠতা হৈছে কোনো বিষয়ক নিজৰ ব্যক্তিগত মূল্যবোধ আৰু পক্ষপাতৰ ৰঙ নলগাই বিশ্লেষণ কৰাৰ ক্ষমতা।

যদিও বস্তুনিষ্ঠতা কাম্য, ই সদায় সহজে লাভ কৰিব পৰা নহয়—বিশেষকৈ প্ৰাকৃতিক বিজ্ঞানৰ দৰে নহয় সামাজিক বিজ্ঞানে। সামাজিক বিজ্ঞানত গৱেষকসকল অনুভূতি, সামাজিক অভিজ্ঞতা আৰু ব্যক্তিগত দৃষ্টিভংগীৰ দ্বাৰা প্ৰভাৱিত হয়, যাৰ ফলত সম্পূৰ্ণ বস্তুনিষ্ঠতা বজাই ৰখা কঠিন হৈ পৰে।

বস্তুনিষ্ঠতা বজাই ৰখাৰ লগতে সামাজিক বিজ্ঞানক নৈতিকভাৱে নিৰপেক্ষ (ethically neutral) হ'ব লাগিব, অৰ্থাৎ গৱেষকে নিজৰ ব্যক্তিগত ভাল-বেয়া, উচিত-অনুচিতৰ ধাৰণা গৱেষণাৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিব নালাগে। সামাজিক বাস্তৱতাক যিদৰে আছে সেইদৰে অধ্যয়ন কৰাটো উচিত।

সমালোচকৰ মতে বস্তুনিষ্ঠতা লাভ কৰাত বাধা সৃষ্টি কৰা কিছুমান কাৰক হ'ল—

- ব্যক্তিগত উদ্দেশ্য (Personal Motives): ব্যক্তিগত উদ্দেশ্যই বিশ্বাস আৰু ধাৰণাক প্ৰভাৱিত কৰিব পাৰে, যাৰ ফলত প্ৰমাণ নেদেখি গৱেষকে পক্ষপাতদুষ্ট মত গ্ৰহণ কৰিব পাৰে।
- প্ৰথা (Custom): কিছুমান বিশেষ ধৰণে চিন্তা কৰা সমাজত পৰম্পৰাগত অভ্যাসে বস্তুনিষ্ঠ চিন্তাক বাধা দিব পাৰে।
- সামাজিক পৰিস্থিতি (Social Situation): গৱেষক নিজেও সমাজৰ অংশ। সামাজিক পৰিস্থিতিয়ে বিশেষ স্বাৰ্থ আৰু আগ্ৰহ সৃষ্টি কৰে, যিয়ে পক্ষপাত আৰু পূৰ্বধাৰণা জন্ম দিয়ে।

সামাজিক স্তৰীকৰণে স্পষ্টভাৱে দেখুৱায় যে সকলো সমাজতেই কিছুমান পাৰ্থক্য বিদ্যমান। সামাজিক বিজ্ঞান গৱেষক হিচাপে ব্যক্তিয়ে নিজৰ দৃষ্টিকোণৰ পৰা সম্পূৰ্ণ মুক্ত হোৱা কঠিন। সেয়েহে নৈতিক নিৰপেক্ষতা বজাই ৰাখি তথ্য বিকৃত নকৰাকৈ অধ্যয়ন কৰাটো এক কঠিন কিন্তু অত্যন্ত গুৰুত্বপূৰ্ণ দায়িত্ব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ সামাজিক স্তৰীকৰণ কি?

.....

প্ৰশ্ন ২ ঃ নৈতিক নিৰপেক্ষতা কি?

.....

৩.৩.৩ পাৰ্থক্য, সমতা আৰু অসমতা

কিছুমান গৱেষকে সামাজিক স্তৰীকৰণ আৰু সামাজিক অসমতা শব্দ দুটাক সমাৰ্থক হিচাপে ব্যৱহাৰ কৰে আৰু তেওঁলোকে এই দুয়োটাৰ মাজত কোনো পাৰ্থক্য নেদেখে। আন এক গোট গৱেষকে যুক্তি আগবঢ়ায় যে কোনো সমাজত স্তৰীকৰণ নোহোৱাকৈও অসমতা থাকিব পাৰে। এই জটিলতাক বুজিবলৈ "পাৰ্থক্য", "সমতা" আৰু "অসমতা"—এই ধাৰণাসমূহৰ গভীৰ অনুধাৱন অত্যন্ত প্ৰয়োজনীয়।

আগতে উল্লেখ কৰা অনুসৰি, পাৰ্থক্য নিজে নিজে সদায় ক্ষতিকাৰক নহয়; ই কেৱল এইটো সূচায় যে সমাজখন একৰূপী নহয়। আনহাতে, অসমতা হৈছে এক অধিক বিকশিত অৱস্থা, য'ত কিছুমান সামাজিক চিনহৰ ভিত্তিত ব্যক্তিসকলক সুযোগ আৰু সুবিধাৰ পৰা বঞ্চিত কৰা হয়। অসমতা এক জটিল আৰু আপেক্ষিক ধাৰণা, যি ভিন্ন ভিন্ন লোকক ভিন্ন ভিন্ন ধৰণে প্ৰভাৱিত কৰে।

কাৰ্যবাদী (functional) দৃষ্টিভংগীৰ মতে, স্তৰীকৰণ সমাজৰ প্ৰয়োজন পূৰণৰ বাবে এক আৱশ্যক ব্যৱস্থা। আনহাতে, সংঘাতবাদী (conflict) দৃষ্টিভংগীয়ে ইয়াক অস্বীকাৰ কৰে আৰু কয় যে স্তৰীকৰণে এক অংশক সুবিধা দিয়ে আৰু আন অংশক বঞ্চিত কৰে। ডেভিছ-মুৰ (Davis-Moore) তত্ত্ব, যি কাৰ্যবাদী দৃষ্টিভংগীৰ অন্যতম গুৰুত্বপূৰ্ণ তত্ত্ব, কৈছে যে সামাজিক স্তৰীকৰণ এক বিশ্বজনীন ব্যৱস্থা, কাৰণ ই সমাজৰ কাৰ্যপদ্ধতি সুচাৰুৰূপে চলিবলৈ সহায় কৰে।

সামাজিক স্তৰীকৰণ আৰু সামাজিক পাৰ্থক্যৰ মাজৰ পাৰ্থক্য সূক্ষ্ম আৰু জটিল, কাৰণ বহু সময়ত এই দুয়োটা ধাৰণা একে অৰ্থত ব্যৱহাৰ কৰা হয়। পাৰ্থক্য হৈছে জৈৱিক, সামাজিক-অৰ্থনৈতিক আদি বিভিন্ন ভিত্তিত ব্যক্তি আৰু গোটসমূহৰ মাজত থকা ভিন্নতা, যাৰ ফলত সমাজত নিৰ্দিষ্ট ভূমিকা আৰু মৰ্যাদা নিৰ্ধাৰিত হয়। আনহাতে, সামাজিক অসমতা হৈছে সমাজৰ এনে এক অৱস্থা, য'ত সদস্যসকলৰ সম্পদ, ধন, মৰ্যাদা আৰু ক্ষমতাৰ প্ৰাপ্তিত ভিন্নতা থাকে।

ইয়াত ইও মন কৰিবলগীয়া যে সম্পদৰ সমান প্ৰৱেশাধিকাৰ থাকিলেও সদায় সমান ফলাফল বা পৰিণাম নিশ্চিত নহয়। মানুহৰ বুদ্ধিমত্তা আৰু প্ৰতিভাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ চাকৰি বা সম্পদ প্ৰাপ্তি ভিন্ন হ'ব পাৰে, সামাজিক পটভূমি যিয়েই নহওক। কিন্তু মার্ৱাদী চিন্তাধাৰাই এই ধাৰণাৰ বিপৰীত এক সমতাৰ ধাৰণা আগবঢ়ায়। তেওঁলোকে কয় যে সম্পদসমূহ প্ৰয়োজন অনুসৰি বিতৰণ কৰা উচিত, প্ৰতিযোগিতাৰ ভিত্তিত নহয়। সমান সুযোগ আৰু সহায় পালে নিম্ন মজুৰি চাকৰিত থকা বহু লোকেও উচ্চ পদত কাম কৰিব পাৰিলেহেঁতেন। সেয়েহে সংঘাতবাদী দৃষ্টিভংগীয়ে সামাজিক অসমতাক দুষ্প্ৰাপ্য সম্পদৰ ওপৰত হোৱা সংঘৰ্ষৰ ফল বুলি বৰ্ণনা কৰে। উদাহৰণস্বৰূপে, এজন দৰিদ্ৰ দলিত কৃষক দৰিদ্ৰ হোৱাৰ কাৰণ তেওঁৰ অলসতা নহয়, বৰঞ্চ সম্পদৰ প্ৰাপ্তিৰ অভাৱ।

ইয়াৰ পৰা বুজা যায় যে সমাজত অসমতা সৃষ্টি হোৱাৰ কোনো একমাত্ৰ কাৰণ নাই। সামাজিকভাৱে গঠিত

পার্থক্যসমূহৰ সৈতে জড়িত বিশ্বাস আৰু মূল্যবোধৰ ব্যৱস্থাই অসমতাৰ প্রথা আৰু প্রক্রিয়াসমূহক পুনৰ উৎপাদন আৰু শক্তিশালী কৰে। উদাহৰণস্বৰূপে ভাৰতৰ জাতি ব্যৱস্থা "পৱিত্রতা আৰু অপৱিত্রতা"ৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে, য'ত ব্রাহ্মণসকলক পৱিত্র আৰু শূদ্রসকলক অপৱিত্র বুলি গণ্য কৰা হয়।

ইয়াৰ লগতে চামৰ ৰঙৰ ভিত্তিত লোকসকলৰ সৈতে বৈষম্য কৰা সমাজতো অসমতা দেখা যায়। লিংগ, যৌনতা, বয়স, বৃত্তি, জাতিগত পৱিচয় আদি বিভিন্ন ক্ষেত্রতো অসমতা বিদ্যমান, য'ত লোকসকলক মূল্যায়ন কৰি বিভিন্ন স্তৰত বিভক্ত কৰা হয়। এই অসমতাসমূহে নিম্ন সামাজিক স্তৰত অৱস্থিত ব্যক্তিসকলৰ ক্ষমতা হ্রাস কৰে আৰু তেওঁলোকক সম্পদ, মর্যাদা, ধন আৰু ক্ষমতাৰ পৰা বঞ্চিত কৰে।

এইটো সামাজিক গতিশীলতা (social mobility)ৰ সৈতে জড়িত—যি ব্যক্তিৰ এক স্তৰৰ পৰা আন স্তৰলৈ গতি কৰিব পৰা ক্ষমতা বুজায়, যি উলম্ব (vertical) বা আনুভূমিক (horizontal) হ'ব পাৰে। পার্থক্য আৰু অসমতা আংশিকভাৱে জন্মগত (ascriptive) আৰু অর্জিতû স্ব-লব্ধ (achieved) প্রস্থিতিৰ ওপৰত ভিত্তি কৰি গঢ় লয়।

জন্মলব্ধ প্রস্থিতি (ascribed status) হৈছে সেই মর্যাদা যি জন্মৰ দ্বাৰা লাভ কৰা হয়, যেনে ব্রাহ্মণ বা দলিত পৱিয়ালত জন্ম লোৱা। এই মর্যাদাই জীৱনত সম্পদ প্রাপ্তিত প্রভাৱ পেলায়। আনহাতে, -লব্ধ (achieved) প্রস্থিতিৰ হৈছে ব্যক্তিগত যোগ্যতা বা সামর্থ্যৰ ভিত্তিত লাভ কৰা মর্যাদা, যেনে কৃষক পৱিয়ালৰ পৰা আহি এজন ব্যক্তি চৰকাৰী কর্মচাৰী বা অধ্যাপক হোৱা। কিন্তু ইয়াতো মন কৰিবলগীয়া যে -লব্ধ প্রস্থিতি (achieved status) লাভ কৰিবলৈও সম্পদ আৰু সুযোগৰ প্রয়োজন।

৩.৩.৪ অসমতাৰ গঠন ঃ ধাৰণা আৰু স্বার্থৰ গুৰুত্ব

উপৰোক্ত আলোচনাৰ পৰা বুজা যায় যে সামাজিক অসমতা হৈছে এক নিয়মিত আৰু গঠনমূলক প্রক্রিয়া, যিয়ে সমাজক স্তৰ আৰু শ্রেণীৰ ভিত্তিত বিন্যস্ত কৰে। কোনো সমাজতে ব্যক্তি সম্পূর্ণ সমান নহয়; পার্থক্য মানৱ সমাজৰ এক মৌলিক বৈশিষ্ট্য। মানুহে উচ্চতা, ওজন, চুলিৰ ৰং, ছালৰ ৰং, যৌন অভিমুখিতা, ভাষা, জাতিগত পৱিচয় আদি বিভিন্ন দিশত ভিন্নতা প্রদর্শন কৰে।

সমাজে যি পার্থক্যক গুৰুত্বপূর্ণ বুলি গণ্য কৰে, সেই পার্থক্যক চিহ্নিত কৰি তাৰ ওপৰত অর্থ আৰোপ কৰে। এইদৰে জৈৱিক, সামাজিক বা সাংস্কৃতিক পার্থক্যসমূহ সামাজিকভাৱে গুৰুত্বপূর্ণ অসমতালৈ ৰূপান্তৱিত হয়। এই পার্থক্যসমূহ কেনেদৰে স্তৰবিন্যাসিতû স্তৰীকৃত হ'ব, সেইটো সমাজৰ বিভিন্ন সিদ্ধান্তৰ ওপৰত নির্ভৰ কৰে—যেনে কোনবোৰ বৈশিষ্ট্য গুৰুত্বপূর্ণ বুলি গণ্য কৰা হৈছে আৰু কেনেকৈ গোটসমূহক সংজ্ঞায়িত কৰা হৈছে।

ক্ষমতাশালী গোটসমূহৰ স্বার্থ এই পার্থক্য সৃষ্টিৰ প্রক্রিয়াত গভীৰভাৱে জড়িত থাকে। বিভিন্ন ধৰণৰ স্তৰবিন্যাসৰ ফলত এজন ব্যক্তি একে সময়তে বহু গোটৰ সদস্য হ'ব পাৰে, আৰু এই গোটসমূহৰ প্রতিটো ভিন্ন স্তৰত অৱস্থিত হ'ব পাৰে।

বিশিষ্ট সমাজবিজ্ঞানী টালকট পার্সন্ছ (Talcott Parsons)—এ সামাজিক বিভাজনৰ তিনিটা কাৰণ উল্লেখ কৰিছে—

- সম্পত্তি (Possession): মূলতঃ ভৌতিক সম্পত্তি আৰু ইয়াৰ প্রাপ্তি, যি অসমতা সৃষ্টি কৰে।
- গুণ (Qualities): ব্যক্তিৰ অন্তর্নিহিত গুণসমূহ, যি সমানভাৱে বিতৰণ নহয়।
- কার্যসম্পাদন (Performance): নির্দিষ্ট সময় আৰু পৱিস্থিতিত দায়িত্ব পালন বা কাম সম্পাদন।

এই তিনিওটা উপাদান পৰস্পৰ সম্পর্কিত, আৰু ইয়াৰ মূল্যায়নৰ মানদণ্ড সমাজভেদে ভিন্ন হয়।

সমাজত সম্পদ লাভৰ সুযোগ সীমিত কৰিবলৈ সাধাৰণতে চাৰিটা প্রধান পদ্ধতি ব্যৱহাৰ কৰা হয়—বহিষ্কৰণ (exclusion), অক্ষমীকৰণ (disabling), বিচ্ছিন্নকৰণ (decoupling), আৰু কৃত্রিম অভাৱ সৃষ্টি (creating scarcity) ।

বহিষ্কৰণ: কিছুমান লোকক প্ৰতিযোগিতাৰ পৰা বাহিৰত ৰখা বা একে কামৰ বাবে অসমান পুৰস্কাৰ দিয়া।

অক্ষমীকৰণ: বঞ্চিত গোটসমূহক বিশ্বাস কৰোৱা যে তেওঁলোক সক্ষম নহয়, যেনে মহিলা বা বয়োজ্যেষ্ঠসকলক কিছুমান ক্ষেত্ৰত অযোগ্য বুলি ধৰা।

বিচ্ছিন্নকৰণ: বঞ্চিত লোকসকলক তথ্য, সুযোগ আৰু নেটৱৰ্কৰ পৰা পৃথক কৰি ৰখা।

কৃত্ৰিম অভাৱ সৃষ্টি: শীৰ্ষ পদ, চাকৰি বা শিক্ষাৰ সুযোগ সীমিত কৰি অসমতা বজাই ৰখা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ অসমতা আৰু পাৰ্থক্য একে নে?

.....

প্ৰশ্ন ৪ ঃ সম্পদৰ সমান প্ৰৱেশাধিকাৰ থাকিলে সদায় সমান ফলাফল পোৱা যায় নে?

.....

প্ৰশ্ন ৫ ঃ প্ৰস্থিতিৰ দুটা প্ৰকাৰ কি কি?

.....

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ বিভিন্ন কাৰকৰ ভিত্তিত স্তৰবিন্যস্তঃসংস্তৰিত (hierarchized) হৈ থাকে, আৰু এই স্তৰবিন্যাসে অসমতা সৃষ্টি কৰে লগতে সম্পদ আৰু সুবিধাসমূহৰ প্ৰাপ্তিত প্ৰভাৱ পেলায়।
- সামাজিক স্তৰীকৰণ হৈছে সমাজৰ সদস্যসকলক পাৰ্থক্য আৰু স্তৰ অনুসৰি বিন্যস্ত কৰাৰ এক প্ৰক্ৰিয়া, যিয়ে বিভিন্ন ধৰণৰ অসমতা সৃষ্টি কৰে। "Stratification" শব্দটো ভূতত্ত্বৰ (geology) পৰা লোৱা হৈছে আৰু ই এক বিশ্বজনীন প্ৰক্ৰিয়া।
- সামাজিক স্তৰীকৰণ বিভিন্ন ৰূপত দেখা যায় আৰু ইয়াৰ ফলাফল বিভিন্ন পৰিপ্ৰেক্ষিতত ভিন্ন হ'ব পাৰে।
- পাৰ্থক্য আৰু অসমতা একে নহয়; সকলো পাৰ্থক্যই সদায় অসমতা সৃষ্টি নকৰে।
- অসমতা হৈছে সুবিধা আৰু সম্পদৰ এক নিৰ্দিষ্ট বিতৰণ, যাৰ ফলত সমাজ স্তৰীকৃত হৈ পৰে।
- সামাজিক পদসমূহৰ সৈতে জড়িত পুৰস্কাৰ আৰু ইয়াৰ বিতৰণে সামাজিক স্তৰীকৰণ সৃষ্টি কৰে।
- কাৰ্যবাদী (functionalist) দৃষ্টিভংগীৰ মতে, স্তৰীকৰণ সমাজৰ প্ৰয়োজন পূৰণৰ বাবে আৱশ্যক।
- সংঘাতবাদী (conflict) তত্ত্বৰ মতে, স্তৰীকৰণ ব্যৱস্থা উৎপাদনৰ উপায়ৰ সৈতে সামাজিক গোটসমূহৰ সম্পৰ্কৰ পৰা উদ্ভৱ হয়।
- সংঘাতবাদী দৃষ্টিভংগীয়ে সামাজিক অসমতাক দুষ্প্ৰাপ্য সম্পদৰ ওপৰত হোৱা সংঘৰ্ষৰ ফল বুলি ব্যাখ্যা কৰে।
- বস্তুনিষ্ঠতা (objectivity) হৈছে কোনো বিষয়ক ব্যক্তিগত মূল্যবোধ আৰু পক্ষপাতৰ পৰা মুক্ত হৈ বুজা আৰু বিশ্লেষণ কৰাৰ ক্ষমতা।
- সামাজিক অসমতা হৈছে সমাজৰ এনে এক অৱস্থা, য'ত সদস্যসকলৰ সম্পদ, ধন, মৰ্যাদা আৰু ক্ষমতাৰ প্ৰাপ্তিত ভিন্নতা থাকে।
- পাৰ্থক্য হৈছে ব্যক্তি আৰু গোটসমূহৰ জৈৱিক, সামাজিক-অৰ্থনৈতিক আদি ভিত্তিত হোৱা ভিন্নতা, যাৰ ফলত সমাজত ভিন্ন ভূমিকা আৰু মৰ্যাদা নিৰ্ধাৰিত হয়।
- মানুহৰ বুদ্ধিমত্তা আৰু প্ৰতিভাৰ ওপৰত নিৰ্ভৰ কৰি, সামাজিক পটভূমি যিয়েই নহওক, সম্পদ আৰু চাকৰি বজাৰত প্ৰৱেশাধিকাৰ ভিন্ন হ'ব পাৰে।

- সমাজত অসমতা সৃষ্টি হোৱাৰ কোনো একমাত্ৰ কাৰণ নাই।
- পার্থক্য আৰু অসমতা জন্মগত (ascriptive) আৰু অর্জিত (achieved) মর্যাদাৰ ভিত্তিতো গঢ় লয়।
- জন্মলব্ধ প্রস্থিতি (ascribed status) হৈছে জন্মৰ দ্বাৰা লাভ কৰা প্রস্থিতি মর্যাদা।
- স্বলব্ধ প্রস্থিতি (achieved status) হৈছে ব্যক্তিগত যোগ্যতা বা সামর্থ্যৰ ভিত্তিত লাভ কৰা প্রস্থিতি মর্যাদা।
- সমাজত পার্থক্যসমূহ কেনেদৰে স্তৰবিন্যাসিতঊ সংস্তৰিত হ'ব, সেইটো বহু কাৰকৰ ওপৰত নির্ভৰ কৰে।
- ক্ষমতাশালী গোটসমূহৰ স্বার্থ পার্থক্য সৃষ্টি আৰু গঠন প্রক্রিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- এজন ব্যক্তি একে সময়তে বহু গোটৰ সদস্য হ'ব পাৰে, আৰু এই গোটসমূহ ভিন্ন স্তৰবিন্যাসত ভিন্ন স্থানত অৱস্থিত হ'ব পাৰে।

৩.৫ অধিক জানিবলৈ

1) Davis, K. & W. E. Moore. 1945. *Some Principles of Stratification*. American Sociological Review, 10(2):242.
2) Tumin, M. M. 1987. *Social Stratification: the forms and functions of inequality.* New Delhi: Prentice-Hall of India. [pp. 1-7].

৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীকৰণ হৈছে এক প্রক্রিয়া, যিয়ে সমাজৰ সদস্যসকলক পার্থক্য আৰু স্তৰ অনুসৰি বিন্যস্ত কৰে, যাৰ ফলত বিভিন্ন ধৰণৰ অসমতা সৃষ্টি হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক নিৰপেক্ষতা হৈছে এনে এক অৱস্থা, য'ত গৱেষকে নিজৰ ব্যক্তিগত অনুভূতি, ভাল-বেয়া, পছন্দ-অপছন্দ বা উচিত-অনুচিতৰ ধাৰণা গৱেষণাৰ ক্ষেত্রত প্রৱেশ কৰিবলৈ নিদিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ অসমতা আৰু পার্থক্য একে নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ নহয়, সম্পদৰ সমান প্রৱেশাধিকাৰ থাকিলেও সদায় সমান ফলাফল বা পৰিণাম পোৱা নাযায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রস্থিতিৰ দুটা প্রকাৰ হৈছে— জন্মলব্ধ প্রস্থিতি (Ascribed Status) আৰু স্বলব্ধ প্রস্থিতি (Achieved Status)।

৩.৭ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ সামাজিক স্তৰীকৰণৰ ধাৰণাটো সংক্ষেপে ব্যাখ্যা কৰক । ই সামাজিক অসমতাৰ পৰা কেনেদৰে পৃথক?

প্রশ্ন ২ ঃবস্তুনিষ্ঠতা (objectivity) বজাই ৰখাৰ ক্ষেত্রত থকা চেলেঞ্জসমূহ উল্লেখ কৰক ।

খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় 300—500 শব্দত লিখা)

প্রশ্ন ১ ঃ উদাহৰণসহ "অসমতাৰ গঠন" (Structuring of Inequalities) সম্পর্কে এটি টোকা লিখক ।

প্রশ্ন ২ ঃ "অসমতা" আৰু "পার্থক্য" ধাৰণাৰ মাজত সাদৃশ্য আৰু পার্থক্য কি? উদাহৰণসহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ স্তৰীকৰণৰ ওপৰত কার্যবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ স্তৰীকৰণৰ কার্যবাদী দৃষ্টিভংগী
৪.৩.১ পার্সনৰ স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী
৪.৩.২ ডেভিছ আৰু মুৰৰ স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী
৪.৩.৩ কার্যবাদী দৃষ্টিভংগীৰ সমালোচনা
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্তৰীকৰণৰ ওপৰত কার্যবাদী দৃষ্টিভংগীৰ মৌলিক ধাৰণাসমূহ জানিব পাৰিব,
- এই দৃষ্টিভংগীৰ সৈতে জড়িত চিন্তাবিদসকলৰ সৈতে পৰিচিত হ'ব পাৰিব,
- বিভিন্ন কার্যবাদী চিন্তাবিদৰে সামাজিক স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব,
- স্তৰীকৰণৰ ওপৰত কার্যবাদী দৃষ্টিভংগীৰ সমালোচনাসমূহ আলোচনা কৰিব পাৰিব ।

৪.২ পৰিচয়

আগৰ অধ্যায়সমূহত আমি সামাজিক স্তৰীকৰণৰ অর্থ আৰু ইয়াৰ "পার্থক্য" আৰু "অসমতা"ৰ সৈতে ধাৰণাগত পার্থক্যৰ বিষয়ে শিকিছোঁ। সামাজিক স্তৰীকৰণক বিভিন্ন চিন্তাবিদে বিভিন্ন দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিছে, সেয়েহে ইয়াক বুজিবলৈ একাধিক তাত্ত্বিক দৃষ্টিভংগী বিদ্যমান। এই অধ্যায়ত আমি স্তৰীকৰণৰ কার্যবাদী দৃষ্টিভংগী আৰু এই দৃষ্টিভংগীৰ সৈতে জড়িত চিন্তাবিদসকলৰ মতামত আলোচনা কৰিম।

ইয়াৰ আগতে প্রথমে কার্যবাদ (Functionalism) তাত্ত্বিক দৃষ্টিভংগীটো বুজা প্রয়োজন।

কার্যবাদী (Structural Functionalism) **দৃষ্টিভংগী**

Structural functionalism বা কার্যবাদে সমাজৰ গাঁথনি (social structures)ৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যিবোৰে সমাজক সামগ্রিকভাৱে গঠন কৰে বুলি ধৰা হয়। এই দৃষ্টিভংগীৰ মতে সমাজ হৈছে বহুতো পৰস্পৰ সংযুক্ত অংশৰ এক ব্যৱস্থা, যি একেলগে কাম কৰি এক সম্পূর্ণ একক গঠন কৰে।

এই চিন্তাধাৰা হার্বার্ট স্পেন্সাৰ (Herbert Spencer), এমিল ডুর্খাইম (Emile Durkheim), টালকট পার্সন্ছ (Talcott Parsons) আৰু ৰবার্ট মার্টন (Robert Merton) আদি চিন্তাবিদৰ কৃতিত্বত বিকশিত হয়। ই আমেৰিকান সমাজতত্ত্বত এক প্রধান দৃষ্টিভংগী হিচাপে পৰিগণিত হয়।

ধ্রুপদী কার্যবাদী চিন্তাবিদসকলে সমাজক জৈৱিক জীৱৰ সৈতে তুলনা কৰিছিল। সেয়েহে তেওঁলোকে সামাজিক কার্য (social function)ৰ ধাৰণা জৈৱিক ব্যৱস্থাৰ পৰা গ্রহণ কৰিছিল। এই দৃষ্টিভংগীত বৈজ্ঞানিক পদ্ধতি (scientific method) অতি গুৰুত্বপূর্ণ, কাৰণ সমাজকো এক সংগঠিত জৈৱিক ব্যৱস্থা হিচাপে বৈজ্ঞানিকভাৱে অধ্যয়ন কৰিব লাগে বুলি ধৰা হয়।

কার্যবাদৰ মূল নীতিসমূহ

- সমাজ হৈছে বহু অংশযুক্ত জটিল ব্যৱস্থা, যাৰ অংশসমূহ পৰস্পৰ নির্ভৰশীল।
- প্রতিটো অংশৰ এক নির্দিষ্ট কার্য থাকে, যি সমাজৰ স্থিতিশীলতাৰ বাবে প্রয়োজনীয়।
- সমাজসমূহ সমতা আৰু সমন্বয় (equilibrium)ৰ দিশে আগবাঢ়ে।
- সকলো সামাজিক গাঁথনিয়ে সমাজৰ স্থিতিশীলতা বজাই ৰখাত সহায় কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কার্যকৰিতাবাদী দৃষ্টিভংগীয়ে সমাজক কেনেদৰে ব্যাখ্যা কৰে?

.....

প্রশ্ন ২ঃ ধ্রুপদী কার্যকৰিতাবাদীসকলৰ ধাৰণা আৰু জীৱবৈজ্ঞানিক দৃষ্টিভংগীৰ মাজত কি ধৰণৰ সম্পর্ক পৰিলক্ষিত হয়?

.....

৪.৩ স্তৰীকৰণৰ কার্যবাদী দৃষ্টিভংগী

কার্যবাদী দৃষ্টিভংগীৰ মতে সমাজৰ প্রতিটো অংশৰ বিশেষ কার্য থাকে, যিয়ে সমাজৰ স্থিতিশীলতা বজাই ৰাখে। সামাজিক শৃংখলা (social order) আৰু সমন্বয় এই তত্ত্বৰ কেন্দ্রীয় বৈশিষ্ট্য। এই দৃষ্টিভংগীৰ মতে সামাজিক স্তৰীকৰণো সমাজৰ কার্য সম্পাদনৰ বাবে এক প্রয়োজনীয় ব্যৱস্থা।

৪.৩.১ পার্সনৰ স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী

টালকট পার্সন্ছ সমাজতত্ত্বত "স্বাধীনতা" আৰু "শৃংখলা"ৰ প্রশ্ন উত্থাপন কৰা প্রথম চিন্তাবিদসকলৰ ভিতৰত এজন। তেওঁ হার্ভার্ড বিশ্ববিদ্যালয়ত সমাজতত্ত্ব বিভাগৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

পার্সনৰ মতে সমাজত শৃংখলা কেনেকৈ গঢ় লয় আৰু কেনেকৈ মান আৰু মূল্যবোধে সমাজক স্থিতিশীল কৰি ৰাখে—এইটো বুজাটো অতি গুৰুত্বপূর্ণ। তেওঁৰ Structural Functionalism তত্ত্বৰ উদ্দেশ্য আছিল এক বৃহৎ তত্ত্ব (grand theory) গঠন কৰা, যিয়ে সামাজিক আচৰণ ব্যাখ্যা কৰিব পাৰে।

তেওঁৰ ওপৰত ডুর্খাইম, ৱেবাৰ আৰু মার্ৰ গভীৰ প্রভাৱ আছিল। ডুর্খাইমৰ "social facts" ধাৰণাক তেওঁ গ্রহণ কৰিছিল, য'ত সামাজিক বাস্তৱতা ব্যক্তিৰ বাহিৰত বিদ্যমান আৰু ব্যক্তিৰ ওপৰত নিয়ন্ত্রণ ৰাখে বুলি কোৱা হয়।

পার্সনে ডুর্খাইমৰ বাহ্যিক সামাজিক গাঁথনি আৰু ৱেবাৰৰ subjective meaning তত্ত্ব একত্রিত কৰি "Action Theory" বিকাশ কৰিছিল। তেওঁৰ মতে প্রমূল্য (values) সমাজত মানৱ আচৰণৰ মূল ভিত্তি।

AGIL Model (Parsons)

- A — Adaptation: পৰিৱেশৰ সৈতে খাপ খোৱা ক্ষমতা
- G — Goal Attainment: লক্ষ্য নির্ধাৰণ আৰু সেয়া অর্জন
- I — Integration: সমাজৰ একতা আৰু সমন্বয় বজাই ৰখা
- L — Latency: প্রমূল্য আৰু বিশ্বাস ব্যৱস্থা সংৰক্ষণ

পার্সনৰ মতে সামাজিক স্তৰীকৰণ

পার্সনে সামাজিক স্তৰীকৰণক এইদৰে সংজ্ঞায়িত কৰিছে—"সামাজিক ব্যৱস্থাৰ ভিতৰত ব্যক্তিসকলক উচ্চ আৰু নিম্ন হিচাপে ভিন্নভাৱে শ্রেণীবদ্ধ কৰা প্রক্রিয়া।"

তেওঁৰ মতে সমাজত প্রমূল্যবোধ (common value system)ৰ ভিত্তিত মানুহৰ ভূমিকা মূল্যায়ন কৰা

হয়। যিসকলে সমাজৰ গুৰুত্বপূর্ণ মূল্যবোধ অধিক ভালদৰে পালন কৰে, তেওঁলোকে অধিক উচ্চ প্রস্থিতি/মর্যাদা লাভ কৰে।

AGIL অনুসৰি উপ-ব্যৱস্থা

- Adaptive subsystem — অর্থনীতি
- Goal attainment subsystem — চৰকাৰ
- Pattern maintenance subsystem — পৰিয়াল আৰু শিক্ষা
- Integrative subsystem — আইন, আদালত, ধর্ম

পার্সনৰ স্তৰীকৰণ তত্ত্বৰ সাৰাংশ

সমাজত ব্যক্তিৰ স্থান মূল্যায়নৰ ওপৰত নির্ভৰ কৰে।

মূল্যায়ন সাধাৰণ প্রমূল্যবোধৰ ভিত্তিত হয়।

প্রমূল্যবোধ সমাজৰ গাঁথনিৰ দ্বাৰা গঢ় লয়।

প্রাথমিক উপ-ব্যৱস্থাৰ দ্বাৰা স্বীকৃত আৰু সমর্থিত প্রমূল্যবোধসমূহ সর্বাধিকভাৱে অনুসৰণ কৰা ব্যক্তিসকলে সমাজত উচ্চ প্রস্থিতি লাভ কৰে আৰু লগতে সম্পদ, আয় আদি বিভিন্ন ধৰণৰ পুৰস্কাৰো লাভ কৰে।

৪.৩.২ ডেভিছ আৰু মুৰৰ স্তৰীকৰণ সম্পর্কীয় দৃষ্টিভংগী

কিংস্লি ডেভিছ (Kingsley Davis) আৰু উইলবার্ট মুৰ (Wilbert Moore)-এ ১৯৪৫ চনত স্তৰীকৰণৰ নীতিসমূহ সম্পর্কে তেওঁলোকৰ বিখ্যাত গৱেষণাপত্র প্রকাশ কৰিছিল। তেতিয়াৰ পৰাই এই তত্ত্বটো কার্যবাদী চিন্তাধাৰাৰ এক গুৰুত্বপূর্ণ অংশ হিচাপে পৰিগণিত হৈ আহিছে। এই কৃতি আজিও স্তৰীকৰণ অধ্যয়নত অত্যন্ত প্রাসংগিক।

ডেভিছ আৰু মুৰৰ তত্ত্বৰ মূল ধাৰণা হৈছে যে সুকলমে পৰিচালিত সমাজে নিজৰ সদস্যসকলক বিভিন্ন সামাজিক পদত বিতৰণ কৰিব লাগিব আৰু সেই পদসমূহৰ দায়িত্ব পালন কৰিবলৈ তেওঁলোকক প্রেৰণা দিব লাগিব। তেওঁলোকৰ মতে—

"সামাজিক অসমতা হৈছে এক অচেতনভাৱে বিকশিত হোৱা ব্যৱস্থা, যাৰ জৰিয়তে সমাজে নিশ্চিত কৰে যে আটাইতকৈ গুৰুত্বপূর্ণ পদসমূহ যোগ্য ব্যক্তিৰ দ্বাৰা পূৰণ হয়।"

তেওঁলোকৰ মতে, প্রতিখন সমাজে—সৰল বা জটিল যিয়েই নহওক—ব্যক্তিসকলক মর্যাদা আৰু সন্মানৰ ভিত্তিত ভিন্ন স্তৰত ভাগ কৰিবই লাগে, আৰু কিছু পৰিমাণৰ আনুষ্ঠানিক অসমতা (institutionalized inequality) থাকিবই লাগে।

ডেভিছ আৰু মুৰৰ ধাৰণাসমূহ সংক্ষেপে এইদৰে বুজিব পাৰি—

- সমাজত বহুতো পদ থাকে, য'ত কিছুমান পদ আনতকৈ অধিক গুৰুত্বপূর্ণ। এই পদসমূহ পূৰণ কৰিবলৈ দক্ষ লোকৰ অভাৱ থাকে, কাৰণ উচ্চ দক্ষতা, সময় আৰু প্রশিক্ষণৰ প্রয়োজন হয়।
- দক্ষ ব্যক্তিসকলে এই দক্ষতা আহৰণ কৰিবলৈ সময় আৰু সম্পদ বিনিয়োগ কৰে, সেয়েহে সমাজে তেওঁলোকক ভৱিষ্যতে ভিন্ন ধৰণৰ পুৰস্কাৰ দিয়ে—যেনে আর্থিক সুবিধা, আৰামদায়ক বস্তু, আৰু আত্মসন্মান বৃদ্ধিৰ সুবিধা।
- এই ধৰণৰ অসমান পুৰস্কাৰ ব্যৱস্থা সামাজিক প্রয়োজনীয়তা, কাৰণ ই নিশ্চিত কৰে যে গুৰুত্বপূর্ণ পদসমূহ যোগ্য ব্যক্তিৰ দ্বাৰা পূৰণ হয়। সেয়েহে সামাজিক অসমতা সমাজৰ এক কার্যগত (functional) প্রয়োজন।

ডেভিছ আৰু মুৰৰ মতে, কোনো পদৰ মর্যাদা নির্ধাৰণ কৰে দুটা বিষয়ে ঃ

(a) সমাজৰ বাবে সেই পদৰ গুৰুত্ব, আৰু

(b) সেই পদৰ বাবে প্রয়োজনীয় প্রশিক্ষণ বা প্রতিভাৰ পৰিমাণ।

তেওঁলোকৰ মডেলটো এক ধৰণৰ শ্রম বজাৰ (labour market) মডেল, য'ত দক্ষ শ্রমৰ যোগান আৰু

চাহিদাৰ ওপৰত ভিত্তি কৰি বেতন আৰু পুৰস্কাৰ নির্ধাৰিত হয়। তেওঁলোকৰ মতে, যি পদ সহজে পূৰণ কৰিব পাৰি, সেই পদৰ বেতন আৰু পুৰস্কাৰ কম হ'ব পাৰে; কিন্তু যি পদ গুৰুত্বপূর্ণ অথচ কঠিনভাৱে পূৰণযোগ্য, সেই পদৰ বেতন আৰু পুৰস্কাৰ অধিক হ'ব লাগিব।

ডেভিছ আৰু মুৰৰ তত্ত্বৰ অন্যতম শক্তিশালী সমালোচনা আগবঢ়াইছিল টুমিনে (Melvin M. Tumin, 1953)। তেওঁৰ মতে, সামাজিক অসমতা সমাজৰ কার্যকৰিতাৰ বাবে আৱশ্যক নহয়। তেওঁৰ মতে—

"সামাজিক স্তৰীকৰণ ব্যৱস্থাই সমাজৰ প্রতিভাৰ সম্পূর্ণ সম্ভাৱনা উন্মোচনত বাধা দিয়ে, কাৰণ সকলোৰে বাবে সমান প্রেৰণা, নিয়োগ পথ আৰু প্রশিক্ষণৰ সুযোগ উপলব্ধ নহয়।"

টুমিনৰ মতে, বহুতো যোগ্য ব্যক্তি বিভিন্ন সামাজিক বাধাৰ বাবে উচ্চ পদত প্রৱেশ কৰিব নোৱাৰে। ইয়াৰ লগতে, কোন পদ অধিক গুৰুত্বপূর্ণ সেইটো সদায় বস্তুনিষ্ঠভাৱে নির্ধাৰণ কৰিব নোৱাৰি; সাধাৰণতে ক্ষমতাশালী গোটে এই সিদ্ধান্ত নিয়ন্ত্রণ কৰে।

টুমিনে আৰু কৈছে যে স্তৰীকৰণ ব্যৱস্থাই প্রতিপত্তিশালী ûএলিট (Elite) শ্রেণীক এনে ক্ষমতা দিয়ে, যাৰ দ্বাৰা তেওঁলোকে নিজৰ আধিপত্যক "স্বাভাৱিক", "যুক্তিসংগত" আৰু "নৈতিকভাৱে সঠিক" বুলি সমাজত গ্রহণযোগ্য কৰি তোলে। সেয়েহে স্তৰীকৰণ ব্যৱস্থা মূলতঃ এক সংৰক্ষণশীল (conservative) শক্তি হিচাপে কাম কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ পার্সনৰ চিন্তাধাৰাত প্রভাৱ পেলোৱা চিন্তাবিদ সকল কোন কোন?

.....

প্রশ্ন ৪ ঃ পার্সনৰ মতে স্তৰীকৰণৰ সংজ্ঞা কি?

.....

প্রশ্ন ৫ ঃ পার্সনৰ চাৰিটা মুখ্য উপ-ব্যৱস্থা কি কি?

.....

প্রশ্ন ৬ ঃ ডেভিছ আৰু মুৰৰ তত্ত্বৰ আটাইতকৈ শক্তিশালী সমালোচক কোন?

.....

৪.৩.৩ কার্যবাদী দৃষ্টিভংগীৰ সমালোচনা

কার্যবাদী তত্ত্বক বিভিন্ন চিন্তাধাৰাৰ বহু গৱেষকে সমালোচনা কৰিছে। ইয়াৰ ওপৰত আটাইতকৈ গুৰুত্বপূর্ণ সমালোচনা হৈছে—কার্যবাদী দৃষ্টিভংগীয়ে এই ধাৰণা আগবঢ়ায় যে সমাজত বিভিন্ন ভূমিকা আৰু পদসমূহৰ মূল্য নির্ধাৰণৰ ওপৰত এক সাধাৰণ সামাজিক সহমত (social consensus) বিদ্যমান। কিন্তু বাস্তৱত এই ধৰণৰ সহমত সদায় বিদ্যমান নহয়। কোন পদ অধিক উচ্চ বা নিম্ন বুলি ধৰা হয়, সেইটো ইতিহাস, সমাজ আৰু অর্থনৈতিক পৰিস্থিতিৰ দ্বাৰা নির্ধাৰিত হয়, যিটো কার্যবাদী তত্ত্বত বিবেচনা কৰা নহয়।

আন এক গুৰুত্বপূর্ণ সমালোচনা হৈছে—কার্যবাদী চিন্তাধাৰাই এইটো বিবেচনা নকৰে যে সকলোৰে বাবে প্রতিভা বা দক্ষতা আহৰণৰ সমান সুযোগ উপলব্ধ নহয়। সমাজত বহুতো গাঁথনিগত বাধা (structural barriers) থাকে, যাৰ ফলত সকলো ব্যক্তি সমান প্রতিযোগিতাৰ সুযোগ নাপায়।

টুমিনৰ সমালোচনাৰ ওপৰত ভিত্তি কৰি বহু সমালোচকে কৈছে যে কার্যবাদী তত্ত্বই অসমতাক স্বাভাৱিক আৰু আৱশ্যক বুলি ব্যাখ্যা কৰি বাস্তৱত ইয়াক ন্যায্যতা দিয়া চেষ্টা কৰে। সেয়েহে এই তত্ত্বক কেতিয়াবা স্থিতাৱস্থা (status quo) বজাই ৰখাৰ মতাদর্শগত সমর্থন" বুলিও কোৱা হয়।

আন এক সমালোচনা হৈছে—কার্যবাদী তত্ত্বত যুক্তিৰ পুনৰাবৃত্তি (tautological fallacy) দেখা যায়।

কাৰণ ই প্ৰথমে কয় যে গুৰুত্বপূৰ্ণ পদসমূহ অধিক পুৰস্কৃত হয়, আৰু তাৰ পিছত সেই পুৰস্কাৰকেই সেই পদৰ গুৰুত্বৰ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰে।ইয়াৰ উপৰিও, সমাজত "গুৰুত্বপূৰ্ণ" কি সেইটোও স্পষ্ট নহয়, আৰু এইটো কোনে নিৰ্ধাৰণ কৰে সেই প্ৰশ্নটোও কার্যবাদী তত্ত্বত যথেষ্ট বিশে-ষণ নোহোৱা থাকে।

আধুনিক সমালোচনাই এইটোও কয় যে সম্পদৰ অভাৱ (scarcity) প্ৰাকৃতিক নহয়, ই বহু ক্ষেত্ৰত কৃত্ৰিমভাৱে সৃষ্টি কৰা হয়। কিন্তু বাস্তৱত পুৰস্কাৰসমূহৰ অভাৱ কৃত্ৰিমভাৱে সৃষ্টি কৰা হয়। সেয়েহে, এই অভাৱৰ সৃষ্টি কৰা শক্তি আৰু কাৰকসমূহৰ অনুসন্ধান কৰাটো প্ৰয়োজনীয়। সামাজিক স্তৰীকৰণৰ কার্যকৰিতাবাদী ব্যাখ্যাসমূহত যিদৰে এই বিষয়টোক উপেক্ষা কৰা হৈছে । কার্যকৰিতাবাদী দৃষ্টিভংগীয়ে এই বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ নকৰাত ইয়াৰ বহু গুৰুত্বপূৰ্ণ দিশ অনালোচিত হৈ ৰৈ গৈছে। সামাজিক স্তৰীকৰণৰ ক্ষেত্ৰত কার্যকৰিতাবাদী দৃষ্টিভংগী, বিশেষকৈ পার্ছনছে আগবঢ়োৱা ব্যাখ্যাসমূহ অত্যধিক তাত্ত্বিক আৰু বিমূৰ্ত প্ৰকৃতিৰ আছিল। সেইবাবে, এই ধাৰণাসমূহক অভিজ্ঞতালব্ধ তথ্যৰ ভিত্তিত পৰীক্ষা কৰি ইয়াৰ বৈধতা নিৰ্ণয় কৰাটো কঠিন আছিল।

উপৰোক্ত সমালোচনা আৰু দুৰ্বলতাসমূহৰ পৰিণতিত ১৯৭০-ৰ দশকৰ শেষভাগলৈকে কার্যকৰিতাবাদ সমাজতত্ত্বৰ প্ৰধান তাত্ত্বিক প্ৰতিমান হিচাপে নিজৰ আধিপত্য হেৰুৱায়। তথাপি, সমাজ, সামাজিক কর্তা আৰু সামাজিক কার্যকলাপৰ বিশে-ষণৰ বাবে এই ধাৰাই আগবঢ়োৱা ধাৰণা, তাত্ত্বিক কাঠামো আৰু বিশে-ষণাত্মক পৰিভাষাসমূহৰ গুৰুত্বৰ বাবেই ইয়াৰ প্ৰভাৱ আজিও সমাজতাত্ত্বিক চিন্তাধাৰাত সুস্পষ্টভাৱে বিদ্যমান।

৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কার্যবাদে সমাজৰ গাঁথনিক কেন্দ্ৰ কৰি সমাজক এক সম্পূৰ্ণ ব্যৱস্থা হিচাপে ব্যাখ্যা কৰে।
- সমাজ হৈছে পৰস্পৰ সংযুক্ত অংশসমূহৰ এক সংগঠিত ব্যৱস্থা।
- কার্যবাদী চিন্তাধাৰা স্পেন্সাৰ, ডুৰ্খাইম, পার্সন্ছ আৰু মার্টনৰ দ্বাৰা বিকশিত হৈছিল।
- পার্সনৰ মতে স্তৰীকৰণ সমাজৰ শৃংখলা বজাই ৰখাৰ বাবে আৱশ্যক।
- ডেভিছ আৰু মুৰৰ মতে অসমতা সমাজৰ এক কার্যগত প্ৰয়োজন।
- টুমিনে এই তত্ত্বৰ শক্তিশালী সমালোচনা আগবঢ়াইছে।
- কার্যবাদী দৃষ্টিভংগীৰ মূল সমালোচনা হৈছে—ই সামাজিক সহমত আৰু অসমতাৰ স্বাভাৱিকতাক অতিমাত্ৰা গুৰুত্ব দিয়ে।
- গাঁথনিগত বাধাৰ বাবে সকলোৰে বাবে সমান সুযোগ বাস্তৱত বিদ্যমান নহয়।

৪.৫ অধিক জানিবলৈ

1) Hess, Andreas. (2001). *Concepts of Social Stratification European and American Models*. New York: Palgrave.
2) Davis, K and Moore, W.E. (1945). *Some Principles of Stratification*. American Sociological Review, 10(2), pp. 242-249.
3) Parsons, Talcott (1937). *The Structure of Social Action*. New York: The Free Press.
4) ..... (1963). *Toward a General Theory of Action*. Mass.: Harvard University Press.
5) ..... (1954). *A Revised Analytical Approach to the Theory of Social Stratification in Talcott Parsons*, Essays in Sociological Theory. Glencoe: Free Press, pp. 386-439.

6) Tausky, Curt (1965). *Parsons on Stratification: An Analysis and Critique*. The Sociological Quarterly, Vol. 6, No. 2, pp. 128-138.

7) Tumin, Melvin M. (1953). *"Some Principles of Stratification: A Critical Analysis."* American Sociological Review 18(4): 387-393.

✓ ৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সহজ ভাষাত ক'বলৈ গ'লে, স্তৰীকৰণৰ ওপৰত কার্যবাদী দৃষ্টিভংগীয়ে সমাজত অসমতাৰ অস্তিত্বক এক কার্যগত প্রয়োজনীয়তা হিচাপে বিবেচনা কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ধ্রুপদী কার্যবাদী চিন্তাবিদসকলে সমাজক জৈৱিক জীৱ (biological organisms)ৰ সৈতে তুলনা কৰিছিল, আৰু সেইবাবে তেওঁলোকে বিকশিত কৰা সামাজিক কার্য (social function)ৰ ধাৰণাসমূহ বহুলাংশে সেই সময়ত উপলব্ধ জৈৱিক কার্যৰ মডেলৰ পৰা আহৰণ কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ এমিল ডুর্খাইম, মে' ৱেবাৰ আৰু কার্ল মার্ক্সৰ ৰচনাসমূহে পার্সনৰ চিন্তাধাৰাত গভীৰ প্রভাৱ পেলাইছিল, যাৰ ফলত তেওঁ এই চিন্তাবিদসকলৰ তত্ত্বসমূহক সমালোচনা, বিস্তাৰ আৰু সংযোজন কৰিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ পার্সনৰ মতে সামাজিক স্তৰীকৰণ হৈছে "এটা সামাজিক ব্যৱস্থাৰ ভিতৰত থকা ব্যক্তিসকলক ভিন্ন স্তৰত উচ্চ আৰু নিম্ন হিচাপে শ্রেণীবদ্ধ কৰা প্রক্রিয়া, য'ত তেওঁলোকক সামাজিকভাৱে গুৰুত্বপূর্ণ দিশসমূহত পৰস্পৰৰ তুলনাত তেনে ধৰণে আচৰণ কৰা হয়।"

৫ নং প্রশ্নৰ উত্তৰ ঃ AGIL পৰিকল্পনা অনুসৰি এটা সমাজে চাৰিটা মুখ্য উপ-ব্যৱস্থাৰ জৰিয়তে নিজৰ কার্য সম্পাদন কৰে—adaptive subsystem, goal attainment subsystem, pattern maintenance subsystem আৰু integrative subsystem।

৬ নং প্রশ্নৰ উত্তৰ ঃ ডেভিছ আৰু মুৰৰ তত্ত্ব আটাইতকৈ গুৰুত্বপূর্ণ সমালোচনাসমূহৰ ভিতৰত অন্যতম আগবঢ়াইছে টুমিনে (Tumin)।

? ৪.৭ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ ডেভিছ আৰু মুৰৰ মূল যুক্তি সংক্ষেপে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ Structural Functionalism-ৰ মূল নীতিসমূহ কি কি?

প্রশ্ন ৩ ঃপার্সনৰ AGIL ধাৰণা (AGIL Paradigm) আলোচনা কৰক।

খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ সামাজিক স্তৰীকৰণৰ ওপৰত পার্সনৰ দৃষ্টিভংগী আলোচনা কৰক।

প্রশ্ন ২ ঃ সামাজিক স্তৰীকৰণ সম্পর্কে ডেভিছ আৰু মুৰৰ বুজাবুজি ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ স্ৱীকৰণৰ ওপৰত কার্যবাদী দৃষ্টিভংগীৰ মূল সমালোচনাসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ স্তৰীকৰণৰ মাৰ্ক্সবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ কাৰ্লমাৰ্ক্স'ৰ অসমতা আৰু স্তৰীকৰণৰ তত্ত্ব (Karl Marx's Theory of Inequality and Stratification)
৫.৪ স্তৰীকৰণ সন্দৰ্ভত ছীমুৰ মাৰ্টিন লিপছেট আৰু ৰেইনহাৰ্ড বেনডিক্স'ৰ ধাৰণাসমূহ (Seymour Martin Lipset and Reinhard Bendix's Ideas on Stratification)
৫.৫ স্তৰীকৰণ সন্দৰ্ভত মেলভিন টুমিনৰ ধাৰণাসমূহ (Melvin Tumin's Ideas on Stratification)
৫.৬ স্তৰীকৰণৰ মাৰ্ক্স'বাদী দৃষ্টিভংগীৰ সমালোচনা (Criticisms of the Marxist Perspectives on Stratification)
৫.৭ অধ্যায়টিৰপৰা আমি কি কি শিকিলোঁ
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্রগতিৰ খতিয়ান
৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কার্ল মাৰ্ক্স'ৰ তাত্ত্বিক অৱদানৰ বিষয়ে জানিব পাৰিব
- মাৰ্ক্স'বাদী চিন্তাধাৰাৰ সৈতে পৰিচিত হ'ব পাৰিব
- মাৰ্ক্স'বাদী চিন্তাধাৰাৰ প্ৰধান সমৰ্থকসকলৰ অৱদান বুজিব পাৰিব
- সমাজত অসমতা আৰু স্তৰীকৰণ সম্পৰ্কে মাৰ্ক্স'বাদী তাত্ত্বিক ধাৰণাৰ বিৰুদ্ধে অনা সমালোচনাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

মাৰ্ক্স'ৰ ইতিহাসৰ বস্তুবাদী ধাৰণা আৰু শ্ৰমৰ তত্ত্ব হৈছে অন্যতম আটাইতকৈ গুৰুত্বপূৰ্ণ তাত্ত্বিক ধাৰণা, যিয়ে সমাজ, বস্তুনিষ্ঠতা আৰু ইতিহাস কেনেকৈ প্ৰকাশ পায় আৰু সামাজিক স্তৰীকৰণ আৰু অসমতাক কেনেকৈ বুজা যায়, সেই ক্ষেত্ৰত গভীৰ সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন আনিছে। 'মাৰ্ক্স'বাদ' বুলিলে কার্ল মাৰ্ক্স'ৰ (১৮১৮–১৮৮৩) তাত্ত্বিক আৰু ৰাজনৈতিক কামৰ পৰা বিকশিত হোৱা বা অনুপ্ৰাণিত হোৱা সমালোচনা, তত্ত্ব আৰু ৰাজনৈতিক আকাংক্ষাক বুজায়। শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰামৰ মাৰ্ক্স'বাদী তত্ত্বই সম্ভৱতঃ ইতিহাসৰ আন যিকোনো তত্ত্বতকৈ আমি বাস কৰা পৃথিৱীখনক অধিক গভীৰভাৱে প্ৰভাৱিত কৰিছে। মাৰ্বাদী পৰম্পৰাৰ অন্তৰ্গত পণ্ডিত আৰু কৰ্মীসকল অসমতা সম্পৰ্কীয় অধ্যয়নৰ অগ্ৰভাগত আছে আৰু পৃথিৱীৰ অসমতাৰ বিৰুদ্ধে সামাজিক আৰু ৰাজনৈতিক আন্দোলনৰ নেতৃত্ব দিছে। মাৰ্ক্স'বাদী জ্ঞানৰ কেন্দ্ৰীয় ধাৰণাটো হ'ল পুঁজিবাদ বা পুঁজিবাদী উৎপাদনে শোষণমূলক সামাজিক সম্পৰ্কৰ সৃষ্টি কৰে। মাৰ্ক্স'বাদী পণ্ডিতসকলে সমাজবাদক এনে এক সামাজিক ব্যৱস্থা হিচাপে দেখে য'ত ব্যক্তিগত সম্পত্তি আৰু শোষণৰ দৰে পুঁজিবাদী ধাৰণাসমূহ নিৰ্মূল হ'ব। শেষত, পুঁজিবাদী ব্যৱস্থাৰ পৰা সমাজবাদী ব্যৱস্থালৈ এনে পৰিৱৰ্তন বিপ্লৱৰ জৰিয়তে অৰ্জন কৰা হ'ব।

মাৰ্ক্স'বাদী শ্ৰেণী বিশ্লেষণে সামাজিক অসমতাৰ ক্ষেত্ৰত এক সম্পৰ্কীয় দৃষ্টিভংগী বিবেচনা কৰে, যাৰ দ্বাৰা শ্ৰেণীসমূহক ধাৰণাগতভাৱে বিশেষ ঐতিহাসিক পৰিস্থিতিৰ বাবে বিকশিত হোৱা বুলি বুজা যায়। শ্ৰেণী গঠনৰ

এই ঐতিহাসিক বুজাবুজিয়ে শ্রেণীসমূহে নিজৰ মাজত কেনেকৈ গতিশীলভাৱে সম্পর্ক স্থাপন কৰে তাকো বিবেচনা কৰে। এইদৰে, স্তৰীকৰণৰ মাৰ্ক্স'বাদী দৃষ্টিভংগীয়ে পূৰ্বতে প্রতিষ্ঠিত সৰল ধাৰণাটোৰ বিৰুদ্ধে যায়- য'ত কোৱা হৈছিল যে আয় বা সম্পত্তিৰ অসমতাহে শ্রেণীৰ আগমনৰ সূচক আৰু শ্রেণীসমূহৰ মাজৰ সীমাৰেখা। মাৰ্ক্স'বাদী পণ্ডিতসকলে এই ধাৰণাটো পোহৰলৈ আনিছে যে সামাজিক অসমতা শ্রেণী গঠনৰ কাৰণ নহয়, বৰঞ্চ ই শ্রেণী গাঁথনিৰ পৰিণতিহে। এই শ্রেণী গাঁথনিসমূহ নিজেই ঐতিহাসিক পৰিস্থিতিৰ অধীনত উদ্ভৱ হয়, যাক অনুসন্ধান কৰা আৰু বুজি পোৱাৰ প্রয়োজন আছে।

পূৰ্বৰ গোটত আমি সামাজিক স্তৰীকৰণৰ কার্য্যবাদী দৃষ্টিভংগী (Functionalist perspective) আলোচনা কৰিছোঁ। এই গোটত আমি সামাজিক স্তৰীকৰণৰ প্রতি মাৰ্ক্স'বাদী পণ্ডিতসকলৰ দৃষ্টিভংগী আলোচনা কৰিম।

৫.৩ কার্ল মার্ক্স'ৰ অসমতা আৰু স্তৰীকৰণৰ তত্ত্ব

কার্ল মার্ক্স' (১৮১৮-১৮৮৩) কেৱল শৈক্ষিক বিশ্লেষণতে নহয়, ৰাজনৈতিক চর্চাতো সুদূৰপ্রসাৰী আৰু অতি মৌলিক পৰিৱর্তন সাধন কৰাৰ ক্ষেত্রত সহায়ক হৈছিল। মার্ক্সে' সর্বপ্রথমে এজন ৰাজনৈতিক কর্মী আছিল কিন্তু তেওঁৰ অৱদানে পণ্ডিতসকলে অর্থনীতি, সমাজ আৰু ইতিহাসক চোৱাৰ দৃষ্টিভংগীত এক স্থায়ী প্রভাৱ পেলাই থৈ গৈছে। মার্ক্সে' অসমতাক গোটসমূহৰ মাজৰ অর্থনৈতিক বিভাজনৰ পৰা উদ্ভৱ হোৱা বুলি গণ্য কৰিছিল, কিন্তু তেওঁৰ উদ্দেশ্য কেতিয়াও আয় বা সম্পদ কেনেকৈ বিতৰণ হয় তাৰ অনুসন্ধান কৰা নাছিল। বৰঞ্চ, মার্ক্স'ৰ অনুসন্ধানৰ বিষয়বস্তু আছিল এনে অসমান আয় বিতৰণৰ কাৰণসমূহ। মার্ক্স'ৰ অসমতা আৰু স্তৰীকৰণৰ ধাৰণাত অর্থনৈতিক ক্ষেত্রখনক আটাইতকৈ মৌলিক আৰু কেন্দ্রীয় বুলি গণ্য কৰা হয় কাৰণ এইটোৱেই হৈছে সেই ক্ষেত্র য'ত সকলো উৎপাদন কার্য্যকলাপ, অর্থাৎ আটাইতকৈ মৌলিক মানৱীয় কার্য্যকলাপ সংঘটিত হয়।

মার্ক্স'ৰ "ঐতিহাসিক বস্তুবাদ" (historical materialism) বা "ইতিহাসৰ বস্তাবাদী ধাৰণা" (materialist conception of history) হেগেলৰ এই ধাৰণাৰ ওপৰত প্রতিষ্ঠিত যে দুটা বিপৰীত শক্তিৰ মাজত বিৰোধ বা সংঘাতৰ ফলত ইতিহাস গঠিত হয়। মার্ক্সে' দ্বন্দ্ববাদৰ ধাৰণাটো গ্রহণ কৰিছিল কিন্তু হেগেলৰ ভাৱবাদৰ বিপৰীতে মার্ক্সে' ইতিহাসৰ প্রকৃত শক্তিসমূহ প্রকৃত পৃথিৱীৰ বস্তুনিষ্ঠতাৰ পৰা উদ্ভৱ হোৱা বুলি গণ্য কৰিছিল। মার্ক্স'ৰ মতে, বস্তুগত পৰিস্থিতিয়েহে চেতনা নির্ধাৰণ কৰে, ইয়াৰ ওলোটাটো নহয়ঃ "হাতেৰে চলোৱা মিলে আপোনাক সামন্ত প্রভু থকা সমাজ দিয়ে, ভাপ-মিলে আপোনাক ঔদ্যোগিক পুঁজিপতি থকা সমাজ দিয়ে।"

মার্ক্স'ৰ মতে, পশ্চিমীয়া সমাজসমূহে চাৰিটা মূল উৎপাদন পদ্ধতিৰ দ্বাৰা পৰিচালিত মূল সময় পাৰ কৰিছে। এইবোৰ হ'লঃ আদিম সাম্যবাদ (primitive communism), প্রাচীন সমাজ (ancient society), সামন্তবাদী সমাজ (feudal society) আৰু শেষত, পুঁজিবাদী সমাজ (capitalist society)। উৎপাদন পদ্ধতি (modes of production) বুলি ক'লে আমি অর্থনৈতিক ব্যৱস্থাটোক বুজিব পাৰোঁ। সমাজ এখনৰ নির্দিষ্ট উৎপাদন পদ্ধতিয়ে নির্দিষ্ট উৎপাদন সম্পর্ক (relations of production) আৰু উৎপাদন শক্তিৰ (forces of production) জন্ম দিয়ে। উৎপাদন সম্পর্কই মানুহে জীৱনৰ প্রয়োজনীয়তা আৰু সা-সুবিধাসমূহ পূৰণ কৰাৰ বাবে যিবোৰ সম্পর্কত প্রৱেশ কৰে সেই সকলোবোৰ সম্পর্কক বুজায়। উৎপাদন সম্পর্কৰ কিছুমান উদাহৰণ হ'ল মালিক-কর্মচাৰীৰ কামৰ পৰিস্থিতি, শ্রমৰ কাৰিকৰী বিভাজন, আৰু সম্পত্তিৰ সম্পর্ক ইত্যাদি (গতিকে ব্যক্তিগত সম্পত্তি, ক্ষুদ্র বুর্জোৱা, সর্বহাৰাৰ দৰে কাৰক)। উৎপাদন শক্তিয়ে উৎপাদনৰ সৈতে জড়িত উপাদান আৰু প্রক্রিয়াসমূহক বুজায় য'ত কেঁচা মাল সামগ্রীলৈ ৰূপান্তৰিত হয় (যেনে সঁজুলি, মেচিন, কাৰখানা, কেঁচামাল)।

এখন নির্দিষ্ট সমাজৰ উৎপাদন পদ্ধতি দুটা অংশৰে গঠিতঃ ভেটিঃভিত্তি (base) আৰু উপৰি-গাঁথনি (superstructure)। উৎপাদন পদ্ধতিৰ অর্থনৈতিক ভিত্তিটো উৎপাদন শক্তি আৰু উৎপাদন সম্পর্কৰ সর্বমুঠ সমষ্টিৰে গঠিত, আনহাতে সমাজ এখনৰ উৎপাদন পদ্ধতিৰ উপৰি-গাঁথনিটো ৰাজনৈতিক মতাদর্শগত আৰু অন্যান্য প্রতিষ্ঠানিক ব্যৱস্থাৰ দ্বাৰা গঢ়ি উঠে। মার্ক্স'ৰ যুক্তি হ'ল যে উপৰি-গাঁথনিটো অর্থনৈতিক ভিত্তিৰ পৰাই গঢ়ি উঠে আৰু এই ভিত্তিটো অধিক প্রভাৱশালী। আনহাতে, উপৰি-গাঁথনিয়ে সমাজত বিয়পি থকা নিয়ম, মূল্যবোধ, বিশ্বাস

আৰু মতাদৰ্শৰ জৰিয়তে ভিত্তিটোক বৈধতা প্ৰদান কৰা পৰিস্থিতি সৃষ্টি কৰে। এইদৰে, এখন নিৰ্দিষ্ট সমাজত, এই অৰ্থনৈতিক ভিত্তিয়ে শাসক শ্ৰেণীৰ স্বাৰ্থক প্ৰতিফলিত কৰে যিয়ে এই ভিত্তিটোক নিয়ন্ত্ৰণ কৰে, যিটো সদায় শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ দ্বন্দ্বাত্মক বিৰোধিতা হ'ব, যি শ্ৰমিক শ্ৰেণী সংখ্যাত বহুত ডাঙৰ, কিন্তু ভিত্তিটোৰ ওপৰত কোনো ক্ষমতা নাথাকে।

মাৰ্ক্সে' কয় যে প্ৰথম উৎপাদন পদ্ধতি অৰ্থাৎ আদিম সাম্যবাদৰ বাহিৰে আন সকলো যুগত শ্ৰেণীগত অৱস্থানৰ পাৰ্থক্যৰ পৰা উদ্ভৱ হোৱা সামাজিক স্তৰীকৰণ পোৱা যায়। প্ৰাচীন সমাজত শ্ৰেণীগত পাৰ্থক্য আছিল মালিক আৰু দাসৰ মাজত, আনহাতে সামন্তবাদৰ অধীনত ই প্ৰভু আৰু ভূমিদাসলৈ (serf) পৰিৱৰ্তন হৈছিল। মাৰ্ক্স'ৰ মতে, আনকি 'আধুনিক বুৰ্জোৱা সমাজ' বা পুঁজিবাদী সমাজেও "পুৰণি শ্ৰেণীসমূহৰ স্থানত কেৱল নতুন শ্ৰেণী, উৎপীড়নৰ নতুন পৰিস্থিতি, সংগ্ৰামৰ নতুন ৰূপহে প্ৰতিষ্ঠা কৰিছে।" আচলতে মাৰ্ক্সে' আৰু কয়, "আমাৰ যুগ, অৰ্থাৎ বুৰ্জোৱা যুগৰ এটা সুকীয়া বৈশিষ্ট্য আছেঃ ই শ্ৰেণীগত বিৰোধক সৰল কৰি তুলিছে। সমগ্ৰ সমাজখন ক্ৰমান্বয়ে দুটা ডাঙৰ শত্ৰু শিবিৰত, পোনপোটীয়াকৈ ইজনে সিজনৰ মুখামুখি হোৱা দুটা ডাঙৰ শ্ৰেণীত বিভক্ত হৈ পৰিছেঃ বুৰ্জোৱা (শাসক শ্ৰেণী) আৰু সৰ্বহাৰা (শ্ৰমিক শ্ৰেণী)।"

উৎপাদনৰ উপায়সমূহৰ মালিকীস্বত্ব থকা শাসক শ্ৰেণী আৰু মজুৰি শ্ৰম প্ৰদান কৰা শ্ৰমিক শ্ৰেণীৰ মাজৰ সম্পৰ্কটো মূলতঃ দ্বন্দ্বাত্মক কাৰণ ই সংঘাতৰ লগতে নিৰ্ভৰশীলতাৰো সম্পৰ্ক। শাসক শ্ৰেণীক তেওঁলোকৰ বাবে কাম কৰিবলৈ মানুহৰ প্ৰয়োজন হয়, আনহাতে শ্ৰমিক শ্ৰেণীক নিজৰ জীয়াই থকাৰ বাবে প্ৰথম পক্ষৰ প্ৰয়োজন হয়। সৰ্বহাৰা শ্ৰেণীৰ দ্বাৰা অতিৰিক্ত মূল্য (surplus value) আহৰণৰ লগে লগে শ্ৰেণীৰ উদ্ভৱ হয়। অতিৰিক্ত মূল্য হৈছে মাৰ্ক্স'ৰ ৰাজনৈতিক অৰ্থনীতিৰ তত্ত্বৰ কেন্দ্ৰীয় ধাৰণা, যাক তেওঁ কোনো সামগ্ৰীৰ বিনিময় মূল্য বা ব্যৱহাৰিক মূল্যৰ পৰা পৃথক কৰি দেখুৱাইছে। অতিৰিক্ত মূল্য হ'ল লাভ হিচাপে সৰ্বহাৰা শ্ৰেণীৰ দ্বাৰা উৎপাদিত অতিৰিক্ত মূল্য, যিটো শ্ৰমিকসকলে তেওঁলোকৰ শ্ৰম মূল্যতকৈ অধিক কাম কৰি সৃষ্টি কৰে কিন্তু যিটো সম্পূৰ্ণৰূপে পুঁজিপতিৰ দ্বাৰা আত্মসাৎ কৰা হয়। মাৰ্ক্সে'কয়, "যি নিৰ্দিষ্ট অৰ্থনৈতিক ৰূপত বিনা পইচাৰ অতিৰিক্ত শ্ৰম পোনপটীয়া উৎপাদকসকলৰ পৰা উলিয়াই লোৱা হয়, সেয়াই শাসক আৰু শাসিতৰ সম্পৰ্ক নিৰ্ধাৰণ কৰে... ইয়াৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠে অৰ্থনৈতিক সম্প্ৰদায়ৰ সমগ্ৰ গঠন যি উৎপাদনৰ পৰিস্থিতিৰ পৰাই বিকশিত হয়, আৰু ই ইয়াৰ নিৰ্দিষ্ট ৰাজনৈতিক ৰূপো নিৰ্ধাৰণ কৰে।"

শাসক শ্ৰেণীৰ মতাদৰ্শগত, ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাসমূহে উপৰি-গাঁথনিটোক যিধৰণে গ্ৰাস কৰে, তাৰ বাবে সৰ্বহাৰা শ্ৰেণীয়ে সমাজত তেওঁলোকৰ স্থান আৰু শ্ৰেণী সম্পৰ্কৰ বিষয়ে এক 'মিছা চেতনা' (false consciousness) লৈ জীয়াই থাকে। এই মিছা চেতনা অৱশেষত শ্ৰেণী চেতনালৈ ৰূপান্তৰিত হয়। শ্ৰেণী চেতনাৰ উদ্ভৱ হয় শ্ৰমিক শ্ৰেণী এক "বস্তুনিষ্ঠ শ্ৰেণী" (objective class) বা "নিজে নিজৰ বাবে শ্ৰেণী" (class in itself) ৰ পৰা এক "ভাৱনিষ্ঠ শ্ৰেণী" (subjective class) বা "নিজৰ বাবে এক শ্ৰেণী" (class for itself) লৈ ৰূপান্তৰিত হোৱাৰ ফলত। ইয়াৰ অৰ্থ হ'ল শ্ৰমিক শ্ৰেণীয়ে নিজৰ অস্তিত্বৰ বস্তুগত পৰিস্থিতিৰ বিষয়ে কেৱল এটা বস্তুনিষ্ঠ বাস্তৱতাতকৈও অধিক সচেতন হৈ পৰে, আৰু ই সৰ্বহাৰা শ্ৰেণীৰ সদস্যসকলৰ মাজত নিজৰ অৱস্থাৰ উন্নতি সাধন কৰিবলৈ আৰু তেওঁলোক বাধ্য হোৱা শোষণমূলক গতিশীলতাক সলনি কৰিবলৈ আৰু আনটো শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ এক ঐক্যবদ্ধ হোৱাৰ কাৰণ গঠন কৰে। মাৰ্ক্সে' কয়, "এইসম্পৰ্কসমূহ উৎপাদনশীল শক্তিৰ বিকাশৰ ৰূপৰ পৰা সিহঁতৰ শৃংখললৈ পৰিৱৰ্তন হয়। তাৰ পিছত সামাজিক বিপ্লৱৰ এক যুগ আৰম্ভ হয়।"

মাৰ্ক্সে' 'দ্য কমিউনিষ্ট মেনিফেষ্টো' (১৮৪৮)-ত প্ৰকাশ কৰিছে যে"এতিয়ালৈকে বিদ্যমান সকলো সমাজৰ ইতিহাস হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস। স্বাধীন মানুহ আৰু দাস, পেট্ৰিচিয়ান আৰু প্লেবিয়ান, প্ৰভু আৰু ভূমিদাস, গীল্ড মাষ্টাৰ আৰু যাত্ৰী শ্ৰমিক, এক কথাত ক'বলৈ গ'লে উৎপীড়ক আৰু উৎপীড়িত, ইজনে সিজনৰ ধাৰাবাহিক বিৰোধিতাত থিয় দিছিল, এক নিৰৱচ্ছিন্ন, কেতিয়াবা গোপন, কেতিয়াবা প্ৰকাশ্য যুঁজ চলাই গৈছিল, যাৰ অন্ত প্ৰতিবাৰেই হয় সমগ্ৰ সমাজৰ বৈপ্লৱিক পুনৰ্গঠনৰ জৰিয়তে, নহয় সংগ্ৰামৰত শ্ৰেণীসমূহৰ উমৈহতীয়া ধ্বংসৰ জৰিয়তে হৈছিল।"

মাৰ্ক্স'ৰ লিখনিৰ মূল কেন্দ্ৰবিন্দু হৈছে তেওঁ "শ্ৰেণীহীন সমাজ" (classless society) ৰ ধাৰণাটোক প্ৰদান কৰা গুৰুত্ব। মাৰ্ক্স'ৰ মতে এইটোৱেই আছিল সামাজিক সংগঠনৰ চৰম লক্ষ্য য'ত মানুহ অৱশেষত "পূৰ্ণ মানৱ" হ'ব পাৰে। মাৰ্ক্সে'বিশ্বাস কৰিছিল যে পুঁজিবাদী উৎপাদন পদ্ধতিৰ অধীনত থকা সৰ্বহাৰা শ্ৰেণীয়েই অৱশেষত বিপ্লৱৰ জৰিয়তে শাসক শ্ৰেণীক ওফৰাই পেলাব আৰু সমাজবাদী উৎপাদন পদ্ধতিৰ নতুন যুগৰ সূচনা কৰিব, যিটো তাৰ পিছত সাম্যবাদৰ শ্ৰেণীহীন সমাজলৈ ৰূপান্তৰিত হ'ব। সৰ্বহাৰা বিপ্লৱৰ অপৰিহাৰ্য্যতা আৰু প্ৰয়োজনীয়তাৰ বিষয়ে মাৰ্ক্সে' এই প্ৰেক্ষাপটত কৈছিল, "সৰ্বহাৰাসকলৰ হেৰুৱাবলৈ একো নাই কেৱল তেওঁলোকৰ শিকলিৰ বাহিৰে। জিকিবলৈ তেওঁলোকৰ সমগ্ৰ পৃথিৱীখন আছে।"

এইদৰে আমি দেখিবলৈ পাওঁ যে যদিও মাৰ্ক্স'বাদ ৰাজনৈতিক অৰ্থনীতিৰ এক তত্ত্ব হিচাপে বিকশিত হৈছিল, তথাপিও ই ইতিহাস, মানৱীয় বস্তুনিষ্ঠতা, উগ্ৰ মানৱীয় কাৰ্য্যকলাপ আৰু আটাইতকৈ গুৰুত্বপূৰ্ণভাৱে মানুহৰ স্বাধীনতা আৰু মুক্তিৰ ওপৰত তাত্ত্বিককৰণ আৰু দৰ্শনৰ এক চহকী স্থান। মাৰ্ক্স'বাদে বিশ্বজুৰি অসংখ্য শ্ৰমিক শ্ৰেণীৰ আন্দোলনক অনুপ্ৰাণিত কৰিছে আৰু মাৰ্ক্স'ৰ লিখনী আৰু প্ৰচুৰ অৱদানে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে গভীৰ প্ৰভাৱ পেলাই আহিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ মাৰ্ক্স'বাদ কি?

.....

প্ৰশ্ন ২ঃ মাৰ্ক্স'বাদীসকলৰ কেন্দ্ৰীয় ধাৰণাসমূহ কি কি?

.....

প্ৰশ্ন ৩ঃ মাৰ্ক্সে' আলোচনা কৰা চাৰিটা মূল উৎপাদন পদ্ধতি কি কি?

.....

প্ৰশ্ন ৪ঃ উৎপাদন সম্পৰ্ক আৰু উৎপাদন শক্তিৰ মাজত পাৰ্থক্য কি?

.....

৫.৪ ছীমুৰ মাৰ্টিন লিপছেট আৰু ৰেইনহাৰ্ড বেনডিক্স'ৰ স্তৰীকৰণৰ ধাৰণাসমূহ

বেনডিক্স' আৰু লিপছেট দুয়োজনে ব্যক্তিগতভাৱে আৰু একেলগে অসমতা আৰু স্তৰীকৰণ অধ্যয়ন কৰা মাৰ্ক্স'বাদী পণ্ডিত হিচাপে উৎকৃষ্ট অৱদান আগবঢ়াইছে। বেনডিক্স' আৰু লিপছেটৰ সংকলিত কিতাপ' Class, Status and Power: A Reader in Social Stratification' (1953) সাধাৰণতে স্তৰীকৰণ আৰু বিশেষকৈ স্তৰীকৰণৰ মাৰ্ক্স'বাদী দৃষ্টিভংগীৰ প্ৰতি আগ্ৰহী যিকোনো ব্যক্তিৰ বাবে এক উৎকৃষ্ট উৎস হৈ আছে। এই খণ্ডটোত লিপছেট আৰু বেনডিক্স'ৰ দ্বাৰা সহ-লিখিত মাৰ্ক্স'ৰ শ্ৰেণী তত্ত্বৰ ওপৰত এখন গৱেষণা পত্ৰ অন্তৰ্ভুক্ত কৰা হৈছে, যিখন মাৰ্ক্স'ৰ ধাৰণাসমূহৰ মৌলিক দিশ আৰু সমালোচনাসমূহ স্পষ্ট কৰিবলৈ আৰু ভালদৰে বুজিবলৈ এক ডাঙৰ সমল হৈ আছে। কিন্তু ইয়াত আমি তেওঁলোকৰ আন এখন সহ-লিখিত গ্ৰন্থ' Social Mobility in Industrial Society' (1959) আলোচনা কৰিম, য'ত তেওঁলোকে বৃত্তিমূলক গতিশীলতাৰ (occupational mobility) প্ৰকৃতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল আৰু শ্ৰেণী গতিশীলতাৰ অধ্যয়ন কেনেকৈ বিকশিত হ'ব লাগে তাৰ ক্ষেত্ৰত এক নতুন গতি আনি দিছিল।

লিপছেট আৰু বেনডিক্স'ৰ সামাজিক গতিশীলতা গৱেষণাৰ পৰিসৰ গোলকীয় আৰু তেওঁলোকে ইয়াক এক ঐতিহাসিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰে। এই কিতাপখনত তেওঁলোকে আমেৰিকাৰ ওকলেণ্ডত কৰা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্য অন্তৰ্ভুক্ত কৰাৰ লগতে স্তৰীকৰণ আৰু সামাজিক গতিশীলতাৰ ওপৰত কৰা অন্যান্য অভিজ্ঞতাভিত্তিক অধ্যয়নৰ তথ্যও অন্তৰ্ভুক্ত কৰিছে। তেওঁলোকে সামাজিক গতিশীলতাক (social mobility)

এইদৰে সংজ্ঞায়িত কৰিছেঃ "যি প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিসকলে সমাজত এটা অৱস্থানৰ পৰা আন এটা অৱস্থানলৈ গতি কৰে- যিবোৰ অৱস্থানক সাধাৰণ সন্মতিৰ দ্বাৰা নিৰ্দিষ্ট ক্ৰমবৰ্ধমান শ্ৰেণীবিভাজনমূলক মূল্য (hierarchical values) প্ৰদান কৰা হৈছে।"

তেওঁলোকে এই কথা উল্লেখ কৰি আৰম্ভ কৰে যে সমাজতাত্ত্বিক গৱেষণাই সেই সময়ত বহুলভাৱে গ্ৰহণ কৰা তিনিটা ধাৰণাৰ বৈধতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছিলঃ "আমেৰিকা যুক্তৰাষ্ট্ৰৰ তুলনাত ইউৰোপত যথেষ্ট কম গতিশীলতা আছিল, উদ্যোগিক সমাজ পৰিপক্ক হোৱাৰ লগে লগে সামাজিক গতিশীলতা হ্ৰাস পোৱাৰ প্ৰৱণতা থাকে আৰু পৰিপক্ক উদ্যোগীকৰণৰ সৈতে ব্যৱসায়িক উচ্চবৰ্গৰ (business elite) ভিতৰত প্ৰৱেশৰ সুযোগ অধিক সীমিত হৈ পৰে।" ইয়াৰ পিছত তেওঁলোকে সমাজ আৰু অৰ্থনীতিত বৃত্তিমূলক গতিশীলতা আৰু এনে অসমতাৰ পৰিণতিৰ সৃষ্টি কৰা বিভিন্ন সামাজিক আৰু মানসিক কাৰণসমূহ চিনাক্ত কৰে আৰু সেইবোৰ ব্যাখ্যা কৰে।

লিপছেট আৰু বেনডিক্সে' তেওঁলোকৰ কামত লাভ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্তটো হ'ল, "সামাজিক গতিশীলতাৰ সামগ্ৰিক আৰ্হি বিভিন্ন পশ্চিমীয়া দেশৰ উদ্যোগিক সমাজত প্ৰায় একেই দেখা যায়.... তদুপৰি, যদিও ই স্পষ্ট যে সামাজিক গতিশীলতা ঔদ্যোগিক সমাজৰ অৰ্থনৈতিক সম্প্ৰসাৰণৰ সৈতে বহু দিশত জড়িত, তথাপিও গতিশীলতা আৰু সম্প্ৰসাৰণৰ হাৰৰ মাজত সহ-সম্পৰ্ক থকাটো অতি সন্দেহজনক।" ইয়াৰ পৰা তেওঁলোকে নিজৰ সাময়িক বাখ্যা আগবঢ়াইছিল যে" সমাজৰ সামাজিক গতিশীলতা আপেক্ষিকভাৱে উচ্চ হৈ পৰে যেতিয়া সিহঁতৰ উদ্যোগীকৰণ আৰু গতিকে অৰ্থনৈতিক সম্প্ৰসাৰণ এটা নিৰ্দিষ্ট স্তৰত উপনীত হয়।" অৰ্থাৎ অন্য কথাত, লিপছেট আৰু বেনডিক্সে' বিচাৰি পাইছে যে দেশসমূহে উদ্যোগীকৰণৰ এটা নিৰ্দিষ্ট স্তৰত উপনীত হ'লে তেওঁলোকৰ সামাজিক গতিশীলতাৰ হাৰে একেধৰণৰ বৃদ্ধি প্ৰদৰ্শন কৰে।

লিপছেট আৰু বেনডিক্স'ৰ তাত্ত্বিক ধাৰণাসমূহৰ অন্যতম মূল সমালোচনা হ'ল যে তেওঁলোকে ব্যৱহাৰ কৰা শ্ৰেণীসমূহ অতি সাধাৰণ আৰু অত্যধিক বহল প্ৰকৃতিৰ। কিতাপখনত ব্যৱহৃত তথ্যৰ লগতে উপলব্ধ পৰিসংখ্যাৰ বাখ্যাও সমালোচনাত্মক পৰীক্ষাৰ আওতালৈ আহিছে। বিভিন্ন ঔদ্যোগিক সমাজত সামাজিক গতিশীলতাৰ হাৰ একেধৰণে উচ্চ বুলি কোৱা লিপছেট আৰু বেনডিক্স'ৰ কেন্দ্ৰীয় প্ৰস্তাৱটোকো সমালোচনা কৰা হৈছে কাৰণ ই সামাজিক গতিশীলতাৰ আৰ্হিত দেশসমূহৰ মাজত থকা গুৰুত্বপূৰ্ণ তাৰতম্যসমূহৰ কাৰণ দৰ্শাব পৰা নাই। কিতাপখন বিতৰ্কিত আৰু বিভাজনকাৰী হোৱাৰ পিছতো সামাজিক গতিশীলতাৰ অধ্যয়নৰ ক্ষেত্ৰত ই অতি প্ৰত্যাহ্বানমূলক আৰু প্ৰাসংগিক হৈ আছে।

৫.৫ মেলভিন টুমিনৰ স্তৰীকৰণৰ ধাৰণাসমূহ

টুমিনে সামাজিক স্তৰীকৰণক এইদৰে বৰ্ণনা কৰিছেঃ "এটা সামাজিক গোট বা সমাজক ক্ষমতা, সম্পত্তি, সামাজিক মূল্যায়ন আৰু মানসিক সন্তুষ্টিৰ ক্ষেত্ৰত অসমান স্থানৰ এক ক্ৰমউচ্চ শ্ৰেণীবিভাজনত (hierarchy) সজোৱা।" স্তৰীকৰণৰ কাৰ্য্যবাদী ধাৰণাটোৱে মাৰ্ক্স'বাদী তথা অন্যান্য চিন্তাধাৰাৰ পৰা বহু সমালোচনা লাভ কৰিছে। অসমতা আৰু স্তৰীকৰণৰ কাৰ্য্যবাদী বুজাবুজি আৰু মাৰ্ক্স'বাদী বুজাবুজিৰ মাজত সংঘটিত হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ বিতৰ্কসমূহৰ এটা আছিল ডেভিছ আৰু মূৰৰ (Davis and Moore) পাণ্ডিত্যপূৰ্ণ কাম— যাৰ উদাহৰণ তেওঁলোকৰ ৰচনা" Some Principles of Stratification" (1944) আৰু আমেৰিকান ছ'চিঅ'লজিকেল ৰিভিউত প্ৰকাশিত টুমিনৰ ৰচনা" Some Principles of Stratification: A Critical Analysis (1953)-ত ডেভিছ আৰু মূৰৰ যুক্তিসমূহৰ খণ্ডন।

ডেভিছ আৰু মূৰে অসমতাক সমাজ এখনত কার্যগতভাৱে প্ৰয়োজনীয় বুলি গণ্য কৰে। সমাজে কেনেকৈ পদবীক পুৰস্কৃত কৰে সেয়া সমাজৰ বাবে পদবীটো কিমান গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় আৰু কিছুমান পদবী পূৰণ কৰিবলৈ মানুহ কিমান কম পৰিমাণে উপলব্ধ তাৰ অনুপাতত নির্ধাৰণ হয়। গতিকে, যদি মানুহৰ মাজত অন্তর্নিহিত ক্ষমতা, প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় সম্পদ বা কিছুমান পদৰ বাবে প্ৰয়োজনীয় ত্যাগৰ দৰে কাৰকসমূহ কমকৈ

উপলব্ধ হয় আৰু পদটো নিজেই সমাজৰ বাবে গুৰুত্বপূৰ্ণ হয়, তেন্তে সেই পদৰ সৈতে জড়িত পুৰস্কাৰো আনুপাতিকভাৱে বৃদ্ধি পাব। গতিকে যিহেতু সমাজত আটাইতকৈ যোগ্য বুলি গণ্য কৰা সকলৰ অনুসৰি পদসমূহ পূৰণ কৰা হয়, সেয়েহে কার্য্যগত অসমতাৰ (functional inequality) অস্তিত্ব থাকে।

টুমিনে ডেভিছ আৰু মূৰৰ এই বিষয়টোৰ বিৰুদ্ধে অতি জোৰদাৰ যুক্তি আগবঢ়ায়। তেওঁ আগবঢ়োৱা প্ৰথমটো গুৰুত্বপূৰ্ণ কথা হ'ল সমাজত এটা পদৰ কার্য্যগত মূল্য আন এটা পদৰ সৈতে তুলনা কৰাৰ কোনো উপায় নাই। ডেভিছ আৰু মূৰৰ কার্য্যবাদী যুক্তিসমূহৰ বিৰুদ্ধে টুমিনৰ দাবী তেওঁৰ এতিয়াৰ বিখ্যাত প্ৰশ্নটোৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি, "এজন অভিযন্তা কার্য্যগতভাৱে এজন অদক্ষ শ্ৰমিকতকৈ কাৰখানা এটাৰ বাবে অধিক গুৰুত্বপূৰ্ণ নেকি? "ডেভিছ আৰু মূৰৰ নাটনি আৰু প্ৰতিভা সম্পৰ্কীয় ধাৰণা যে- "যিকোনো সমাজত কেৱল সীমিত সংখ্যক ব্যক্তিৰহে এনে প্ৰতিভা থাকে যাক এই পদসমূহৰ বাবে উপযুক্ত দক্ষতালৈ প্ৰশিক্ষণ দিব পৰা যায়"— তাক টুমিনে খাৰিজ কৰিছে কাৰণ স্তৰীকৰণৰ কোনো ব্যৱস্থাতে এনে কোনো প্ৰমাণ নাই যিয়ে প্ৰদৰ্শন কৰে যে এটা নিৰ্দিষ্ট সময়ত কেৱল সীমিত সংখ্যক ব্যক্তিহে কিছুমান পদৰ বাবে যথেষ্ট প্ৰতিভাশালী।

কার্ল মার্ক্সে উৎপাদন পদ্ধতিৰ (Mode of production) প্রেক্ষাপটত শ্রেণীক সংজ্ঞায়িত কৰিছে। তেওঁৰ মতে, পুঁজিবাদী উৎপাদন পদ্ধতিৰ ওপৰত ভিত্তি কৰি সমাজৰ তিনিটা ডাঙৰ শ্রেণী গঠিত হয়- প্রথমটো হৈছে কৰল শ্রম শক্তিৰ গৰাকী (owners of labour power) যাৰ আয় হৈছে মজুৰি, দ্বিতীয়টো পুঁজিৰ গৰাকী (owners of capital) যাৰ আয়ৰ উৎস হৈছে লাভ, আৰু তৃতীয়টো ভূ-স্বামী (landowners) যাৰ আয়ৰ উৎস হৈছে খাজনা বা ভূ-ৰাজহ। মার্ক্সে বুর্জোৱা (Bourgeoisie - পুঁজিপতি) আৰু সর্বহাৰা (Proletariat - শ্রমিক) শ্রেণীৰ মাজৰ পার্থক্য দেখুৱাই স্পষ্ট কৰি দিছে যে উৎপাদন পদ্ধতিৰ আধাৰত সমাজত সদায় কেনেকৈ দুটা শ্রেণী বর্তি আহিছে। মার্ক্সৰ মতে আমি ইতিহাসক কেইবাটাও যুগত বিভক্ত কৰিব পাৰোঁ, যেনে— প্রাচীন সভ্যতা, সামন্তবাদ (feudalism), আৰু পুঁজিবাদ (capitalism)। ইয়াৰে প্রতিটো যুগৰে একোটা শ্রেণী গাঁথনি আছিল যি দুটা শ্রেণীৰ দ্বাৰা গঠিত আছিল— অর্থাৎ শাসক শ্রেণী (ruling class) আৰু শোষিত বা নির্যাতিত শ্রেণী (oppressed class)।

কোনো এক নির্দিষ্ট যুগৰ শ্রেণী গাঁথনি সেই যুগৰ উৎপাদন পদ্ধতিৰ পৰাই উদ্ভৱ হয় আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠে। এই অর্থত, এটা সামাজিক শ্রেণীয়ে উৎপাদন প্রক্রিয়াত একে ধৰণৰ কার্য সম্পাদন কৰা আৰু তাৰ দ্বাৰা শ্রেণী গাঁথনিত একে স্থান অধিকাৰ কৰা ব্যক্তিৰ এক গোটক বুজাব। গতিকে মার্ক্সৰ মতে, উৎপাদনৰ

সামাজিক সংগঠনত এজন ব্যক্তিয়ে যি স্থান অধিকাৰ কৰে, সিয়েই সূচাই দিয়ে যে তেওঁ কোনটো সামাজিক শ্রেণীৰ অন্তর্ভুক্ত। তেওঁ উৎপাদনৰ সংগঠনটোক শ্রেণীৰ একমাত্র নির্ধাৰক হিচাপে জোৰ দিছিল, কাৰণ তেওঁৰ মতে আয়, উপভোগৰ ধৰণ, শিক্ষাগত অর্হতা, বা জীৱিকা আৰু অন্যান্য মাপকাঠীসমূহ- যিবোৰে এজন ব্যক্তিয়ে লাভ কৰা প্রতিষ্ঠা আৰু বিশেষাধিকাৰো নির্ধাৰণ কৰে- সেইবোৰ আচলতে উৎপাদনৰ সামাজিক সংগঠনৰ ওপৰতহে প্রতিষ্ঠিত। গতিকে জীৱিকা, আয়, শিক্ষাগত অর্হতা আদিয়ে এজন ব্যক্তিৰ জীৱনশৈলী নির্ধাৰণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিলেও, এই মাপকাঠীসমূহ নিজেই উৎপাদন সংগঠনৰ পৰিণতিহে; ই ইয়াৰ সৈতে অভিন্ন বা একে নহয়।

গতিকে মার্ক্সৰ মতে, আয় বা জীৱিকা এজন ব্যক্তিৰ শ্রেণীগত অৱস্থানৰ প্রকৃত নির্ধাৰক নহয়। উদাহৰণস্বৰূপে, যদি দুজন ব্যক্তি কাঠমিস্ত্রী (carpenters) হয়, তেওঁলোক একে জীৱিকাৰে অন্তর্ভুক্ত, কিন্তু এজনৰ নিজৰে এখন সৰু দোকান থাকিব পাৰে, আনহাতে আনজনে সাজি উলিওৱা ঘৰ নির্মাণ কৰা এটা কাৰখানাত শ্রমিক হিচাপে কাম কৰিব পাৰে; এই দুজন মানুহ একে জীৱিকাৰ হ'লেও তেওঁলোক দুটা সুকীয়া সামাজিক শ্রেণীৰ অন্তর্ভুক্ত।

তদুপৰি মার্ক্সৰ মতে, উৎপাদন প্রক্রিয়াত এজন মানুহৰ অৱস্থানে কেৱল তেওঁৰ শ্রেণী নির্ধাৰণ কৰাই নহয়, বৰঞ্চ সময়ৰ লগে লগে তেওঁৰ বিশ্বাস আৰু কার্যকলাপকো গঢ় দিয়ে। উৎপাদন প্রক্রিয়াত এজন মানুহৰ শ্রেণীগত অৱস্থানে তেওঁক বিভিন্ন অভিজ্ঞতাৰ মুখামুখি কৰায়, যাৰ ফলত তেওঁৰ বিশ্বাস প্রভাৱিত হয় আৰু ভৱিষ্যতৰ কার্যপন্থা নির্ধাৰিত হয়। জীৱিকা অর্জন কৰাৰ সময়ত এজন মানুহে যিবোৰ অভিজ্ঞতা আৰু প্রত্যাহ্বানৰ সন্মুখীন হয়, সেয়া অর্থনৈতিক গাঁথনিত একে শ্রেণীৰ স্থানত থকা তেওঁৰ সহকর্মীসকলৰ সৈতেও একেই হয়, আৰু ই তেওঁলোকৰ মাজত উমৈহতীয়া বিশ্বাস আৰু ধাৰণা গঢ়ি তোলাৰ পথ প্রশস্ত কৰে। উমৈহতীয়া বিশ্বাস আৰু ধাৰণাৰ এই বিকাশে তেওঁলোকৰ মাজত একতা বা সংহতিৰ ভাৰ সৃষ্টি কৰে। শ্রমিক শ্রেণী বা সর্বহাৰা শ্রেণীৰ সদস্যসকল, যিসকল শোষিত আৰু নির্যাতিত উৎপাদন ব্যৱস্থাৰ চিকাৰ, তেওঁলোক একগোট হোৱাৰ প্রৱণতা দেখুৱায় আৰু এক উমৈহতীয়া শ্রেণী সচেতনতা (class consciousness) গঢ়ি তোলে। বেনডি' আৰু লিপছেটে (Bendix and Lipset) উল্লেখ কৰাৰ দৰে, মার্ক্সে তলত দিয়া দিশসমূহ আঙুলিয়াই দিছিল যিবোৰে উমৈহতীয়া বিশ্বাস আৰু ধাৰণাৰ বৃদ্ধিত ইন্ধন যোগায় আৰু অৱশেষত এটা শ্রেণীৰ সদস্যসকলৰ মাজত শ্রেণী সচেতনতাৰ বিকাশত পৰিণত হয়।

- শ্রেণীসমূহৰ মাজত অর্থনৈতিক পুৰস্কাৰ বা লাভৰ বিতৰণক লৈ হোৱা সংঘাত বা সংগ্রাম;
- একে শ্রেণীৰ অৱস্থানত থকা ব্যক্তিসকলৰ মাজত সহজ যোগাযোগৰ সুবিধা, যাতে ধাৰণা আৰু কার্যসূচীসমূহ সহজে প্রসাৰিত হ'ব পাৰে;
- শ্রেণী সচেতনতাৰ বৃদ্ধি এই অর্থত যে শ্রেণীটোৰ সদস্যসকলৰ মাজত একতাৰ ভাৱ থাকে আৰু তেওঁলোকৰ ঐতিহাসিক ভূমিকাৰ বিষয়ে বুজাবুজি থাকে;
- নিম্ন শ্রেণীৰ মাজত তীব্র অসন্তুষ্টি এই কথাটোক লৈ যে তেওঁলোকে সেই অর্থনৈতিক গাঁথনিটোক নিয়ন্ত্রণ কৰিবলৈ অসমর্থ, যাৰ তেওঁলোকে নিজকে শোষিত বলি বুলি অনুভৱ কৰে;
- অর্থনৈতিক গাঁথনি, ঐতিহাসিক পৰিস্থিতি আৰু শ্রেণী সচেতনতাৰ পৰিপক্কতাৰ ফলত এটা ৰাজনৈতিক সংগঠনৰ প্রতিষ্ঠা।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে উৎপাদনৰ সংগঠনৰ সৈতে জড়িত থকা শোষণে শ্রেণী সচেতনতাৰ বিকাশ ঘটায় আৰু মার্ক্সৰ মতে ইয়াৰ ওপৰত ভিত্তি কৰিয়েই এটা শ্রেণী গঢ়ি উঠে। শ্রেণী সচেতনতা থাকিলেহে শ্রেণীৰ অস্তিত্ব বর্তি থাকে। শ্রেণী সচেতনতা হৈছে শ্রেণী গঠনৰ এক অপৰিহার্য পূর্বচর্ত আৰু মার্ক্সীয় অর্থত, শ্রেণী গাঁথনিত একে স্থানত থকা ব্যক্তিসকল যদি ইজনে সিজনৰ পৰা বিচ্ছিন্ন আৰু পৃথক হৈ থাকে, তেন্তেই এটা শ্রেণী গঠন কৰিব নোৱাৰে। বিচ্ছিন্ন ব্যক্তিসকলৰ ক্ষেত্রত উমৈহতীয়া বিশ্বাস আৰু ধাৰণা তথা শ্রেণী সচেতনতা গঢ়ি উঠাৰ কোনো থল নাথাকে, যদিওবা তেওঁলোকৰ অর্থনৈতিক অৱস্থান আৰু পৰিস্থিতি একেই হয়; গতিকে এনে পৰিস্থিতিত শ্রেণী গঠন নহয়।

গতিকে মার্ক্সৰ মতে শ্রেণী উৎপাদনৰ সামাজিক সংগঠনৰ পৰিণতি হ'লেও, শ্রেণী গঠন হ'বলৈ আৰু বর্তি

থাকিবলৈ শ্রেণী সচেতনতা থকাটো অত্যন্ত প্রয়োজনীয়। তেওঁ পুনৰ জোৰ দি কৈছিল যে শ্রেণী গঠনৰ বাবে শ্রেণী সচেতনতা অতি আৱশ্যক, কিন্তু কেৱল তেতিয়াহে মার্ক্সীয় অর্থত এটা শ্রেণীৰ অস্তিত্ব থাকে যেতিয়া এটা "সম্ভাব্য" (potential) শ্রেণীৰ সদস্যসকলে তেওঁলোকৰ উমৈহতীয়া লক্ষ্যসমূহ পৰিকল্পিতভাৱে পূৰণ কৰাৰ বাবে এক সংগঠনত আৱদ্ধ হয়। গতিকে কেৱল শ্রেণী সচেতনতা থকাটো বৃথা হ'ব যেতিয়ালৈকে সদস্যসকলে তেওঁলোকৰ ওপৰত হোৱা শোষণ আৰু নির্যাতনৰ বিৰুদ্ধে যুঁজিবলৈ নিজকে সংগঠিত নকৰে। গতিকে শ্রেণীৰ অস্তিত্ব তেতিয়াহে সম্ভৱ হয় যেতিয়া একেধৰণৰ নির্যাতিত কর্ম পৰিৱেশৰ পৰা উদ্ভৱ হোৱা শ্রেণী সচেতনতাৰে পুষ্ট ব্যক্তিসকল একগোট হয়; আৰু শোষিত উৎপাদন ব্যৱস্থা তথা শাসক শ্রেণীৰ বিৰুদ্ধে যুঁজিবলৈ ঐক্যবদ্ধ হয়। সেয়েহে এটা উমৈহতীয়া শ্রেণী শত্রু (common class enemy) থকাটোও এই শ্রেণী গঠনৰ বাবে অপৰিহার্য।

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে মার্ক্সৰ বাবে শ্রেণী কেৱল উৎপাদন প্রক্রিয়া বা অর্থনৈতিক গাঁথনিত একে স্থান ভাগ বতৰা কৰা মানুহৰ এক গোট নাছিল। ই আছিল এক বৃহত্তৰ অর্থনৈতিক আৰু ৰাজনৈতিক সংগ্রামৰ বাবে এই ব্যক্তিসকলৰ সংগঠন; শোষিত আৰু নির্যাতিত অর্থনৈতিক গাঁথনি তথা উৎপাদন ব্যৱস্থাৰ বিৰুদ্ধে এক সংগ্রাম, যিটো এক উমৈহতীয়া শ্রেণী সচেতনতাৰ দ্বাৰা পৰিচালিত হৈছিল আৰু ইয়াৰ ফলতেই প্রকৃততে এটা শ্রেণীৰ উত্থান ঘটিছিল। মার্ক্স শ্রেণী সংগ্রাম আৰু ইয়াৰ পৰিণতিত এখন শ্রেণীহীন সমাজ (classless society) গঢ়ি উঠাৰ ক্ষেত্রত আশাবাদী আছিল। মার্ক্সে দাবী কৰিছিল যে পুঁজিবাদী ব্যৱস্থাত ঔদ্যোগিক শ্রমিক শ্রেণীয়ে তেওঁলোকৰ শোষণৰ বিষয়ে অনুভৱ কৰিব পাৰিব আৰু ইয়াৰ বিৰুদ্ধে যুঁজিবলৈ ঐক্যবদ্ধ হ'ব। ইয়াৰ পিছত ই এক বিপ্লৱৰ সূচনা কৰিব আৰু অৱশেষত সকলো শ্রেণীৰ বিলোপ ঘটাই এখন শ্রেণীহীন সমাজ গঠন কৰিব। তেওঁ প্রতিটো ঐতিহাসিক যুগক দুটা শ্রেণীৰে গঠিত বুলি চিনাক্ত কৰিছিল য'ত উৎপাদনৰ আহিলাৰ গৰাকীসকলে শ্রমিকসকলক শোষণ কৰে আৰু ইয়াৰ ফলত শত্রুতা আৰু শ্রেণী সংঘাতৰ (class conflict) সৃষ্টি হয়। সেইবাবেই তেওঁ কৈছিল যে এতিয়ালৈকে বর্তি থকা সকলো সমাজৰ ইতিহাসেই হৈছে শ্রেণী সংগ্রামৰ ইতিহাস আৰু প্রতিখন সমাজে নিজৰ ধ্বংসৰ বীজ নিজেই ৰোপণ কৰে।

গতিকে চমুকৈ ক'বলৈ গ'লে, শ্রেণী আৰু ই কেনেকৈ এখন নির্দিষ্ট সমাজক স্তৰীকৃত কৰে সেই সন্দর্ভত মার্ক্সীয় বুজাবুজি উৎপাদনৰ সংগঠনৰ ওপৰত প্রতিষ্ঠিত আছিল। মার্ক্সীয় পৰিভাষাত, উৎপাদন পদ্ধতিয়েই সমাজত শ্রেণীভিত্তিক স্তৰীকৰণৰ সৃষ্টি কৰে। এই উৎপাদন পদ্ধতিয়েই সমাজখনক মানুহৰ দুটা গোটত বিভক্ত কৰে- অর্থাৎ গৰাকী বা মালিক পক্ষ আৰু শ্রমিক পক্ষ। মার্ক্সে এই কথা পোহৰলৈ আনিছে যে কেনেকৈ উৎপাদন প্রক্রিয়াত হোৱা নির্যাতনে লাহে লাহে শ্রেণী সচেতনতাৰ বিকাশ ঘটায় আৰু ইয়াৰ পৰা উদ্ভৱ হোৱা একতাই কেনেকৈ শ্রেণী গঠনত পৰিণত হয়।

সমাজতত্তৰ আন এজন বৌদ্ধিক তাৰকা মেক্স ৱেবাৰে (Max Weber) শ্রেণীক ব্যক্তিসকলৰ এনে এক গোট হিচাপে ধাৰণা কৰিছে, যিসকলে বজাৰ অর্থনীতিত (market economy) একে স্থান ভাগ বতৰা কৰে আৰু সেই গতিকে একে ধৰণৰ অর্থনৈতিক লাভ বা পুৰস্কাৰ লাভ কৰে। শ্রেণীৰ ধাৰণা আগবঢ়াওঁতে মেক্স ৱেবাৰে বজাৰৰ পৰিস্থিতিক (Market situation) গুৰুত্ব দিছিল আৰু তেওঁৰ মতে এজন ব্যক্তিৰ শ্রেণীগত অৱস্থান প্রকৃততে বজাৰত তেওঁৰ থকা অৱস্থানহে। ৱেবাৰে লগতে মত প্রকাশ কৰিছিল যে একে শ্রেণীৰ মর্যাদা থকা লোকসকলৰ জীৱনৰ সম্ভাৱনাবোৰো (life-chances) একেই থাকে। এজন ব্যক্তিৰ অর্থনৈতিক অৱস্থানেই নির্ধাৰণ কৰিব যে সমাজত বাঞ্ছনীয় বা লাভ কৰিবলগীয়া বুলি গণ্য কৰা বস্তুবোৰ অর্জন কৰাৰ ক্ষেত্রত তেওঁৰ সম্ভাৱনা কিমান।

আমি শ্রেণীৰ কথা তেতিয়াই ক'ব পাৰোঁ যেতিয়া ঃ ১) কেইবাজনকৈ মানুহৰ জীৱনৰ সম্ভাৱনাৰ ক্ষেত্রত এক নির্দিষ্ট উমৈহতীয়া কাৰক বা উপাদান থাকে, যিমান দূৰলৈকে ২) এই উপাদানটো সামগ্রী বা শ্রম বজাৰৰ (commodity or labor markets) পৰিস্থিতিৰ অধীনত প্রতিনিধিত্ব কৰা হয়।

ফার্ডিনাণ্ড টনিজয়ে (Ferdinand Toennies) শ্রেণীৰ বিষয়ে আলোচনা কৰোঁতে 'শ্রেণী' (Class) আৰু 'এষ্টেট'ৰ (Estate - ভূমি-মর্যাদা) মাজৰ পার্থক্য ব্যাখ্যা কৰিছিল, যিবোৰক সাধাৰণতে সমার্থক বুলি ভবা

হয়। তেওঁ যুক্তি দিছিল যে যদিও প্ৰায়েই শ্রেণী আৰু এষ্টেট শব্দ দুটা এটাৰ সলনি আনটো ব্যৱহাৰ কৰা হয়, তথাপিও ই দুটা সম্পূৰ্ণ বেলেগ ব্যৱস্থাক বুজায়। তেওঁ এষ্টেটক সামূহিক বা সম্প্ৰদায়গত (communal) আৰু শ্রেণীক সমাজগত সমষ্টি (societal collectives) হিচাপে ধাৰণা কৰিছিল। এষ্টেটৰ চৰম কঠোৰতাৰ বিপৰীতে শ্রেণীসমূহ প্ৰকৃতিগতভাৱে অধিক নমনীয় আৰু তৰল। শ্রেণীসমূহ পৰিৱৰ্তনশীল আৰু এষ্টেট ব্যৱস্থাৰ বিপৰীতে শ্রেণী ব্যৱস্থাত গতিশীলতা বা স্থান পৰিৱৰ্তনৰ সম্ভাৱনা বহুত বেছি থাকে, যিহেতু এষ্টেটসমূহ বন্ধ প্ৰকৃতিৰ আৰু তাত গতিশীলতা সীমিত।

এষ্টেটৰ পৰা শ্রেণীক পৃথক কৰোঁতে টনিজয়ে আৰু যুক্তি দিছিল যে শ্রেণীসমূহৰ মাজৰ সম্পৰ্ক চুক্তিবদ্ধ (contractual) আৰু বিৰোধিতামূলক বা সংঘাতপূৰ্ণ (antagonistic)। যদিও শ্রেণীসমূহ পৰস্পৰ নিৰ্ভৰশীল, তথাপিও তেওঁলোকে ইজনে সিজনৰ বিৰোধী হিচাপেহে থিয় দিয়ে। যেতিয়াই এটা শ্রেণী আন এটা শ্রেণীৰ প্ৰতি অসন্তুষ্ট হয়, তেতিয়াই তেওঁলোকৰ মাজৰ সম্পৰ্ক শত্ৰুতাপূৰ্ণ হৈ পৰে। কিন্তু তেওঁৰ মতে এষ্টেটসমূহ এটা শৰীৰৰ বিভিন্ন অংগৰ দৰে ইটো সিটোৰ সৈতে সম্পৰ্কযুক্ত। অৱশ্যে টনিজয়ে বাখ্যা কৰাৰ দৰে, যেতিয়া এটা এষ্টেট আন এটা এষ্টেটৰ প্ৰতি শত্ৰুতাপূৰ্ণ হৈ পৰে, তেতিয়া এষ্টেটো শ্রেণীলৈ ৰূপান্তৰিত হ'ব পাৰে। তেওঁ যুক্তি দিয়ে যে এবাৰ এষ্টেটসমূহ শত্ৰুতাপূৰ্ণ হৈ সংঘাত আৰু প্ৰতিদ্বন্দ্বিতাত লিপ্ত হ'লে ই শ্রেণীৰ ৰূপ লয় আৰু তেওঁলোকৰ মাজৰ সংগ্ৰামক এষ্টেটৰ মাজৰ সংগ্ৰাম বুলি ভবাৰ পৰিৱৰ্তে শ্রেণী সংগ্ৰাম বুলি বুজিব লাগে। তদুপৰি, পৰিৱৰ্তনশীল আৰ্থ-ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰেক্ষাপটৰ লগে লগে যেতিয়া ইয়াৰ সদস্যসকলৰ মাজত গতিশীলতা বৃদ্ধি পায়, তেতিয়া এষ্টেটসমূহ শ্রেণীৰ সৈতে একে বা অনুৰূপ হৈ পৰে। সদস্যসকলৰ মাজত গতিশীলতা বৃদ্ধি পালে এষ্টেটসমূহ ভাঙি পৰে আৰু অৱশেষত ই এক শ্রেণীৰ দৰে গাঁথনিলৈ ৰূপান্তৰিত হয়।

শ্রেণী ব্যৱস্থা, উদ্যোগিক পশ্চিমীয়া সমাজসমূহত প্ৰধান হ'লেও, ই ভাৰতীয় সমাজতো ইয়াৰ বীজ ৰোপণ কৰিছে, যিখন সমাজ ইতিমধ্যে জাতিৰ আধাৰত স্তৰীকৃত হৈ আছে। ভাৰতীয় সমাজক প্ৰায়েই জাতিৰ দ্বাৰা জৰ্জৰিত বুলি বুজা যায়, কিন্তু ইয়াৰ সমান্তৰালভাৱে শ্রেণীভিত্তিক স্তৰীকৰণো যে ইয়াত সহবস্থান কৰি আছে তাক অস্বীকাৰ কৰিব নোৱাৰি। যদিও ভাৰতীয় সমাজ, বিশেষকৈ ইয়াৰ গ্রাম্য অঞ্চলসমূহ প্ৰধানকৈ কৃষিভিত্তিক, কিন্তু ইয়াৰো এক শ্রেণীগত চৰিত্ৰ আছে, আৰু কেইবাজনো চিন্তাবিদ তথা পণ্ডিতে ইয়াক বিশ্লেষণ কৰি কেইবাটাও কৃষিভিত্তিক শ্রেণীত (agrarian classes) বিভক্ত কৰিছে, যাৰ প্ৰতিটোৱে ইটোৰ পৰা সিটো সুকীয়া। গতিকে ভাৰতীয় প্ৰেক্ষাপটতো বিভিন্ন পণ্ডিতে শ্রেণী ব্যৱস্থা আৰু ই ভাৰতীয় সমাজক কেনেকৈ স্তৰীকৃত কৰে সেই বিষয়ে আলোচনা কৰিছে। আহক, পৰৱৰ্তী আলোচনাত ভাৰতীয় সমাজত বৰ্তি থকা শ্রেণীসমূহৰ প্ৰকৃতি আৰু ইয়াৰ শ্রেণীবিভাজনৰ বিভিন্ন দৃষ্টিভংগী বুজি লওঁ।

ডেনিয়েল থৰ্নাৰৰ (Daniel Thorner) মতে, ভাৰতৰ কৃষিভিত্তিক সমাজত বৰ্তি থকা শ্রেণীসমূহৰ প্ৰকাৰ আৰু প্ৰকৃতি বুজিবলৈ হ'লে তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ থকাটো জৰুৰী—

- মাটিৰ পৰা অহা আয়ৰ প্ৰকৃতি বা ৰূপ কেনেকুৱা- ই খাজনা নে খেতিৰ ফল নে শ্ৰমৰ বাবে পোৱা ধন?
- এটা নিৰ্দিষ্ট মাটিৰ টুকুৰাৰ ওপৰত এজন ব্যক্তিয়ে কেনে ধৰণৰ অধিকাৰ ভোগ কৰে আৰু এই অধিকাৰৰ অধীনত কিমান মাটি আছে?
- এজন ব্যক্তিয়ে আচলতে প্ৰয়োজনীয় পথাৰৰ কামবোৰ কিমান দূৰলৈকে নিজে কৰে নে তেওঁ আনক ভাড়ালৈ দিয়ে?

এইবোৰৰ ওপৰত ভিত্তি কৰি, যদিও বহুতো আঞ্চলিক পাৰ্থক্য আছে, থৰ্নাৰে যুক্তি দিছিল যে আমি প্ৰতিখন ভাৰতীয় কৃষি সমাজতে থকা তিনিটা সাধাৰণ শ্রেণী চিনাক্ত কৰিব পাৰোঁ। সেইবোৰ হ'ল- বৃহৎ স্বত্বাধিকাৰী (Big Proprietors), কাৰ্যক্ষম খেতিয়ক (Working peasants), আৰু শ্রমিক (labourers); অথবা থৰ্নাৰে তেওঁলোকক নামকৰণ কৰিছিল ক্ৰমে- মালিক (Malik), কিষাণ (Kisan) আৰু মজদুৰ (Mazdur)।

'মালিক' বুলি থৰ্নাৰে সেই শ্রেণীৰ লোকক বুজাইছিল যিসকলে মাটিৰ সম্পত্তিৰ অধিকাৰৰ পৰাই তেওঁলোকৰ প্ৰধান আয় লাভ কৰে। মালিকসকলৰ মাটিৰ ওপৰত উচ্চ সম্পত্তিৰ অধিকাৰ থাকে, গাত বহু পৰিমাণৰ মাটি থাকে আৰু তেওঁলোকৰ পাৰিবাৰিক আয়ৰ ডাঙৰ অংশ মাটিৰ পৰাই আহে। যদিও মালিকসকলৰ আয়ৰ আন

কেইবাটাও উৎস থাকিব পাৰে, তথাপিও তেওঁলোকৰ বেছিভাগ আয় পৰিয়ালৰ অধীনত থকা মাটিৰ উৎপাদিত সামগ্ৰীৰ অংশৰ পৰাই আহে। এই আয় বেছিভাগেই খাজনা বা ভাড়াৰ ৰূপত আহে। যদি মাটিডোখৰ আধিয়া (crop sharing) হিচাপে দিয়া হয়, তেন্তে এই খাজনা বেছিভাগেই টকাৰ ৰূপত আৰু কেতিয়াবা শস্যৰ ৰূপত পোৱা যায়। মালিকসকলে নিযুক্তি দিয়া খেতিয়কক মাটি এৰি দিয়াৰ পৰিৱৰ্তে নিজৰ পথাৰত খেতি কৰিবলৈ শ্ৰমিকো ভাড়া কৰিব পাৰে। তেওঁ এই শ্ৰমিকসকলক তদাৰক কৰিবলৈ এজন মেনেজাৰ নিযুক্ত কৰিব পাৰে অথবা তদাৰকী কামটো নিজেই কৰিব পাৰে। তদুপৰি তেওঁ পথাৰত ভাড়াটিয়া শ্ৰমিকৰ সৈতে নিজেও কাম কৰিব পাৰে, কিন্তু থৰ্নাৰে তথাপিও তেওঁক 'মালিক' বুলিয়েই কয়, যদিহে তেওঁ নিজৰ মাটিৰ এভাগত নিজে কাম কৰি পোৱা কৃষি আয় বাকী থকা মাটিডোখৰ খাজনাত দি পোৱা আয়তকৈ কম হয়।

মালিক শ্ৰেণীৰ ভিতৰতে থৰ্নাৰে দুটা উপ-গোট চিনাক্ত কৰিছে- বৃহৎ অনুপস্থিত ভূ-স্বামী (Large Absentee Landlords) আৰু ক্ষুদ্ৰ স্বত্বাধিকাৰী (Smaller Proprietors)। থৰ্নাৰে বৃহৎ অনুপস্থিত ভূ-স্বামীসকলক এনেদৰে বৰ্ণনা কৰিছে যিসকলৰ সাধাৰণতে এটাতকৈ অধিক গাঁৱত মাটি থাকে (কিন্তু নিজে তাত নাথাকে)। তদুপৰি তেওঁৰ দ্বাৰা চিনাক্ত কৰা ক্ষুদ্ৰ স্বত্বাধিকাৰীসকল হ'ল সেইসকল যিসকলে নিজে সেই গাঁৱত বাস কৰে য'ত তেওঁলোকৰ মাটি আছে, আৰু ইয়াৰ খেতিৰ ওপৰত কিছু পৰিমাণে পৰিচালনা আৰু নিয়ন্ত্ৰণ সাব্যস্ত কৰে।

'কিষাণ' বা কাৰ্যক্ষম খেতিয়কসকল হৈছে থৰ্নাৰে চিনাক্ত কৰা দ্বিতীয়টো শ্ৰেণী, যিসকলৰো মাটিৰ ওপৰত সম্পত্তিৰ অধিকাৰ থাকে কিন্তু মালিকসকলৰ তুলনাত তেওঁলোকৰ মাটি বহুত কম থাকে। তেওঁলোক হ'ল সেই শ্ৰেণীৰ লোক যিসকলে নিজৰ মাটিত নিজে কাম কৰে, কদাচিতহে শ্ৰমিক ভাড়া কৰে আৰু সেয়াও কেৱল খেতি চপোৱাৰ ধুম বা ব্যস্ত সময়ছোৱাতহে। তেওঁলোকে নিজৰ পথাৰত কাম কৰি উপাৰ্জন কৰে। মালিকসকলৰ দৰে তেওঁলোকে খাজনা লাভ নকৰে। থৰ্নাৰে আৰু উল্লেখ কৰিছে যে কিষাণসকলে নিজৰ কৃষিভূমিৰ পৰা পোৱা আয় তেওঁলোকৰ পাৰিবাৰিক খৰচৰ তুলনাত পৰ্যাপ্ত নহ'বও পাৰে আৰু সেয়েহে তেওঁলোকে আনৰ বাবেও কাম কৰাৰ প্ৰয়োজন হ'ব পাৰে। কিন্তু তেওঁ নিজৰ কৃষিভূমিৰ পৰা পোৱা আয় আন উৎসৰ পৰা পোৱা আয়তকৈ (যেনে আনৰ পথাৰত শ্ৰমিক হিচাপে কাম কৰা আদি) বেছি হয় আৰু সিয়েই তেওঁক এজন মজদুৰৰ পৰা পৃথক কৰে।

থৰ্নাৰে 'শ্ৰমিক' বা 'মজদুৰ'সকলক এনে এক শ্ৰেণীৰ লোক হিচাপে সংজ্ঞায়িত কৰিছে যিসকলে মূলতঃ আনৰ মাটিত কাম কৰি জীৱিকা অৰ্জন কৰে। এই গোটটোৰ নিজৰো মাটি থাকিব পাৰে, কিন্তু তেওঁলোকৰ মাটিৰ পৰিমাণ তেনেই নগণ্য বা তাকৰ আৰু নিজৰ মাটি টুকুৰাত খেতি কৰি বা তাক ভাড়া দি পোৱা আয় মজদুৰে আনৰ বাবে কাম কৰি পোৱা আয় বা মজুৰিতকৈ কম হয়।

এইদৰে উৎপাদন প্ৰক্ৰিয়াত আগবঢ়োৱা প্ৰকৃত শ্ৰমৰ পৰিমাণ আৰু উৎপাদিত সামগ্ৰীৰ অংশৰ ওপৰত ভিত্তি কৰি থৰ্নাৰে তিনিটা ভিন্ন কৃষি শ্ৰেণীৰ মাজত পাৰ্থক্য দাঙি ধৰিছিল। অৰ্থনৈতিক পাৰ্থক্যৰ উপৰিও থৰ্নাৰে এই তিনিটা শ্ৰেণীৰ মানুহৰ মাজত থকা সামাজিক পাৰ্থক্যসমূহকো আঙুলিয়াই দিছে আৰু তেনে কৰোঁতে থৰ্নাৰে ভাৰতীয় কৃষি সমাজত জাতি আৰু শ্ৰেণীৰ সম্পৰ্কটো নিৰূপণ কৰাৰ চেষ্টা কৰিছিল। থৰ্নাৰৰ মতে, কৃষি শ্ৰেণী গাঁথনিৰ শীৰ্ষত থকা মালিকসকল সাধাৰণতে ব্ৰাহ্মণ আৰু অন্যান্য উচ্চ জাতিৰ অন্তৰ্ভুক্ত এমুঠিমান লোকৰ দ্বাৰা গঠিত। তেওঁলোকৰ উচ্চ শ্ৰেণীৰ মৰ্যাদা তেওঁলোকৰ জীৱনশৈলীৰ পৰাই গম পাব পাৰি- যেনে তেওঁলোকে কেনেধৰণৰ ঘৰত বাস কৰে, কেনেধৰণৰ কাপোৰ পিন্ধে আৰু কেনেধৰণৰ আহাৰ গ্ৰহণ কৰে। তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষানুষ্ঠানলৈ পঠিয়াব পাৰে, বাতৰি কাকত পঢ়িব পাৰে, বেটাৰী ৰেডিঅ' শুনিব পাৰে, বা চাইকেলৰ মালিক হ'ব পাৰে- এই সকলোবোৰ বিলাসী সামগ্ৰী সাধাৰণতে ঋণগ্ৰস্ত কিষাণসকলৰ সাধ্যৰ বাহিৰত, ভূমিহীন মজদুৰ শ্ৰেণীৰ (Mazdur-log) কথা নকলোৱেই বা। মালিকসকলৰ বিপৰীতে কিষাণসকল খেতিয়ক আৰু কুটিৰ শিল্পী জাতিৰ অন্তৰ্ভুক্ত আৰু মজদুৰসকল বেছিভাগেই অনুসূচিত জাতিৰ (Scheduled castes)।

গতিকে ডেনিয়েল থৰ্নাৰৰ কৃষি শ্ৰেণী গাঁথনিৰ বিশ্লেষণত আমি কৃষি সমাজত জাতি আৰু শ্ৰেণীৰ মাজৰ এক পাৰস্পৰিক ক্ৰিয়া দেখিবলৈ পাওঁ। উচ্চ জাতিৰ সদস্যসকলে উচ্চ শ্ৰেণীৰো সদস্য হয় আৰু তেওঁলোকে

আনৰ শ্ৰমৰ ফল ভোগ কৰে। আনহাতে নিম্ন শ্ৰেণীৰ লোকসকল, নিম্ন জাতিত জন্মগ্ৰহণ কৰাৰ বাবেও, কেৱল নিজৰ হাড়ভগা পৰিশ্ৰমৰ বলত জীয়াই থাকিবলৈ বাধ্য হয়।

ডি. এন. ধনাগাৰে (D. N Dhanagare) তেওঁৰ 'ভাৰতৰ কৃষি শ্ৰেণীৰ আৰ্হি' (The Model of Agrarian Classes in India) শীৰ্ষক প্ৰবন্ধত ভাৰতীয় সমাজৰ শ্ৰেণী গাঁথনিৰ জটিলতাৰ বিষয়ে আলোচনা কৰিছে। তেওঁৰ মতে যিহেতু কৃষিভিত্তিক সামাজিক গাঁথনি সকলো সমাজতে একে বা সমজাতীয় (homogenous) নহয় আৰু ভাৰতত শ্ৰেণী গঠন তথা শ্ৰেণীসমূহৰ মাজৰ সামাজিক সম্পৰ্কও বৈচিত্ৰ্যময় আৰু ভিন্ন, সেয়েহে ভাৰতীয় সমাজত বৰ্তি থকা সকলো বৈচিত্ৰ্যময় শ্ৰেণীক অন্তৰ্ভুক্ত কৰি এটা সাধাৰণ শ্ৰেণী গাঁথনি তৈয়াৰ কৰাটো কঠিন। তেওঁ ভাৰতীয় সমাজত জাতি আৰু শ্ৰেণীৰ মাজত ক্ৰিয়া কৰা নে'ছ বা সংযোগৰ বিষয়ে কৈছিল আৰু কেনেকৈ উচ্চ শ্ৰেণীটো বেছিভাগেই উচ্চ জাতিৰ মানুহৰ দ্বাৰা গঠিত হৈছিল তাৰ উল্লেখ কৰিছিল। তেওঁ উত্তৰ ভাৰতৰ ব্ৰাহ্মণ, ঠাকুৰ বা বাণিয়াসকলৰ, অন্ধ্ৰপ্ৰদেশৰ কাম্মা, ৰেড্ডী আৰু ৰাওসকলৰ উদাহৰণ দিছিল যিসকলে বৃহৎ পৰিমাণৰ মাটিৰ গৰাকী হোৱাৰ বাবে উচ্চ শ্ৰেণীৰো সদস্য আছিল। একেদৰে তেওঁ উত্তৰ প্ৰদেশৰ একেবাৰে নিম্ন জাতি গোটৰ অন্তৰ্ভুক্ত ভূমিহীন শ্ৰমিক আৰু কৃষি শ্ৰমিকৰ উদাহৰণো দাঙি ধৰিছিল। এইদৰে তেওঁ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল যে কেনেকৈ এজন ব্যক্তিৰ জাতিগত অৱস্থানে তেওঁৰ শ্ৰেণীগত অৱস্থানকো বহু পৰিমাণে প্ৰভাৱিত বা নিৰ্ধাৰিত কৰে।

অৱশ্যে তেওঁ এই ব্যৱস্থাৰ ব্যতিক্ৰমসমূহৰ বিষয়েও আলোচনা কৰিছিল যিবোৰ ভাৰতীয় সমাজত বিদ্যমান আৰু যিবোৰক বিবেচনা কৰা উচিত। তেওঁৰ মতে, যদিও উচ্চ জাতিৰ সদস্যসকল প্ৰায়ে উচ্চ শ্ৰেণীৰো অন্তৰ্ভুক্ত হয়, তথাপিও এইটো সকলো ক্ষেত্ৰতে সঁচা নহয়। উচ্চ জাতিৰ সকলো সদস্যই উচ্চ শ্ৰেণীৰ নহয়। প্ৰতিটো জাতিৰ ভিতৰতে শ্ৰেণীসমূহৰ এক উলম্ব বিস্তাৰ (vertical spread) থাকে। যিঠাইত এটা উচ্চ জাতিৰ কিছুমান সদস্য বৃহৎ পৰিমাণৰ মাটিৰ গৰাকী হৈ অৰ্থনৈতিকভাৱে অতি প্ৰতিষ্ঠিত হ'ব পাৰে, সেই একেটা জাতিৰে আন কিছুমান সদস্য কৃষি শ্ৰমিকো হ'ব পাৰে। এই উলম্ব বিস্তাৰ নিম্ন জাতিসমূহৰ মাজত কিছু পৰিমাণে থাকিলেও বেছিভাগ ক্ষেত্ৰত উচ্চ জাতিৰ ক্ষেত্ৰতহে বেছিকৈ দেখা পোৱা যায়। এইদৰে ধনাগাৰে আগবঢ়োৱা কৃষি শ্ৰেণীৰ চিত্ৰণত আমি ডেনিয়েল থৰ্নাৰৰ সৈতে এইটো বিন্দুত মিল পাওঁ যে কেনেকৈ শ্ৰেণীৰ ভিতৰত জাতি বৰ্তি থাকে আৰু কেনেকৈ ভাৰতীয় সামাজিক গাঁথনিত জাতি আৰু শ্ৰেণী দুয়োটা সহবস্থান কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰোঁ যে শ্ৰেণীক লৈ বিভিন্ন দৃষ্টিভংগী আছে আৰু সামাজিক স্তৰীকৰণৰ এক আধাৰ হিচাপে শ্ৰেণীক বুজাৰ বাবে প্ৰাসংগিক কথাটো হৈছে ইয়াৰ অৰ্থনৈতিক প্ৰকৃতি, ইয়াৰ পৰা উদ্ভৱ হোৱা আৰু ইয়াৰ দ্বাৰা গঢ়ি উঠা সামাজিক সম্পৰ্কসমূহ, ই কেনেকৈ আমাৰ জীৱনশৈলী আৰু শ্ৰেণীসমূহৰ মাজৰ বৈৰীভাৱ তথা সংঘাত নিৰ্ধাৰণ কৰে, আৰু শ্ৰেণীগত গতিশীলতা। তদুপৰি, আমি ভাৰতীয় সমাজত সক্ৰিয় হৈ থকা জাতি-শ্ৰেণীৰ অন্তৰ্নিহিত সংযোগ বা নেক্সাছৰ বিষয়েও শিকিলোঁ।

৯.৫ সামাজিক গতিশীলতা আৰু শ্ৰেণী গাঁথনি (SOCIAL MOBILITY AND CLASS STRUCTURE)

পূৰ্বৰ গোটসমূহ পঢ়ি আমি ইতিমধ্যে সামাজিক গতিশীলতাৰ (social mobility) অৰ্থ বুজি পাইছোঁ। আমি এইটোও শিকিছোঁ যে সামাজিক স্তৰীকৰণে এখন সমাজত গোট আৰু ব্যক্তিসকলক বিভিন্ন স্থান প্ৰদান কৰে আৰু সেয়েহে সমাজত আমাৰ বিভিন্ন সামাজিক স্তৰ (social strata) থাকে। যেতিয়া এজন ব্যক্তি বা এটা গোট এটা সামাজিক স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰে, তেতিয়া তাক সামাজিক গতিশীলতা বুলি কোৱা হয়। এতিয়া, সামাজিক গতিশীলতা স্তৰীকৰণৰ সকলো ব্যৱস্থাতে সম্ভৱ নহয়। সেইবাবেই আমাৰ মাজত গতিশীলতাৰ বন্ধ আৰু মুক্ত ব্যৱস্থা আছে।

আমি জানো যে জাতি ব্যৱস্থাৰ ক্ষেত্ৰত, যিটো প্ৰকৃতিগতভাৱে অত্যন্ত কঠোৰ, সামাজিক গতিশীলতাৰ কোনো সুযোগেই নাই। ইয়াত এজন ব্যক্তিৰ মৰ্যাদা জন্মৰ সময়তে স্থিৰ হয় আৰু জীৱনৰ শেষলৈকে ই অপৰিৱৰ্তিত

থাকে। গতিকে জাতিৰ ক্ষেত্ৰত গতিশীলতা বন্ধ (closed)। অৱশ্যে শ্রেণী হৈছে গতিশীলতাৰ এক মুক্ত ব্যৱস্থাৰ (open system) উদাহৰণ। আমি এই গোটৰ প্ৰথম অংশতে আলোচনা কৰিছোঁ যে এজন ব্যক্তিৰ শ্রেণীগত মৰ্যাদা জন্মৰ দ্বাৰা নিৰ্ধাৰিত বা জন্মৰ সময়তে স্থিৰ নহয়। গতিকে শ্রেণীগত মৰ্যাদা আৰোপিত নহয়, বৰঞ্চ প্ৰকৃতিগতভাৱে অৰ্জিত (achieved) হয়। এটা নিৰ্দিষ্ট শ্রেণীত জন্ম লোৱা এজন ব্যক্তি যে সেই একে শ্রেণী মৰ্যাদাৰে মৃত্যুবৰণ কৰিব লাগিব তাৰ কোনো বাধ্যবাধকতা নাই। তেওঁ নিজৰ জীৱনকালত শ্রেণীগত মৰ্যাদা সলনি কৰাৰ সুযোগ পাব। যিহেতু শ্রেণীগত মৰ্যাদা অৰ্জন কৰিব পাৰি, সেয়েহে এজন ব্যক্তিয়ে নিজৰ কঠোৰ পৰিশ্ৰম আৰু প্ৰতিভাৰে নিজৰ শ্রেণীগত মৰ্যাদা উন্নত কৰিব পাৰে।

উদাহৰণস্বৰূপে, এজন ব্যক্তি নিম্ন শ্রেণীত জন্ম হ'ব পাৰে কিন্তু উচ্চ শ্রেণীৰ সদস্য হিচাপে মৃত্যুবৰণ কৰিব পাৰে যদিহে তেওঁ কঠোৰ পৰিশ্ৰম আৰু বৃত্তীয় সাফল্যৰ জৰিয়তে নিজৰ শ্রেণীগত অৱস্থান সলনি কৰিবলৈ সমৰ্থ হয়। উদাহৰণস্বৰূপে ভাৰতৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এক নিম্ন শ্রেণীৰ পটভূমিৰ পৰা আহিছিল কিন্তু নিজৰ প্ৰতিভা আৰু কঠোৰ পৰিশ্ৰমৰ বলত তেওঁ নিজৰ শ্রেণীগত অৱস্থান সলনি কৰি প্ৰধানমন্ত্ৰী হ'ব পাৰিলে। একেদৰে ড° এ. পি. জে. আব্দুল কালামো এটা নিম্ন শ্রেণীৰ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল কিন্তু নিজৰ প্ৰচেষ্টাৰে তেওঁ শ্রেণীগত মৰ্যাদা সলনি কৰিবলৈ সক্ষম হৈছিল। এইদৰে শ্রেণী স্তৰীকৰণৰ কোনো বন্ধ ব্যৱস্থা নহয় আৰু ই জাতিৰ দৰে নহৈ বিভিন্ন স্তৰৰ মাজত সামাজিক গতিশীলতাৰ সুযোগ দিয়ে। সেয়েহে শ্রেণী ব্যৱস্থা বৰ বেছি কঠোৰভাৱে উচ্চ-নীচ ক্ৰমত আবদ্ধ নহয় কাৰণ ই ব্যক্তিক নিজৰ স্থান সলনি কৰাৰ অনুমতি দিয়ে।

শ্রেণীৰ ক্ষেত্ৰত ঊৰ্ধ্বমুখী (upward) আৰু নিম্নমুখী (downward) দুয়োবিধ গতিশীলতাই সংঘটিত হয়। নৰেন্দ্ৰ মোদী আৰু ড° এ. পি. জে. আব্দুল কালামৰ পূৰ্বৰ উদাহৰণ কেইটাত আমি বুজি পালোঁ যে এটা শ্রেণীত কেনেকৈ ঊৰ্ধ্বমুখী গতিশীলতা সংঘটিত হয়। কিন্তু এজন ব্যক্তিয়ে শ্রেণীগত মৰ্যাদাৰ ক্ষেত্ৰত নিম্নমুখী সামাজিক গতিশীলতাৰো সন্মুখীন হ'ব পাৰে। এজন অতি চহকী মানুহেও নিজৰ শ্রেণীগত অৱস্থান হেৰুৱাব পাৰে আৰু তাৰ দ্বাৰা নিম্ন শ্রেণীৰ সদস্য হৈ পৰিব পাৰে। গতিকে শ্রেণীগত অৱস্থানত যেনেকৈ ওপৰলৈ যোৱাটো সম্ভৱ, ঠিক তেনেদৰে নিজৰ শ্রেণীগত অৱস্থানৰ পৰা তললৈ খহি পৰাটোও সমানেই সম্ভৱ।

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শ্রেণী এটা অৰ্থনৈতিক শ্রেণীবিভাজন। সমাজত এজন ব্যক্তিৰ শ্রেণীগত মৰ্যাদা তেওঁৰ অৰ্থনৈতিক অৱস্থাৰ দ্বাৰা নিৰ্ধাৰিত হয়।
- কোনো এক নিৰ্দিষ্ট শ্রেণীৰ সদস্যসকলৰ অৰ্থনৈতিক সম্পদ আৰু সমাজত মৰ্যাদা প্ৰায় একেই থাকে।
- শ্রেণী ব্যৱস্থা হৈছে প্ৰায় প্ৰতিখন সমাজতে থকা স্তৰীকৰণৰ এক বিশ্বজনীন ব্যৱস্থা।
- জাতি ব্যৱস্থাৰ বিপৰীতে শ্রেণী হৈছে স্তৰীকৰণৰ এক মুক্ত ব্যৱস্থা, কাৰণ শ্রেণী হৈছে এক অৰ্জিত মৰ্যাদা।
- কাৰ্ল মাৰ্ক্সে উৎপাদন পদ্ধতিৰ (Mode of production) প্ৰেক্ষাপটত শ্রেণীক সংজ্ঞায়িত কৰিছে।
- মাৰ্ক্সৰ মতে আমি ইতিহাসক কেইবাটাও যুগত বিভক্ত কৰিব পাৰোঁ, যেনে— প্ৰাচীন সভ্যতা, সামন্তবাদ, আৰু পুঁজিবাদ। ইয়াৰে প্ৰতিটো যুগৰে একোটা শ্রেণী গাঁথনি আছিল যাৰ দুটা শ্রেণী আছিল— অৰ্থাৎ শাসক শ্রেণী আৰু শোষিত শ্রেণী।
- কোনো এক নিৰ্দিষ্ট যুগৰ শ্রেণী গাঁথনি সেই যুগৰ উৎপাদন পদ্ধতিৰ পৰাই উদ্ভৱ হয় আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠে। এই অৰ্থত, এটা সামাজিক শ্রেণীয়ে উৎপাদন প্ৰক্ৰিয়াত একে কাৰ্য সম্পাদন কৰা আৰু তাৰ দ্বাৰা শ্রেণী গাঁথনিত একে স্থান অধিকাৰ কৰা ব্যক্তিৰ এক গোটক বুজাব।
- মাৰ্ক্সৰ মতে, উৎপাদনৰ সামাজিক সংগঠনত এজন ব্যক্তিয়ে যি স্থান অধিকাৰ কৰে, সিয়েই সূচাই দিয়ে যে তেওঁ কোনটো সামাজিক শ্রেণীৰ অন্তৰ্ভুক্ত। তদুপৰি তেওঁৰ মতে, উৎপাদন প্ৰক্ৰিয়াত

এজন মানুহৰ অৱস্থানে কেৱল তেওঁৰ শ্রেণী নির্ধাৰণ কৰাই নহয়, বৰঞ্চ সময়ৰ লগে লগে তেওঁৰ বিশ্বাস আৰু কার্যকলাপকো গঢ় দিয়ে।

- শ্রেণী সচেতনতা থাকিলেহে শ্রেণীৰ অস্তিত্ব বর্তি থাকে। শ্রেণী সচেতনতা হৈছে শ্রেণী গঠনৰ এক অপৰিহার্য পূর্বচর্ত আৰু মার্ীয় অর্থত, শ্রেণী গাঁথনিত একে স্থানত থকা ব্যক্তিসকল যদি ইজনে সিজনৰ পৰা বিচ্ছিন্ন আৰু পৃথক হৈ থাকে, তেন্তে ই এটা শ্রেণী গঠন কৰিব নোৱাৰে।
- তেওঁ প্রতিটো ঐতিহাসিক যুগক দুটা শ্রেণীৰে গঠিত বুলি চিনাক্ত কৰিছিল য'ত উৎপাদনৰ আহিলাৰ গৰাকীসকলে শ্রমিকসকলক শোষণ কৰে আৰু ইয়াৰ ফলত শত্রুতা আৰু শ্রেণী সংঘাতৰ সৃষ্টি হয়।
- শ্রেণীৰ ধাৰণা আগবঢ়াওঁতে মেক্স ৱেবৰে বজাৰৰ পৰিস্থিতিক (Market situation) গুৰুত্ব দিছিল আৰু তেওঁৰ মতে এজন ব্যক্তিৰ শ্রেণীগত অৱস্থান প্রকৃততে বজাৰত তেওঁৰ থকা অৱস্থানহে।
- ফার্ডিনাণ্ড টনিজয়ে এষ্টেটক সামূহিক বা সম্প্রদায়গত আৰু শ্রেণীক সমাজগত সমষ্টি হিচাপে ধাৰণা কৰিছে।
- শ্রেণী ব্যৱস্থা, উদ্যোগিক পশ্চিমীয়া সমাজসমূহত প্রধান হ'লেও, ই ভাৰতীয় সমাজতো ইয়াৰ বীজ ৰোপণ কৰিছে, যাৰ স্তৰীকৰণ ইতিমধ্যে জাতিৰ আধাৰত হৈ আছে।
- ডেনিয়েল থর্নাৰে ভাৰতৰ কৃষি শ্রেণীৰ বিষয়ে আলোচনা কৰোঁতে যুক্তি দিছিল যে আমি প্রতিখন ভাৰতীয় কৃষি সমাজতে থকা তিনিটা সাধাৰণ শ্রেণী চিনাক্ত কৰিব পাৰোঁ। সেইবোৰ হ'ল- বৃহৎ স্বত্বাধিকাৰী, কার্যক্ষম খেতিয়ক, আৰু শ্রমিক; অথবা থর্নাৰে তেওঁলোকক নামকৰণ কৰিছিল ক্রমে- মালিক, কিষাণ আৰু মজদুৰ।
- ডেনিয়েল থর্নাৰৰ কৃষি শ্রেণী গাঁথনিৰ বিশ্লেষণে দেখুৱায় যে কৃষি সমাজত জাতি আৰু শ্রেণীৰ মাজত কেনেকৈ এক পাৰস্পৰিক ক্রিয়া বর্তি থাকে। উচ্চ জাতিৰ সদস্যসকলে উচ্চ শ্রেণীৰো সদস্য হয় আৰু তেওঁলোকে আনৰ শ্রমৰ ফল ভোগ কৰে।
- ডি. এন. ধনাগাৰেও ভাৰতীয় সমাজত জাতি আৰু শ্রেণীৰ মাজত সক্রিয় হৈ থকা নে'ছ বা সংযোগৰ বিষয়ে কৈছিল আৰু কেনেকৈ উচ্চ শ্রেণীটো বেছিভাগেই উচ্চ জাতিৰ মানুহৰ দ্বাৰা গঠিত হৈছিল তাৰ উল্লেখ কৰিছিল।

৯.৭ অধিক জানিবলৈ

1) Gupta, Dipankar, 2010; *Social Stratification*, New Delhi: Oxford University Press.

৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শ্রেণী স্তৰীকৰণৰ এক বিশ্বজনীন ব্যৱস্থা কাৰণ ই প্রায় প্রতিখন সমাজতে বিদ্যমান।

২ নং প্রশ্নৰ উত্তৰ ঃ নহয়, শ্রেণী কোনো আৰোপিত মর্যাদা নহয়। ই এক অর্জিত মর্যাদা।

৩ নং প্রশ্নৰ উত্তৰ ঃ শ্রেণীক স্তৰীকৰণৰ এক মুক্ত ব্যৱস্থা বুলি জনা যায় কাৰণ ই বিভিন্ন স্তৰৰ মাজত সামাজিক গতিশীলতাৰ সুবিধা দিয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মার্ক্সৰ মতে, উৎপাদনৰ সংগঠনত এজন মানুহৰ অৱস্থানেই তেওঁৰ শ্রেণীগত অৱস্থান নির্ধাৰণ কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ নহয়, শ্রেণী আৰু এষ্টেট একে নহয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ডেনিয়েল থর্নাৰে চিনাক্ত কৰা তিনিটা কৃষি শ্রেণী হৈছে— মালিক, কিষাণ আৰু মজদুৰ।

? ৯.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ শ্ৰেণীৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ৰেবৰৰ শ্ৰেণীৰ ধাৰণাটো ব্যাখ্যা কৰক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ শ্ৰেণী ব্যৱস্থাৰ প্ৰেক্ষাপটত সামাজিক গতিশীলতা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মাৰ্ক্সৰ শ্ৰেণী বিশ্লেষণৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতীয় কৃষি সমাজৰ শ্ৰেণী গাঁথনি ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ বর্ণ আৰু জনগোষ্ঠীয়তা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ প্ৰাকৃতিক পাৰ্থক্য আৰু সামাজিক অসমতা (Natural Differences and Social Inequality)
১০.৩.১ বর্ণ আৰু জনগোষ্ঠীয়তাৰ ওপৰত তাত্ত্বিক দৃষ্টিভংগীসমূহ (Theoretical Positions on Race and Ethnicity)
১০.৩.২ বর্ণ আৰু জনগোষ্ঠীয়তা ঃ এই দুয়োটা একেইনে? (Race and Ethnicity: Are they the same?)
১০.৪ পৰিচয়, জাতীয়তা আৰু সামাজিক অসমতা (Identities, Nationalities, and Social Inequality)
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বর্ণ (Race) আৰু জনগোষ্ঠীয়তাৰ (Ethnicity) ধাৰণাটো বুজি পাব আৰু এই দুয়োটা কেনেকৈ সদৃশ বা পৃথক তাক জানিব পাৰিব।
- বর্ণ আৰু জাতি (caste) একে হয়নে নহয়, তাক বাখ্যা কৰিব পাৰিব।
- প্ৰাকৃতিক পাৰ্থক্য আৰু সামাজিকভাৱে নির্মিত পাৰ্থক্যসমূহৰ মাজৰ প্ৰভেদ আলোচনা কৰিব পাৰিব, যিবোৰে আচলতে অসমতা সৃষ্টিত ব্যাপকভাৱে অৰিহণা যোগায়।
- জনগোষ্ঠীয়তা, জাতীয়তাবাদৰ ধাৰণা আৰু পৰিচয় কেনেকৈ গঢ়ি উঠে, সেই বিষয়ে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

দিল্লী, বেংগালুৰু বা অন্যান্য মহানগৰসমূহত উত্তৰ-পূব ভাৰতৰ শিক্ষার্থীৰ ওপৰত হোৱা আক্ৰমণ; অষ্ট্রেলিয়া আৰু আমেৰিকাত ভাৰতীয় নাগৰিকৰ ওপৰত হোৱা আক্ৰমণ; দিল্লীৰ বুকুত নাইজেৰিয়ান শিক্ষার্থীসকল আক্ৰমণৰ বলি হোৱা, অথবা খেলপথাৰত কোনো নির্দিষ্ট দেশৰ ক্ৰিকেটাৰক তেওঁলোকৰ শাৰীৰিক অবয়ব বা চেহেৰাৰ বাবে উপলুঙা কৰা আদি খবৰবোৰ প্ৰায়েই নিয়মীয়া বাতৰি হৈ পৰিছে। আমি প্ৰায়ে ওপৰৰ সকলোবোৰ উদাহৰণৰ সৈতে 'বর্ণবাদ' (racism) শব্দটো সাঙুৰি দিওঁ।

ঐতিহাসিকভাৱে, বর্ণৰ (race) ধাৰণাটো বিভিন্ন সংস্কৃতিত সলনি হৈ আহিছে। লাহে লাহে ই পূর্বপুৰুষৰ বা পাৰিবাৰিক সম্পর্কৰ সৈতে কম আৰু বাহ্যিক শাৰীৰিক বৈশিষ্ট্যসমূহৰ সৈতে অধিক জড়িত হৈ পৰিছে। অতীতত, তাত্ত্বিকসকলে বিভিন্ন ভৌগোলিক অঞ্চল, জনগোষ্ঠীয়তা, ছালৰ ৰং আদিৰ ওপৰত ভিত্তি কৰি বর্ণৰ শ্রেণীবিভাজন কৰিছিল। বর্ণীয় গোটসমূহৰ বাবে তেওঁলোকে ব্যৱহাৰ কৰা নামবোৰে কোনো অঞ্চলক বুজাইছিল (যেনে- মংগোলিয়া আৰু ককাচ পর্বতমালা) অথবা ছালৰ ৰং বা বৰণক সূচাইছিল (যেনে- ক'লা, বগা, হালধীয়া আৰু ৰঙা)। অৱশ্যে, প্ৰাৰম্ভিক বর্ণ বিজ্ঞানৰ (racial science) সময়ত গঢ়ি উঠা বর্ণৰ এই প্ৰকাৰভেদ বা

শ্রেণীবিভাজন বর্তমান অপ্রচলিত হৈ পৰিছে আৰু বর্ণক 'সামাজিক নির্মাণ' (social construction) হিচাপে চোৱাটোৱেই বর্ণীয় শ্রেণীসমূহ বুজাৰ আটাইতকৈ প্রচলিত মাধ্যম হৈ পৰিছে।

সামাজিক নির্মাণবাদী চিন্তাধাৰাৰ (social construction school of thought) মতে, বর্ণ কোনো জৈৱিকভাৱে চিনাক্তকৰণযোগ্য বিষয় নহয়। উদাহৰণস্বৰূপে ছালৰ ৰঙৰ কথা বিবেচনা কৰিলে, বর্ণৰ সামাজিক নির্মাণৰ দৃষ্টিভংগীয়ে এইটো স্বীকাৰ কৰে যে ছালৰ তুলনামূলক ক'লা বা বগা হোৱাৰ বিষয়টো আচলতে পৃথিৱীৰ বিভিন্ন অঞ্চলত উপলব্ধ সূর্যৰ পোহৰৰ সৈতে ঘটা এক বিৱর্তনমূলক অভিযোজনহে (evolutionary adaptation)। গতিকে, বর্ণৰ সমসাময়িক ধাৰণাসমূহ, যিবোৰ সাধাৰণতে আর্থ-সামাজিক ধাৰণাৰ ওপৰত প্রতিষ্ঠিত, সেইবোৰে এই কথা স্পষ্ট কৰে যে বর্ণৰ আধুনিক বুজাবুজি জৈৱিক গুণ বা বৈশিষ্ট্যসমূহৰ পৰা কিমান দূৰত অৱস্থিত। বর্ণৰ সামাজিক নির্মাণৰ প্রক্রিয়াটো সময়ৰ পৰিৱর্তনৰ লগে লগে বর্ণীয় শ্রেণীসমূহৰ নাম সলনি হোৱা পদ্ধতিটোৰ পৰাও প্রতিফলিত হয়। এই অর্থত মন কৰিবলগীয়া যে, বর্ণ হৈছে নামকৰণ বা লেবেলিং কৰাৰ এক ব্যৱস্থা (system of labeling), যি পৰিচয়ৰ এক উৎস। বিভিন্ন সামাজিক যুগত কিছুমান নির্দিষ্ট নামে জনপ্রিয়তা লাভ কৰে বা হেৰুৱাই পেলায়। উদাহৰণস্বৰূপে, ঊনবিংশ শতিকাত জনপ্রিয় থকা "নিগ্রইড" (negroid) শ্রেণীটো ১৯৬০ ৰ দশকলৈ "নিগ্রো" (negro) শব্দলৈ পৰিৱর্তন হ'ল, আৰু তাৰ পিছত এই শব্দটোৰ ব্যৱহাৰ হ্রাস পাই তাৰ ঠাইত "আফ্রিকান আমেৰিকান" (African American) শব্দটো ব্যৱহাৰ কৰা হ'ল। এই শেষৰ শব্দটো যদিও এজন কৃষ্ণবর্ণৰ ব্যক্তিৰ বহু মাত্রিক পৰিচয়ক সন্মান জনাবলৈ অনা হৈছিল, তথাপিও ইয়াকো অন্যান্য কাৰণত সমালোচনা কৰা হৈছে।

প্রায়েই দেখা যায় যে বর্ণ (race) আৰু জনগোষ্ঠীয়তা (ethnicity), বা আনকি সংখ্যালঘু গোট (minority groups) শব্দবোৰ কেতিয়াবা এটাৰ সলনি আনটো ব্যৱহাৰ কৰা হয়, যদিও এই ধাৰণাবোৰৰ মাজত এক বৃহৎ পার্থক্য আছে। এটা জনগোষ্ঠীয় গোট (ethnic group) এনে কিছুমান মানুহৰ দ্বাৰা গঠিত হয় যিসকলে পৃথিৱীৰ প্রতি এক উমৈহতীয়া দৃষ্টিভংগী ভগাই লয়, যিসকলৰ মাজত এক স্বকীয় সমাজ বা জনগোষ্ঠীৰ ভাৰ গঢ়ি উঠে, আৰু যিসকলক আনসকলে ধর্ম, ভাষা, পৰম্পৰা আৰু ঐতিহ্যৰ দৰে সুকীয়া সাংস্কৃতিক উপাদান থকা বুলি গণ্য কৰে। ইয়াত অন্যান্য উমৈহতীয়া বৈশিষ্ট্যৰ লগতে উমৈহতীয়া ভাষা, ধর্ম আৰু পৰম্পৰাও অন্তর্ভুক্ত হ'ব পাৰে। ম্যানমাৰত ৰোহিংগীয়া মুছলমানসকলৰ চলি থকা সংগ্রাম আৰু চৰম বিদেশী-বিদ্বেষ (xenophobia) হৈছে জনগোষ্ঠীয় সম্প্রদায় আৰু ইয়াৰ চাৰিওফালে চলা বিতর্কৰ অন্যতম উদাহৰণ।

আনহাতে, সংখ্যালঘু গোটসমূহ হৈছে সমাজৰ নিম্ন বা অধীনস্থ গোট (subordinate groups) যিবোৰক সংখ্যাগৰিষ্ঠৰ দ্বাৰা নিয়ন্ত্রণ বা দমন কৰা হয়। সমাজবিজ্ঞানী লুই ৱির্থে (Louis Wirth) সংখ্যালঘু গোটক এনেদৰে সংজ্ঞায়িত কৰিছে- "মানুহৰ যিকোনো গোট, যিসকলক তেওঁলোকৰ শাৰীৰিক বা সাংস্কৃতিক বৈশিষ্ট্যৰ বাবে তেওঁলোকে বাস কৰা সমাজখনৰ আনসকলৰ পৰা পৃথক কৰি বৈষম্যমূলক আৰু অসমান ব্যৱহাৰ কৰা হয়, আৰু সেইবাবেই তেওঁলোকে নিজকে সামূহিক বৈষম্যৰ বলি বুলি গণ্য কৰে।" সংখ্যালঘু (minority) শব্দটোৱে বৈষম্যক সূচায়, আৰু ইয়াৰ সমাতাত্তিক ব্যৱহাৰত, 'অধীনস্থ' (subordinate) শব্দটো সংখ্যালঘু শব্দটোৰ সৈতে সালসলনি কৰি ব্যৱহাৰ কৰিব পাৰি, আনহাতে সংখ্যাগৰিষ্ঠ গোটটোৰ বাবে প্রায়ে 'প্রভাৱশালী' (dominant) শব্দটো ব্যৱহাৰ কৰা হয়। এই সংজ্ঞাসমূহে এই ধাৰণাটোক প্রতিপন্ন কৰে যে প্রভাৱশালী গোটটোৱেই হৈছে সেইটো যি কোনো এক সমাজত আটাইতকৈ বেছি ক্ষমতাৰ অধিকাৰী হয়, আনহাতে অধীনস্থ গোটসমূহ প্রভাৱশালী গোটৰ তুলনাত ক্ষমতাধীন বা ক্ষমতাহীন হয়। ইয়াত মন কৰা দৰকাৰ যে কেৱল সংখ্যাগতভাৱে সংখ্যালঘু হ'লেই সদায় অধীনস্থ বা দুর্বল অৱস্থান নুবুজাবও পাৰে। আনকি সংখ্যাগতভাৱে সৰু বা সংখ্যালঘু গোটবোৰো কিছুমান সমাজত প্রভাৱশালী বা শাসক গোট হ'ব পাৰে। পূর্বৰ গোটত আমি সামাজিক স্তৰীকৰণৰ আধাৰ হিচাপে শ্রেণীৰ বিষয়ে আলোচনা কৰিছোঁ। এই গোটটোত আমি বর্ণ, জনগোষ্ঠীয়তা আৰু ই কেনেকৈ সমাজক স্তৰীকৃত কৰে, সেই বিষয়ে শিকিম।

১০.৩ প্ৰাকৃতিক পাৰ্থক্য আৰু সামাজিক অসমতা (NATURAL DIFFERENCES AND SOCIAL INEQUALITY)

মানুহৰ প্ৰথম বৰ্ণীয় শ্ৰেণীবিভাজন ১৬৮৪ চনত প্ৰকাশিত ফ্ৰাঙ্কোৱা বাৰ্ণিয়াৰৰ (Francois Bernier) 'Nouvelle division de la terre par les diffrentes espces ou races qui l'habitent' (পৃথিৱীৰ বিভিন্ন প্ৰজাতি বা বৰ্ণ অনুসৰি ভূমিৰ নতুন বিভাজন) নামৰ গ্ৰন্থত পোৱা যায়। ১৭৯০ চনত, প্ৰথম উত্তৰ আমেৰিকাৰ লোকপিয়লত জনসংখ্যাক মুক্ত বগা পুৰুষ, মুক্ত বগা মহিলা আৰু অন্যান্য লোক (স্থানীয় আমেৰিকান আৰু ক্ৰীড়নক/দাস) হিচাপে শ্ৰেণীভুক্ত কৰা হৈছিল। ইয়াৰ বিপৰীতে, ১৮৯০ চনৰ লোকপিয়লত জনসংখ্যাক বগা, ক'লা, চীনা, জাপানী আৰু ইণ্ডিয়ান আদি শব্দ ব্যৱহাৰ কৰি শ্ৰেণীভুক্ত কৰা হৈছিল। আধুনিক শ্ৰেণীবিভাজন বিজ্ঞানৰ (taxonomy) প্ৰতিষ্ঠাপক তথা 'Homo sapiens' শব্দটোৰ স্ৰষ্টা কেৰোলাচ লিনিয়াছে (Carolus Linnaeus, 1758) মানুহৰ চাৰিটা প্ৰকাৰ বা জাতিক স্বীকৃতি দিছিল:

- আমেৰিকান (American)
- ইউৰোপীয় (European)
- এছিয়ান (Asian)
- আফ্ৰিকান (African)

লিনিয়াছে কোনো ভৌগোলিক সংজ্ঞা নোহোৱাকৈ এক পঞ্চম বৰ্ণকো স্বীকৃতি দিছিল, যাক তেওঁ 'দানৰ বৰ্ণ' (Monster û Homo Sapiens monstrosus) বুলিছিল। ইয়াৰ ভিতৰত আছিল বিভিন্ন বাস্তৱিক প্ৰকাৰ আৰু কল্পনাৰ দ্বাৰা সৃষ্ট অন্যান্য প্ৰকাৰ যিবোৰ ওপৰৰ চাৰিটা 'স্বাভাৱিক' শ্ৰেণীত খাপ খোৱা নাছিল। লিনিয়াছৰ পক্ষপাতদুষ্ট শ্ৰেণীবিভাজনে প্ৰতিটো বৰ্ণকে সুকীয়া শাৰীৰিক আৰু নৈতিক বৈশিষ্ট্য প্ৰদান কৰিছিল। ১৭৭৫ চনত লিনিয়াছৰ উত্তৰাধিকাৰী জে. এফ. ব্লুমেনবাখে (J. F. Blumenbach) মানৰ জাতিৰ "চাৰিটা প্ৰকাৰ"ক স্বীকৃতি দিয়ে—

- ইউৰোপীয়, পূব এছিয়া আৰু উত্তৰ আমেৰিকাৰ অংশ।
- অষ্ট্ৰেলিয়ান।
- আফ্ৰিকান।
- নতুন পৃথিৱীৰ (New World) বাকী অংশ।

বৰ্ণৰ সৰহভাগ সংজ্ঞা যিবোৰ বাহ্যিক লক্ষণৰ ওপৰত প্ৰতিষ্ঠিত- যেনে ছালৰ ৰং আৰু চুলিৰ গঠন- সেইবোৰ মাত্ৰ কেইটামান জিনৰ (genes) দ্বাৰা পৰিচালিত হয়। কিন্তু একে "বৰ্ণৰ" দুজন ব্যক্তিৰ অন্যান্য জিনবোৰ সম্পূৰ্ণ বেলেগ হ'ব পাৰে। বিপৰীতভাৱে, দুটা বেলেগ "বৰ্ণৰ" দুজন ব্যক্তিৰ মাজত একে বৰ্ণৰ দুজন ব্যক্তিতকৈ অধিক জিনীয় সাদৃশ্য (genetic similarity) থাকিব পাৰে। এতিয়ালৈকে বৰ্ণ আৰু জীৱবিজ্ঞানৰ যি গুৰুত্ব সেয়া আচলতে সামাজিকহে; অৰ্থাৎ আমাক সাংস্কৃতিকভাৱে বৰ্ণক জৈৱিক শব্দৰে সংজ্ঞায়িত কৰিবলৈ সামাজিকীকৰণ কৰা হয়। আচলতে, পৃথিৱীৰ ইতিহাসত বেছিভাগ সংস্কৃতিয়েই বৰ্ণক জৈৱিক পৰিভাষাতকৈ সাংস্কৃতিক পৰিভাষাতহে সংজ্ঞায়িত কৰে।

বৰ্ণৰ বিষয়ে আলোচনা কৰোঁতে গতানুগতিক ধাৰণা বা কু-সংস্কাৰ (stereotype), পক্ষপাতিত্ব বা পূৰ্বধাৰণা (prejudice) আৰু বৈষম্য (discrimination) শব্দবোৰ এটাৰ সলনি আনটো ব্যৱহাৰ কৰা হয়। কিন্তু এই শব্দবোৰ সমাজতাত্ত্বিক দৃষ্টিভংগীৰ পৰা আলোচনা কৰিলে, ইহঁতক সঠিকভাৱে সংজ্ঞায়িত কৰাটো জৰুৰী: গতানুগতিক ধাৰণা বা ষ্টিৰিঅ'টাইপ হৈছে মানুহৰ গোট সম্পৰ্কে থকা অতি সৰলীকৃত ধাৰণা; পূৰ্বধাৰণা বা প্ৰিজুডিচে সেই গোটবোৰৰ প্ৰতি থকা চিন্তা আৰু ভাৱক বুজায়, আনহাতে বৈষম্য বা ডিস্ক্ৰিমিনেশ্বনে তেওঁলোকৰ প্ৰতি কৰা কাৰ্য বা আচৰণক বুজায়। বৰ্ণবাদ (Racism) হৈছে এক প্ৰকাৰৰ পূৰ্বধাৰণা য'ত কোনো এটা নিৰ্দিষ্ট বৰ্ণীয় গোটৰ প্ৰতি কিছুমান স্থিৰ বিশ্বাস জড়িত হৈ থাকে। বিগত শতিকাত দক্ষিণ আফ্ৰিকাত কৃষ্ণবৰ্ণৰ লোকসকল আটাইতকৈ বেছি সংখ্যাত আছিল, তথাপিও শ্বেতাংগসকলে বৰ্ণবাদী শ্ৰেষ্ঠত্বৰ আদৰ্শৰে তাত অতি নিষ্ঠুৰভাৱে

শাসন কৰিছিল, যাৰ ফলত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তীব্ৰ প্ৰতিবাদ হৈছিল আৰু অৱশেষত তাত বৰ্ণবৈষম্যবাদ বা 'বৰ্ণভেদ নীতি'ৰ (Apartheid) পতন ঘটিছিল। অপার্থাইড বা বৰ্ণভেদ নীতি তেতিয়াই হৈছিল যেতিয়া দক্ষিণ আফ্ৰিকাই ১৯৪৮ আৰু ১৯৯০ চনৰ ভিতৰত শ্বেতাংগ আৰু কৃষ্ণবৰ্ণৰ লোকৰ মাজত আনুষ্ঠানিকভাৱে বিভাজন কাৰ্যকৰী কৰি শ্বেতাংগসকলৰ শ্ৰেষ্ঠত্ব আৰু বিশেষাধিকাৰমূলক ব্যৱস্থাক বাধ্যতামূলক কৰিছিল। দক্ষিণ আফ্ৰিকা চৰকাৰৰ ওপৰত অৰ্থনৈতিক আৰু ৰাজনৈতিক চাপ সৃষ্টি কৰা অন্যান্য দেশসমূহৰ যুটীয়া আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ ফলত বৰ্ণভেদ নীতি (Apartheid) বিলোপ কৰা হৈছিল।

গতানুগতিক ধাৰণা (Stereotypes)

গতানুগতিক ধাৰণা বা ষ্টিৰিঅ'টাইপ বৰ্ণ, জনগোষ্ঠীয়তা, বয়স, লিংগ, যৌন অভিমুখীতা- প্ৰায় যিকোনো বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিব পাৰে। এইবোৰ ইতিবাচক হ'ব পাৰে কিন্তু প্ৰায়েই নেতিবাচক হয়। দুয়োটা ক্ষেত্ৰতে, গতানুগতিক ধাৰণা হৈছে এটা সাধাৰণীকৰণ (generalization) যিয়ে ব্যক্তিগত পাৰ্থক্যক বিবেচনা কৰিবলৈ টান পায়। গতিকে গতানুগতিক ধাৰণাসমূহ হৈছে এনে কিছুমান বিশ্বাস যে কোনো এক নিৰ্দিষ্ট সামাজিক গোটৰ সকলো সদস্যৰে কিছুমান উমৈহতীয়া বৈশিষ্ট্য থাকে; গতানুগতিক ধাৰণাসমূহ হৈছে ক'গনিটিভ বা জ্ঞানীয় গাঁথনি (cognitive frameworks) যিয়ে সমাজৰ পৰা অহা তথ্যসমূহ প্ৰক্ৰিয়াকৰণ কৰাত তীব্ৰ প্ৰভাৱ পেলায়।

পূৰ্বধাৰণা (Prejudice)

পূৰ্বধাৰণা বা প্ৰিজুডিচে কোনো গোটৰ প্ৰতি এজন ব্যক্তিয়ে পোষণ কৰা বিশ্বাস, চিন্তা, ভাৱ আৰু মনোভাৱক বুজায়। পূৰ্বধাৰণা কোনো অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত নহয়; বৰঞ্চ ই হৈছে এক পূৰ্ব-বিচাৰ (prejudgment), যাৰ উৎপত্তি প্ৰকৃত অভিজ্ঞতাৰ পৰিধিৰ বাহিৰত হয়। অতি নিখুঁতভাৱে ক'বলৈ গ'লে, ইয়াক কোনো এটা গোটৰ সদস্য হোৱাৰ বাবেই সেই গোটৰ সদস্যসকলৰ প্ৰতি থকা এক মনোভাৱ (প্ৰায়েই নেতিবাচক) বুলি ক'ব পাৰি। বৰ্ণবাদ হৈছে এক প্ৰকাৰৰ পূৰ্বধাৰণা যিটো এটা বৰ্ণীয় শ্ৰেণীক আনতকৈ শ্ৰেষ্ঠ বা নিম্ন বুলি ভবা বিশ্বাসটোক যুক্তিযুক্ত প্ৰমাণ কৰিবলৈ ব্যৱহাৰ কৰা হয়।

বৈষম্য (Discrimination)

পূৰ্বধাৰণাই পক্ষপাতদুষ্ট চিন্তাক বুজোৱাৰ বিপৰীতে বৈষম্যই মানুহৰ এটা গোটৰ বিৰুদ্ধে কৰা কাৰ্য বা আচৰণক বুজায়। গতিকে ইয়াক পূৰ্বধাৰণাৰ বলি হোৱা লোকসকলৰ প্ৰতি প্ৰদৰ্শিত নেতিবাচক আচৰণ বুলি ক'ব পাৰি। বৈষম্য বয়স, ধৰ্ম, স্বাস্থ্য আৰু অন্যান্য সূচকৰ ওপৰত ভিত্তি কৰি হ'ব পাৰে; বৰ্ণভিত্তিক বৈষম্য আৰু বৈষম্য-বিৰোধী আইনসমূহে এই সামাজিক সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰয়াস কৰে। বৰ্ণ বা জনগোষ্ঠীয়তাৰ ওপৰত আধাৰিত বৈষম্য বিভিন্ন ৰূপত হ'ব পাৰে— যেনে অসাধু গৃহায়ন ব্যৱস্থাৰ পৰা আৰম্ভ কৰি পক্ষপাতমূলক নিযুক্তি প্ৰক্ৰিয়ালৈকে। আমেৰিকাৰ (U.S.) ইতিহাসত দীৰ্ঘদিন ধৰি প্ৰত্যক্ষ বৈষম্য এক অংশ হৈ আহিছে।

অৱশ্যে, কেৱল ইয়াক বিলোপ কৰিবলৈ আইন প্ৰণয়ন কৰিলেই আমাৰ সংস্কৃতিৰ পৰা বৈষম্য মচি পেলাব নোৱাৰি। সমাজতাত্ত্বিক ইমাইল দুৰ্খেইমে বৰ্ণবাদক এটা 'সামাজিক সত্য' (social fact) বুলি অভিহিত কৰিছে, যাৰ অৰ্থ হ'ল ই চলি থাকিবলৈ কোনো নিৰ্দিষ্ট ব্যক্তিৰ কাৰ্যৰ প্ৰয়োজন নহয়। ইয়াৰ কাৰণসমূহ অতি জটিল আৰু বৰ্তি থকা শৈক্ষিক, অপৰাধমূলক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ সৈতে সম্পৰ্কিত।

গণহত্যা (Genocide) হৈছে আন এটা শব্দ যিটো বৰ্ণ আৰু জনগোষ্ঠীয়তাৰ আলোচনাৰ সৈতে ওচৰৰ সম্পৰ্ক ৰাখে। কোনো এটা লক্ষ্য কৰি লোৱা (সাধাৰণতে অধীনস্থ) গোটক সম্পূৰ্ণৰূপে মচি পেলোৱাৰ নিৰ্দিষ্ট উদ্দেশ্যেৰে পৰিকল্পিতভাৱে কৰা গণধ্বংসক গণহত্যা বুলি কোৱা হয়। ঐতিহাসিকভাৱে আমি দেখিবলৈ পাওঁ যে গণহত্যাৰ ভিতৰত কোনো এটা গোটক নিঃশেষ কৰাৰ উদ্দেশ্য আৰু গোটটোক নিঃশেষ কৰাৰ কাৰ্য- দুয়োটা অন্তৰ্ভুক্ত হৈ আহিছে, লাগিলে সেয়া ইচ্ছাকৃত হওক বা নহওক। ৰুৱাণ্ডাত হুতু (Hutus) সকলৰ দ্বাৰা টুটচি (Tutsis) সকলৰ বিৰুদ্ধে কৰা গণহত্যা ইয়াৰ এক ধ্ৰুপদী উদাহৰণ।

১০.৩.১ বর্ণ আৰু জনগোষ্ঠীয়তাৰ ওপৰত তাত্ত্বিক দৃষ্টিভংগীসমূহ (THEORITICAL POSITIONS ON RACE AND ETHNICITY)

বর্ণ আৰু জনগোষ্ঠীয়তাৰ সমস্যাসমূহক তিনিটা মুখ্য সমাজতাত্ত্বিক দৃষ্টিভংগীৰ মাজেৰে পর্যবেক্ষণ কৰিব পাৰি: কার্যবাদ (functionalism), সংঘাত তত্ত্ব (conflict theory), আৰু প্রতীকী ক্রিয়া-প্রতিক্রিয়াবাদ (symbolic interactionism)।

- **কার্যবাদী দৃষ্টিভংগী (Functionalist Perspective):** কার্যবাদৰ দৃষ্টিত, বর্ণীয় আৰু জনগোষ্ঠীয় অসমতাসমূহ ইমান দীর্ঘদিন ধৰি বর্তি থকাৰ অন্তৰালত নিশ্চয় কোনো গুৰুত্বপূর্ণ কার্য বা ভূমিকা আছিল। এই ধাৰণাটো অৱশ্যে বিতর্কিত। কার্যবাদী দৃষ্টিভংগী পোষণ কৰা সমাজবিজ্ঞানীসকলে যুক্তি দিয়ে যে বর্ণবাদ আৰু বৈষম্যই ইতিবাচক অৰিহণা যোগায়, কিন্তু সেয়া কেৱল প্রভাৱশালী বা শাসক গোটটোৰ বাবেহে। ঐতিহাসিকভাৱে, অধীনস্থ গোটসমূহক বৈষম্য কৰাটোৱে প্রভাৱশালী গোটসমূহক ভালদৰেই সহায় কৰি আহিছে। ক্রীড়নক বা দাস প্রথা (Slavery), নিশ্চিতভাৱে দাসৰ মালিকসকলৰ বাবে লাভজনক আছিল। বর্ণবাদী দৃষ্টিভংগী ৰখাটোৱে সেইসকল লোকক লাভান্বিত কৰিব পাৰে যিসকলে নিজতকৈ নিম্ন বুলি ভবা লোকসকলক অধিকাৰ আৰু বিশেষাধিকাৰৰ পৰা বঞ্চিত কৰিব বিচাৰে, কিন্তু সময়ৰ লগে লগে বর্ণবাদে সমাজৰ ক্ষতি সাধন কৰে। বর্ণভিত্তিক ভোটাধিকাৰ হৰণ বা বৈষম্যৰ পৰিণতিসমূহ- যেনে দৰিদ্রতাৰ মাত্রা, অপৰাধৰ হাৰ, আৰু কর্মসংস্থাপন তথা শিক্ষাৰ সুযোগৰ মাজত থকা অমিলসমূহে- আমেৰিকান সমাজত দাস প্রথা আৰু বর্ণবাদৰ দীর্ঘম্যাদী (আৰু স্পষ্টভাৱে নেতিবাচক) ফলাফলক প্রতিপন্ন কৰে।
- **সংঘাত তত্ত্ব (Conflict Theory):** সংঘাত তত্ত্বসমূহ প্রায়েই লিংগ, সামাজিক শ্রেণী, শিক্ষা, বর্ণ আৰু জনগোষ্ঠীয়তাৰ অসমতাসমূহৰ ক্ষেত্রত প্রয়োগ কৰা হয়। ঊনবিংশ শতিকাৰ শেষৰ ফালে, আমেৰিকাৰ গৃহযুদ্ধৰ (Civil War) পিছত কৃষ্ণবর্ণৰ আমেৰিকানসকলৰ বর্ধিত ক্ষমতাই অত্যন্ত নিষ্ঠুৰ 'জিম ক্র' (Jim Crow) আইনসমূহৰ জন্ম দিছিল, যিবোৰে কৃষ্ণবর্ণৰ লোকসকলৰ ৰাজনৈতিক আৰু সামাজিক ক্ষমতা তীব্রভাৱে সীমিত কৰিছিল। তাৰ পিছৰ বছৰবোৰে ভোটাধিকাৰ হৰণ কৰাৰ এক পৰিকল্পিত প্রয়াসৰ আৰ্হি দেখুৱাইছে, য'ত মূলতঃ সংখ্যালঘু বসতি প্রধান অঞ্চলসমূহক লক্ষ্য কৰি 'গেৰিমেণ্ডেৰিং' (Gerrymandering - নির্বাচনী সমুখৰ সীমাৰ হেৰফেৰ) আৰু ভোটদানত বাধা সৃষ্টিৰ প্রচেষ্টা চলোৱা হৈছে।

নাৰীবাদী সমাজতাত্ত্বিক পেট্রিচিয়া হিল কলিন্সে (Patricia Hill Collins) 'আন্তঃসংযোগ তত্ত্ব' বা 'ইণ্টাৰচেকচনেলিটি থিয়ৰী' (intersection theory) গঢ়ি তুলিছিল, যাৰ মতে আমি বর্ণ, শ্রেণী, লিংগ, যৌন অভিমুখীতা আৰু অন্যান্য গুণসমূহৰ প্রভাৱক এটাৰ পৰা আনটো পৃথক কৰিব নোৱাৰোঁ। যেতিয়া আমি বর্ণক পৰীক্ষা কৰোঁ আৰু ই কেনেকৈ আমালৈ একেলগে সুবিধা আৰু অসুবিধা দুয়োটাই কঢ়িয়াই আনিব পাৰে তাক চাওঁ, তেতিয়া এইটো স্বীকাৰ কৰা গুৰুত্বপূর্ণ যে আমি বর্ণক যিদৰে অনুভৱ কৰোঁ, সেয়া আমাৰ লিংগ আৰু শ্রেণীৰ দ্বাৰাও গঢ়ি উঠে। উদাহৰণস্বৰূপে, যদি আমি পূর্বধাৰণা বা পক্ষপাতিত্ব বুজিব বিচাৰোঁ, তেন্তে আমি বুজিব লাগিব যে এগৰাকী বগা মহিলাৰ ওপৰত তেওঁৰ লিংগৰ বাবে থকা পূর্বধাৰণা এগৰাকী দৰিদ্র এছিয়ান মহিলাৰ ওপৰত থকা বহুস্তৰীয় পূর্বধাৰণাতকৈ সম্পূর্ণ বেলেগ; কাৰণ এছিয়ান মহিলাগৰাকী একেলগে দৰিদ্র হোৱা, মহিলা হোৱা আৰু তেওঁৰ জনগোষ্ঠীয় স্থিতিৰ সৈতে জড়িত গতানুগতিক কু-সংস্কাৰৰ দ্বাৰা প্রভাৱিত।

- **ক্রিয়া-প্রতিক্রিয়াবাদ (Interactionism):** প্রতীকী ক্রিয়া-প্রতিক্রিয়াবাদীসকলৰ বাবে বর্ণ আৰু জনগোষ্ঠীয়তাই পৰিচয়ৰ উৎস হিচাপে শক্তিশালী প্রতীক (symbols) প্রদান কৰে। আচলতে, কিছুমান ক্রিয়া-প্রতিক্রিয়াবাদীয়ে এই প্রস্তাৱ আগবঢ়ায় যে বর্ণই নিজে নহয়, বৰঞ্চ বর্ণৰ প্রতীকসমূহেহে বর্ণবাদৰ দিশলৈ লৈ যায়। ক্রিয়া-প্রতিক্রিয়াবাদী হার্বাট ব্লুমাৰে (Herbert Blumer) পৰামর্শ দিছিল যে বর্ণবাদী পূর্বধাৰণা প্রভাৱশালী গোটৰ সদস্যসকলৰ মাজৰ পাৰস্পৰিক ক্রিয়া-প্রতিক্রিয়াৰ জৰিয়তে গঢ়ি উঠে: এই ক্রিয়া-প্রতিক্রিয়াসমূহ নোহোৱাকৈ প্রভাৱশালী গোটৰ ব্যক্তিসকলে বর্ণবাদী দৃষ্টিভংগী পোষণ

নকৰিলেহেঁতেন। এই ক্ৰিয়া-প্ৰতিক্ৰিয়াসমূহে অধীনস্থ গোটটোৰ এক অমূৰ্ত ছবি (abstract picture) গঢ়ি তোলাত অৰিহণা যোগায়, যাৰ ফলত প্ৰভাৱশালী গোটটোৱে অধীনস্থ গোটটোৰ প্ৰতি থকা নিজৰ দৃষ্টিভংগীক সমৰ্থন কৰিব পাৰে আৰু এইদৰে স্থিতাৱস্থা (status quo) বজাই ৰাখে।

১০.৩.২ বর্ণ আৰু জনগোষ্ঠীয়তা ঃ এই দুয়োটা একেইনে ? (Race and Ethnicity: Are they the same ?)

বর্ণ (race) শব্দটোৰ বহুতো সংজ্ঞা আছে যিবোৰ সাধাৰণতে নির্দিষ্ট কিছুমান বাহ্যিক শাৰীৰিক অবয়ব বা গাথঁনিগত বৈশিষ্ট্য (morphological characteristics) থকা মানুহৰ এটা গোটক বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। বেছিভাগ লেখকে বুজি পাইছে যে বর্ণ এক অবৈজ্ঞানিক শব্দ, যাৰ কেৱল তেতিয়াহে এক জীৱবৈজ্ঞানিক অর্থ থাকিব পাৰে যেতিয়া মানুহ সম্পূর্ণৰূপে সমজাতীয় বা 'বিশুদ্ধ বংশধৰ' (thoroughbred) হয়, যেনে কিছুমান প্ৰাণীৰ প্ৰজাতিৰ ক্ষেত্ৰত দেখা যায়। এই চর্তসমূহ অৱশ্যে মানুহৰ ক্ষেত্ৰত কেতিয়াও পোৱা নাযায়।

আনহাতে, ঐতিহাসিকভাৱে জনগোষ্ঠীয়তা (ethnicity) শব্দটো গ্ৰীক বিশেষণ শব্দ 'Ethnikos' ৰ পৰা আহিছে আৰু ইয়াৰ অর্থ হৈছে "অনাধর্মী বা বিদেশী" (heathen)। এই বিশেষণ শব্দটো 'ethnos' নামৰ বিশেষ্য পদৰ পৰা উদ্ভৱ হৈছে, যাৰ অর্থ হৈছে বিদেশী মানুহ বা জাতি। ই এক বহুমুখী ধাৰণা, যিয়ে এজন ব্যক্তিৰ পৰিচয় গঢ়ি তোলে- বংশগত সম্পর্ক, ধর্ম, ভাষা, ভগাই লোৱা ভূখণ্ড তথা জাতীয়তা, আৰু শাৰীৰিক অবয়বৰ জৰিয়তে। জনগোষ্ঠীয়তা সাংস্কৃতিক ক্ষেত্ৰখনৰ অন্তর্ভুক্ত। এটা জনগোষ্ঠীয় সম্প্ৰদায় ভাষিক তথা সাংস্কৃতিক সাদৃশ্য আৰু জিনীয় মিলৰ দ্বাৰা নির্ধাৰিত হয়। এই সম্প্ৰদায়সমূহে প্ৰায়েই নিজৰে এক সুকীয়া সামাজিক আৰু ৰাজনৈতিক গাঁথনি তথা এটা নির্দিষ্ট ভূখণ্ড থকা বুলি দাবী কৰে।

বর্ণই জৈৱিক প্ৰভেদ, বাহ্যিক লক্ষণ (phenotypes) আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহক বুজায় যিবোৰ বর্ণীয় গোটসমূহৰ সৃষ্টিৰ আধাৰ বুলি বিশ্বাস কৰা হয়। ইয়াৰ পৰা এইটোৱে প্ৰতিপন্ন হয় যে ই এক বিশ্বাস ব্যৱস্থাৰ পৰা সৃষ্টি হোৱা আৰু প্ৰতিষ্ঠানিকভাৱে শক্তিশালী কৰা এক বাস্তৱতা, য'ত ধৰি লোৱা হয় যে সমগ্ৰ মানৱজাতি বিভিন্ন বর্ণীয় গোটৰ সমষ্টি। প্ৰতিটো বর্ণীয় বা জনগোষ্ঠীয় গোটৰ ভিতৰতো পার্থক্য থাকে। আনকি এই গোটসমূহৰ সদস্যসকলৰ মাজতো নিজক কি বুলি মাতিব লাগিব আৰু কাক ইয়াত অন্তর্ভুক্ত কৰা উচিত বা অনুচিত, তাক লৈ মতানৈক্য থাকে। বর্ণই সামাজিক অসমতাসমূহক প্ৰাকৃতিক বুলি জাপি দিয়ে। জনগোষ্ঠীয়তাই উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্য আৰু গোটটোৰ উমৈহতীয়া ইতিহাসক বুজায়। ইয়াক প্ৰকৃত বা ধৰি লোৱা উমৈহতীয়া বংশাৱলীৰ (shared genealogy) আধাৰত সংজ্ঞায়িত কৰা হয়। সাধাৰণতে, যদি মানুহে বিশ্বাস কৰে যে তেওঁলোক কোনো এক নির্দিষ্ট গোটৰ বংশধৰ, আৰু তেওঁলোকে সেই গোটটোৰ সৈতে নিজক সাঙুৰিব বিচাৰে, তেন্তে তেওঁলোক প্ৰকৃততে সেই গোটটোৱে সদস্য। শ্ৰীলংকাত তামিল-সিংহলী সংঘাত জনগোষ্ঠীয় সংঘাতৰ এক উল্লেখনীয় উদাহৰণ। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত, এই অঞ্চলৰ বৈচিত্ৰ্যময় আৰু মিশ্ৰিত জনসংখ্যাৰ বাবে কেইবাটাও স্থানীয় জনগোষ্ঠীয় সংঘাতৰ সৃষ্টি হৈছে, যেনে কুকি-নগা সংঘাত (Kuki-Naga conflict) ইত্যাদি।

১০.৪ পৰিচয়, জাতীয়তা আৰু সামাজিক অসমতা (IDENTITIES, NATIONALITIES, AND SOCIAL INEQUALITY)

বর্ণ আৰু জনগোষ্ঠীয়তাৰ এই আলোচনা পৰিচয়, ৰাষ্ট্ৰ নির্মাণ আৰু বিভিন্ন ধৰণৰ সংগ্ৰামৰ বিতর্কৰ সৈতে অতি ওচৰৰ সম্পর্ক ৰাখে। এজন ব্যক্তিৰ সামাজিকীকৰণ, সামাজিক দিশ আৰু তেওঁ সমুখীন হোৱা সংগ্ৰাম তথা শোষণসমূহে বহু পৰিমাণে তেওঁৰ পৰিচয় গঢ়ি তোলে। এইদৰে পৰিচয় আমাৰ সত্তা আৰু আমি যি প্ৰেক্ষাপটৰ অংশ, তাৰ প্ৰতি থকা আপোনত্বৰ ক্ষুদ্ৰ (micro) আৰু বৃহৎ (macro) প্ৰক্ৰিয়াসমূহৰ ভিতৰত গভীৰভাৱে সোমাই থাকে। ই হৈছে সামাজিক সম্পর্ক আৰু দৈনন্দিন জীৱনৰ এক পৰিণতি। বর্ণ আৰু জনগোষ্ঠীয়তা দুয়োটা উপাদানেই ব্যক্তিগত আৰু সামূহিক- দুয়ো ধৰণৰ পৰিচয় গঢ়ি তোলাত গুৰুত্বপূর্ণ ভূমিকা লয়। এই পৰিচয়ে সংগ্ৰাম, শোষণ,

আধিপত্য, ক্ষমতা বা প্রতিৰোধৰ এক নির্দিষ্ট ইতিহাসকো বর্ণনা কৰে। ই আমাক এক নির্দিষ্ট ৰূপ দিয়া আৰু কোনে তথা কেনেকৈ ইয়াক গঢ় দিয়ে, তাৰ এক বৃহৎ গাঁথনিৰ অংশ। যুক্তৰাষ্ট্ৰৰ (United States) দৰে দেশসমূহৰ minority বা সংখ্যালঘু গোটসমূহলৈ চালে দেখা যায় যে জনগোষ্ঠীয় আৰু বর্ণীয় পৰিচয়সমূহ অত্যন্ত সচেতনভাৱে প্রদর্শন কৰা হয়। এই প্রদর্শন বেছিভাগেই দুটা বিপৰীতমুখী সাংস্কৃতিক আৰু সামাজিক প্রভাৱৰ পৰা সৃষ্টি হয়।

ম্যানমাৰত শেহতীয়াকৈ হোৱা ৰোহিংগীয়া মুছলমান সংকটৰ সময়ত, ৰাষ্ট্ৰসংঘৰ (UN) মানৱ অধিকাৰ বিষয়াসকলে এই ব্যাপক গণ-প্রব্রজনক জনগোষ্ঠীয় নির্যাতন বা 'জাতিগত নির্মূলকৰণৰ' (ethnic cleansing) এটা নিখুঁত "পাঠ্যপুথিৰ উদাহৰণ" বুলি অভিহিত কৰিছিল। বৌদ্ধ ধর্ম প্রধান ম্যানমাৰত ৰোহিংগীয়াসকল হৈছে এক মুছলমান সংখ্যালঘু গোট আৰু গাঁও জ্বলাই দিয়া তথা আদালত বহির্ভূত হত্যাকাণ্ডৰ মাজতে ৩,১০,০০০ তকৈও অধিক মানুহ বাংলাদেশলৈ পলাই গৈছে, আনহাতে একাংশ সীমান্তত আৱদ্ধ হৈ পৰিছে। এই সংকটৰ এক বর্ধিত সমস্যা হৈছে বাংলাদেশৰ সংঘাত য'লৈ ৰোহিংগীয়াসকল পলাই গৈছে, আৰু বাংলাদেশৰ স্থানীয় সংখ্যালঘু যেনে চাকমাসকলে (Chakmas) সন্মুখীন হোৱা সমস্যাসমূহ য'ত তেওঁলোক মুছলমান সংখ্যাগৰিষ্ঠৰ দ্বাৰা দমিত হৈছে। ই এই সংকটক আৰু অধিক ভয়াৱহ কৰি তুলিছে আৰু বিভিন্ন মহল তথা আন্তঃৰাষ্ট্ৰীয় মাধ্যমৰ দৃষ্টি আকর্ষণ কৰিছে। একে সময়তে, জাতীয়তা আৰু জনগোষ্ঠীয়তাক লৈ চলা বিতর্কই এই সংকটৰ মাজত সদায় জোকাৰণি দি আহিছে।

য'ত জনগোষ্ঠীয়তাই (Ethnicity) সামাজিক, সাংস্কৃতিক বা ধর্মীয় গোটৰ সৈতে এজন ব্যক্তিৰ থকা পৰিচয়ক বুজায়, তাৰ বিপৰীতে জাতীয়তাই (Nationality) দেশখনত এজন ব্যক্তিৰ সদস্যপদক সূচায়, যিয়ে ৰাজনৈতিক ৰাষ্ট্ৰখনৰ সৈতে তেওঁৰ সংযোগক বর্ণনা কৰে। জাতীয়তা মানে হৈছে এক বৃহৎ মানুহৰ গোটৰ পৰিচয় যাৰ কোনো এক নির্দিষ্ট স্থানত জন্ম হোৱাৰ বাবে তাৰ সৈতে এক আইনী সংযোগ আৰু ব্যক্তিগত আনুগত্য থাকে। ই সেই দেশখনক সূচায়, য'ৰ পৰা ব্যক্তিজন আহিছে আৰু য'ৰ তেওঁ আইনী নাগৰিক। জনগোষ্ঠীয়তাই এজন ব্যক্তিৰ বংশগত গুণ আৰু সাংস্কৃতিক উত্তৰাধিকাৰৰ ভিত্তিত তেওঁৰ জনগোষ্ঠীয় পৰিচয়ক বুজায়। আনহাতে, জাতীয়তা হৈছে ৰাষ্ট্ৰখনত ব্যক্তিজনৰ সদস্যপদ, যিয়ে ৰাষ্ট্ৰৰ সৈতে ব্যক্তিজনৰ সম্পর্ক প্রকাশ কৰে। এজন ব্যক্তিৰ জনগোষ্ঠীয়তা তেওঁৰ উপভাষা (dialect), সংস্কৃতি, খাদ্যৰ অভ্যাস, পোছাকৰ শৈলী, বর্ণ, শাৰীৰিক অবয়ব আদিৰ দ্বাৰা নির্ধাৰণ কৰিব পাৰি। ইয়াৰ বিপৰীতে, এজন ব্যক্তিৰ জাতীয়তা তেওঁৰ মূল জন্মস্থান বা উৎপত্তিপ্রধান দেশৰ (country of origin) দ্বাৰা নির্ধাৰণ কৰিব পাৰি।

বর্ণ আৰু অসমতাৰ কথা ক'বলৈ গ'লে, কেইবাবাৰো ভাৰতত বর্ণ (race) আৰু জাতিৰ (caste) ধাৰণাটোক একাকাৰ বা সংমিশ্রণ (conflated) কৰা হৈছে। অনেকেই যুক্তি দিছিল যে সামাজিক স্তৰীকৰণৰ এই দুয়োটা প্রক্রিয়া কম-বেছি পৰিমাণে একেই। যদিও মৌলিকভাৱে দুয়োটা জন্ম আৰু উচ্চ-নীচ ক্রমৰ পদ্ধতিৰ দ্বাৰা নির্ধাৰিত হয়, তথাপিও ইহঁত পৰিচালিত হোৱা প্রকৃতি আৰু প্রক্রিয়া ভিন্ন। প্রখ্যাত সমাজতাত্ত্বিক আন্দ্রে বেটেই (Andre Beteille) যুক্তি দিছিল যে জাতি ব্যৱস্থা ভাৰতৰ বাবে এক সুকীয়া বিষয় আৰু ইয়াক ভাৰতীয় সমাজত কেনেকৈ সোমাই পৰিল তাক বুজাৰ প্রয়োজন; যাৰ বাবে ইয়াক ধর্মীয় পৰিঘটনা হিচাপে চালে ইয়াৰ সাংস্কৃতিক প্রভাৱৰ অধ্যয়ন কৰিব লাগিব অথবা ইয়াক অর্থনৈতিক শোষণৰ ৰূপ হিচাপে বিশ্লেষণ কৰিলে ইয়াৰ বস্তুগত শিপাৰ অধ্যয়ন কৰিব লাগিব। এই প্রেক্ষাপটত বেটেই কয় যে জাতিক বর্ণৰ এক ৰূপ হিচাপে গণ্য কৰাটো "ৰাজনৈতিকভাৱে দুষ্টালি ভৰা আৰু বৈজ্ঞানিকভাৱে অর্থহীন"। আনহাতে, কিছুমান দলিত অধিকাৰ কর্মীও আছে যিসকলে জাতি আৰু বর্ণক একে দৃষ্টিৰে চায়, কাৰণ এই দুইটা ব্যৱস্থাতে অসমতা পুৰুষানুক্রমিকভাৱে বা প্রজন্মৰ পিছত প্রজন্ম ধৰি স্থানান্তৰিত হয়।

প্রতিষ্ঠানিকভাৱে শিপাই থকা অসমতাৰ সমস্যা সমাধানৰ অন্যতম উপায় হৈছে 'ইতিবাচক পদক্ষেপ' বা 'সুৰক্ষামূলক বৈষম্য' (affirmative action)। ই ঐতিহাসিক প্রকৃতিৰ অন্যায়সমূহ দূৰ কৰাৰ বাবে এক সাধাৰণ নীতিগত গাঁথনিক বুজায়। Affirmative Action ক এনে এক নীতি বা কার্যসূচী হিচাপে সংজ্ঞায়িত কৰা হয় যিয়ে ঐতিহাসিকভাৱে কম প্রতিনিধিত্ব পোৱা গোটসমূহৰ বাবে সুযোগ বৃদ্ধি কৰি অতীতৰ বৈষম্যসমূহ সংশোধন কৰিবলৈ প্রয়াস কৰে। বর্ণ, জনগোষ্ঠীয়তা আৰু অসমতাৰ অনুৰূপ প্রক্রিয়াসমূহ এইদৰে সমাজৰ এক বৃহৎ মেক্রো-

ৰাজনীতিৰ (macro-politics) ভিতৰত কাম কৰে আৰু ইহঁত কেনেকৈ পৰিচালিত হয় তাৰ একাধিক সূক্ষ্মতা আৰু অন্তর্নিহিত জটিলতাৰ ভিতৰত ইয়াক বুজাৰ প্রয়োজন আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বর্ণ (Race) কি?

.....

প্রশ্ন ২ ঃ জনগোষ্ঠীয়তা (Ethnicity) কি?

.....

প্রশ্ন ৩ ঃ বর্ণ আৰু জনগোষ্ঠীয়তা একেইনে?

.....

প্রশ্ন ৪ ঃ বর্ণ আৰু জাতি (Caste) একেইনে?

.....

প্রশ্ন ৫ ঃ জাতীয়তা (Nationality) মানে কি?

.....

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বর্ণই জৈৱিক প্রভেদ, বাহ্যিক লক্ষণ (phenotypes) আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহক বুজায় যিবোৰ বর্ণীয় গোটসমূহৰ সৃষ্টিৰ আধাৰ বুলি বিশ্বাস কৰা হয় আৰু ই সামাজিক অসমতাসমূহক প্রাকৃতিক বুলি জাপি দিয়ে।
- এটা জনগোষ্ঠীয় গোট এনে কিছুমান মানুহৰ দ্বাৰা গঠিত হয় যিসকলে পৃথিৱীৰ প্রতি এক উমৈহতীয়া দৃষ্টিভংগী ভগাই লয়, যিসকলৰ মাজত এক স্বকীয় সমাজৰ ভাৱ গঢ়ি উঠে, আৰু যিসকলক আনসকলে ধর্ম, ভাষা, পৰম্পৰা আৰু ঐতিহ্যৰ দৰে সুকীয়া সাংস্কৃতিক উপাদান থকা বুলি গণ্য কৰে।
- সংখ্যালঘু শব্দটোৱে বৈষম্যক সূচায়, আৰু ইয়াৰ সমাজবৈজ্ঞানিক ব্যৱহাৰত, 'অধীনস্থ' শব্দটো সংখ্যালঘু শব্দটোৰ সৈতে সালসলনি কৰি ব্যৱহাৰ কৰিব পাৰি, আনহাতে সংখ্যাগৰিষ্ঠ গোটটোৰ বাবে প্রায়ে 'প্রভাৱশালী' শব্দটো ব্যৱহাৰ কৰা হয়।
- গতানুগতিক ধাৰণা বা ষ্টিৰিঅ'টাইপ হৈছে মানুহৰ গোট সম্পর্কে থকা অতি সৰলীকৃত ধাৰণা, পূর্বধাৰণাই সেই গোটবোৰৰ প্রতি থকা চিন্তা আৰু ভাৱক বুজায়, আনহাতে বৈষম্যই তেওঁলোকৰ প্রতি কৰা কার্য বা আচৰণক বুজায়।
- কোনো এটা লক্ষ্য কৰি লোৱা (সাধাৰণতে অধীনস্থ) গোটক সম্পূর্ণৰূপে মচি পেলোৱাৰ নির্দিষ্ট উদ্দেশ্যেৰে পৰিকল্পিতভাৱে কৰা গণধ্বংসক গণহত্যা (genocide) বুলি কোৱা হয়।
- বর্ণ আৰু জনগোষ্ঠীয়তা দুয়োটা উপাদানেই ব্যক্তিগত আৰু সামূহিক- দুয়ো ধৰণৰ পৰিচয় গঢ়ি তোলাত গুৰুত্বপূর্ণ ভূমিকা লয়।
- য'ত জনগোষ্ঠীয়তাই সামাজিক, সাংস্কৃতিক বা ধর্মীয় গোটৰ সৈতে এজন ব্যক্তিৰ থকা পৰিচয়ক বুজায়, তাৰ বিপৰীতে জাতীয়তাই দেশখনক সূচায়, যিয়ে ৰাজনৈতিক ৰাষ্ট্রখনৰ সৈতে তেওঁৰ সংযোগক বর্ণনা কৰে।
- যদিও বর্ণ আৰু জাতিক একে বুলি কোৱা হৈছে, তথাপিও ব্যৱহাৰিক আৰু কার্যক্ষেত্রত ইহঁত একে নহয়।

১০.৬ অধিক জানিবলৈ

1) Blumenbach, J. F. (2005). *On the Natural Varieties of Mankind*. Elibron Classics, Boston, MA: Adamant Media Corporation.

2) Collins, P. H. (2012). *Toward a New Vision: Race, Class, and Gender as Categories of Analysis and Connection*. In Race and Ethnicity in Society: the Changing Landscape, edited by Elizabeth Higginbotham and Margaret L. Anderson, 216-222. Belmont, CA: Wadsworth.

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ণই জৈৱিক প্ৰভেদ, বাহ্যিক লক্ষণ (phenotypes) আৰু/বা সাংস্কৃতিক বৈশিষ্ট্যসমূহক বুজায় যিবোৰ বৰ্ণীয় গোটসমূহৰ সৃষ্টিৰ আধাৰ বুলি বিশ্বাস কৰা হয় আৰু ই সামাজিক অসমতাসমূহক প্ৰাকৃতিক বুলি জাপি দিয়ে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জনগোষ্ঠীয়তাই এনে এক গোটক বুজায় যি সেইসকল মানুহৰ দ্বাৰা গঠিত হয় যিসকলে পৃথিৱীৰ প্ৰতি এক উমৈহতীয়া দৃষ্টিভংগী ভগাই লয়, যিসকলৰ মাজত এক স্বকীয় সমাজৰ ভাৱ গঢ়ি উঠে, আৰু যিসকলক আনসকলে ধৰ্ম, ভাষা, পৰম্পৰা আৰু ঐতিহ্যৰ দৰে সুকীয়া সাংস্কৃতিক উপাদান থকা বুলি গণ্য কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ যদিও বৰ্ণ আৰু জনগোষ্ঠীয়তা শব্দ দুটা কেতিয়াবা এটাৰ সলনি আনটো ব্যৱহাৰ কৰা হয়, তথাপিও ইহঁত একে নহয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ণ আৰু জাতিৰ ধাৰণা হিচাপে কিছুমান ক্ষেত্ৰত সাদৃশ্য থাকিলেও, ইয়াৰ প্ৰকৃতি আৰু প্ৰক্ৰিয়া নিজা দিশত অতি অনন্য আৰু ইহঁতক একাকাৰ কৰিব নোৱাৰি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ জাতীয়তা মানে হৈছে এক বৃহৎ মানুহৰ গোটেৰ পৰিচয় যাৰ কোনো এক নিৰ্দিষ্ট স্থানত জন্ম হোৱাৰ বাবে তাৰ সৈতে এক আইনী সংযোগ আৰু ব্যক্তিগত আনুগত্য থাকে। ই সেই দেশখনক সূচায়, য'ৰ পৰা ব্যক্তিজন আহিছে আৰু য'ৰ তেওঁ আইনী নাগৰিক।

১০.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ গতানুগতিক ধাৰণা (stereotype), পূৰ্বধাৰণা (prejudice) আৰু বৈষম্য (discrimination) ধাৰণাকেইটা কেনেকৈ পৰস্পৰ সম্পৰ্কযুক্ত?

প্ৰশ্ন ২ ঃ বৰ্ণৰ ওপৰত থকা কাৰ্যবাদী দৃষ্টিভংগী সংঘাতবাদী দৃষ্টিভংগতকৈ কেনেকৈ পৃথক?

প্ৰশ্ন ৩ ঃ বৰ্ণ আৰু জনগোষ্ঠীয়তা কেনেকৈ সদৃশ বা পৃথক, আলোচনা কৰক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ পৰিচয় বা অস্মিতাৰ (identity) ধাৰণাটো বৰ্ণ আৰু জনগোষ্ঠীয়তাৰ বিতৰ্কৰ সৈতে সম্পৰ্কিতনে? এটা উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বৰ্ণ আৰু জাতিক একে বা পৃথক বুলি কৰা বিতৰ্কসমূহ কেনেকৈ বিভক্ত হৈছে? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ লিংগ আৰু স্তৰীকৰণ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ লিংগ আৰু স্তৰীকৰণ (Gender and Stratification)
১১.৩.১ পুৰুষতন্ত্ৰ আৰু নাৰীৰ অধীনতা (Patriarchy and the Subordination of Women)
১১.৩.২ অসমতাৰ কেন্দ্ৰস্থল হিচাপে পৰিয়াল (Family as Site of Inequality)
১১.৩.৩ লিংগ, কৰ্ম আৰু অধিকাৰ/স্বত্ব (Gender, Work and Entitlements)
১১.৩.৪ সম্প্ৰদায়, ৰাষ্ট্ৰ আৰু পুৰুষতন্ত্ৰ (The Community, The State and Patriarchy)
১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৫ অধিক জানিবলৈ
১১.৬ অগ্ৰগতিৰ খতিয়ান
১১.৭ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- লিংগ (Gender) আৰু সামাজিক স্তৰীকৰণৰ মাজৰ সম্পৰ্ক জানিব পাৰিব
- পুৰুষতান্ত্ৰিক ব্যৱস্থাৰ অধীনত মহিলাসকলৰ শোচনীয় অৱস্থা বুজিব পাৰিব।

১১.২ পৰিচয়

কেৱল সমাজতত্ত্বতে নহয়, সামগ্ৰিকভাৱে বৌদ্ধিক জগত আৰু ৰাজনীতিৰ ক্ষেত্ৰতো অতি শেহতীয়াকৈহে লিংগৰ প্ৰভাৱৰ প্ৰশ্নটো উত্থাপিত হৈছে। ১৯৬০ ৰ দশকৰ পৰা সমাজ আৰু সম্প্ৰদায়ৰ স্তৰীকৰণৰ ক্ষেত্ৰত লিংগ আৰু ইয়াৰ ভূমিকাৰ ওপৰত এক বৰ্ধিত গোলকীয় গুৰুত্ব পৰিলক্ষিত হৈছে। অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ নাৰীবাদীসকলে আগবঢ়াই যোৱা ৰাজনৈতিক একত্ৰীকৰণ আৰু সামাজিক সচেতনতাৰ ভেটিৰ বাবেই এইটো সম্ভৱ হৈ উঠিছে। অলপ দিনৰ আগলৈকে, এক বিশ্লেষণাত্মক শ্ৰেণী হিচাপে লিংগৰ গুৰুত্ব আৰু এক বাস্তৱ সত্য হিচাপে লিংগভিত্তিক অসমতাক সম্পূৰ্ণভাৱে অস্বীকাৰ কৰা হৈছিল।

'ইণ্টাৰনেচনেল এনচাইক্লোপেডিয়া অৱ চচিয়েল ছায়েন্স'ৰ সংজ্ঞানুসৰি লিংগ হৈছে— "জৈৱিক লিংগৰ (biological sex) সৈতে জড়িত সামাজিকভাৱে নিৰ্মিত কিছুমান পদ্ধতিৰ সমষ্টি, যিয়ে ব্যক্তিসকলে মহিলা আৰু পুৰুষৰ শ্ৰেণীসমূহ কেনেকৈ বুজি পায় তাক গঢ় দিয়ে। এক প্ৰক্ৰিয়া হিচাপে লিংগ ঐতিহাসিক আৰু সাংস্কৃতিকভাৱে সুকীয়া; নাৰীৰ অধীনতাৰ প্ৰকাশসমূহ অত্যন্ত বৈচিত্ৰ্যময় আৰু ইটো সিটোৰ সৈতে জটিলভাৱে সাঙোৰ খাই থাকে। নাৰী নিৰ্যাতনৰ ৰূপ আৰু পৰিসৰ কেৱল দেশে দেশে সুকীয়া হোৱাই নহয়, ৰৱঞ্চ ই সদায় বৰ্ণ, শ্ৰেণী, সক্ষমতা আৰু যৌন অভিমুখীতাৰ ওপৰত প্ৰতিষ্ঠিত ক্ষমতাৰ সম্পৰ্কৰ দ্বাৰাও গঢ়ি উঠে।"

উৎপাদন আৰু পুনৰুৎপাদনৰ স্থানসমূহ, যেনে- কৰ্মক্ষেত্ৰৰ অৰ্থনৈতিক জীৱন আৰু ঘৰুৱা পৰিয়ালক সুশৃংখলিত বা গাঁথনিবদ্ধ কৰাৰ ক্ষেত্ৰত লিংগ হৈছে এক প্ৰাথমিক শ্ৰেণী। গতিকে, ই হৈছে এক কেন্দ্ৰীয় চকু বা ফ্ৰেম যাৰ জৰিয়তে সামাজিক জীৱন বুজিব আৰু অধ্যয়ন কৰিব লাগিব। সমাজ-জীৱবিজ্ঞানীসকলৰ (socio-biologists) মতে, পুৰুষ আৰু মহিলাৰ মাজৰ জৈৱিক পাৰ্থক্যই হৈছে নাৰীৰ ওপৰত পুৰুষৰ নিয়ন্ত্ৰণ বৰ্তি থকাৰ মূল কাৰণ। আনহাতে, সামাজিক নিৰ্মাণবাদী (social constructionist) দৃষ্টিভংগীৰ পৰা চালে, সামাজিক আৰু

সাংস্কৃতিক পৰিৱেশত কার্যৰ জৰিয়তে লিংগভিত্তিক ভূমিকাসমূহ সক্রিয়ভাৱে সৃষ্টি কৰা হয়, যিয়ে কোনো এক নির্দিষ্ট গাঁথনিক অর্থ প্রদান কৰে।

প্রতিটো লিংগৰ বিশেষীকৃত গুণ আৰু বৈশিষ্ট্যসমূহক লৈ আমাৰ আর্থ-সাংস্কৃতিক মনস্তত্ত্বত কিছুমান বিশ্বাস ইমানেই গভীৰভাৱে শিপাই আছে যে সেইবোৰক প্রাকৃতিক যেন লাগে। এই বিশ্বাসবোৰ কর্ম আৰু শ্রমৰ ক্ষেত্রত বাস্তৱ পৰিণতিলৈ ৰূপান্তৰিত হয় আৰু এইবোৰেই হৈছে বর্তমানৰ লিংগভিত্তিক অসমতাৰ মূল কাৰণ- যি অসমতা বহু শতিকা ধৰি লিংগসমূহৰ মাজত শ্রমৰ যৌন বিভাজনৰ (sexual division of labour) আঁৰত লুকুৰাই ৰখা হৈছিল। শ্রমৰ এই যৌন বিভাজনে এই সর্বব্যাপী ধাৰণাটোক বুজায় যে পুৰুষ আৰু মহিলাৰ মাজত অর্থনৈতিক উৎপাদন বা পুনৰুৎপাদনৰ পার্থক্য থকাৰ বাবে তেওঁলোক বেলেগ বেলেগ কাম কৰাৰ যোগ্য আৰু উপযুক্ত; য'ত ঐতিহাসিকভাৱে পুৰুষক চিকাৰীৰ ভূমিকা দিয়া হৈছে বা ঘৰৰ বাহিৰৰ কামৰ সৈতে জড়িত কৰা হৈছে আৰু মহিলাক সংগ্রহকাৰীৰ ভূমিকা দি ঘৰৰ ভিতৰৰ কাম যেনে- ৰন্ধা-বঢ়া, চাফ-চিকুণ আৰু তদাৰকী বা যত্ন লোৱা কামৰ মাজত সীমাবদ্ধ (relegated) কৰা হৈছে।

শ্রমৰ যৌন বিভাজনক নাৰীবাদীসকলে তীব্র সমালোচনা কৰিছে, কাৰণ ইয়াক সমাজ, ৰাজনীতি আৰু সংস্কৃতিৰ বহু ক্ষেত্রৰ পৰা মহিলাসকলক আঁতৰাই ৰখাক যুক্তিযুক্ত প্রমাণ কৰিবলৈ ব্যৱহাৰ কৰা হৈছে, আৰু ই মহিলাৰ স্বতন্ত্রতা তথা স্বাধীনতাক সীমিত কৰিছে। নাৰীবাদীসকলৰ যুক্তি এইটোৱে যে মহিলা আৰু পুৰুষ সকলো ক্ষেত্রতে সফল হ'বলৈ সমান সম্ভাৱনা লৈ জন্মগ্রহণ কৰে। সমাজ, ৰাষ্ট্র বা সম্প্রদায়ৰ সদস্য হিচাপে শিকিবলৈ, বিকাশ লাভ কৰিবলৈ আৰু অৰিহণা যোগাবলৈ তেওঁলোকৰ সমান সম্ভাৱনা থাকে। কিন্তু লিংগৰ সামাজিক সংগঠন আৰু লিংগভিত্তিক ভূমিকা তথা কামৰ লিংগকৰণে (gendering of work) সৃষ্টি কৰা গাঁথনিগত প্রাচীৰবোৰে এনে লিংগ অসমতাৰ সৃষ্টি কৰে যিয়ে মহিলাসকলক তেওঁলোকৰ প্রতিভাক সম্পূর্ণভাৱে বিকাশ কৰাত বাধা দিয়ে। পূর্বৰ গোটত আমি বর্ণ আৰু জনগোষ্ঠীয়তাৰ বিষয়ে আলোচনা কৰিছোঁ। এই গোটটোত আমি সামাজিক স্তৰীকৰণৰ আধাৰ হিচাপে 'লিংগ'ৰ বিষয়ে আলোচনা কৰিম।

১১.৩ লিংগ আৰু স্তৰীকৰণ (GENDER AND STRATIFICATION)

ওপৰৰ আলোচনাৰ পৰা আমি শিকিলোঁ যে লিংগই সামাজিক স্তৰীকৰণৰ এক আধাৰ হিচাপেও কাম কৰে। তলৰ উপ-অংশসমূহত আমি বুজি পাম যে আমাৰ সমাজত লিংগ অসমতা কেনেকৈ পৰিচালিত হয়।

১১.৩.১ পুৰুষতন্ত্র আৰু নাৰীৰ অধীনতা লিংগ আৰু স্তৰীকৰণ (Patriarchy and the Subordination of Women)

লিংগ আৰু স্তৰীকৰণ বুজাৰ বাবে পুৰুষতন্ত্র (Patriarchy) হৈছে এক কেন্দ্রীয় ধাৰণা আৰু লিংগ সম্পর্ক বিশ্লেষণ কৰাৰ এক অপৰিহার্য আহিলা। চিন্তাবিদসকলৰ বিভিন্ন ধাৰা আছিল যিসকলে পুৰুষতন্ত্রক লৈ বিভিন্ন সংজ্ঞা আৰু ধাৰণা আগবঢ়াইছে, যিবোৰ সময়ৰ লগে লগে বিৱর্তন আৰু পৰিৱর্তন ঘটিছে। ফ্রেডৰিখ এংগেলছ আৰু মেক্স ৱেবাৰৰ দৰে ধ্রুপদী চিন্তাবিদসকলে পুৰুষতন্ত্রৰ বিষয়ে কথা কৈছিল। 'দ্য থিয়ৰী অৱ চচিয়েল এণ্ড ইকোনমিক অর্গেনাইজেশ্বন' (1947) গ্রন্থত ৱেবাৰে পুৰুষতন্ত্রক আধিপত্যৰ এক ব্যৱস্থা হিচাপে উল্লেখ কৰিছে য'ত সমাজসমূহ পুৰুষৰ দ্বাৰা পৰিয়ালৰ মুৰব্বী হিচাপে তেওঁলোকৰ স্থানৰ জোৰত শাসিত হৈছিল। ৱেবাৰৰ তত্ত্ব নির্মাণত, পৰিয়ালৰ বয়োজ্যেষ্ঠ মুৰব্বীসকলৰ দ্বাৰা যুৱকসকলক নিয়ন্ত্রণ কৰাটো পুৰুষৰ দ্বাৰা নাৰীক নিয়ন্ত্রণ কৰাৰ সমানেই গুৰুত্বপূর্ণ আছিল। এই ধাৰণাটো বিশেষকৈ উগ্রপন্থী নাৰীবাদীসকলে পুৰুষৰ দ্বাৰা মহিলাৰ ওপৰত হোৱা আধিপত্যৰ ওপৰত গুৰুত্ব তীক্ষ্ণ কৰিবলৈ ব্যৱহাৰ কৰিছে। ইয়াত 'দ্বৈত ব্যৱস্থা তত্ত্ব' (dual systems theory) প্রাসংগিক হৈ পৰে, য'ত অসমতাৰ দুটা প্রধান ব্যৱস্থা, পুৰুষতন্ত্র আৰু পুঁজিবাদ -একেলগে কাম কৰা বুলি ধাৰণা কৰা হয়, যাৰ ফলত লিংগ বিভাজন আৰু অধিক খণ্ডিত হয় আৰু নাৰীৰ অধীনতা তথা নির্যাতন তীব্রতৰ হয়।

পুৰুষতন্ত্রই কি বুজায় আৰু ই কেনেকৈ গঢ় লৈ উঠিল, তাক লৈ বহুতো ভিন্ন ধাৰণা আছে। 'থিওৰাইজিং পেট্রিয়াৰ্কী' (1989) নামৰ প্রবন্ধত চিলভিয়া ৱালবীয়ে (Sylvia Walby) পুৰুষতন্ত্রক এনেদৰে সংজ্ঞায়িত কৰিছে— "পুৰুষতন্ত্র হৈছে সামাজিক গাঁথনি আৰু পদ্ধতিৰ এক ব্যৱস্থা য'ত পুৰুষে মহিলাৰ ওপৰত আধিপত্য বিস্তাৰ কৰে, নির্যাতন কৰে আৰু শোষণ কৰে। ইয়াত 'সামাজিক গাঁথনি' (social structure) শব্দটোৰ ব্যৱহাৰ গুৰুত্বপূর্ণ, কাৰণ ই জৈৱিক নির্ধাৰণবাদ (biological determinism) আৰু প্রতিজন পুৰুষেই প্রভাৱশালী স্থানত থাকে তথা প্রতিগৰাকী মহিলাই অধীনস্থ স্থানত থাকে- এই দুইটা ধাৰণাকে স্পষ্টভাৱে প্রত্যাখ্যান কৰে।" ৱালবীয়ে আৰু যুক্তি দিয়ে যে— "...ছটা মুখ্য পুৰুষতান্ত্রিক গাঁথনি আছে যিবোৰে একেলগে পুৰুষতন্ত্রৰ এক ব্যৱস্থা গঠন কৰে। এইবোৰ হ'ল: এক পুৰুষতান্ত্রিক উৎপাদন পদ্ধতি য'ত নাৰীৰ শ্রম তেওঁলোকৰ স্বামীৰ দ্বাৰা কাঢ়ি লোৱা হয়; মজুৰি শ্রমৰ ভিতৰত পুৰুষতান্ত্রিক সম্পর্ক; পুৰুষতান্ত্রিক ৰাষ্ট্র; পুৰুষৰ হিংসা; যৌনতাৰ ভিতৰত পুৰুষতান্ত্রিক সম্পর্ক; আৰু পুৰুষতান্ত্রিক সংস্কৃতি।" এই প্রতিটো গাঁথনিৰে নিজস্ব উপ-গাঁথনি আৰু পদ্ধতি থাকে।

গতিকে, এক সামাজিক গাঁথনি হিচাপে পুৰুষতন্ত্র ক্ষমতাৰ কেন্দ্রীয় মূলনীতিৰে গঠিত: আধিপত্য, উচ্চ-নীচ ক্রম আৰু প্রতিযোগিতা। পুৰুষতন্ত্রৰ অধীনত, 'পুৰুষ' আৰু 'পুৰুষত্ব'ৰ সৈতে জড়িত গুণসমূহক প্রশংসা আৰু পুৰস্কৃত কৰা হয়, আনহাতে 'মহিলা' আৰু 'নাৰীত্ব'ক প্রান্তীয় আৰু উপপেক্ষিত (marginalized) কৰা হয়। পুৰুষতন্ত্রই এই ধাৰণাটোক প্রসাৰ কৰে যে পুৰুষ শক্তিশালী আৰু মহিলা দুর্বল, পুৰুষ শ্রেষ্ঠ আৰু মহিলা নিম্ন। পুৰুষতন্ত্রই অর্থনীতি, সমাজ আৰু ৰাজনীতিৰ ভেটি তৈয়াৰ কৰে, আনকি মানুহৰ ব্যক্তিগত জীৱনৰ অন্তৰংগ ক্ষেত্রসমূহকো নিয়ন্ত্রণ কৰে।

১১.৩.২ অসমতাৰ কেন্দ্রস্থল হিচাপে পৰিয়াল (Family as Site of Inequality)

পুৰুষতন্ত্রত ঘৰুৱা পৰিয়ালটোৱেই হৈছে নাৰী নির্যাতন আৰু অধীনতাৰ প্রাথমিক একক, এইটো এটা উগ্রপন্থী নাৰীবাদী ধাৰণা। এই তাত্ত্বিক আর্হিত ঘৰখনে এক কেন্দ্রীয় স্থান লয় যিহেতু ই উৎপাদন আৰু পুনৰুৎপাদনৰ প্রাথমিক ক্ষেত্র। এংগেলছে পুৰুষতন্ত্র আৰু একপত্নী/একপতি ব্রত (monogamy) দুয়োটাকে ব্যক্তিগত সম্পত্তিৰ (private property) ধাৰণাটোৰ বিকাশৰ সৈতে ঐতিহাসিকভাৱে গঢ়ি উঠা প্রক্রিয়া হিচাপে চাইছিল। পৰিয়ালক অসমতাৰ কেন্দ্রস্থল হিচাপে বুজাৰ বাবে ৱালবীয়ে পুৰুষতন্ত্রৰ ৰাজহুৱা আৰু ব্যক্তিগত মাত্রাৰ যি বৈশিষ্ট্য দেখুৱাইছে সেয়া অতি গুৰুত্বপূর্ণ। ৱালবীৰ মতে, "ব্যক্তিগত পুৰুষতন্ত্র (Private patriarchy) ঘৰৰ পৰিধিৰ বাহিৰৰ সামাজিক জীৱনৰ ক্ষেত্রসমূহৰ পৰা মহিলাসকলক এক প্রকাৰৰ আঁতৰাই ৰখাৰ ওপৰত প্রতিষ্ঠিত, য'ত ঘৰৰ আপাত দৃষ্টিত ব্যক্তিগত পৰিসৰত এজন পুৰুষ মুৰব্বীয়ে ব্যক্তিগতভাৱে আৰু প্রত্যক্ষভাৱে মহিলাৰ সেৱাসমূহ কাঢ়ি লয়।"

কর্মক্ষেত্রত মহিলাৰ সমান অংশগ্রহণৰ পথত প্রাচীৰ বা বাধা সৃষ্টি কৰা সৰহভাগ কথাই পৰিয়াল আৰু ঘৰৰ ভিতৰৰ পৰাই আৰম্ভ হয়। কন্যা সন্তান আজিও সমাজৰ আটাইতকৈ অসুৰক্ষিত সত্তাসমূহৰ ভিতৰত অন্যতম হৈ আছে। পুৰুষৰ হিংসাৰ ভাবুকিৰ লগতে শিক্ষা, খাদ্য আৰু পুষ্টি, পুঁজি আৰু সম্পত্তিৰ ক্ষেত্রত অসমান সুবিধা, বাল্যবিবাহৰ প্রচলন আৰু অসুৰক্ষিত গর্ভধাৰণ তথা তেওঁলোকৰ প্রজনন অধিকাৰৰ প্রতি থকা সচেতনতাৰ অভাৰ দেখা যায়। ভাৰতৰ ক্ষেত্রত, এনে বহুতো প্রতিবেদন আৰু সাহিত্য আছে যিবোৰে পৰিয়ালৰ ভিতৰত পুত্র সন্তানৰ প্রতি থকা অগ্রাধিকাৰৰ (son preference) দৰে বিষয়সমূহ আলোচনা কৰিছে, যাৰ ফলত কন্যা ভ্রূণ হত্যাৰ (female foeticide) দৰে গর্হিত পৰিঘটনা ঘটিছে। বর্তমান ভাৰতত লিংগ অনুপাত (sex ratio) হ্রাস পোৱা দেখা গৈছে আৰু ই পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেয়া সূচকসমূহৰ অন্যতম। ই ইয়াৰ পুৰুষ-মহিলাৰ অসমতাৰ ভয়াৱহতাৰ এক গুৰুত্বপূর্ণ ইংগিত। যেতিয়া আমি এইধৰণৰ বিষয়সমূহ বুজিবলৈ চেষ্টা কৰোঁ, তেতিয়াই গাঁথনিগত কাৰণত এই সামাজিক পৰিঘটনাসমূহৰ গভীৰ প্রভাৱ স্পষ্ট হৈ পৰে।

ভাৰতত কন্যা শিশু হত্যাৰ বিৰুদ্ধে চলোৱা যুঁজখন সম্পূর্ণ সফল হোৱা নাই, আনহাতে মাতৃৰ স্বাস্থ্য আৰু মহিলাৰ প্রাথমিক স্বাস্থ্যসেৱা ৰাষ্ট্রৰ অগ্রাধিকাৰৰ তালিকাত আজিও তলৰ স্থানতে আছে। যেতিয়া আমি পুনৰুৎপাদন আৰু মহিলাসকলে তেওঁলোকৰ শৰীৰ, প্রজনন স্বাস্থ্য তথা প্রজনন সম্পর্কীয় সিদ্ধান্তত নিজৰ অধিকাৰ বা ক্ষমতা

সাব্যস্ত কৰাৰ ওপৰত গুৰুত্ব দিওঁ, তেতিয়াই স্পষ্ট হৈ পৰে যে পুৰুষতান্ত্রিক ৰাষ্ট্ৰ আৰু পৰিয়ালৰ গাঁথনিয়ে মহিলাৰ জীৱন আৰু শৰীৰৰ এই অতি ব্যক্তিগত মাত্রাসমূহকো নিয়ন্ত্রণ কৰে।

ঘৰৰ ভিতৰত বা পৰিয়ালত, এগৰাকী গৃহিনীৰ (stay-at-home wife) ভূমিকা আৰু এই শ্রমৰ প্রকৃতি সমাজতত্তৰ কেইবাগৰাকীও নাৰীবাদী পণ্ডিতে তাত্ত্বিকভাৱে বাখ্যা কৰিছে। এই ক্ষেত্রত এক গুৰুত্বপূর্ণ গ্রন্থ হৈছে অ্যান ওকলেৰ (Ann Oakley) 'দ্য চচিয়েল'জী অৱ হাউচৰ্ৰক' (1974)। ইয়াত ওকলেয়ে লণ্ডনৰ গৃহিনীসকলৰ গভীৰ সাক্ষাৎকাৰৰ জৰিয়তে, যিসকলে এই ঘৰুৱা কামবোৰ নিজে কৰিছিল তেওঁলোকৰ পৰাই এই বিষয়ে জানিব বিচাৰিছিল। এই গ্রন্থখন এনে এটা সময়ত প্রকাশ পাইছিল যেতিয়া সামাজিক জীৱনত লিংগ বৈষম্যক এক সর্বব্যাপী আৰু স্থায়ী উপস্থিতি হিচাপে স্বীকৃতি দিয়া হোৱা নাছিল, আৰু ঘৰুৱা কামৰ দৰে শ্রমক সমাজত পত্নী বা মাতৃ হিচাপে মহিলাৰ ভূমিকাৰ এক প্রাকৃতিক সম্প্রসাৰণৰ বাহিৰত একো বুলি ভবা হোৱা নাছিল। ওকলেৰ ফলাফলসমূহে ঘৰুৱা কাম মহিলাৰ বাবে প্রাকৃতিক বুলি থকা দৃষ্টিভংগীক জোকাৰি পেলালে আৰু দেখুৱালে যে ঘৰৰ ভিতৰত ঘৰুৱা কাম আৰু ক্ষমতা পৰস্পৰ সম্পর্কযুক্ত; য'ত প্রকৃত ক্ষমতা পৰিয়ালৰ পুৰুষ কর্তৃত্বশীল ব্যক্তিৰ হাতত থাকে আৰু মহিলাসকলে কেৱল তেওঁলোকৰ ঘৰুৱা কামৰ নিয়মীয়া পৰিসৰৰ ভিতৰতহে কিছু ক্ষমতা প্রয়োগ কৰিব পাৰে। আকৌ, ওকলেয়ে দেখুৱাইছিল যে ঘৰুৱা কাম আমনিদায়ক (monotonous), হতাশাজনক আৰু বিচ্ছিন্নতাবাদী (alienating) আৰু বৈবাহিক সম্পর্কসমূহ অসমান আছিল (সাক্ষাৎকাৰ লোৱা মহিলাসকলৰ বাবে)।

মেৰিলিন ৰেৰিঙে (Marilyn Waring) তেওঁৰ 'কাউণ্টিং ফৰ নাথিং ঃ হোৱাট মেন ভেলু এণ্ড হোৱাট উইমেন আৰ ৱর্থ' (1999) গ্রন্থত এই যুক্তিসংগত আৰু বিতর্কিত পইণ্টটো দাঙি ধৰিছে যে ৰাষ্ট্রৰ উন্নয়নৰ সূচকসমূহ যেনে— GDP (Gross Domestic Product - মুঠ ঘৰুৱা উৎপাদন) বা GNP (Gross National Product) এ সাধাৰণ ভাষাত 'অর্থনৈতিক কার্যকলাপ' বুলি কোৱা পৰিসৰৰ বাহিৰত থকা কাৰকসমূহক অন্তর্ভুক্ত নকৰে, যেনে মহিলাসকলে কৰা বিনামূলীয়া ঘৰুৱা কাম আৰু তদাৰকীমূলক কাম (care work)। গতিকে, এনে এক হিচাপ সম্ভৰ কৰিবলৈ ৰাষ্ট্রৰ পর্যায়ত সামাজিক নীতিৰ পৰিৱর্তন হোৱাৰ প্রয়োজন আছে।

মহিলা এগৰাকীৰ এজন ব্যক্তি আৰু অর্থনীতি তথা সমাজৰ সদস্য হিচাপে থকা ভূমিকাৰ বিনিময়ত কেৱল যত্ন লওঁতা, লালন-পালন কৰোঁতা আৰু মাতৃ হিচাপে তেওঁলোকৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়াৰ অর্থ হ'ল- এজন ব্যক্তি হিচাপে তেওঁৰ কুশলতা বা ভাল হোৱাৰ প্রতি কম মনোযোগ দিয়া হয়। বিবাহবিচ্ছেদ, বন্ধ্যাত্ব বা সন্তানহীন জীৱন যাপন কৰাটো আজিও মহিলাসকলৰ বাবে অতি গুৰুত্বপূর্ণ নেতিবাচক পৰিণতি কঢ়িয়াই আনে, যাৰ ফলত তেওঁলোকে বাস কৰা সমাজখনত তেওঁলোকৰ স্থান বা মর্যাদা বিপর্যস্ত হয়।

১১.৩.৩ লিংগ, কর্ম আৰু অধিকাৰ/স্বত্ব (Gender, Work and Entitlements)

কর্মক্ষেত্রত লিংগ অসমতাৰ বিষয়ে আলোচনা কৰাৰ পূর্বে এইটো ক'ব লাগিব যে সমাজতত্তত কর্ম বা কামক মূলতঃ মজুৰিৰ বাবে অর্থনৈতিক বা ৰাজহুৱা ক্ষেত্রত কৰা এক কার্যকলাপ হিচাপে সংজ্ঞায়িত কৰা হৈছে, যিটো ঘৰৰ বাহিৰত কৰা হয়। আমাৰ সমাজত শ্রমৰ যৌন বিভাজনক ইমানেই স্বাভাৰিক কৰি তোলা হৈছে যে ইয়াক মানুহৰ ক্ষেত্রত প্রাকৃতিক আৰু স্বাভাৰিকভাৱে ঘটা এক পৰিঘটনা বুলি ধৰি লোৱা হয়। এইধৰণৰ শ্রম বিভাজনত পুৰুষ ওপৰত আৰু মহিলা তলত থাকে। পুৰুষক অর্পণ কৰা কাম, যাক দক্ষ আৰু বুদ্ধিৰ প্রয়োজন বুলি ধৰা হয়, সেই কাম মহিলাৰ বাবে সর্বোত্তম বুলি ভবা কামৰ তুলনাত অধিক আর্থিক ক্ষতিপূৰণ বা মজুৰিৰ যোগ্য বুলি গণ্য কৰা হয়; আনহাতে মহিলাৰ কামক অপ্রধান আৰু আর্থিকভাৱে মূল্যহীন বা কম মূল্যৰ (undervalued) বুলি ধৰা হয়। ই ৰাজহুৱা পুৰুষতন্ত্রৰ (public patriarchy) পৰিসৰৰ ভিতৰত পৰে। ৰালবীয়ে ইয়াক এনেদৰে সংজ্ঞায়িত কৰিছে— "ৰাজহুৱা পুৰুষতন্ত্রই মহিলাসকলক কিছুমান স্থানৰ পৰা আঁতৰাই নাৰাখে, বৰঞ্চ সেই সকলোবোৰ স্থানতে মহিলাসকলক অধীনস্থ কৰি ৰাখে। এই ৰূপত, মহিলাসকলৰ শোষণ বা ব্যৱহাৰ ব্যক্তিগতভাৱে হোৱাতকৈ অধিক সামূহিকভাৱে সংঘটিত হয়।"

এটা পুৰুষতান্ত্রিক ব্যৱস্থাত, শ্রেষ্ঠ চাকৰিসমূহ ইতিমধ্যে পুৰুষৰ দ্বাৰা একচেতীয়া কৰা (male-monopolisation) হৈছে। ই চাকৰিসমূহৰ লিংগভিত্তিক পৰিচয়ৰ দিশলৈ লৈ যায়; 'মহিলাৰ কাম' হিচাপে শ্রেণীভুক্ত কৰা কামসমূহ, যেনে ৰন্ধা-বঢ়া, চাফ-চিকুণ কৰা আদিক অপ্রধান, কম দক্ষতাৰ প্রয়োজন থকা আৰু অর্থনীতিত কাম বুলি গণ্য কৰা পৰিসৰৰ বাহিৰত থকা বুলি ধৰা হয়। শ্রমৰ যৌন বিভাজনত নিহিত থকা জৈৰিক যুক্তিৰ বাবে মহিলাৰ ঘৰুৱা কাম তেওঁলোকৰ মহিলা হিচাপে থকা জৈৰিক পৰিচয়ৰ এক প্রাকৃতিক সম্প্রসাৰণ বুলি ধৰি লোৱা হয়।

আজিৰ আধুনিক গোলকীকৃত পৃথিৱীত, মহিলাসকলৰ ওচৰত দৃশ্যমানভাৱে সফলতা লাভ কৰাৰ আৰু নিজৰ পছন্দৰ কাম কৰাৰ একেই সুযোগ তথা স্বাধীনতা আছে। কিন্তু প্রকৃত পৰিস্থিতি বহুত বেছি ভয়াৱহ। চহৰ অঞ্চলত মহিলাসকলে শ্রমিক বাহিনীত যোগদান কৰা অব্যাহত ৰাখিলেও, পুৰুষৰ তুলনাত তেওঁলোকক ধাৰাবাহিকভাৱে কম মজুৰি দিয়া হয়, পদোন্নতিৰ সম্ভাৱনা কম থাকে, পর্যাপ্ত মাতৃত্বকালীন ছুটী প্রদান কৰা নহয় বা গর্ভধাৰণ আৰু সন্তান জন্মৰ সময়ত ছুটী লোৱাৰ বাবে তেওঁলোকৰ কেৰিয়াৰত নেতিবাচক প্রভাৱ পৰে; কর্মৰত মাতৃসকলৰ ক্ষেত্রত ঘৰত আৰু সন্তান লালন-পালনত সহায়ৰ অভাৱ দেখা যায়, লগতে কর্মক্ষেত্রত আৰু অহা-যোৱা কৰাৰ সময়ত যৌন নির্যাতনৰ ঘটনা ঘটে। এইদৰে, সেই প্রবাদসদৃশ 'কাঁচৰ চিলিং' বা 'গ-াছ চিলিং' (glass ceiling - এক অদৃশ্য প্রাচীৰ) যিয়ে বেছিভাগ মহিলাক কর্মক্ষেত্রত তেওঁলোকৰ প্রতিভাক সম্পূর্ণ কৰাত বাধা দিয়ে, তাক মহিলাৰ বিৰুদ্ধে কাম কৰা কেইবাটাও গাঁথনিগত আৰু প্রণালীবদ্ধ শক্তিয়ে জীয়াই ৰাখে। কেইবাটাও সমীক্ষাই দেখুৱায় যে পূর্ণকালীন চাকৰি থকাৰ পিছতো মহিলাসকলে পৰিয়ালৰ ভিতৰত ঘৰুৱা কামৰ সম্পূর্ণ বা বেছিভাগ বোজা বহন কৰিবলগীয়া হয়, য'ত প্রায়েই তেওঁলোকৰ সংগীৰ পৰা কোনো সহায় পোৱা নাযায়।

ভাৰতত, ১৯৯১ চনৰ অর্থনৈতিক সংস্কাৰে প্রধানকৈ কৃষিভিত্তিক অর্থনীতিখনক গোলকীকৰণ আৰু উন্নয়নৰ শক্তিসমূহৰ বাবে মুকলি কৰি দিলে, যাৰ ফলত ব্যক্তিগতকৰণ (privatization) আৰু উদাৰীকৰণৰ (liberalization) বর্ধিত ভূমিকাৰ সৈতে অর্থনীতিৰ গাঁথনিত মৌলিক পৰিৱর্তন ঘটিল; ইয়াৰ ফলত নগৰীকৰণ, গাঁৱৰ পৰা চহৰলৈ প্রব্রজন, একক পৰিয়ালৰ (nuclear family) উত্থানৰ লগতে শ্রমিক বাহিনীত মহিলাৰ অংশগ্রহণ বৃদ্ধি পালে। কিন্তু কেইবাটাও কাৰকে মহিলাসকলক তেওঁলোকৰ সম্পূর্ণ প্রতিভা বিকাশ কৰাৰ পথত বাধা হৈ থিয় দিছে। পুৰুষৰ তুলনাত মহিলাৰ মাজত পঢ়া আধাতে এৰা (dropout) তথা নিৰক্ষৰতা আৰু পুষ্টিহীনতাৰ হাৰ এতিয়াও বেছি। আনকি স্কুললৈ যোৱা শিশুসকলৰ মাজতো, কন্যা শিশুটিয়ে স্কুলৰ কামৰ লগতে ঘৰুৱা কামতো সহায় কৰিব বুলি আশা কৰা হয়। চাকৰি বা স্কুললৈ যোৱাৰ পথত অসুৰক্ষিত যাতায়ত বা যৌন নির্যাতনৰ দৰে কাৰকসমূহো মহিলাৰ বাবে এক ডাঙৰ বাধা হিচাপে পোৱা গৈছে। ইয়াৰ লগতে, প্রায়েই- বিশেষকৈ তৃতীয়ক বা সেৱা খণ্ডত, মহিলাসকলক কেৱল কাৰখানাৰ মজিয়াত কাম কৰা বা নিম্নমানৰ শ্রম কৰাৰ মাজতে আৱদ্ধ কৰি ৰখা হয়, আৰু তেওঁলোকে কেতিয়াও পৰিচালনা বা মেনেজেৰিয়েল পদলৈ উন্নীত হোৱাৰ সুযোগ নাপায়; যিবোৰ পদ পুৰুষৰ দ্বাৰা পূৰণ কৰা হয়, আনকি সেইবোৰ খণ্ডতো য'ত লিংগৰ ভাৰসাম্যই মহিলাক সমর্থন কৰে। সামগ্রিকভাৱে, মহিলাসকলক এতিয়াও 'নাৰীসুলভ' বুলি ভবা বৃত্তী বা যত্ন লোৱা ভূমিকাত অন্তর্ভুক্ত কৰা হয়, যেনে- শিক্ষকতা, নার্ছিং ইত্যাদি।

১১.৩.৪ সম্প্রদায়, ৰাষ্ট্র আৰু পুৰুষতন্ত্র (The Community, The State and Patriarchy)

ৰাষ্ট্রৰ পর্যায়ত আনুষ্ঠানিক আইনী আৰু ৰাজনৈতিক ব্যৱস্থাসমূহত বর্তমানৰ লিংগ অসমতাসমূহক লৈ সচেতনতা বৃদ্ধি পাইছে আৰু এই সমস্যাসমূহ সমাধানৰ বাবে বহুতো নীতি আৰম্ভ কৰা হৈছে। অৱশ্যে, এই সংৰক্ষিত আইনী আৰু ৰাজনৈতিক নিয়মসমূহৰ কার্যকৰীকৰণ অতি দুর্বল হৈ আছে। মহিলাসকললৈ আইনী আৰু ৰাজনৈতিক অধিকাৰ সম্প্রসাৰণ কৰাটোৱে এই ক্ষেত্রসমূহত তেওঁলোকৰ অংশগ্রহণ বৃদ্ধি কৰা নাই। আচলতে, নাৰীবাদীসকলে দাবী কৰে আৰু জোৰ দি কয় যে ইয়াৰ মূল অংশত ৰাষ্ট্রৰ প্রকৃতি নিজেই পুৰুষতান্ত্রিক। ৰাষ্ট্রৰ পুৰুষতান্ত্রিক প্রকৃতি স্পষ্টভাৱে প্রতিফলিত হয় বিবাহ বিচ্ছেদ আৰু বিবাহ, মহিলাৰ প্রজনন ক্ষমতা আৰু স্বাস্থ্য,

গৰ্ভপাতৰ বৈধতাকৰণ, মজুৰি বৈষম্য, বেশ্যাবৃত্তি, পর্ন'গ্রাফী আৰু পুৰুষৰ হিংসাক লৈ ৰাষ্ট্রই দিয়া নিয়ম বা বিতর্কসমূহৰ মাজেৰে; য'ত ঘৰৰ ভিতৰত আৰু বাহিৰত ধর্ষণ বা যৌন তথা শাৰীৰিক নির্যাতনৰ নিৰন্তৰ ভাবুকি সমাধান কৰাৰ বাবে সঠিক আৰু সহজলভ্য প্রতিষ্ঠানিক ব্যৱস্থাৰ অভাৱ দেখা যায়।

সমগ্র বিশ্বতে ধর্মীয় প্রতিষ্ঠানসমূহৰ ভিতৰত লিংগ অসমতা চিৰস্থায়ীভাৱে বিদ্যমান। সেয়া হিন্দু ধর্ম, খ্রীষ্টান ধর্ম, ইছলাম বা বৌদ্ধ ধর্মই নহওক কিয়, মহিলাসকলক পুৰুষতকৈ নিম্ন স্থানত ৰখা হৈছে, য'ত ধর্মীয় প্রতিষ্ঠানসমূহৰ ভিতৰত নেতৃত্বৰ স্থান তেওঁলোকৰ বাবে প্রায়েই নিষিদ্ধ। ইয়াৰ লগতে, মহিলাৰ শাৰীৰিক শৰীৰ প্রায়েই ধর্মীয় নিয়ন্ত্রণ সাব্যস্ত কৰাৰ আৰু ধর্মীয় প্রতিষ্ঠানসমূহে পোষণ কৰা পবিত্রতা তথা অপবিত্রতাৰ ধাৰণা প্রকাশ কৰাৰ কেন্দ্রস্থল হৈ পৰে। আচলতে, ভাৰতীয় সমাজত পবিত্রতা আৰু সন্মানৰ ওপৰত দিয়া গুৰুত্ব মহিলাৰ দাসত্ব আৰু অধীনতাৰ ধাৰণাটোৰ ওপৰত প্রতিষ্ঠিত।

মহিলাসকল আজিও জনসংখ্যাৰ এক উপেক্ষিত বা প্রান্তীয় অংশ হৈ আছে, আৰু আনকি অনগ্রসৰ সম্প্রদায়সমূহৰ ভিতৰতো মহিলাসকলে সম্প্রদায়টোৰ নেতিবাচক আর্থ-সামাজিক পৰিণতিৰ বোজা বহন কৰে। পুৰুষৰ তুলনাত তেওঁলোকে দুগুণ বোজা কঢ়িয়াব লগা হয়-এভাগ তেওঁলোকৰ সম্প্রদায়ৰ সামাজিক স্থিতিৰ বাবে দমিত হোৱাৰ বাবে আৰু আনভাগ সম্প্রদায়টোৰ ভিতৰতে মহিলা হিচাপে তেওঁলোকৰ নিম্ন মর্যাদাৰ বাবে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ লিংগ (Gender) মানে কি?

.....

প্রশ্ন ২ ঃ পুৰুষতন্ত্র (Patriarchy) কি?

.....

প্রশ্ন ৩ ঃ শ্রমৰ যৌন বিভাজন কি?

.....

প্রশ্ন ৪ ঃ ঘৰুৱা পৰিয়ালৰ ভিতৰত লিংগ অসমতা বর্তি আছেনে?

.....

প্রশ্ন ৫ ঃ অ্যান ওকলেয়ে 'দ্য চচিয়েল'জী অৱ হাউচৰ্ক' (1974) গ্রন্থত কি যুক্তি আগবঢ়াইছে?

.....

প্রশ্ন ৬ ঃ শ্রমিক বাহিনীত মহিলাৰ সম্পূর্ণ অংশগ্রহণত বাধা দিয়া কিছুমান কাৰক কি কি?

.....

প্রশ্ন ৭ ঃ মহিলাসকলে ঘৰত কৰা তদাৰকীমূলক কামক (care-work) অর্থনৈতিক কার্যকলাপ হিচাপে গণ্য কৰা হয়নে?

.....

প্রশ্ন ৮ ঃ মহিলাসকলৰ আইনী আৰু ৰাজনৈতিক অধিকাৰ আছেনে?

.....

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উৎপাদন আৰু পুনৰুৎপাদনৰ স্থানসমূহ, যেনে- কর্মক্ষেত্রৰ অর্থনৈতিক জীৱন আৰু ঘৰুৱা পৰিয়ালক সুশৃংখলিত বা গাঁথনিবদ্ধ কৰাৰ ক্ষেত্রত লিংগ হৈছে এক প্রাথমিক শ্রেণী, আৰু গতিকে, ই হৈছে এক কেন্দ্রীয় চকু বা ফ্রেম যাৰ জৰিয়তে সামাজিক জীৱন বুজিব আৰু অধ্যয়ন কৰিব লাগিব।
- সমাজ-জীৱবিজ্ঞানীসকলৰ মতে, পুৰুষ আৰু মহিলাৰ মাজৰ জৈৱিক পার্থক্যই হৈছে নাৰীৰ ওপৰত

পুৰুষৰ নিয়ন্ত্রণ বর্তি থকাৰ মূল কাৰণ। আনহাতে, সামাজিক নির্মাণবাদী দৃষ্টিভংগীৰ পৰা চালে, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশত কার্য(action)ৰ জৰিয়তে লিংগভিত্তিক ভূমিকাসমূহ সক্রিয়ভাৱে সৃষ্টি কৰা হয়, যিয়ে কোনো এক নির্দিষ্ট গাঁথনিক অর্থ প্রদান কৰে।

- পুৰুষতন্ত্র হৈছে সামাজিক গাঁথনি আৰু পদ্ধতিৰ এক ব্যৱস্থা য'ত পুৰুষে মহিলাৰ ওপৰত আধিপত্য বিস্তাৰ কৰে, নির্যাতন কৰে আৰু exploitation বা শোষণ কৰে। এক সামাজিক গাঁথনি হিচাপে পুৰুষতন্ত্র ক্ষমতা, আধিপত্য, উচ্চ-নীচ ক্রম আৰু প্রতিযোগিতাৰ কেন্দ্রীয় মূলনীতিৰে গঠিত।
- কর্মক্ষেত্রত মহিলাৰ সমান অংশগ্রহণৰ পথত প্রাচীৰ বা বাধা সৃষ্টি কৰা সৰহভাগ কথাই পৰিয়াল আৰু ঘৰৰ ভিতৰৰ পৰাই আৰম্ভ হয়। মহিলা এগৰাকীৰ এজন ব্যক্তি আৰু অর্থনীতি তথা সমাজৰ সদস্য হিচাপে থকা ভূমিকাৰ বিনিময়ত কেৱল যত্ন লওঁতা, লালন-পালন কৰোঁতা আৰু মাতৃ হিচাপে তেওঁলোকৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়াৰ অর্থ হ'ল- এজন ব্যক্তি হিচাপে তেওঁৰ কুশলতাৰ প্রতি কম মনোযোগ দিয়া হয়।
- কর্মক্ষেত্রত থকা লিংগ অসমতা কামৰ লিংগভিত্তিক প্রকৃতি, একেটা কামৰ বাবে পুৰুষ আৰু মহিলাৰ মাজত থকা মজুৰিৰ অসমতা আৰু সৰহভাগ চাকৰিতে মহিলাৰ বাবে থকা 'কাঁচৰ চিলিং' বা 'গ্-াছ চিলিং'ৰ উপস্থিতিৰ মাজেৰে প্রতিফলিত হয়।
- ৰাষ্ট্রৰ পর্যায়ত আনুষ্ঠানিক আইনী আৰু ৰাজনৈতিক ব্যৱস্থাসমূহত বর্তনমানৰ লিংগ অসমতাসমূহক লৈ সচেতনতা বৃদ্ধি পাইছে আৰু এই সমস্যাসমূহ সমাধানৰ বাবে বহুতো নীতি আৰম্ভ কৰা হৈছে। অৱশ্যে, এই সংৰক্ষিত আইনী আৰু ৰাজনৈতিক নিয়মসমূহৰ কার্যকৰীকৰণ অতি দুর্বল হৈ আছে।
- সমগ্র বিশ্বতে ধর্মীয় প্রতিষ্ঠানসমূহৰ ভিতৰত লিংগ অসমতা চিৰস্থায়ীভাৱে বিদ্যমান।

১১.৫ অধিক জানিবলৈ

1) Engels, Friedrich, 1820-1895. (1942). *The origin of the family, private property and the state*. New York : International Publishers.
2) Guha, Martin (2008). *International Encyclopedia of the Social Sciences (2nd edition)*. Detroit: Thompson Gale.
3) Oakley, Ann (1975). *The Sociology of Housework.* New York: Pantheon Books
4) Walby, Sylvia (1989). *The orizing Patriarchy*. Sociology, Vol. 23, No. 2, pp. 213-234.
5) Waring, Marilyn (1999). *Counting for Nothing: What Men Value and What Women Are Worth*. Toronto: University of Toronto Press.
6) Weber, Max(1947). *The Theory of Social and Economic Organization*. New York: Free Press.

১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'ইণ্টাৰনেচনেল এনচাইক্লোপেডিয়া অৱ চচিয়েল ছায়েন্স'ৰ সংজ্ঞানুসৰি লিংগ হৈছে— "জৈৱিক লিংগৰ সৈতে জড়িত সামাজিকভাৱে নির্মিত কিছুমান পদ্ধতিৰ সমষ্টি, যিয়ে ব্যক্তিসকলে মহিলা আৰু পুৰুষৰ শ্রেণীসমূহ কেনেকৈ বুজি পায় তাক গঢ় দিয়ে। লিংগ এক প্রক্রিয়া হিচাপে ঐতিহাসিক আৰু সাংস্কৃতিকভাৱে সুকীয়া; নাৰীৰ অধীনতাৰ প্রকাশসমূহ অত্যন্ত বৈচিত্র্যময় আৰু ইটো সিটোৰ সৈতে জটিলভাৱে সাঙোৰ খাই থাকে। নাৰী নির্যাতনৰ ৰূপ আৰু পৰিসৰ কেৱল দেশে দেশে সুকীয়া হোৱাই নহয়, বৰঞ্চ ই সদায় বর্ণ, শ্রেণী, সক্ষমতা আৰু যৌন অভিমুখীতাৰ ওপৰত

প্রতিষ্ঠিত ক্ষমতাৰ সম্পর্কৰ দ্বাৰাও গঢ়ি উঠে।"

২ নং প্রশ্নৰ উত্তৰ ঃ 'থিওৰাইজিং পেট্রিয়াৰ্কী' (1989) নামৰ প্রবন্ধত চিলভিয়া ৰালবীয়ে পুৰুষতন্ত্রক এনেদৰে সংজ্ঞায়িত কৰিছে- "পুৰুষতন্ত্র হৈছে সামাজিক গাঁথনি আৰু পদ্ধতিৰ এক ব্যৱস্থা য'ত পুৰুষে মহিলাৰ ওপৰত আধিপত্য বিস্তাৰ কৰে, নির্যাতন কৰে আৰু শোষণ কৰে। ইয়াত 'সামাজিক গাঁথনি' শব্দটোৰ ব্যৱহাৰ গুৰুত্বপূর্ণ, কাৰণ ই জৈৰিক নির্ধাৰণবাদ (biological determinism) আৰু প্রতিজন পুৰুষেই প্রভাৱশালী স্থানত থাকে তথা প্রতিগৰাকী মহিলাই অধীনস্থ স্থানত থাকে- এই দুইটা ধাৰণাকে স্পষ্টভাৱে প্রত্যাখ্যান কৰে।"

৩ নং প্রশ্নৰ উত্তৰ ঃ শ্রমৰ যৌন বিভাজন হৈছে লিংগ অনুসৰি পুৰুষ আৰু মহিলাৰ মাজত বিভিন্ন কামৰ আবণ্টন বা কর্তব্য ভাগ কৰা। ই এই সর্বব্যাপী ধাৰণাটোক বুজায় যে পুৰুষ আৰু মহিলাৰ মাজত অর্থনৈতিক উৎপাদন বা পুনৰুৎপাদনৰ পার্থক্য বা বিশেষীকৰণ থকাৰ বাবে তেওঁলোক বেলেগ বেলেগ কাম কৰাৰ যোগ্য; য'ত ঐতিহাসিকভাৱে পুৰুষক চিকাৰীৰ ভূমিকা দিয়া হৈছে বা ঘৰৰ বাহিৰৰ কামৰ সৈতে জড়িত কৰা হৈছে, আৰু মহিলাক সংগ্রহকাৰীৰ ভূমিকা দি ঘৰৰ ভিতৰৰ আৰু ঘৰৰ সৈতে জড়িত কাম যেনে- ৰন্ধা-বঢ়া, চাফ-চিকুণ আৰু তদাৰকী বা যত্ন লোৱা কামৰ মাজত সীমাবদ্ধ কৰা হৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ হয়, ঘৰুৱা পৰিয়াল বা গৃহৰ ভিতৰত লিংগ অসমতা বর্তি থাকে আৰু ইয়াক ৰালবীয়ে আগবঢ়োৱা 'ব্যক্তিগত পুৰুষতন্ত্র'ৰ (private patriarchy) ধাৰণাটোৰ জৰিয়তে বুজিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ ওকলেৰ ফলাফলসমূহে ঘৰুৱা কাম মহিলাৰ বাবে প্রাকৃতিক বুলি থকা দৃষ্টিভংগীক জোকাৰি পেলালে আৰু দেখুৱালে যে ঘৰৰ ভিতৰত ঘৰুৱা কাম আৰু ক্ষমতা পৰস্পৰ সম্পর্কযুক্ত; য'ত প্রকৃত ক্ষমতা পৰিয়ালৰ পুৰুষ কর্তৃত্বশীল ব্যক্তিৰ হাতত থাকে আৰু মহিলাসকলে কেৱল তেওঁলোকৰ ঘৰুৱা কামৰ নিয়মীয়া পৰিসৰৰ ভিতৰতহে কিছু ক্ষমতা প্রয়োগ কৰিব পাৰে। আকৌ, ওকলেয়ে দেখুৱাইছিল যে ঘৰুৱা কাম আমনিদায়ক, হতাশাজনক আৰু বিচ্ছিন্নতাবাদী আৰু বৈবাহিক সম্পর্কসমূহ অসমান আছিল (সাক্ষাৎকাৰ লোৱা মহিলাসকলৰ বাবে)।

৬ নং প্রশ্নৰ উত্তৰ ঃ কেইবাটাও কাৰকে মহিলাসকলক তেওঁলোকৰ সম্পূর্ণ প্রতিভা বিকাশ কৰাৰ পথত বাধা হৈ থিয় দিছে। পুৰুষৰ তুলনাত মহিলাৰ মাজত পঢ়া আধাতে এৰা (dropout) তথা নিৰক্ষৰতা আৰু পুষ্টিহীনতাৰ হাৰ এতিয়াও বেছি। আনকি স্কুললৈ যোৱা শিশুসকলৰ মাজতেও, কন্যা শিশুটি স্কুলৰ কামৰ লগতে ঘৰুৱা কামতো সহায় কৰিব বুলি আশা কৰা হয়। চাকৰি বা স্কুললৈ যোৱাৰ পথত অসুৰক্ষিত যাতায়ত বা যৌন নির্যাতনৰ দৰে কাৰকসমূহো মহিলাৰ বাবে এক ডাঙৰ বাধা হিচাপে পোৱা গৈছে।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রৰ উন্নয়নৰ সূচকসমূহ যেনে- GDP বা GNP এ সাধাৰণ ভাষাত 'অর্থনৈতিক কার্যকলাপ' বুলি কোৱা পৰিসৰৰ বাহিৰত থকা কাৰকসমূহক অন্তর্ভুক্ত নকৰে, যেনে মহিলাসকলে কৰা বিনামূলীয়া ঘৰুৱা কাম আৰু তদাৰকীমূলক কাম। গতিকে, তদাৰকীমূলক বা যত্ন লোৱা কামক বর্তমান 'অর্থনৈতিক কার্যকলাপ' হিচাপে গণ্য কৰা নহয়, যিটো বিষয় নাৰীবাদী পণ্ডিতসকলে এক সমস্যা বা আসোঁৱাহ হিচাপে আঙুলিয়াই দিছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ মহিলাসকলৰ ৰাজনৈতিক আৰু আইনী অধিকাৰ আছে, কিন্তু মহিলাসকললৈ আইনী আৰু ৰাজনৈতিক অধিকাৰ সম্প্রসাৰণ কৰাটোৱে এই ক্ষেত্রসমূহত তেওঁলোকৰ অংশগ্রহণ আশানুৰূপভাৱে বৃদ্ধি কৰা নাই। ইয়াৰ লগতে, গোলকীয় পর্যায়ত বর্তি থকা আইনী আৰু ৰাজনৈতিক অসমতা দূৰ কৰাৰ বাবে এতিয়াও বহু কাম কৰিবলৈ বাকী আছে।

? ১১.৭ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ শ্ৰমিক বাহিনী বা কৰ্মক্ষেত্ৰত মহিলাৰ সম্পূৰ্ণ অংশগ্ৰহণত বাধা দিয়া কিছুমান কাৰক কি কি?

প্ৰশ্ন ২ ঃ পুৰুষতন্ত্ৰ (Patriarchy) মানে কি?

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ পৰিয়াল কেনেকৈ অসমতাৰ এক কেন্দ্ৰস্থল বা ক্ষেত্ৰ হিচাপে গঢ়ি উঠে?

প্ৰশ্ন ২ ঃ সামাজিক জীৱনৰ স্তৰীকৰণ বুজিবলৈ চেষ্টা কৰাৰ ক্ষেত্ৰত লিংগ কিয় এক মুখ্য বা কেন্দ্ৰীয় ধাৰণা, আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পুৰুষতন্ত্ৰ কি আৰু পৰিয়ালৰ ভিতৰত ই কেনেকৈ নিজক প্ৰকাশ বা প্ৰতিষ্ঠা কৰে?

*** ***** ***

অধ্যায় ১২ ঃ সামাজিক স্তৰীকৰণৰ অন্যান্য আধাৰসমূহ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ বৰ্ণ (Race)
১২.৪ জনগোষ্ঠীয়তা (Ethnicity)
১২.৫ জনজাতি (Tribe)
১২.৬ ধৰ্ম (Religion)
১২.৭ অঞ্চল (Region)
১২.৮ ভাষা (Language)
১২.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১২.১০ অধিক জানিবলৈ
১২.১১ অগ্রগতিৰ খতিয়ান
১২.১২ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্তৰীকৰণৰ এক আধাৰ হিচাপে বৰ্ণক (race) বুজিব পাৰিব
- জনগোষ্ঠীয়তা (ethnicity) কেনেকৈ স্তৰীকৰণৰ এক আধাৰ হ'ব পাৰে, তাক বুজিব পাৰিব
- জনজাতিৰ (tribe) প্ৰেক্ষাপটত স্তৰীকৰণ ব্যাখ্যা কৰিব পাৰিব
- স্তৰীকৰণৰ আধাৰ হিচাপে ধৰ্ম, অঞ্চল আৰু ভাষাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.১ পৰিচয়

স্তৰীকৰণ ভাৰতীয় সমাজসমূহৰ এক বৈশিষ্ট্য বা পৰিচয় হৈ আহিছে। উমৈহতীয়া আৰ্থ-সামাজিক অৱস্থাৰ ভিত্তিত সমাজৰ বিভিন্ন তৰপ বা স্তৰসমূহক দেখুৱাবলৈ ভূবিজ্ঞানৰ (Geology) পৰা 'সামাজিক স্তৰীকৰণ' (social stratification) শব্দটো ধাৰ কৰা হৈছে। পূৰ্বৰ গোটসমূহত আমি শিকিছোঁ যে সামাজিক স্তৰীকৰণে সামাজিক প্ৰমূল্য, প্ৰতিষ্ঠা, ক্ষমতা আৰু বিশেষাধিকাৰ অনুসৰি বৰ্ণ, জনগোষ্ঠীয়তা, জনজাতি, ধৰ্ম, অঞ্চল, ভাষা আৰু মানুহক গোট বা শ্ৰেণীত ভাগ কৰা আৰু উচ্চ-নীচ ক্ৰমত সজোৱা পদ্ধতিক বুজায়। বৰ্ণ, জনগোষ্ঠীয়তা, জনজাতি, ধৰ্ম, অঞ্চল আৰু ভাষা হৈছে সামাজিক স্তৰীকৰণৰ নিৰ্ধাৰক বৈশিষ্ট্য, যিবোৰ সমাজত স্থায়ী সামাজিক অসমতা আৰু লাভালাভৰ প্ৰাথমিক কাৰক; আৰু ই ব্যক্তিসকলৰ জীৱনক তেওঁলোকৰ অলক্ষিতেই এক গুৰুত্বপূৰ্ণ ৰূপ দিয়ে। সামাজিক স্তৰীকৰণৰ ব্যৱস্থাবোৰ স্থিৰ নহয়, বৰঞ্চ সেইবোৰ সলনি হয় আৰু তাৰ ঠাইত সামাজিক ক্ৰম বা স্থান নিৰ্ধাৰণৰ নতুন নিয়ম আৰু মাপকাঠি আহে। এই গোটটোত আমি সামাজিক স্তৰীকৰণৰ বিভিন্ন দিশ যেনে- বৰ্ণ, জনগোষ্ঠীয়তা, জনজাতি, ধৰ্ম, অঞ্চল আৰু ভাষা অধ্যয়ন কৰিম, যিয়ে সমাজত প্ৰচলিত অসমতা বুজাত সহায় কৰিব আৰু ই এখন সমতাবাদী সমাজ (egalitarian society) গঠনৰ পথো উন্মোচন কৰিব।

১২.৩ বর্ণ (RACE)

বর্ণ হৈছে সমাজত স্তৰীকৰণৰ অন্যতম আধাৰ। 'বর্ণ' (race) শব্দটোৱে জৈৱিক গুণ, বাহ্যিক লক্ষণ (phenotypes), বংশাৱলী আৰু শাৰীৰিক বৈশিষ্ট্যসমূহক বুজায় যিবোৰক সামাজিকভাৱে গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় আৰু যিবোৰ বৰ্ণীয় গোটসমূহৰ সৃষ্টিৰ আধাৰ বুলি বিশ্বাস কৰা হয়। সমাজতাত্ত্বিকসকলে দেখুৱাইছে যে বৰ্ণ প্ৰকৃত বা বাস্তৱিক নহয়, অৰ্থাৎ সামাজিক বা ৰাজনৈতিক স্বাৰ্থৰ বাবে নিৰ্দিষ্ট কিছুমান জৈৱিক আৰু জিনীয় গুণৰ আধাৰত মানুহক পৃথক বা একত্ৰিত কৰাৰ বাবে বৰ্ণ এক 'সামাজিক নিৰ্মাণ' (social construct) হে। উলফে (Wolf) বিশ্বাস কৰিছিল যে ইউৰোপীয় ব্যৱসায়িক সম্প্ৰসাৰণৰ সময়ত প্ৰতিষ্ঠা, ক্ষমতা আৰু সম্পত্তিৰ ক্ষেত্ৰত থকা অসমতাসমূহ চিহ্নিত কৰিবলৈ বৰ্ণৰ নিৰ্মাণ কৰা হৈছিল। চাৰ্জিঅ' ৰোমেৰোৰ (Sergio Romero) মতে, ঐতিহাসিক পৰিপ্ৰেক্ষিতে দেখুৱায় যে ঔপনিবেশিক শাসনকালত বৰ্ণৰ ধাৰণাটো কেনেকৈ গঢ়ি উঠিছিল- যাৰ উদ্দেশ্য আছিল শাসিত লোকসকলৰ ওপৰত উপনিৱেশকাৰী বা শাসকসকলৰ শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰা আৰু এই শ্ৰেষ্ঠত্বৰ আধাৰত শ্ৰমিকক দাস কৰি ৰখা, আৰু কেনেকৈ স্তৰীকৃত প্ৰতিষ্ঠানসমূহে ইয়াৰ বাবে ভেটি তৈয়াৰ কৰিছিল।

স্তৰীকৰণ ব্যৱস্থাৰ এক দিশ হিচাপে, বৰ্ণই উচ্চ-নীচ ক্ৰমৰ শীৰ্ষত বা তাৰ ওচৰত থকাসকলক সম্পদ, বিশেষাধিকাৰ আৰু সুবিধা প্ৰদান কৰে; আনহাতে ক্ৰমানুসাৰে তললৈ যোৱাৰ লগে লগে ই অসুবিধা, বৈষম্য আৰু বঞ্চিত কৰাৰ কাৰণ হৈ পৰে। উদাহৰণস্বৰূপে, অপার্থাইড বা বৰ্ণভেদ নীতিৰ (Apartheid laws) অধীনত ১৯৪৮ চনত দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ চৰকাৰে বৰ্ণীয় আৰু বংশগত উৎপত্তিৰ ভিত্তিত বৈষম্যমূলক বিশেষাধিকাৰ আৰু বাধা-নিষেধসমূহ আইনগত আৰু প্ৰতিষ্ঠানিক ৰূপ দিছিল। বংশাৱলী ১৪ টা প্ৰজন্মলৈকে অনুসৰণ কৰা হৈছিল আৰু ব্যক্তিসকলে তেওঁলোকৰ পূৰ্বপুৰুষৰ পৰিচয় থকা কার্ড কঢ়িয়াই ফুৰিছিল আৰু তেওঁলোকৰ সৈতে বেলেগ ব্যৱহাৰ কৰা হৈছিল। ইউৰোপীয় বংশোদ্ভূত লোকসকলে, মূলতঃ ইংৰাজ আৰু ওলন্দাজ (Dutch) সকলে সৰ্বোচ্চ বিশেষাধিকাৰ লাভ কৰিছিল, আটাইতকৈ ভাল ঠাইত বাস কৰিছিল আৰু এক সুন্দৰ জীৱনশৈলী যাপন কৰিছিল। কালার্ডছ বা বৰ্ণসংকৰসকল (Coloureds - ইউৰোপীয় লোক আৰু অন্যান্য বৰ্ণৰ সংমিশ্ৰণত জন্ম হোৱা সন্তান) ৰ বাবে এক সুকীয়া আৱাসিক অঞ্চল আৰু জীৱিকা আছিল, যিটো বাণ্টু লোকসকলৰ (Bantu - স্থানীয় আফ্ৰিকান) পৰা পৃথক আছিল। এছিয়ানসকলে (বেছিভাগেই ভাৰতৰ পৰা যোৱা প্ৰব্ৰজনকাৰী) বাণ্টু লোকতকৈ বেছি দৰমহা পাইছিল কিন্তু ইউৰোপীয় বংশোদ্ভূত লোকতকৈ কম পাইছিল। পক্ষপাতমূলক বৈষম্যৰ এই ব্যৱস্থাটো আন্তঃৰাষ্ট্ৰীয় চাপৰ বাবে আৰু ১৯৯৪ চনত প্ৰথম কৃষ্ণাংগ ৰাষ্ট্ৰপতি নেলচন মেণ্ডেলাৰ আগমনৰ লগে লগে ভাঙি পৰিছিল, কিন্তু বৰ্ণবৈষম্যৰ অৱশিষ্ট অংশ মচি পেলাবলৈ কেইবাটাও প্ৰজন্মৰ প্ৰয়োজন হ'ব।

ভৌগোলিক উৎপত্তিৰ স্থান- মংগোলিয়া, ককাচ পৰ্বতমালা, পূব এছিয়া, আফ্ৰিকা আদিৰ ওপৰত ভিত্তি কৰি বৰ্ণক চাৰিটা ভাগত বিভক্ত কৰা হৈছে- ক্ৰমে মংগোলইড (Mongolioids), ককাচইড (Caucusoids), অষ্ট্ৰেলইড (Australoids) আৰু নিগ্ৰইড (Negroids); অথবা ছালৰ ৰঙৰ আধাৰত ক'লা, হালধীয়া, বগা, ৰঙা আদি হিচাপে ভাগ কৰা হৈছে। ৰিজলীয়ে (Risley) তেওঁৰ 'দ্য পিপলছ অৱ ইণ্ডিয়া' (The Peoples of India) গ্ৰন্থত ঔপনিবেশিক ভাৰতৰ জনসংখ্যাক সাতটা ভাগত শ্ৰেণীভুক্ত কৰিছিল, ইণ্ডো-আৰ্য প্ৰকাৰ (য'ত জাট, ৰাজপুত, পঞ্জাবী আৰু কাশ্মীৰী খত্ৰী অন্তৰ্ভুক্ত), তুৰ্কো-ইৰানীয় প্ৰকাৰ (বেলুচিস্তান আৰু উত্তৰ-পশ্চিম সীমান্তৰ লোকসকল অন্তৰ্ভুক্ত), দ্ৰাবিড় প্ৰকাৰ (দক্ষিণ ভাৰত, দক্ষিণ মধ্যপ্ৰদেশ আৰু ছোটানাগপুৰ অঞ্চলৰ লোক), আৰ্য-দ্ৰাবিড় প্ৰকাৰ (কেন্দ্ৰীয় প্ৰদেশ- উত্তৰ প্ৰদেশ আৰু বিহাৰ আৰু ৰাজস্থানৰ দেশীয় ৰাজ্যৰ লোক), চিথো-দ্ৰাবিড় প্ৰকাৰ (কুৰ্গ প্ৰদেশৰ লোক আৰু মাৰাঠী ব্ৰাহ্মণ অন্তৰ্ভুক্ত), মংগোলইড প্ৰকাৰ (উত্তৰ-পূব সীমান্ত, অসম, বাৰ্মা আৰু নেপালৰ লোক অন্তৰ্ভুক্ত) আৰু মংগোলো-দ্ৰাবিড় প্ৰকাৰ (বঙালী ব্ৰাহ্মণ আৰু কায়স্থ লোক অন্তৰ্ভুক্ত)। অৱশ্যে বি. এছ. গুহাই (B.S. Guha) তেওঁৰ মানৱমিতি জৰীপৰ (anthropometric surveys) আধাৰত ভাৰতৰ মানুহক পাঁচটা ভাগত শ্ৰেণীভুক্ত কৰিছে— মংগোলইড, নেগ্ৰিটো, মেডিটেৰেনিয়ান বা ভূমধ্যসাগৰীয়, নৰ্ডিক, প্ৰ'ট'-অষ্ট্ৰেলইড আৰু ৰেষ্টাৰ্ণ ব্ৰেচিচেফালছ। জিনবিজ্ঞানৰ (genetics) অধ্যয়নে প্ৰমাণ

কৰিছে যে ছালৰ ৰং, চুলিৰ প্ৰকাৰ, শৰীৰৰ গঠন, লাওখোলা বা নাকৰ আকৃতি, উচ্চতা আদিৰ আধাৰত মানুহৰ মাজত কৰা পাৰ্থক্য কেৱল কাল্পনিক বা অনুমানভিত্তিকহে। ই সমাজবিজ্ঞানীসকলক এইটো বুজাত সহায় কৰিছে যে বৰ্ণৰ শ্ৰেণীবিভাজন অস্পষ্ট আৰু অভিজ্ঞতামূলক অধ্যয়নে দেখুৱায় যে ব্যক্তি আৰু গোটসমূহৰ মাজত শাৰীৰিক আৰু জিনীয় বৈশিষ্ট্যৰ সংমিশ্ৰণ থাকে। যেতিয়া এটা বৰ্ণীয় গোটক আন এটা গোটতকৈ অগ্ৰাধিকাৰ দিয়া হয় যাৰ ফলত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহৰ ওপৰত ইচ্ছাকৃত বা অনিচ্ছাকৃত প্ৰভাৱ পৰে, তাক বৰ্ণবাদ [racism) বুলি জনা যায়। আধুনিক সমাজত বৰ্ণবাদ বৰ্তি আছেনে? হয়, আধুনিক সমাজত বৰ্ণবাদ বৰ্তি আছে। বৰ্ণবাদৰ চিকাৰ হোৱা ব্যক্তিগৰাকী যদি কোনো চেলিব্ৰিটি বা বিখ্যাত ব্যক্তি হয়, যিয়ে সহজে জনসাধাৰণৰ ওচৰ পাব পাৰে, তেন্তে ই স্পষ্ট হৈ পৰে। সেয়া লাগিলে আমেৰিকাত নিৰাপত্তা পৰীক্ষাক লৈ শ্বাহৰুখ খানৰ সৈতে হোৱা ঘটনাই হওক বা 'বিগ ব্ৰদাৰ' (Big Brother) নামৰ ৰিয়েলিটি শ্ব'ত প্ৰতিযোগী হিচাপে শিল্পা শেট্টীয়ে সন্মুখীন হোৱা ঘটনাই হওক। এইবোৰ আছিল ব্যক্তিসকলে সন্মুখীন হোৱা বৰ্ণবাদৰ উদাহৰণ, কাৰণ তেওঁলোক এক সংখ্যালঘু সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত আছিল, যাৰ বিপৰীতে থকা লোকসকলে নিজৰ বৰ্ণীয় শ্ৰেষ্ঠত্বৰ বিশ্বাসৰ আধাৰত তেওঁলোকক বৈষম্য কৰিছিল। সংখ্যালঘু সম্প্ৰদায় (Minority community) এনে কিছুমান লোকৰ দ্বাৰা গঠিত যিসকলৰ ক্ষমতাৰ অভাৱ আৰু ছালৰ ৰং বা মূল দেশ নিৰ্বিশেষে সমাজত সংখ্যাগৰিষ্ঠ গোটৰ দ্বাৰা দমিত আৰু শাসিত হয়। অৱশ্যে, বৰ্ণবাদৰ এক কম পৰিচিত ৰূপ হৈছে প্ৰতিষ্ঠানিক বৈষম্য (institutional discrimination); ই হৈছে এনে কিছুমান পদ্ধতি যাৰ জৰিয়তে সংখ্যাগৰিষ্ঠ গোটে (এটা নিৰ্দিষ্ট অঞ্চলত সংখ্যালঘু গোটৰ তুলনাত অধিক ক্ষমতা থকা গোট) সংখ্যালঘু গোটৰ তুলনাত অসমানভাৱে অধিক লাভ আৰু বিশেষাধিকাৰ অৰ্জন কৰে। উদাহৰণস্বৰূপে, হিটলাৰৰ শাসনকালত ইহুদীসকলক এক ত্ৰুটিপূৰ্ণ বৰ্ণ- বেমাৰ আৰু বংশগত ৰোগৰ উৎস- বুলি গণ্য কৰি কৰা গণ-নিধন বা গণহত্যাই জাৰ্মান সৈন্যই কৰা অত্যাচাৰক আইনী বৈধতা দিছিল। যেতিয়া ২০০৫ চনৰ আগষ্ট মাহত লুইচিয়ানাত 'কেটৰিনা' (Katrina) ধুমুহাই আঘাত কৰিছিল, তেতিয়া উদ্ধাৰকাৰী সেৱাসমূহ ধনী বা উচ্চবিত্ত আৱাসিক অঞ্চলসমূহৰ ফালে প্ৰেৰণ কৰা হৈছিল; আনহাতে নিম্ন আয়ৰ জিলাসমূহ, য'ত বেছিভাগ আফ্ৰিকান আমেৰিকান লোক বাস কৰিছিল আৰু বহুতৰে তাত থকাৰ বাহিৰে কোনো উপায় নাছিল, তাত উদ্ধাৰকাৰী সেৱা প্ৰদান কৰা হোৱা নাছিল, যাৰ ফলত সেই অঞ্চলত মৃত্যুৰ সংখ্যা বৃদ্ধি পাইছিল।

অধ্যয়নসমূহে দেখুৱাইছে যে বৰ্ণ আৰু স্বাস্থ্যৰ বৈষম্যৰ মাজত এক ধনাত্মক সম্পৰ্ক আছে। আমেৰিকা যুক্তৰাষ্ট্ৰত (USA) বগা ছালৰ লোকৰ তুলনাত বৰ্ণীয় সংখ্যালঘুসকল মানসিক চাপ, উচ্চ ৰক্তচাপ, উচ্চ শিশু মৃত্যুৰ হাৰ, গৰ্ভধাৰণ সম্পৰ্কীয় জটিলতা, এইচ আই ভি (HIV), ডায়েবেটিছ, হত্যাকাণ্ড, হৃদৰোগ আৰু মানসিক স্বাস্থ্যৰ দ্বাৰা অধিক প্ৰভাৱিত হয়। স্বাস্থ্যৰ বৈষম্যৰ উপৰিও, মজুৰিৰ উপাৰ্জন আৰু কৰ্মসংস্থাপনৰ ক্ষেত্ৰতো বৈষম্য দেখা পোৱা যায়।

১২.৪ জনগোষ্ঠীয়তা (ETHNICITY)

বৰ্ণৰ দৰেই জনগোষ্ঠীয়তাও (ethnicity) সামাজিক গোটসমূহক স্তৰীকৃত কৰাৰ এক মাধ্যম। জনগোষ্ঠীয়তা আৰু বৰ্ণ শব্দ দুটা প্ৰায়েই এটাৰ সলনি আনটো ব্যৱহাৰ কৰা হয়। কিন্তু এই দুয়োটা ধাৰণা একে নহয়। বৰ্ণ আৰু জনগোষ্ঠীয়তাৰ মাজৰ পাৰ্থক্যটো হ'ল— বৰ্ণ বা জেণ্ডাৰ জাপি দিয়া (imposed) হয়, আনহাতে জনগোষ্ঠীয়তা জাপি দিবও পাৰি বা নিজে বাছি ল'বও (chosen) পাৰি। তদুপৰি, বৰ্ণ জৈৱিক গুণৰ সৈতে জড়িত হোৱাৰ বিপৰীতে জনগোষ্ঠীয়তা হৈছে সমাজৰ পৰা শিকা সাংস্কৃতিক পদ্ধতি (learned cultural practices)। কিন্তু বৰ্ণৰ দৰে জনগোষ্ঠীয়তাও এক সামাজিক নিৰ্মাণ, যাৰ আধাৰত মানুহে নিজক আৰু আনক কেনেকৈ চায় সেয়া নিৰ্ধাৰিত হয়।

জনগোষ্ঠীয়তাই উমৈহতীয়া সাংস্কৃতিক দৃষ্টিভংগী, পদ্ধতি, মূল্যবোধ, বিশ্বাস, নিয়ম আৰু স্বকীয়তাক বুজায় যাৰ বাবে এটা গোট আন এটা গোটৰ পৰা পৃথক হয়। জনগোষ্ঠীয় গোটসমূহৰ আটাইতকৈ সাধাৰণ বৈশিষ্ট্যসমূহ হ'ল- উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য, ইতিহাসৰ ভাৱ, ভাষা, অঞ্চল, ধৰ্ম, পৰম্পৰা, পোছাকৰ শৈলী,

খাদ্য, উমৈহতীয়া গোটৰ পৰিচয় বা আপোন ভাৰ (we-feeling) আৰু এক নির্দিষ্ট ভূখণ্ড বা জন্মভূমিৰ প্ৰতি থকা স্বকীয়তাৰ ভাৰ। ডাঙৰ চহৰবোৰত প্ৰায়েই জনগোষ্ঠীয় আৱাসিক অঞ্চল বা পকেট (ethnic enclaves) দেখিবলৈ পোৱা যায়, যিবোৰ বাটৰ ফলক, জনগোষ্ঠীয় ৰেষ্টুৰেণ্ট, ঘৰ বা উপাসনা স্থলীৰ প্ৰকাৰ, পোছাক আদিৰ দ্বাৰা সুকীয়া হয়। এটা জনগোষ্ঠীয় আৱাসত থকা প্ৰব্ৰজনকাৰীসকলৰ মাজত তীব্ৰ আপোনত্ব বা একতাৰ ভাৰ (we-feeling) থাকে, তেওঁলোকে এক স্থানীয় সমাজ হিচাপে কাম কৰে য'ত তেওঁলোকৰ সংস্কৃতিৰ অংশ থকা উৎসৱসমূহ উদযাপন কৰা হয়, আৰু প্ৰব্ৰজন কৰা স্থানত সামাজিক নেটৱৰ্ক বা সম্পৰ্ক গঢ়ি তোলে। উদাহৰণস্বৰূপে, কোনোবাই যদি কলকাতালৈ যায়, তাত 'চাইনাটাউন' (Chinatown) নামৰ এটা অঞ্চল আছে য'ত চীনৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলে কেইবাটাও প্ৰজন্ম ধৰি বাস কৰি আহিছে আৰু তেওঁলোকে চাইনিজ ষ্ট্ৰীট ফুড, চচ আৰু ৰন্ধন শৈলীৰ ৰূপত নিজৰ সংস্কৃতিক কলকাতালৈ কঢ়িয়াই আনিছে। জনগোষ্ঠীয় পাৰ্থক্যসমূহ বংশগতভাৱে পোৱা নাযায়, বৰঞ্চ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মাজেৰে শিকা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত জাপান, চীন, ফিলিপাইন, কোৰিয়া আৰু মালয়েছিয়াৰ লোকসকলক সামূহিকভাৱে 'এচিয়ান আমেৰিকান' (Asian American) বুলি জনা যায়। বিভিন্ন জনগোষ্ঠীয়তাক এনেদৰে একত্ৰিত কৰাৰ প্ৰক্ৰিয়াটোক 'পেন-এথনিচিটি' (pan-ethnicities) বুলি কোৱা হয়। যেতিয়া এচিয়ান আমেৰিকান বা আমেৰিকান ইণ্ডিয়ানসকলৰ সামাজিক সেৱাৰ বাবে ফেডাৰেল পুঁজি উপলব্ধ কৰা হৈছিল, তেতিয়া এই বিভিন্ন দেশৰ লোকসকলে স্বাস্থ্যসেৱা, আইনী অধিকাৰ আদিৰ দৰে ৰাজনৈতিক আৰু সামাজিক লাভালাভ অৰ্জন কৰাৰ বাবে এটা ডাঙৰ গোট হিচাপে চিন্তা কৰিবলৈ আৰম্ভ কৰিছিল। নিজৰ সংস্কৃতিখন আন জনগোষ্ঠীয় গোটতকৈ শ্ৰেষ্ঠ বুলি ভবা বিশ্বাসটোক 'স্বজাতি-কেন্দ্ৰিকতা' (ethnocentrism) বুলি জনা যায়। ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰা আৰু আন বিশেষকৈ প্ৰভাৱশালী আঞ্চলিক সম্প্ৰদায়ৰ পৰা নিজক সুকীয়া হিচাপে চিহ্নিত কৰাৰ ক্ষেত্ৰত জনগোষ্ঠীয়তা এটা জনজাতিৰ বাবে এক গুৰুত্বপূৰ্ণ পৰিচয় বা চিহ্ন হৈ পৰিছে।

১২.৫ জনজাতি (TRIBE)

গ্ৰাম্য ভাৰত আটাইতকৈ বেছি সংখ্যক জনজাতিৰ দ্বাৰা গঠিত। জনজাতি বা ট্ৰাইব বুলিলে মানুহৰ এনে এক গোট বা সম্প্ৰদায়ক বুজায় যিসকল প্ৰভাৱশালী আঞ্চলিক সম্প্ৰদায়ৰ পৰা পৃথক, জীৱিকাৰ বাবে নিজৰ ভূমিৰ ওপৰত নির্ভৰ কৰে, আৰু যাৰ সংস্কৃতি, অৰ্থনীতি আৰু জীৱনশৈলী সাধাৰণতে প্ৰাচীন বা সৰল। অৱশ্যে, বৃহত্তৰ সমাজৰ সৈতে তেওঁলোকৰ সংস্পৰ্শ আৰু গোলকীকৰণ, উদ্যোগীকৰণ, আধুনিকীকৰণ, পশ্চিমীকৰণ আৰু নগৰীকৰণৰ শক্তিসমূহে জনজাতীয় সমাজত ব্যাপক পৰিৱৰ্তন আনিছে। ভাৰতত, অনুসূচিত জনজাতি (scheduled tribes) হ'ল সেইসকল জনজাতি যিসকল ঐতিহাসিকভাৱে পিছপৰা বা বঞ্চিত আৰু ভাৰতীয় সংবিধানৰ ৩৪২ নং অনুচ্ছেদৰ অধীনত অনুসূচীত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত অনুসূচিত জনজাতিসমূহ অধিসূচিত কৰা হৈছে, যাৰ ভিতৰত ৭০৫ টা জনজাতীয় গোট আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি জনজাতীয় জনসংখ্যা ভাৰতৰ মুঠ জনসংখ্যাৰ ৮.৬ শতাংশ আছিল। এ. আৰ. দেশাইৰ (A. R. Desai) মতে, এটা বিশুদ্ধ জনজাতিৰ ভিতৰত তলত দিয়া বৈশিষ্ট্যসমূহ থাকে ঃ

- জনজাতীয় লোকসকল মাটিৰ আদিম বাসিন্দা, যিসকল এক নির্দিষ্ট ভৌগোলিক ভূখণ্ডৰ সৈতে জড়িত।
- তেওঁলোকে বৃহত্তৰ সমাজৰ পৰা আঁতৰত পাহাৰ আৰু হাবিত অকলশৰীয়াকৈ বা বিচ্ছিন্নভাৱে বাস কৰে।
- তেওঁলোক তিনিটা মূল মানৱ প্ৰজাতিৰ- নেগ্ৰিটো, অষ্ট্ৰেলইড বা মংগোলইড- যিকোনো এটাৰ অন্তৰ্ভুক্ত।
- তেওঁলোকৰ এক উমৈহতীয়া বংশাৱলী আৰু ইতিহাস থাকে, লাগিলে সেয়া প্ৰকৃত হওক বা কাল্পনিক।
- তেওঁলোকে জনজাতীয় উপভাষা কয়।
- তেওঁলোকে এক প্ৰাচীন ধৰ্ম পালন কৰে যাক 'এনিমিজম' বা জীৱবাদ (Animism) বুলি জনা যায়, য'ত প্ৰকৃতিৰ আত্মা আৰু অলৌকিক শক্তি থকা বস্তুক পূজা কৰা হয়।
- তেওঁলোকে চিকাৰ কৰা আৰু খাদ্য সংগ্ৰহ কৰাৰ দৰে প্ৰাচীন বা সৰল জীৱিকাৰ সৈতে জড়িত।

কে. এল. শর্মা, এ. আৰ. দেশাই, ঘনশ্যাম শাহ, আৰ. কে. প্রসাদ, এছ. এল. ডোহী, আৰু পি. কে. বসুৰ দ্বাৰা কৰা অধ্যয়নসমূহে দেখুৱায় যে জনজাতীয় লোকসকলৰ মাজতো বয়স, লিংগ, পৰিয়াল আৰু আত্মীয়তাৰ ভিত্তিত কিছু পৰিমাণে সামাজিক পার্থক্য আৰু ক্রম বা স্থান আছিল। জনজাতিসমূহ বর্তমান পৰিৱর্তনৰ মাজেৰে গতি কৰিছে (tribes in transition) আৰু তেওঁলোকৰ অর্থনৈতিক উন্নয়নৰ স্তৰ, আধুনিক সমাজৰ সৈতে সংস্পর্শ, শিক্ষা, উদ্যোগীকৰণ, বজাৰ অর্থনীতিৰ বিকাশ আৰু কৃষিত প্রযুক্তিৰ উন্নয়নৰ ওপৰত নির্ভৰ কৰি ভাৰত চৰকাৰে সৃষ্টি কৰা সামাজিক ব্যৱস্থাত বিলীন হৈ পৰিছে। স্বাধীনতাৰ পূর্বেও জনজাতীয় লোকসকলৰ মাজত সামাজিক স্তৰীকৰণ আছিল-গোটৰ সদস্যসকলক সামাজিক গুৰুত্বপূর্ণ পদবী, ক্ষমতা প্রদান কৰা, সম্পদ□খেতিৰ মাটি আবণ্টন কৰা আৰু উৎপাদিত সামগ্রী বিতৰণ কৰাৰ ৰূপত।

জনজাতীয় সামাজিক স্তৰীকৰণটো হিন্দু ধর্মলৈ ৰূপান্তৰিত হোৱাৰ পূর্বে মণিপুৰৰ মেইটেইসকলৰ (Meiteis) উদাহৰণৰ পৰা বুজিব পাৰি। মেইটেই সমাজখন পৰম্পৰাগতভাৱে সাতটা বংশ বা গোত্রত বিভক্ত আছিল— নিংথৌজা (Ningthauja), অংগম (Angom), খুমন (Khuman), মইৰাং (Moirang), লুৱাং (Luwang), খাবা ঙানবা (Khaba Nganba) আৰু চংলৈ (Chonglei)— যাক 'চালাই' (Salai) বুলি কোৱা হয়। প্রতিটো চালাই আকৌ কিছুমান উপ-বংশত বিভক্ত আছিল যাক 'য়ুম্নাক' (Yumnak) আৰু 'চাগাই' (Sagai) বুলি কোৱা হৈছিল। শ্রেষ্ঠত্ব লাভৰ বাবে বংশ বা গোত্রসমূহৰ মাজত সংঘাত হৈছিল আৰু নিংথৌজা বংশই আন বংশসমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰি মেইটেই হিচাপে নিজৰ শাসন প্রতিষ্ঠা কৰিছিল, যিটো নিংথৌজা বংশৰে আন এটা নাম। সকলো বংশ মেইটেই ৰজাৰ শাসনৰ অধীনলৈ আহিছিল। মেইটেই সমাজখন ৰজাৰ সৈতে থকা আত্মীয়তাৰ সম্পর্কৰ দূৰত্বৰ ডিগ্রী অনুসৰি স্তৰীকৃত (বিভক্ত) হৈছিল। ৰজাৰ সৈতে ওচৰৰ আত্মীয়তা থকা লোকসকলে অভিজাত শ্রেণী (nobility) গঠন কৰিছিল আৰু ৰজাৰ প্রাসাদত প্রশাসনিক, ন্যায়িক আৰু সামৰিক সেৱাৰ দায়িত্বত আছিল। অভিজাত শ্রেণীটোৰে ভাল মানৰ মাটিৰ মালি আছিল যিয়ে কেৱল তেওঁলোকৰ মর্যাদাই নহয়, বৰঞ্চ জীৱনশৈলীও উন্নত কৰিছিল। ৰজাৰ দূৰৈৰ আত্মীয় থকা লোকসকলে সাধাৰণ শ্রেণী (commoners) গঠন কৰিছিল, তেওঁলোকৰ হাতত নিম্ন মানৰ মাটি আছিল আৰু তেওঁলোকে উৎপন্ন শস্যৰ ৰূপত মাটিৰ কৰ বা খাজনা দিছিল।

ঠিক তেনেদৰে, ঘনশ্যাম শাহৰ দ্বাৰা অধ্যয়ন কৰা 'চৌধী' (Chaudri) জনজাতিৰ মাজত থকা স্তৰীকৰণে ভূমিৰ মালিকীস্বত্ব আৰু জীৱিকাৰ আধাৰত অর্থনৈতিক স্তৰ বা শ্রেণীৰ বিকাশ দেখুৱায়। শাহে চৌধী জনজাতিৰ মাজত চাৰি ধৰণৰ স্তৰ লক্ষ্য কৰিছে- (ক) কৃষি শ্রমিক আৰু দৰিদ্র খেতিয়ক, (খ) মধ্যম শ্রেণীৰ খেতিয়ক, (গ) চহকী খেতিয়ক আৰু (ঘ) বগা পোছাকধাৰী বা অফিচ কর্মচাৰী (White Collar Employees)। শাহে পাইছিল যে কৃষি শ্রমিক আৰু দৰিদ্র খেতিয়কসকলে জনজাতি-শ্রেণী উচ্চ-নীচ ক্রমৰ আটাইতকৈ তলৰ খোপত আছিল, আনহাতে বগা পোছাকধাৰী কর্মচাৰীসকলে এই ক্রমৰ সর্বোচ্চ স্তৰ গঠন কৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে প্রথম তিনিটা স্তৰ মুঠ কর্মৰত জনসংখ্যাৰ ৯৩ শতাংশ আছিল, আনহাতে বগা পোছাকধাৰী কর্মচাৰীসকল মুঠ কর্মৰত জনসংখ্যাৰ ৭ শতাংশ আছিল।

১২.৬ ধর্ম (RELIGION)

ধর্ম হৈছে সামাজিক স্তৰীকৰণৰ আন এক ৰূপ যি সকলো মানৰ সমাজতে বর্তি আহিছে আৰু ই সম্পদৰ ওপৰত মানুহৰ অধিকাৰ বা সুবিধা কেনে হ'ব তাৰ সীমা নির্ধাৰণ কৰে। ইমাইল দুর্খেইমে ধর্মক পবিত্র বস্তুৰ সৈতে সম্পর্কিত বিশ্বাস, মূল্যবোধ আৰু পদ্ধতিৰ এক ঐক্যবদ্ধ ব্যৱস্থা বুলি সংজ্ঞায়িত কৰিছে, যিয়ে মানুহক 'চার্চ' (church) নামৰ এটা একক নৈতিক সমাজত আৱদ্ধ কৰে। ধর্ম পালনৰ ভিতৰত ভগৱান বা দেৱ-দেৱীৰ পূজা, বলিদান, সেৱা, ভোজ-ভাত, উৎসৱ, ধর্মীয় আচাৰ-অনুষ্ঠান, উপনয়ন বা দীক্ষা গ্রহণ অনুষ্ঠান, সংগীত আৰু সংস্কৃতিৰ অন্যান্য দিশ অন্তর্ভুক্ত। যদিও সকলো ধর্মকে সমান সুৰক্ষা প্রদান কৰাৰ বাবে আইন আছে, বাস্তৱ ক্ষেত্রত ধর্মই সমাজত সামাজিক অসমতা বজাই ৰখাত সহায় কৰে। কার্ল মার্ক্সে কৈছিল যে ধর্ম হৈছে জনসাধাৰণৰ

বাবে গাঞ্জা বা আফিং (opium for the masses), যিয়ে তেওঁলোকৰ জীৱনৰ কঠিন অভিজ্ঞতাবোৰক নিস্তেজ বা পাহৰাই ৰাখে। তেওঁ কৈছিল যে শাসক শ্ৰেণীয়ে তেওঁলোকৰ সম্পত্তি আৰু ক্ষমতাৰ জৰিয়তে বিশ্বাস ব্যৱস্থাটোক নিয়ন্ত্ৰণ কৰিব পাৰে আৰু ধৰ্মীয় আদৰ্শসমূহক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰে, যিয়ে বৰ্তমানৰ সামাজিক অসমতাক আইনী বৈধতা দিয়ে।

মেক্স ৱেবাৰেও বিশ্বাস কৰিছিল যে প্ৰভাৱশালী বা শাসক শ্ৰেণীয়ে তেওঁলোকৰ ভাগ্যক বৈধতা দিবলৈ ধৰ্মক ব্যৱহাৰ কৰে আৰু এই বিশ্বাস জন্মায় যে তেওঁলোকে সমাজত উচ্চ স্থান পোৱাৰ যোগ্য; আনহাতে অধীনস্থ শ্ৰেণীটো, যি দুৰ্ভাগ্যৰ চিকাৰ, তেওঁলোকে সমাজত নিম্ন স্থান পোৱাৰহে যোগ্য। ৱেবৰে তেওঁৰ 'দ্য প্ৰটেষ্টাণ্ট ইথিক এণ্ড দ্য স্পিৰিট অৱ কেপিটেলিজম' (The Protestant Ethic and the Spirit of Capitalism) গ্ৰন্থত লক্ষ্য কৰিছিল যে কেলভিনবাদী নিয়তিবাদে (Calvinist doctrine of predestination) সমাজত থকা অসমতাক বৈধতা দিয়াত সহায় কৰিছিল, য'ত সফলতা বা ঈশ্বৰীয় পুৰস্কাৰ হিচাপে আৰু দৰিদ্ৰতাক নৈতিক স্খলন বা ব্যৰ্থতাৰ সূচক হিচাপে চোৱা হৈছিল। ঠিক তেনেদৰে, লিষ্টন পোপৰ (Liston Pope) অধ্যয়ন 'মিলহেণ্ড এণ্ড প্ৰীচাৰ' (Millhand and Preacher) এ দেখুৱায় যে কেনেকৈ উত্তৰ কেৰোলিনাৰ মিল বা কাৰখানা থকা চহৰবোৰত বৰ্তি থকা অসমতাক ধৰ্মৰ জৰিয়তে যুক্তিযুক্ত প্ৰমাণ কৰা হয়। তেওঁ লক্ষ্য কৰিছে যে চহৰৰ উচ্চবিত্ত অঞ্চলৰ চাৰ্চসমূহে মিল চহৰত থকা অৰ্থনৈতিক অসমতাক সমৰ্থন কৰে, আনহাতে মিলৰ ভিতৰত থকা চাৰ্চসমূহে শোষিত শ্ৰমিকসকলৰ বাবে জীৱনৰ যন্ত্ৰণাৰ পৰা হাত সৰাৰ এক মাধ্যম হিচাপে কাম কৰে। ধৰ্মক অত্যাচাৰী ৰজাসকলৰ 'ঈশ্বৰীয় অধিকাৰ' (divine right) প্ৰতিষ্ঠা কৰিবলৈ আৰু সমাজত অসমান সামাজিক গাঁথনি চিৰস্থায়ী কৰিবলৈ ব্যৱহাৰ কৰা হৈ আহিছে।

সামাজিক স্তৰীকৰণৰ এক উৎস হিচাপে ধৰ্মক মেইটেই জনজাতিৰ হিন্দু ধৰ্মলৈ হোৱা ৰূপান্তৰৰ জৰিয়তে বুজিব পাৰি। মেইটেই জনজাতিৰ হিন্দু ধৰ্মলৈ হোৱা ৰূপান্তৰৰ ইতিহাস কায়াম্বাৰ (Kyamba - 1697-1709) শাসনকাল আৰু মণিপুৰলৈ ব্ৰাহ্মণসকলৰ প্ৰব্ৰজনৰ সৈতে সাঙুৰিব পাৰি। ঊনবিংশ শতিকাৰ মণিপুৰত বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰেও মেইটেইসকলক হিন্দু ধৰ্মলৈ ৰূপান্তৰিত কৰাত অৰিহণা যোগাইছিল। পূৰ্বৰ অংশত আলোচনা কৰাৰ দৰে মেইটেইসকল সাতটা বংশৰে গঠিত আছিল আৰু ধৰ্ম সলনি কৰাৰ পিছত প্ৰতিটো বংশকে বেলেগ বেলেগ গোত্ৰ (gotras) প্ৰদান কৰা হৈছিল। গাংমুইমই কাবুইৰ (Gangmumei Kabui) মতে, নিংথৌজাক শাণ্ডিল্য গোত্ৰ, অংগমত গৌতম গোত্ৰ, খুমনক মুদগল্য গোত্ৰ, মইৰাংক আত্ৰেয় অংগিৰস গোত্ৰ, লুৱাংক কাশ্যপ গোত্ৰ, খাবা ঙানবাক ভৰদ্বাজ গোত্ৰ আৰু চংলৈক বশিষ্ঠ গোত্ৰ প্ৰদান কৰা হৈছিল। মণিপুৰলৈ প্ৰব্ৰজন কৰা সৰহভাগ ব্ৰাহ্মণ এই বংশসমূহৰ সৈতে বিলীন হৈ গৈছিল আৰু তেওঁলোকৰ উপাধি 'শৰ্মা' (Sharma) হৈছিল। শাসক শ্ৰেণী যিসকলে প্ৰথমে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল, তেওঁলোকক 'ৰাজকুমাৰ' (Rajkumar) বা 'ৰাজকুমাৰী' (Rajkumari) উপাধি দিয়া হৈছিল। পুৰুষসকলে ধুতি পিন্ধিছিল, কপালত চন্দনৰ ফোঁট লৈছিল, লগুন ধাৰণ কৰিছিল (য'ত সাতটা বংশক প্ৰতিনিধিত্ব কৰা সাতটা সূতা আছিল) আৰু তেওঁলোকৰ খাদ্যৰ অভ্যাস উচ্চ জাতিৰ হিন্দুসকলৰ দৰে সলনি কৰিছিল। যিসকল সাধাৰণ শ্ৰেণীৰ লোকে পিছত হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল, তেওঁলোকক 'সিং' (Singh) উপাধি দিয়া হৈছিল, যিসকলক মেইটেইসকলৰ মাজত অতি বিশুদ্ধ বুলি গণ্য কৰা হয়, কিন্তু তেওঁলোক 'ৰাজকুমাৰ'সকলতকৈ নিম্ন স্থানত থাকে।

'লুই'সকল (Lois) মণিপুৰৰ অনুসূচিত জাতিৰ অন্তৰ্ভুক্ত, যিসকলে তেওঁলোকৰ পৰম্পৰাগত মেইটেই ধৰ্ম পালন কৰে। তেওঁলোক পৰম্পৰাগতভাৱে কমাৰ আছিল আৰু খেতি-বাতি কৰা, মদ তৈয়াৰ কৰা, কুকুৰা পালন আৰু গাহৰি পালনৰ সৈতে জড়িত আছিল। পৰম্পৰাগত হিন্দু জাতি সমাজৰ দৰে লুইসকলক উচ্চ জাতিৰ দ্বাৰা দমন কৰা নহয় আৰু তেওঁলোকে উচ্চ জাতিৰ হস্তক্ষেপ নোহোৱাকৈ নিজৰ পৰম্পৰা আৰু ৰীতি-নীতি পালন কৰিবলৈ স্বতন্ত্ৰ। অৱশ্যে লুই আৰু ব্ৰাহ্মণসকলৰ মাজত সামাজিক দূৰত্ব বজাই ৰখা হয়। পূৰ্বে, লুইসকল ব্ৰাহ্মণৰ ওচৰলৈ আহিব পাৰিছিল কিন্তু ব্ৰাহ্মণৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিছিল। তদুপৰি, গ্ৰাম্য ভাৰতৰ অনুসূচিত জাতিৰ দৰে তেওঁলোকৰ বাসস্থান উচ্চ জাতিৰ বসতিৰ পৰা কিছু দূৰত বা শেষ প্ৰান্তত অৱস্থিত। মেইটেই সমাজত একেলগে বহি আহাৰ গ্ৰহণ কৰা (commensality) আৰু আন্তঃজাতি বিবাহ সম্পৰ্কীয় বাধা-

নিষেধসমূহো মানি চলা হয়। যদি এগৰাকী ব্ৰাহ্মণ ছোৱালীয়ে এজন ক্ষত্ৰিয় ল'ৰাক বিয়া কৰায়, তেন্তে বিবাহৰ পিছত তেওঁ ক্ষত্ৰিয়ৰ জাতি গ্ৰহণ কৰে। একেদৰে, যদি এগৰাকী ক্ষত্ৰিয় ছোৱালীয়ে এজন ব্ৰাহ্মণ ল'ৰাক বিয়া কৰায়, বিবাহৰ পিছত তেওঁ স্বামীৰ জাতিৰ অন্তৰ্ভুক্ত হয় কিন্তু তেওঁক কিছু সময়ৰ বাবে পৰিয়ালৰ পাকঘৰত ৰন্ধা-বঢ়া কৰিবলৈ অনুমতি দিয়া নহয়। ভাৰতৰ বাকী অংশত ব্ৰাহ্মণসকলৰ সামাজিক আচৰণত যি কঠোৰতা দেখা যায়, সেয়া মেইটেই সমাজত নাই। জাতিসমূহৰ মাজত সামাজিক আদান-প্ৰদানৰ ক্ষেত্ৰত নমনীয়তা দেখা পোৱা যায়, য'ত একেলগে আহাৰ গ্ৰহণ আৰু আন্তঃজাতি বিবাহৰ ক্ষেত্ৰতহে কিছু সংৰক্ষণ বা বাধা থাকে।

ধৰ্ম মানুহক বিভিন্ন ৰাজনৈতিক ব্লকত বিভক্ত কৰাৰ এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক প্ৰতীকো হ'ব পাৰে। উত্তৰ প্ৰদেশৰ ৰাজ্যিক ৰাজনীতিৰ কথাই ধৰক, য'ত ভোট বেংক ধৰ্ম আৰু জাতিৰ আধাৰত পৃথক কৰা হয়। ধৰ্ম সংঘাতৰ এক উৎসও হ'ব পাৰে যদিহে মানুহে বিশ্বাস কৰে যে নিজৰ ধৰ্মটো আন ধৰ্মতকৈ শ্ৰেষ্ঠ অথবা ভাৰতত সংখ্যাগৰিষ্ঠ ধৰ্মৰ লোকে যদি অনুভৱ কৰে যে তেওঁলোক সংখ্যালঘু সম্প্ৰদায়ৰ ধৰ্মৰ দ্বাৰা প্ৰভাৱিত হ'ব, তেন্তে ইয়াৰ ফলত সংঘাত হ'ব পাৰে। ভাৰতত সাম্প্ৰদায়িক সংঘাতক (Communal conflicts) মানুহক বিভক্ত কৰাৰ এক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰা হৈ আহিছে, যিয়ে ভাৰতৰ ৰাষ্ট্ৰীয়তাবোধক প্ৰত্যাহ্বান জনায়।

১২.৭ অঞ্চল (REGION)

অঞ্চল হৈছে সামাজিক স্তৰীকৰণৰ এক গুৰুত্বপূৰ্ণ দিশ। ভাৰতৰ মানুহক অঞ্চল অনুসৰি উত্তৰ ভাৰতীয়, দক্ষিণ ভাৰতীয়, উত্তৰ-পূব আৰু দাক্ষিণাত্যৰ লোক হিচাপে স্তৰীকৃত কৰা হয়। হেডনে (Haddon) ভাৰতৰ মানুহক তিনিটা ভৌগোলিক অঞ্চলত বিভক্ত কৰিছিল- হিমালয় অঞ্চল, উত্তৰৰ সমভূমি অঞ্চল আৰু দাক্ষিণাত্য অঞ্চল, যিবোৰ তিনিটা ভিন্ন বৰ্ণীয় প্ৰজাতিৰ সৈতে মিল খায়। হিমালয় অঞ্চলত ইণ্ডো-আৰ্য আৰু মংগোলইড, উত্তৰৰ সমভূমিত জাট আৰু ৰাজপুত আৰু দাক্ষিণাত্যত প্ৰাক-দ্ৰাবিড় আৰু নেগ্ৰিটো লোকসকলে বাস কৰিছিল। আকৌ এটা অঞ্চলৰ ভিতৰতে মানুহক 'মাটিৰ সন্তান' (sons of the soil) আৰু বহি�ৰাগত বা বিদেশী (outsiders) হিচাপে পৃথক কৰা হয়। মাটিৰ সন্তানসকলে দাবী কৰে যে তেওঁলোকেই কোনো এক নিৰ্দিষ্ট অঞ্চলৰ মূল বাসিন্দা আৰু সেই অঞ্চলৰ সম্পদ তথা সুবিধাৰ ওপৰত তেওঁলোকে বহিৰাগত/প্ৰব্ৰজনকাৰীতকৈ অগ্ৰাধিকাৰ পাব লাগে।

ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদত উল্লেখ আছে যে ভাৰতৰ প্ৰতিজন নাগৰিকৰে সমগ্ৰ ভাৰতীয় ভূখণ্ডৰ ভিতৰত মুক্তভাৱে চলাচল কৰাৰ, ভাৰতীয় ভূখণ্ডৰ যিকোনো অংশত বসবাস কৰাৰ আৰু স্থায়ীভাৱে থকাৰ লগতে যিকোনো বৃত্তি গ্ৰহণ কৰাৰ আৰু যিকোনো ব্যৱসায় বা বাণিজ্য চলোৱাৰ অধিকাৰ আছে। কিন্তু মহাৰাষ্ট্ৰই হওক বা অসমে হওক বা বেংগালুৰুৰেই হওক, প্ৰব্ৰজনকাৰীসকলৰ ওপৰত স্থানীয় 'মাটিৰ সন্তান'সকলে কৰা হিংসাত্মক কাৰ্যকলাপ ভাৰতীয় সংবিধানে প্ৰদান কৰা নাগৰিকৰ অধিকাৰৰ এক প্ৰত্যক্ষ উলংঘন। স্বাধীনতাৰ পিছৰ কালছোৱাত ৰাজ্যসমূহৰ পুনৰগঠন কোনো এটা অঞ্চলত উপলব্ধ সম্পদ আৰু প্ৰধান ভাষাৰ ওপৰত ভিত্তি কৰি কৰা হৈছিল।

১২.৮ ভাষা (LANGUAGE)

সমসাময়িক ভাৰতত ভাষা সামাজিক স্তৰীকৰণৰ এক স্পষ্ট চিহ্ন হৈ পৰিছে, যাৰ আধাৰত মানুহক বিভিন্ন খোপত থকা মৰ্যাদা অনুসৰি বিভক্ত কৰা হয়। ভাৰতীয় সংবিধানে ২২ টা ভাষাক অনুসূচিত ভাষা (scheduled languages) হিচাপে স্বীকৃতি দিছে, যাৰ মধ্যে আছে— অসমীয়া, বঙালী, বড়ো, ডোগ্ৰী, গুজৰাটী, হিন্দী, কন্নড়, কাশ্মীৰী, কোংকণী, মৈথিলী, মালায়ালম, মাৰাঠী, মেইটেই (মণিপুৰী), নেপালী, ওড়িয়া, পঞ্জাবী, সংস্কৃত, চাঁওতালী, সিন্ধী, তামিল, তেলেগু আৰু উৰ্দু। ভাৰতৰ মানুহে মাঘী, তুলু, পাহাৰী, ভোজপুৰী, চিলেটি আদি বিভিন্ন ভাষা কয়, যিবোৰ যদিও অনুসূচিত ভাষা হিচাপে স্বীকৃতি পোৱা নাই, তথাপিও বুজন সংখ্যক মানুহে কয় আৰু ইহঁতৰ নিজস্ব লিখন শৈলী বা লিপি আছে। দেশৰ ভাষিক বৈচিত্ৰ্যৰ বাবে ভাৰতৰ কোনো ৰাষ্ট্ৰীয় ভাষা (national language) নাই। অৱশ্যে দেৱনাগৰী লিপিত লিখা হিন্দী হৈছে ভাৰতৰ চৰকাৰী কাৰ্য্যালয়ৰ ভাষা

(official language)।

ভাষা হৈছে এক মাধ্যম যাৰ জৰিয়তে সামাজিকীকৰণ সম্পন্ন হয়। ই যোগাযোগত সহায় কৰে আৰু আমাৰ বিশ্ব-দৰ্শনক গঢ় দিয়ে। ৰাজহুৱা ক্ষেত্ৰত সংখ্যাগৰিষ্ঠৰ ভাষাতকৈ সংখ্যালঘুৰ ভাষা অধিক প্ৰচলিত হৈ পৰিব পাৰে বুলি এক পৰোক্ষ ভয় সদায় থাকে, যাৰ ফলত সংখ্যাগৰিষ্ঠৰ ভাষা আৰু সংস্কৃতিৰ বিকৃতি ঘটিব পাৰে। উদাহৰণস্বৰূপে, ১৯৬০ ৰ দশকত অসমত হোৱা ভাষা আন্দোলনৰ কথাই ধৰক, য'ত এই ভয় আছিল যে আদালত আৰু চৰকাৰী বিদ্যালয়ৰ ভাষা থকা বঙালী ভাষাই অসমীয়া ভাষা আৰু সংস্কৃতিক গ্ৰাস বা বিকৃত কৰিব। তদুপৰি, স্বাধীন ভাৰতৰ চৰকাৰী ভাষা হিন্দী নে ইংৰাজী হ'ব, তাক লৈ হোৱা বিতৰ্কই দক্ষিণ ভাৰতত 'দ্ৰাবিড় মুন্নেত্ৰা কাজাগাম' (DMK) ৰ দৰে ৰাজনৈতিক দলৰ উত্থান ঘটাইছিল। ভাষাই মানুহক মৰ্যাদা আৰু ঊৰ্ধ্বমুখী সামাজিক গতিশীলতাৰ (upward social mobility) এক চিহ্ন হিচাপেও স্তৰীকৃত কৰিব পাৰে। উদাহৰণস্বৰূপে, 'হিন্দী মিডিয়াম' (Hindi Medium) বোলছবিখনে দেখুৱাইছে যে কেনেকৈ পিতৃ-মাতৃয়ে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰিবলৈ সংগ্ৰাম কৰে, কাৰণ ইংৰাজী ভাষাক ঊৰ্ধ্বমুখী সামাজিক গতিশীলতা আৰু সমাজত নিজৰ মৰ্যাদা বৃদ্ধি কৰাৰ এক বাহন হিচাপে দেখা হয়।

১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৰ্ণ, জনগোষ্ঠীয়তা, জনজাতি, ধৰ্ম, অঞ্চল আৰু ভাষা হৈছে সামাজিক স্তৰীকৰণৰ নিৰ্ধাৰক বৈশিষ্ট্য, যিবোৰ সমাজত স্থায়ী সামাজিক অসমতা আৰু লাভালাভৰ প্ৰাথমিক কাৰক; আৰু ই ব্যক্তিসকলৰ জীৱনক তেওঁলোকৰ অলক্ষিতেই এক গুৰুত্বপূৰ্ণ ৰূপ দিয়ে।
- বৰ্ণ হৈছে সমাজত স্তৰীকৰণৰ অন্যতম আধাৰ। 'বৰ্ণ' শব্দটোৱে জৈৱিক গুণ, বাহ্যিক লক্ষণ (phenotypes), বংশাৱলী আৰু শাৰীৰিক বৈশিষ্ট্যসমূহক বুজায় যিবোৰক সামাজিকভাৱে গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় আৰু যিবোৰ বৰ্ণীয় গোটসমূহৰ সৃষ্টিৰ আধাৰ বুলি বিশ্বাস কৰা হয়।
- সমাজবিজ্ঞানীসকলে দেখুৱাইছে যে বৰ্ণ প্ৰকৃত বা বাখ্যাযোগ্য নহয়, অৰ্থাৎ সামাজিক বা ৰাজনৈতিক স্বাৰ্থৰ বাবে নিৰ্দিষ্ট কিছুমান জৈৱিক আৰু জিনীয় গুণৰ আধাৰত মানুহক পৃথক বা একত্ৰিত কৰাৰ বাবে বৰ্ণ এক 'সামাজিক নিৰ্মাণ' (social construct) হে।
- বৰ্ণৰ দৰেই জনগোষ্ঠীয়তাও সামাজিক গোটসমূহক স্তৰীকৃত কৰাৰ এক মাধ্যম। জনগোষ্ঠীয়তাই উমৈহতীয়া সাংস্কৃতিক দৃষ্টিভংগী, পদ্ধতি, মূল্যবোধ, বিশ্বাস, নিয়ম আৰু স্বকীয়তাক বুজায় যাৰ বাবে এটা গোট আন এটা গোটৰ পৰা পৃথক হয়।
- ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰা আৰু আন বিশেষকৈ প্ৰভাৱশালী আঞ্চলিক সম্প্ৰদায়ৰ পৰা নিজক সুকীয়া হিচাপে চিহ্নিত কৰাৰ ক্ষেত্ৰত জনগোষ্ঠীয়তা এটা জনজাতিৰ বাবে এক গুৰুত্বপূৰ্ণ পৰিচয় হৈ পৰিছে।
- জনজাতি বাট্ৰাইব বুলিলে মানুহৰ এনে এক গোট বা সম্প্ৰদায়ক বুজায় যিসকল প্ৰভাৱশালী আঞ্চলিক সম্প্ৰদায়ৰ পৰা পৃথক আৰু ভাৰতীয় সংবিধানে অনুসূচিত জনজাতি (scheduled tribes) হিচাপে তালিকাভুক্ত কৰিছে।
- কে. এল. শৰ্মা, এ. আৰ. দেশাই, ঘনশ্যাম শাহ, আৰ. কে. প্ৰসাদ, এছ. এল. ডোহী, আৰু পি. কে. বসুৰ দ্বাৰা কৰা অধ্যয়নসমূহে দেখুৱায় যে জনজাতীয় লোকসকলৰ মাজতো বয়স, লিংগ, পৰিয়াল আৰু আত্মীয়তাৰ ভিত্তিত কিছু পৰিমাণে সামাজিক পাৰ্থক্য আৰু ক্ৰম বা স্থান আছিল।
- ধৰ্ম হৈছে সামাজিক স্তৰীকৰণৰ আন এক ৰূপ যাৰ অস্তিত্ব সকলো মানৱ সমাজতে আছে আৰু ই সম্পদৰ ওপৰত মানুহৰ অধিকাৰ নিৰ্ধাৰণ কৰে। ইমাইল দুৰ্খেইমে ধৰ্মক পবিত্ৰ বস্তুৰ সৈতে সম্পৰ্কিত বিশ্বাস, মূল্যবোধ আৰু পদ্ধতিৰ এক ঐক্যবদ্ধ ব্যৱস্থা বুলি সংজ্ঞায়িত কৰিছে, যাৰ জৰিয়তে মানুহ 'চাৰ্চ' নামৰ এটা একক নৈতিক সমাজত আৱদ্ধ হয়। যদিও সকলো ধৰ্মকে সমান সুৰক্ষা প্ৰদান কৰাৰ

বাবে আইন আছে, বাস্তৱ ক্ষেত্ৰত ধৰ্মই সমাজত সামাজিক অসমতা বজাই ৰখাত সহায় কৰে।

- অঞ্চল হৈছে সামাজিক স্তৰীকৰণৰ এক গুৰুত্বপূৰ্ণ দিশ। ভাৰতৰ মানুহক অঞ্চল অনুসৰি উত্তৰ ভাৰতীয়, দক্ষিণ ভাৰতীয়, উত্তৰ-পূব আৰু দাক্ষিণাত্যৰ লোক হিচাপে স্তৰীকৃত কৰা হয়। এটা অঞ্চলৰ ভিতৰতে আকৌ মানুহক মাটিৰ সন্তান (sons of the soil) আৰু বহিৰাগত হিচাপে পৃথক কৰা হয়।
- সমসাময়িক ভাৰতত ভাষা সামাজিক স্তৰীকৰণৰ এক স্পষ্ট চিহ্ন হৈ পৰিছে, যাৰ আধাৰত মানুহক বিভিন্ন খোপত থকা মৰ্যাদা অনুসৰি বিভক্ত কৰা হয়।
- এইদৰে, এই গোটটোত আমি সামাজিক স্তৰীকৰণৰ বিভিন্ন আধাৰ যেনে— বৰ্ণ, জনগোষ্ঠীয়তা, জনজাতি, ধৰ্ম, অঞ্চল আৰু ভাষাৰ বিষয়ে আলোচনা কৰিলোঁ আৰু এইবোৰ কেনেকৈ সমাজত সামাজিক অসমতা চিৰস্থায়ী কৰাৰ আধাৰ হ'ব পাৰে, তাক বুজি পালোঁ।

১২.১০ অধিক জানিবলৈ

1) Sharma, K. L, (1994). *The Changing Rural Stratification System*. New Delhi: Orient Longman.

১২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'বৰ্ণ' (race) শব্দটোৱে জৈৱিক গুণ, বাহ্যিক লক্ষণ (phenotypes), বংশাৱলী আৰু শাৰীৰিক বৈশিষ্ট্যসমূহক বুজায় যিবোৰক সামাজিকভাৱে গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় আৰু যিবোৰ বৰ্ণীয় গোটসমূহৰ সৃষ্টিৰ আধাৰ বুলি বিশ্বাস কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ণ আৰু জনগোষ্ঠীয়তাৰ মাজৰ পাৰ্থক্যটো হ'ল— বৰ্ণ বা জেণ্ডাৰ জাপি দিয়া (imposed) হয়, আনহাতে জনগোষ্ঠীয়তা জাপি দিবও পাৰি বা নিজে বাছি ল'বও (chosen) পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগতভাৱে মেইটেই জনজাতিটো সাতটা বংশ বা গোত্ৰৰ (clans) দ্বাৰা গঠিত আছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ লুইসকল (Lois) মণিপুৰৰ অনুসূচিত জাতিৰ অন্তৰ্ভুক্ত, যিসকলে তেওঁলোকৰ পৰম্পৰাগত মেইটেই ধৰ্ম পালন কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত বৰ্তমান ২২ টা অনুসূচিত ভাষা (Scheduled Languages) আছে।

১২.১২ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ সমসাময়িক সমাজত বৰ্ণবাদ (racism) বৰ্তি আছেনে? উদাহৰণসহ আপোনাৰ উত্তৰ সমৰ্থন কৰক।

প্ৰশ্ন ২ ঃ ভাষা সামাজিক স্তৰীকৰণৰ এক আধাৰ হ'ব পাৰেনে? আলোচনা কৰক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ মেইটেই সমাজৰ সামাজিক স্তৰীকৰণত ধৰ্মৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ জনজাতীয় সমাজসমূহ সমতাবাদী (egalitarian) হয়নে? উদাহৰণসহ আপোনাৰ উত্তৰ সমৰ্থন কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ স্তৰীকৰণৰ সমসাময়িক বিতর্কসমূহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ স্তৰীকৰণৰ সমসাময়িক বিতর্কসমূহ (Contemporary Debates in Stratification)
১৩.৩.১ অপচৰণ/ পথভ্রষ্টতা আৰু স্তৰীকৰণ (Deviance and Stratification)
১৩.৩.২ প্রতিবন্ধকতা/ অক্ষমতা আৰু স্তৰীকৰণ (Disability and Stratification)
১৩.৩.৩ যৌনতা আৰু স্তৰীকৰণ (Sexuality and Stratification)
১৩.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১৩.৫ অধিক জানিবলৈ
১৩.৬ অগ্রগতিৰ খতিয়ান
১৩.৭ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- লিংগ, শ্রেণী আৰু জনগোষ্ঠীয়তাৰ দৰে কাৰকসমূহৰ বাহিৰে স্তৰীকৰণৰ অন্যান্য কাৰণসমূহৰ বিষয়ে অধিক জানিব পাৰিব
- অপচৰণ বা পথভ্রষ্টতাৰ (deviance) ধাৰণা আৰু স্তৰীকৰণ তথা অসমতাত ইয়াৰ ভূমিকাৰ সৈতে পৰিচিত হ'ব পাৰিব
- শাৰীৰিক বা মানসিক প্রতিবন্ধকতা বা অক্ষমতাৰ (disability) বাবে ঘটা স্তৰীকৰণৰ বিভিন্ন দিশৰ সৈতে চিনাকি হ'ব পাৰিব
- যৌনতা (sexuality) আৰু অসমতা সম্পর্কীয় সমসাময়িক সমাজবৈজ্ঞানিক বিতর্কসমূহৰ বিষয়ে বুজিব পাৰিব।

১৩.২ পৰিচয়

সমাজতত্তৰ বৌদ্ধিক ইতিহাস আৰু সমগ্র বিশ্বতে এই বিষয়টো যদৰে বিকশিত আৰু প্রসাৰিত হৈছে, তাৰ বাবে এই বিজ্ঞানৰ প্রাথমিক চর্চাৰ ক্ষেত্রসমূহ আছিল সেইবোৰ বিষয় যাৰ সৈতে ধ্রুপদী চিন্তাবিদ ইমাইল দুৰ্খেইম, মে' ৱেবাৰ আৰু কার্ল মার্ক্স কাম কৰি থৈ গৈছিল- বিশেষকৈ ইউৰোপৰ উদ্যোগিক সমাজখন। অৱশ্যে সময়ৰ লগে লগে এই বিতর্কসমূহ বহল হৈ পৰিছে আৰু সমসাময়িক তথা গোলকীয় আগ্রহৰ বিভিন্ন বিষয়সমূহক অন্তর্ভুক্ত কৰিবলৈ সমাজতত্তৰ পৰিসৰ সম্প্রসাৰিত কৰা হৈছে। গতিকে, আনকি স্তৰীকৰণ অধ্যয়নৰ ক্ষেত্রতো, আমি সমসাময়িক সমাজত সামাজিক আন্দোলন, বা পৰিৱর্তনশীল সচেতনতা আৰু দৃষ্টিভংগী, অথবা পণ্ডিতসকলে সামাজিক গুৰুত্ব থকা সমস্যাসমূহ চিনাক্ত কৰি সেইবোৰ সমাজতাত্তিক অধ্যয়ন কৰাৰ ফলত অহা পৰিৱর্তনসমূহক বিবেচনা কৰিব লাগিব।

পূর্বৰ গোটসমূহত আমি সামাজিক স্তৰীকৰণৰ বিভিন্ন আধাৰৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত শ্রেণী, জাতি, লিংগ আৰু জনগোষ্ঠীয়তাৰ বিষয়সমূহৰ ঊর্ধ্বলৈ গৈ স্তৰীকৰণত অপচৰণ বা পথভ্রষ্টতাৰ (deviance) ভূমিকা অন্বেষণ কৰি স্তৰীকৰণক বিবেচনা কৰিবলৈ প্রয়াস কৰা হৈছে। আমি স্তৰীকৰণত প্রতিবন্ধকতা বা অক্ষমতাৰ (disability) প্রভাৱৰ লগতে যৌনতা আৰু অসমতাৰ বিষয়ে আলোচনা কৰিম। অৱশ্যে, যদিও আমি স্তৰীকৰণৰ

অন্যান্য কাৰকসমূহ আলোচনা নকৰোঁ, তথাপিও এইটো মনত ৰখা উচিত যে স্তৰীকৰণ সৃষ্টি কৰা এই বিভিন্ন দিশবোৰে সুকীয়া বা বিচ্ছিন্নভাৱে কাম নকৰে; এইবোৰ প্ৰায়েই একেলগে বান্ধ খাই থাকে আৰু এজন ব্যক্তিৰ জীৱনত ইটোৱে সিটোক ছেদ কৰে (intersect)। ইয়াক 'আন্তঃসংযোগবাদ' বা 'ইণ্টাৰচেকচনেলিটি তত্ত্ব' (theory of intersectionality) বুলিও কোৱা হয়, য'ত লিংগ, জাতি আৰু শ্ৰেণীৰ দৰে সামাজিক শ্ৰেণীবিভাজনসমূহ ইটোৰ ওপৰত সিটো ওপৰা-উপৰিকৈ পৰে (overlap) আৰু পৰস্পৰ সংযোগ হৈ অসুবিধা বা বৈষম্যৰ এক আন্তঃসংলগ্ন ব্যৱস্থা সৃষ্টি কৰে। উদাহৰণস্বৰূপে, এগৰাকী প্ৰতিবন্ধকতা থকা মহিলাই সন্মুখীন হোৱা অসুবিধাৰ প্ৰকৃতি এজন প্ৰতিবন্ধকতা থকা পুৰুষতকৈ বহুত বেছি ভয়াৱহ বা গুৰুত্বপূৰ্ণ হ'ব পাৰে; কাৰণ মহিলাগৰাকীৰ ক্ষেত্ৰত অক্ষমতাৰ বাবে হোৱা প্ৰান্তীয়কৰণ তেওঁৰ উপেক্ষিত লিংগ পৰিচয় আৰু ই কঢ়িয়াই অনা অসুবিধাৰ বাবে আৰু অধিক বৃদ্ধি পায় তথা বহুগুণে বাঢ়ি যায়।

১৩.৩ স্তৰীকৰণৰ সমসাময়িক বিতৰ্কসমূহ (CONTEMPORARY DEBATES IN STRATIFICATION)

তলৰ উপ-অংশসমূহত আমি সামাজিক স্তৰীকৰণত নতুনকৈ গা কৰি উঠা কিছুমান বিতৰ্ক যেনে— অপচৰণ (Deviance), প্ৰতিবন্ধকতা (Disability) আৰু যৌনতা (Sexuality) সম্পৰ্কে আলোচনা কৰিম। এইবোৰ আলোচনা কৰোঁতে আমি বুজি পাম যে এইবোৰে কেনেকৈ মানুহৰ বিভিন্ন গোটলৈ বেলেগ বেলেগ অভিজ্ঞতা কঢ়িয়াই আনে।

১৩.৩.১ অপচৰণ/ পথভ্ৰষ্টতা আৰু স্তৰীকৰণ (Deviance and Stratification)

অপচৰণ বা পথভ্ৰষ্টতা (deviance) আৰু পথভ্ৰষ্ট ব্যক্তিসকলৰ অধ্যয়নৰ সমাজবিজ্ঞানত এক দীঘলীয়া আৰু জটিল ইতিহাস আছে। পণ্ডিতসকলৰ দ্বাৰা অপচৰণক যিদৰে তাত্ত্বিক ৰূপ দিয়া আৰু বুজা হৈছিল, তাৰ মাজত এক অভূতপূৰ্ব বিৱৰ্তন ঘটিছে; যিয়ে সমসাময়িক সময়ত বিভিন্ন শ্ৰেণীসমূহ পৰিচালিত হোৱা সাংস্কৃতিক, ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত ঘটা ব্যাপক পৰিৱৰ্তনসমূহক প্ৰতিফলিত কৰে। অপচৰণৰ প্ৰতি থকা তাত্ত্বিক দৃষ্টিভংগী প্ৰায়েই এই অন্তৰ্নিহিত ধাৰণাৰে পৰিচালিত হয় যে কোনো এক সমাজৰ প্ৰতিজন সদস্যই আচৰণৰ পৰম্পৰাগত নিয়ম, চিন্তাৰ ধাৰা শিকি লয় আৰু মানি চলে তথা সেই সমাজত অনানুষ্ঠানিক আৰু আনুষ্ঠানিকভাৱে প্ৰণয়ন কৰা নিয়মসমূহ অনুসৰণ কৰে। গতিকে, এই পৰম্পৰাগতভাৱে প্ৰতিষ্ঠিত নীতি-নিয়মসমূহ উলংঘা কৰা যিকোনো কাৰ্য বা আচৰণক অপচৰণ বা পথভ্ৰষ্টতা (deviant) বুলি কোৱা হয়। এইদৰে, অপচৰণ বা পথভ্ৰষ্ট আচৰণ সেই সমাজ বা সংস্কৃতিৰ সাপেক্ষ বা আপেক্ষিক (relative) হয় যাৰ প্ৰেক্ষাপটত ই সংঘটিত হয়। ইয়াৰ অৰ্থ হ'ল এক সংস্কৃতিত যিটো গ্ৰহণযোগ্য বুলি গণ্য কৰা হয়, আন এক সংস্কৃতিত তাক পথভ্ৰষ্টতা বুলি গণ্য কৰিব পাৰি। যদিও অপচৰণ শব্দটোৰ এটা নেতিবাচক অৰ্থ আছে, ই সদায় এটা নেতিবাচক কাৰ্যক নুবুজাবও পাৰে, বৰঞ্চ কেৱল প্ৰতিষ্ঠিত নিয়ম আৰু আৰ্হিৰ এক প্ৰত্যাহ্বান বা অমান্য কৰাটোহে বুজাব পাৰে।

দুৰ্খেইমৰ মতে, অপচৰণ এখন সমাজৰ বাবে অপৰিহাৰ্য অংগ যিহেতু- "অপচৰণে সাংস্কৃতিক মূল্যবোধ আৰু নীতি-নিয়মসমূহক দৃঢ় কৰে। গুণ বা ধৰ্মৰ যিকোনো সংজ্ঞা তাৰ বিপৰীতে থকা পাপ বা দোষৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত: পাপ বা বেয়া অবিহনে কোনো ভাল হ'ব নোৱাৰে আৰু অপৰাধ অবিহনে কোনো ন্যায় হ'ব নোৱাৰে।" গতিকে, অপচৰণে এখন সমাজত কিটো নৈতিকভাৱে গ্ৰহণযোগ্য আৰু কিটো নহয়, তাৰ মাজৰ সীমাক দৃঢ় কৰিব পাৰে। অপচৰণৰ উপস্থিতিয়ে সমাজৰ ব্যক্তিসকলক একগোট হ'বলৈ আৰু সমাজখনে পথভ্ৰষ্ট আচৰণ বুলি ভবা কাৰ্যৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ বাধ্য কৰে, যাৰ ফলত সামাজিক সংহতি বা একতা (social solidarity) বৃদ্ধি পায়। আনহাতে, প্ৰতিষ্ঠাত নীতি-নিয়মৰ পৰা হোৱা অপচৰণ নিজেই এখন সমাজক নতুন চিন্তাধাৰা আৰু পৰিৱৰ্তনৰ সৈতে চিনাকি কৰাই দিবলৈ অপৰিহাৰ্য, যিয়ে সমাজ এখনক স্থবিৰতাৰ পৰা মুক্ত কৰে আৰু ইয়াক সামাজিক পৰিৱৰ্তন তথা প্ৰগতিৰ দিশে আগু�ৱাই লৈ যায়।

জৰ্জ চিমেলে (George Simmel) সমাজ এখনৰ বাবে অপচৰণৰ অপৰিহাৰ্য প্ৰকৃতিৰ বিষয়ে লিখিছিল যে- "এটা সম্পূৰ্ণ কেন্দ্ৰাভিমুখী আৰু সুষম গোট, এক বিশুদ্ধ 'ঐক্যবদ্ধকৰণ' কেৱল অভিজ্ঞতামূলকভাৱেই অবাস্তৱ নহয়, ই কোনো প্ৰকৃত জীৱন প্ৰক্ৰিয়া দেখুৱাব নোৱাৰে। বিশ্বব্ৰহ্মাণ্ডক যিদৰে যিকোনো ৰূপ ল'বলৈ 'প্ৰেম আৰু ঘৃণা' অৰ্থাৎ আকৰ্ষণীয় আৰু বিকৰ্ষণীয় শক্তিৰ প্ৰয়োজন হয়, ঠিক তেনেদৰে সমাজখনকো এক নিৰ্দিষ্ট আকৃতি পাবলৈ সংগতি আৰু অসংগতিৰ, সঙঘ আৰু প্ৰতিযোগিতাৰ, অনুকূল আৰু প্ৰতিকূল প্ৰৱণতাসমূহৰ কিছু পৰিমাণগত অনুপাতৰ প্ৰয়োজন হয়। আমি জনা এই সমাজখন হৈছে পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দুয়োটা শ্ৰেণীৰ পৰিণতি, যিয়ে দুয়োটাকে সম্পূৰ্ণ ইতিবাচকভাৱে প্ৰকাশ কৰে।"

অন্যান্য গুৰুত্বপূৰ্ণ সমাজতাত্ত্বিক চিন্তাবিদ যিসকলৰ অপচৰণ সম্পৰ্কীয় কামে আজিও অপচৰণ অধ্যয়নক গভীৰভাৱে প্ৰভাৱিত কৰে, তেওঁলোক হ'ল—

- **ৰবাৰ্ট মাৰ্টন (Robert Merton) :** যিয়ে ১৯৪০ ৰ দশকত তেওঁৰ 'অপচৰণৰ ষ্ট্ৰেইন তত্ত্ব' বা 'মানসিক চাপৰ তত্ত্ব' (Strain Theory of Deviance) উদ্ভাৱন কৰিছিল, যিটো সেই সময়ত প্ৰচলিত 'আমেৰিকান ড্ৰিম' বা 'আমেৰিকীয় স্বপ্ন'ৰ ধাৰণাৰ প্ৰেক্ষাপটত গঢ়ি উঠিছিল; যিয়ে বহু মানুহৰ বাবে লক্ষ্য আৰু পৰম্পৰাগত উপায়েৰে সেই লক্ষ্যত উপনীত হ'ব নোৱাৰাৰ অসমৰ্থতাৰ মাজত এক বহল ব্যৱধানৰ সৃষ্টি কৰিছিল। ই মানুহৰ মাজত মানসিক চাপ আৰু হতাশাৰ সৃষ্টি কৰিছিল যাৰ ফলত কিছুমান প্ৰতিক্ৰিয়াৰ জন্ম হৈছিল। এইবোৰক অনুসৰণ বা অনুৰূপতা (conformity), উদ্ভাৱন (innovation), ৰীতিবাদ (ritualism), পশ্চাদপসৰণ বা পলায়নবাদ (retreatism), আৰু বিদ্ৰোহ (rebellion) হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।
- **হাৱাৰ্ড বেকাৰ (Howard Becker) :** তেওঁ ১৯৬৩ চনত প্ৰকাশিত 'দ্য আউটছাইডাৰ্ছ' (The Outsiders) নামৰ গ্ৰন্থত তেওঁৰ 'লেবেলিং তত্ত্ব' বা 'চিহ্নিতকৰণ তত্ত্ব' (Labeling Theory) দাঙি ধৰিছিল, যিয়ে সমাজত অপচৰণ আৰু স্বাভাৱিকতাক লৈ থকা বহুতো প্ৰতিষ্ঠিত ধাৰণাক প্ৰত্যাহ্বান জনাইছিল। বেকাৰৰ মতে, "...সামাজিক গোটসমূহে এনে কিছুমান নিয়ম তৈয়াৰ কৰি অপচৰণৰ সৃষ্টি কৰে যাৰ উলংঘনৰ ফলত অপচৰণ বা পথভ্ৰষ্টতাৰ জন্ম হয়, আৰু সেই নিয়মবোৰ নিৰ্দিষ্ট মানুহৰ ওপৰত প্ৰয়োগ কৰি তেওঁলোকক বহিৰাগত বা আউটছাইডাৰ হিচাপে চিহ্নিত (labeling) কৰে। এই দৃষ্টিকোণৰ পৰা, অপচৰণ এজন ব্যক্তিয়ে কৰা কাৰ্যৰ কোনো গুণ নহয়, বৰঞ্চ আনৰ দ্বাৰা এজন 'অপৰাধী'ৰ ওপৰত নিয়ম আৰু শাস্তি প্ৰয়োগ কৰাৰ এক পৰিণতিহে। পথভ্ৰষ্ট বা অপচৰণকাৰী হৈছে সেইজন যাৰ ওপৰত এই লেবেল বা চিহ্নটো সফলতাৰে প্ৰয়োগ কৰা হৈছে; অপচৰণমূলক আচৰণ হৈছে সেই আচৰণ যাক মানুহে তেনেদৰে চিহ্নিত কৰে।" এইদৰে, বেকাৰে 'অপচৰণ'ক শ্ৰেণীভুক্ত কৰা আৰু তাৰ পিছত এই শ্ৰেণীসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সামাজিক গোটসমূহৰ গোপন বুজাবুজিক পোহৰলৈ আনিছে।
- **ইৰভিং গফমেন (Erving Goffman):** তেৰোঁ কলংক বা দাগ (stigma) অধ্যয়ন কৰাৰ বাবে এক তাত্ত্বিক গাঁথনি আগবঢ়াই অপচৰণ অধ্যয়নত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে, যিয়ে আজিকালি অপচৰণ অধ্যয়নক গভীৰভাৱে তথ্যসমৃদ্ধ কৰে। তেওঁৰ ভাষাত, "যেতিয়া আমাৰ সন্মুখত এজন অচিনাকি ব্যক্তি উপস্থিত থাকে, তেতিয়া তেওঁৰ হাতত এনে এটা গুণ থকাৰ প্ৰমাণ পোৱা যাব পাৰে যিয়ে তেওঁক সেই শ্ৰেণীৰ আন লোকসকলৰ পৰা পৃথক কৰে আৰু এক কম বাঞ্ছনীয় প্ৰকাৰৰ কৰি তোলে- চৰম পৰ্যায়ত, এজন ব্যক্তি যি সম্পূৰ্ণভাৱে বেয়া, বা বিপদজনক, বা দুৰ্বল। তেওঁ এইদৰে আমাৰ মনত এজন সম্পূৰ্ণ আৰু স্বাভাৱিক মানুহৰ পৰা এজন কলংকিত বা ম্লান ব্যক্তিলৈ সংকুচিত হৈ পৰে। এনে এক গুণেই হৈছে কলংক বা ষ্টিগমা (stigma)..."

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে অপচৰণে মানুহক বৈষম্যৰ বলি কৰিব পাৰে আৰু ইয়াৰ ফলত অসমতা আৰু এক স্তৰীকৃত সমাজৰ সৃষ্টি হ'ব পাৰে। অপচৰণে নিজৰ ভিতৰতে এক ব্যাপক বৈচিত্ৰ্যময় পৰিচয় গঠন কৰে, আৰু গতিকে অসুবিধা বা বৈষম্যৰ পৰিসৰ অপচৰণ বা পথভ্ৰষ্ট আচৰণৰ প্ৰকৃতি অনুসৰি বেলেগ বেলেগ হ'ব। কোনটো আচৰণক অপচৰণমূলক আচৰণ বুলি গণ্য কৰা উচিত আৰু কোনবোৰ অপচৰণমূলক আচৰণক অপৰাধ হিচাপে গণ্য কৰা উচিত বা অপৰাধমুক্ত কৰা উচিত, তাক লৈ চলা বিতৰ্ক নিৰন্তৰ চলি থকা এক

প্ৰক্ৰিয়া আৰু ই শেষ হোৱাৰ সম্ভাৱনা নাই; যিহেতু সামাজিক পৰিৱৰ্তন আৰু প্ৰগতিয়ে নিজেই অপচৰণৰ নতুন নতুন ৰূপৰ জন্ম দিব পাৰে।

১৩.৩.২ প্ৰতিবন্ধকতা/ অক্ষমতা আৰু স্তৰীকৰণ (Disability and Stratification)

দীৰ্ঘদিন ধৰি, স্বাভাৱিক নিয়মৰ পৰা আঁতৰি যোৱা সামাজিক জীৱনৰ অন্যান্য ক্ষেত্ৰসমূহৰ দৰে প্ৰতিবন্ধকতা বা অক্ষমতা অধ্যয়নকো (disability studies) সমাজতত্ত্বত ইয়াৰ প্ৰাপ্য স্থান দিয়া হোৱা নাছিল। কিন্তু বিগত কেইটামান দশকৰ ভিতৰত এই দিশত কিছু প্ৰগতি লাভ কৰা হৈছে। এনে বহুতো অধ্যয়ন হৈছে যিবোৰে দেখুৱাইছে যে প্ৰতিবন্ধকতাৰ সৈতে শ্ৰেণীৰ (class) এক শক্তিশালী সম্পৰ্ক আছে। ৰিচাৰ্ড জেনকিন্সে (Richard Jenkins) তেওঁৰ 'ডিচাবিলিটি এণ্ড চচিয়েল ষ্ট্ৰেটিফিকেশ্বন' (1991) নামৰ গৱেষণা পত্ৰত যুক্তি দিছে যে "প্ৰতিবন্ধকতাক শ্ৰেণী সম্পৰ্কৰ পৰা স্বতন্ত্ৰভাৱে, নিজা অধিকাৰত স্তৰীকৰণৰ উৎপাদন আৰু পুনৰুৎপাদনত অৰিহণা যোগোৱা এক কাৰক হিচাপে বিবেচনা কৰিব লাগিব"। আনকি অৰ্থনীতিত অংশগ্ৰহণ কৰা আৰু শ্ৰম বজাৰত সক্ৰিয় হৈ থকা প্ৰতিবন্ধী ব্যক্তিসকলৰ ক্ষেত্ৰতো, প্ৰতিবন্ধকতা এক বাধা হিচাপে থিয় দিয়ে যিয়ে তেওঁলোকক কম মজুৰি পোৱাৰ কাৰণ কৰে, তেওঁলোকৰ সংস্থাপনৰ স্থিতিক অসুৰক্ষিত কৰে আৰু তেওঁলোকৰ অৰ্থনৈতিক অৱস্থানক মূলসুঁতিৰ নিয়োগৰ সম্ভাৱনাৰ পৰা বাহিৰত ৰাখে। অৰ্থনৈতিকভাৱে সক্ৰিয় নোহোৱা প্ৰতিবন্ধী ব্যক্তিসকলৰ ক্ষেত্ৰত, শ্ৰম বজাৰ আৰু অৰ্থনৈতিক কাৰ্যকলাপত তেওঁলোকৰ অংশগ্ৰহণ নকৰাটোৱেই তেওঁলোকৰ সৰ্বজনীন প্ৰান্তীয়কৰণৰ পৰিসৰৰ এক মাপকাঠী হ'ব পাৰে।

পণ্ডিতসকলৰ দ্বাৰা বিগত বছৰবোৰত প্ৰতিবন্ধকতাৰ কেইবাটাও আৰ্হি বা মডেল (models of disability) আগবঢ়োৱা হৈছে। এই বিভিন্ন আৰ্হিসমূহ গুৰুত্বপূৰ্ণ কাৰণ এইবোৰে কেৱল কোনো এক সমাজত প্ৰতিবন্ধকতাৰ প্ৰতি থকা সামাজিক মনোভাৱ আৰু সাংস্কৃতিক বুজাবুজিক চাবৰ বাবে এক চকু বা লেন্স হিচাপে কাম কৰাই নহয়, বৰঞ্চ ৰাজনৈতিকভাৱে প্ৰতিবন্ধকতা সম্পৰ্কীয় নীতি আৰু আইনসমূহ তৈয়াৰ কৰাতো সহায় কৰে। প্ৰতিবন্ধকতাৰ আটাইতকৈ প্ৰভাৱশালী আৰ্হিটো হৈছে প্ৰতিবন্ধকতাৰ ব্যক্তিগত আৰ্হি (individual model of disability)। ইয়াৰ পৰৱৰ্তী স্তৰত থকা চিকিৎসা আৰ্হিটোৱে (medical model) প্ৰতিবন্ধকতাক এক চিকিৎসাজনীয় সমস্যা হিচাপে চায় য'ত মূল গুৰুত্বটো এজন ব্যক্তিৰ শৰীৰ বা মনৰ কিবা ত্ৰুটি ঠিক বা আৰোগ্য কৰাৰ ওপৰত থাকে, যাতে তেওঁলোক স্বাভাৱিক জীৱন যাপন কৰিব পাৰে। ইয়াৰ বিপৰীতে থকা সামাজিক আৰ্হিটোৱে (social model) প্ৰতিবন্ধকতাক শাৰীৰিক বা মানসিক অক্ষমতা থকা ব্যক্তিসকলৰ বিৰুদ্ধে সমাজখনে সৃষ্টি কৰা গাঁথনিগত প্ৰাচীৰ বা বাধাৰ এক পৰিণতি হিচাপে চায়, যিয়ে তেওঁলোকক নিজৰ অধিকাৰ আৰু ক্ষমতা সম্পূৰ্ণভাৱে উপভোগ কৰাত বাধা দিয়ে। গতিকে, প্ৰতিবন্ধকতাৰ এই সামাজিক আৰ্হিজনক 'বাধা বা প্ৰাচীৰৰ দৃষ্টিভংগী' (barriers approach) বুলিও কোৱা হয়। বাৰ্টনৰ (Barton, 1960) মতে- "প্ৰতিবন্ধকতা হৈছে সামাজিক পাৰ্থক্যৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। প্ৰতিবন্ধী হোৱা মানে বৈষম্যৰ বলি হোৱা আৰু বিভিন্ন মাত্ৰাৰ গতানুগতিক ধাৰণা, সামাজিক আকলন বা বিচ্ছিন্নতা আৰু বাধা-নিষেধ অনুভৱ কৰা... এই দৃষ্টিভংগী প্ৰতিবন্ধকতাৰ এক সামাজিক আৰ্হিৰ মুখ্য দিশ, যিয়ে সমাজখনে মানুহক কেনেকৈ প্ৰতিবন্ধী কৰি তোলে সেই উপায়সমূহ চিনাক্ত কৰিবলৈ বিচাৰে। তেতিয়া কামটো হ'ল সেই প্ৰতিবন্ধী কৰা বস্তুগত, অৰ্থনৈতিক, আদৰ্শগত, মনোভাৱমূলক বাধাসমূহ আঁতৰাই পেলোৱা যিবোৰে সামূহিকভাৱে প্ৰতিবন্ধী ব্যক্তিসকলক নাগৰিকত্বৰ অধিকাৰসমূহ অনুভৱ কৰাত বাধা দিয়ে। ইয়াত উপেক্ষিত আৰু শোষিত গোটসমূহৰ স্থিতি আৰু অভিজ্ঞতাৰ পোহৰত গণতন্ত্ৰৰ বাগধাৰাৰ উপকথা বা কাল্পনিকতাক প্ৰত্যাহ্বান জনোৱাটো অন্তৰ্ভুক্ত।"

মন কৰিব লাগিব যে এই তিনিটা আৰ্হি বা মডেলেই সৰ্বস্ব নহয় আৰু প্ৰতিবন্ধকতা চাবৰ বাবে আৰু অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা আৰ্হিৰ আৰু বহুতো শ্ৰেণী তথা উপ-শ্ৰেণী আছে। প্ৰদত্ত আৰ্হিসমূহ কেৱল বৰ্তমান উপলব্ধ আটাইতকৈ প্ৰভাৱশালী গাঁথনিহে।

২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতত প্ৰায় ২৬.৮ নিযুত (২.৬৮ কোটি) বিশেষভাৱে সক্ষম লোক

আছে। ভাৰতীয় সংবিধানে প্ৰতিবন্ধকতা থকা লোকসকলক অন্তৰ্ভুক্ত কৰি সকলো ভাৰতীয় নাগৰিকৰে বাবে সমান অধিকাৰ আৰু স্বাধীনতা নিৰ্ধাৰণ কৰিছে। কিন্তু ভাৰতত প্ৰতিবন্ধীসকলৰ অধিকাৰ যিমান দূৰলৈকে প্ৰসাৰিত হ'ব লাগিছিল সিমান হোৱা নাই। প্ৰাথমিক আৰু উচ্চ শিক্ষাত প্ৰতিবন্ধী ব্যক্তিসকলৰ অংশগ্ৰহণ এতিয়াও অতি কম, কাৰণ বিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহ আজিও শাৰীৰিক বা শিক্ষণৰ প্ৰতিবন্ধকতা (learning disabilities) থকা লোকসকলক সমানে খাপ খুৱাই ল'ব পৰাকৈ পৰ্যাপ্তভাৱে অন্তৰ্ভুক্তিমূলক (inclusive) কৰি গঢ়ি তোলা হোৱা নাই। অৱশ্যে, শেহতীয়া সময়ত চৰকাৰৰ দ্বাৰা শিক্ষানুষ্ঠানসমূহত এনে কিছুমান প্ৰযুক্তি অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত কিছু প্ৰগতি কৰা হৈছে যিয়ে ব্যক্তিসকলক সহায় কৰিব পাৰে, লগতে চলাচলত বাধা থকা প্ৰতিবন্ধী লোকসকলৰ বাবে সহজলভ্য আন্তঃগাঁথনি প্ৰস্তুত কৰা হৈছে। আচলতে, ২০১২ চনত সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনত 'প্ৰতিবন্ধী ব্যক্তিৰ সৱলীকৰণ'ৰ বাবে এটা সুকীয়া বিভাগ গঠন কৰা হৈছিল।

১৯৯৫ চনৰ প্ৰতিবন্ধী ব্যক্তি (সমান সুযোগ, অধিকাৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) আইন অনুসৰি, প্ৰতিবন্ধকতাৰ ভিতৰত বহলভাৱে অন্ধতা, দৃষ্টিহীনতা, কুষ্ঠৰোগ নিৰাময় হোৱা লোক, শ্ৰৱণ শক্তিৰ প্ৰতিবন্ধকতা থকা লোক, লোকোমোটৰ বা চলাচলৰ প্ৰতিবন্ধকতা, মানসিক মন্থৰতা (Mental Retardation) আৰু মানসিক অসুস্থতা অন্তৰ্ভুক্ত। ৰাষ্ট্ৰৰ দ্বাৰা বাধ্যতামূলক কৰা এই আইনসমূহ থকাৰ পিছতো, আইনী দিশৰ লগতে প্ৰতিবন্ধকতা আৰু প্ৰতিবন্ধীসকলৰ প্ৰতি মানুহৰ মনোভাৱ সলনি কৰাৰ ক্ষেত্ৰত এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে। প্ৰতিবন্ধীসকলৰ প্ৰতি বৈষম্য অতি সাধাৰণ কথা আৰু কৰ্মক্ষেত্ৰত ই তেওঁলোকৰ নিয়োগৰ স্থিতি নিৰ্বিশেষে তেওঁলোকৰ তীব্ৰ প্ৰান্তীয়কৰণৰ দিশলৈ লৈ যাব পাৰে। গতিকে এই আসোঁৱাহসমূহ দূৰ কৰাৰ বাবে, ভাৰত চৰকাৰে ৰাষ্ট্ৰসংঘৰ প্ৰতিবন্ধী ব্যক্তিৰ অধিকাৰ সন্মিলনত (UNCRPD) সংৰক্ষিত নীতিসমূহৰ আধাৰত এই পুৰণি আইনখনৰ পৰিৱৰ্তে 'প্ৰতিবন্ধী ব্যক্তিৰ অধিকাৰ আইন, ২০১৬' (Rights of Persons with Disabilities Act, 2016) প্ৰণয়ন কৰে। ইয়াত প্ৰতিবন্ধকতাৰ সংজ্ঞাক আৰু অধিক বহল কৰা হৈছে, লগতে চৰকাৰী আৰু ব্যক্তিগত দুয়োটা খণ্ডতে প্ৰযোজ্য হোৱা নিয়মৰ ৰূপত সমান সুযোগৰ নীতি তৈয়াৰ কৰা হৈছে। এই নিয়মসমূহ প্ৰতিবন্ধকতা থকা লোকসকলক নিযুক্তি দিয়া আৰু ধৰি ৰখাৰ বাবে সমান সুযোগৰ নীতিৰ সৈতে জড়িত, প্ৰতিবন্ধী কৰ্মচাৰীসকলক পৰ্যাপ্ত সুবিধা আৰু লাভালাভ প্ৰদান কৰে, কৰ্মক্ষেত্ৰত যিকোনো ধৰণৰ বৈষম্য বা নিৰ্যাতন নিষিদ্ধ কৰে, লগতে আইনখন উলংঘা বা অমান্য কৰাৰ ক্ষেত্ৰত ক্ষোভ প্ৰকাশ আৰু অভিযোগ নিষ্পত্তিৰ এক ব্যৱস্থা সৃষ্টি কৰে।

১৩.৩.৩ যৌনতা আৰু স্তৰীকৰণ (Sexuality and Stratification)

২০০৬ চনৰ বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) এটা প্ৰতিবেদন অনুসৰি- "যৌনতা (Sexuality) গোটেই জীৱন ধৰি মানুহ হোৱাৰ এক কেন্দ্ৰীয় দিশ আৰু ইয়াৰ ভিতৰত লিংগ, লিংগ পৰিচয় আৰু ভূমিকা, যৌন অভিমুখীতা (sexual orientation), কামভাৱ বা ইৰ'টিচিজম, আনন্দ, অন্তৰংগতা আৰু পুনৰুৎপাদন অন্তৰ্ভুক্ত। যৌনতা চিন্তা, কল্পনা, ইচ্ছা, বিশ্বাস, মনোভাৱ, মূল্যবোধ, আচৰণ, পদ্ধতি, ভূমিকা আৰু সম্পৰ্কৰ মাজেৰে অনুভৱ আৰু প্ৰকাশ কৰা হয়। যদিও যৌনতাৰ ভিতৰত এই আটাইবোৰ মাত্ৰা অন্তৰ্ভুক্ত হ'ব পাৰে, তথাপিও এই সকলোবোৰ সদায় অনুভৱ বা প্ৰকাশ নহবও পাৰে। যৌনতা জৈৱিক, মানসিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, আইনী, ঐতিহাসিক, ধৰ্মীয় আৰু আধ্যাত্মিক কাৰকসমূহৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দ্বাৰা প্ৰভাৱিত হয়।"

গতিকে যৌনতা আৰু লিংগৰ নিৰ্মাণ ইটো সিটোৰ অতি ওচৰত অৱস্থিত আৰু ইয়াৰে প্ৰতিটো বিতৰ্কই ইটোৱে সিটোক তথ্য যোগায় আৰু সীমিত কৰে। যৌনতা আৰু যৌন অভিমুখীতাৰ সৈতে জড়িত অসমতাসমূহ লিংগ আৰু যৌনতাক যিদৰে বুজা আৰু বিচাৰ কৰা হয়, তাৰ বাবেই সংঘটিত হয়। য'ত এজন ব্যক্তিৰ লিংগ বা জেণ্ডাৰক নাৰীত্ব আৰু পুৰুষত্বৰ এক পাৰস্পৰিক খেল হিচাপে বুজিব পাৰি, যিটো এজন ব্যক্তিৰ জৈৱিক লিংগ বা চে'ৰ (biological sex) পৰা পৃথক কেইবাটাও সাংস্কৃতিক, ৰাজনৈতিক আৰু সামাজিক প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰভাৱিত; তাৰ বিপৰীতে এজন ব্যক্তিৰ চে' বা লিংগ অনুসৰি জেণ্ডাৰৰ পাৰ্থক্যক লৈ থকা আৰ্থ-সাংস্কৃতিক নিয়মসমূহে

ব্যক্তিসকলৰ ওপৰত গধু�ৰ বোজা জাপি দিয়ে, বিশেষকৈ ৰক্ষণশীল আৰু পৰম্পৰাগত সমাজবোৰত। গতিকে, জৈৱিকভাৱে পুৰুষ হিচাপে জন্ম লোৱা এজন ব্যক্তিয়ে পুৰুষৰ বাবে নির্ধাৰিত পুৰুষসুলভ ভূমিকা পালন কৰিব বুলি আশা কৰা হয় আৰু সামাজিক নিয়ম অনুসৰি এগৰাকী মহিলাৰ সৈতে বিপৰীত-লিংগীয় বা 'হেটেৰ'চে'ৱেল' (heterosexual) সম্পর্কত থাকিব বুলি আশা কৰা হয়। অৱশ্যে, যৌনতা আৰু লিংগৰ সমাজবৈজ্ঞানিক অধ্যয়নৰ জৰিয়তে আমি এতিয়া জানো যে এই নিয়ম আৰু শ্রেণীসমূহ দেখাৰ দৰে ইমান সৰল নহয় আৰু বহু সময়ত, যিসকল লোকে এই স্বাভাৱিক বা নিয়মীয়া আচৰণৰ আর্হি মানি নচলে, তেওঁলোকৰ বাবে এইবোৰ অতি ক্ষতিকাৰক হৈ পৰে।

প্রতিষ্ঠিত বিপৰীত-লিংগীয়তা বা 'হেটেৰ'-নর্মেটিভিটি'ৰ (hetero-normativity) বাহিৰত থকা যৌনতা বা যৌন অভিমুখীতা অথবা এক বিষয় হিচাপে বহুতো বিভিন্ন প্রকাৰৰ যৌনতাৰ উপস্থিতি আৰু গ্রহণযোগ্যতাই ৰাজনৈতিক আৰু শৈক্ষিকভাৱে কেৱল শেহতীয়া সময়তহে ব্যাপক গুৰুত্ব লাভ কৰিছে। যৌন অভিমুখীতা (Sexual orientation) এজন ব্যক্তিৰ কোনো এক নির্দিষ্ট লিংগৰ প্রতি থকা পছন্দ বা আকর্ষণ হিচাপে সংজ্ঞায়িত কৰা হয়। ইয়াক সাধাৰণতে চাৰিটা ভাগত বিভক্ত কৰিব পাৰি: সমলিংগীয়তা বা হ'ম'চে'ৱেলিটি (homosexuality), য'ত এজন ব্যক্তিৰ নিজৰ সৈতে একে লিংগৰ প্রতি পছন্দ থাকে; বিপৰীত-লিংগীয়তা বা হেটেৰ'চে'ৱেলিটি (heterosexuality), য'ত এজন ব্যক্তি বিপৰীত লিংগৰ প্রতি আকর্ষিত হয়; উভলিংগীয়তা বা বাইচে'ৱেলিটি (bisexuality), যেতিয়া দুয়োটা লিংগৰে প্রতি আকর্ষণ থাকে আৰু অলিংগীয়তা বা এচে'ৱেলিটি (asexuality), যেতিয়া এজন ব্যক্তি কোনো লিংগৰে প্রতি আকর্ষিত নহয়। যৌন গৱেষণাৰ অগ্রদূত আলফ্রেড কিন্সীয়ে (Alfred Kinsey) প্রথমে যুক্তি দিছিল যে যৌনতা স্থিৰ আৰু অপৰিৱর্তনশীল নহয়, বৰঞ্চ ই আচলতে এক ধাৰাবাহিকতাৰ (continuum) ৰূপত বর্তি থাকে আৰু এই বুজাবুজি প্রগতিশীল সংস্কৃতি আৰু শৈক্ষিক মহলৰ সৰহভাগে গ্রহণ কৰিছে। ইয়াৰ সম্প্রসাৰণ হিচাপে, 'কুৱেৰ তত্ত্ব' (Queer theory) আৰু 'কুৱেৰ ৰাজনীতি' এই চিন্তাধাৰাৰ এক ফচল— যিয়ে যৌন অভিমুখীতাৰ দুটা পৰস্পৰ বর্জনীয় শ্রেণী, যেনে— সমলিংগীয় বা বিপৰীত-লিংগীয়, হিচাপে কৰা দ্বি-বিভাজনক প্রত্যাখ্যান কৰে আৰু বিকল্প যৌনতা তথা যৌন অভিমুখীতাৰ লোকসকলক নির্যাতন কৰাৰ ক্ষেত্রত সামাজিকীকৰণ, আইন প্রণয়ন আৰু ধর্মীয় গোড়ামীয়ে যি ভূমিকা লয়, তাক প্রত্যাহ্বান জনায়।

দীর্ঘদিন ধৰি, পৰম্পৰাগত বিপৰীত-লিংগীয়তা আৰু হেটেৰ'-নর্মেটিভিটিৰ পৰা আঁতৰি যোৱা যিকোনো বস্তুকে খোদ সমাজবিজ্ঞানৰ ভিতৰতো 'অপচৰণমূলক আচৰণ' (deviant behaviour) হিচাপে শ্রেণীভুক্ত কৰা হৈছিল। বর্তমান সময়ত যৌনতা অধ্যয়ন সমলিংগীয়তাৰ বহুত ঊর্ধ্বলৈ গতি কৰিছে আৰু ইয়াক ট্রান্সজেণ্ডাৰ বা হিজৰা, উভলিংগীয়তা আৰু কুৱেৰনেছক অন্তর্ভুক্ত কৰিবলৈ বহল কৰা হৈছে। কেৱল শিক্ষানুষ্ঠানতে নহয়, সমগ্র বিশ্বতে ৰাজনৈতিকভাৱেও যৌনতা অধ্যয়নক পোহৰলৈ অনা আটাইতকৈ গুৰুত্বপূর্ণ কাৰকটো হৈছে LGBTQ আন্দোলন (Lesbians, Gays, Bisexuals, Transgendered, Queer); যাৰ বর্তমান এক গোলকীয় উপস্থিতি আছে আৰু ইয়াৰ ফলতেই বিভিন্ন দেশৰ চৰকাৰসমূহে অলপ দিনৰ আগলৈকে এনে আচৰণক অপৰাধ হিচাপে গণ্য কৰা আইনসমূহ বাতিল কৰিবলৈ বাধ্য হৈছে, লগতে যি ঠাইত এসময়ত বৈষম্যক যুক্তিযুক্ত বুলি ভবা হৈছিল, সেই ঠাইত এনে বিকল্প যৌনতাৰ লোকসকলক বৈষম্যৰ বিৰুদ্ধে সুৰক্ষা প্রদান কৰিবলৈ আইন প্রণয়ন কৰা হৈছে। ইয়াৰাতকৈও গুৰুত্বপূর্ণ হৈছে মানুহৰ মাজত সাংস্কৃতিক আৰু সামাজিকভাৱে অনা বিকল্প যৌনতাৰ প্রতি মনোভাৱৰ পৰিৱর্তন আৰু সচেতনতা। অৱশ্যে, এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে।

অধ্যয়নসমূহৰ দ্বাৰা প্রকাশ পাইছে যে LGBTQ যুৱক-যুৱতীসকল আনকি এক শিক্ষামূলক পৰিৱেশতো হিংসা, নির্যাতন আৰু বুলিং বা উপলুঙাৰ চিকাৰ হোৱাৰ সম্ভাৱনা বেছি। ইয়াৰ লগতে, তেওঁলোকৰ পৰিয়াল বা সমাজৰ হেটেৰ'-নর্মেটিভ বা পৰম্পৰাগত প্রত্যাশাৰ পৰা আঁতৰি যোৱাৰ সৈতে জড়িত সামাজিক আৰু মানসিক চাপৰ বাবে এই গোটটোৰ মাজত নিচাৰ আসক্তি আৰু আত্মহত্যাৰ হাৰো অস্বাভাৱিকভাৱে বেছি। জার্মানী, স্পেইন, নেদাৰলেণ্ড, চুইডেন আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ বহু ৰাজ্যৰ দৰে বহুতো উন্নত দেশত বর্তমান LGBTQ ব্যক্তিসকলৰ বাবে বিবাহৰ সমতা (Marriage equality) আৰু বৈষম্য-বিৰোধী অধিকাৰ প্রণয়ন কৰা হৈছে। কিন্তু উন্নয়নশীল আৰু অনুন্নত দেশসমূহত, বিকল্প যৌনতা সম্পর্কীয় বিষয়সমূহ এতিয়াও সমাধান নোহোৱাকৈ আৰু তীব্র বিতর্কৰ

মাজতে আছে, য'ত কিছুমান দেশত এনে আচৰণ প্ৰদৰ্শন বা প্ৰমাণ হ'লে আজিও অতি উচ্চ অপৰাধমূলক শাস্তি বা দণ্ডৰ ব্যৱস্থা আছে, যিবোৰ দেশত ইয়াক আজিও 'অপচৰণ' বুলি গণ্য কৰা হয়। ভাৰততে এই আন্দোলন এতিয়াও প্ৰাৰম্ভিক পৰ্যায়তে আছে আৰু ভাৰত এতিয়াও সেইবোৰ দেশৰ শ্ৰেণীত পৰে য'ত এনে আচৰণক প্ৰায়েই আৰ্থ-সাংস্কৃতিকভাৱে মানসিক অসুস্থতা আৰু যৌন তথা মানসিক বিকৃতি বা অক্ষমতা (dysfunction) বুলি গণ্য কৰা হয়।

এক অতি আদৰণীয় পদক্ষেপ হিচাপে, ২০১৪ চনত ভাৰতীয় মানসিক ৰোগ সমাজ বা ইণ্ডিয়ান চাইকিয়াট্ৰিক চচাইটিয়ে (IPS) এটা বিবৃতি জাৰি কৰি উল্লেখ কৰে যে- "মানসিক ৰোগ চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত বৰ্তি থকা বৈজ্ঞানিক প্ৰমাণ আৰু উত্তম পদ্ধতিৰ নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি, ভাৰতীয় মানসিক ৰোগ সমাজে এই কথা ঘোষণা কৰিব খোজে যে সমলিংগীয়তা এক মানসিক অসুস্থতা বা ৰোগ বুলি থকা বিশ্বাসক প্ৰমাণ কৰিবলৈ কোনো বৈজ্ঞানিক ভিত্তি নাই।" আইন বা লেজিস্লেশ্বনৰ ক্ষেত্ৰত, শৈক্ষিক আৰু বৌদ্ধিক মহলত এলজিবিটি (LGBT) বিষয়সমূহৰ পৰিৱৰ্তনৰ তুলনাত ইয়াৰ গতি অতি মন্থৰ হৈছে। ২০০৯ চনৰ এক ঐতিহাসিক সিদ্ধান্তত, দিল্লী উচ্চ ন্যায়ালয়ে সমলিংগীয়তাক অপৰাধমুক্ত কৰি ঘোষণা কৰিছিল যে- "আমি ভাৰতীয় দণ্ডবিধিৰ ৩৭৭ নং ধাৰাটোক, যিমান দূৰলৈকে ই সন্মতি থকা প্ৰাপ্তবয়স্কসকলৰ মাজত ব্যক্তিগতভাৱে হোৱা যৌন কাৰ্যক অপৰাধ হিচাপে গণ্য কৰে, সংবিধানৰ ২১, ১৪ আৰু ১৫ নং অনুচ্ছেদৰ পৰিপন্থী বা উলংঘনকাৰী বুলি ঘোষণা কৰিলোঁ"। ৩৭৭ নং ধাৰা বিলোপ কৰাৰ দাবী মানৱ অধিকাৰ কৰ্মীৰ লগতে সমলিংগীয় অধিকাৰ কৰ্মীসকলক একত্ৰিত কৰাৰ এক মুখ্য শ-'গান হৈ পৰিছিল। এই ধাৰা নিজেই ব্ৰিটিছ ঔপনিবেশিক শাসকসকলৰ দিনত উৎপত্তি হৈছিল আৰু ই প্ৰকৃতিৰ নিয়মৰ বিৰুদ্ধে যিকোনো "অস্বাভাৱিক কাৰ্যক" অপৰাধ বুলি গণ্য কৰে। ইয়াৰ অৰ্থ হ'ল পুৰুষ-মহিলাৰ স্বাভাৱিক সংগমৰ বাহিৰেও অন্য যিকোনো যৌন কাৰ্য বেআইনী বুলি ধৰা হয়। এই ধাৰাটো কেৱল অতীতৰ আইনী-ৰাজনৈতিক ব্যৱস্থাৰ এক অৱশিষ্টই নহয়, যি সমসাময়িক বাস্তৱতা আৰু বৈজ্ঞানিক সত্যক প্ৰতিফলিত নকৰে, বৰঞ্চ ক্ষমতাধীন লোকসকলৰ দ্বাৰা অসংখ্য মানুহক পৰিকল্পিতভাৱে হাৰাশাস্তি আৰু নিৰ্যাতন কৰিবলৈকো ইয়াক ব্যৱহাৰ কৰা হৈ আহিছে।

অৱশ্যে, সেই সময়ৰ কেন্দ্ৰীয় চকাৰ আৰু ৰক্ষণশীল বিৰোধী শক্তি দুয়োটা পক্ষৰ তীব্ৰ প্ৰতিবাদ আৰু আইনী আপীলৰ পিছত, ভাৰতৰ উচ্চতম ন্যায়ালয়ে (Supreme Court of India) ২০০৯ চনৰ উচ্চ ন্যায়ালয়ৰ সেই ৰায় খাৰিজ কৰিছিল। অলপ দিনৰ আগলৈকে, এই গোচৰটো ভাৰতৰ উচ্চতম ন্যায়ালয়ত ওলমি আছিল য'ত ন্যায়ালয়ে নাগৰিকৰ গোপনীয়তাৰ অধিকাৰ থকা আৰু "যৌন অভিমুখীতা গোপনীয়তাৰ এক অপৰিহাৰ্য গুণ" বুলি স্বীকাৰ কৰিছিল, আৰু বিভিন্ন ব্যক্তি তথা বেচৰকাৰী সংস্থাৰ (NGOs) দ্বাৰা সমলিংগীয়তাক অপৰাধমুক্ত কৰিবলৈ দাখিল কৰা অসংখ্য আবেদনৰ শুনানি গ্ৰহণৰ বাবে এখন বেঞ্চ গঠন কৰিছিল। কিন্তু ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ এক শেহতীয়া ঐতিহাসিক ৰায়দানত সমলিংগীয়তাক সম্পূৰ্ণভাৱে অপৰাধমুক্ত কৰা হৈছে। এই ৰায়দান অনুসৰি, ইয়াক ভাৰতত এতিয়াৰ পৰা আৰু কোনো অপৰাধ (offence) বুলি গণ্য কৰা নহব।

ট্ৰান্সজেণ্ডাৰ বা হিজৰাসকলৰ অধিকাৰৰ সন্দৰ্ভত, ২০১৫ চনত ৰাজ্যসভাত 'ট্ৰান্সজেণ্ডাৰ ব্যক্তি অধিকাৰ বিধেয়ক, ২০১৪' পাছ কৰা হয়, যিয়ে ভাৰতৰ সকলো ট্ৰান্সজেণ্ডাৰ লোককে বৈষম্যৰ বিৰুদ্ধে সুৰক্ষা, চাকৰিত সংৰক্ষণৰ লগতে আইনী অধিকাৰ আৰু সুবিধা প্ৰদান কৰিবলৈ বিচাৰে। এই বিধেয়কখন লোকসভাত গৃহীত হ'বলৈ বাকী আছে। আকৌ, 'ট্ৰান্সজেণ্ডাৰ ব্যক্তি (অধিকাৰ সুৰক্ষা) বিধেয়ক, ২০১৬' ও সংসদত উত্থাপন কৰা হৈছিল আৰু ই এতিয়াও ওলমি আছে। গতিকে এতিয়াও বহুতো নীতিগত পৰিৱৰ্তন কাৰ্যকৰী কৰিবলৈ বাকী আছে, যাৰ মধ্যে আছে- সমলিংগীয় সংগীক বিয়া কৰোৱাৰ অধিকাৰ, সন্তান তুলি লোৱা বা দত্তক লোৱাৰ অধিকাৰ (rights to adoption) লগতে নিজৰ যৌনতা আৰু যৌন অভিমুখীতাৰ বাবে নিৰ্যাতিত নোহোৱাকৈ মানুহ হিচাপে নিজৰ সম্পূৰ্ণ ক্ষমতা আৰু প্ৰতিভা প্ৰকাশ কৰিব পৰা এক স্বাধীন জীৱন যাপন কৰাৰ স্বাধীনতা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মার্টনৰ ষ্ট্রেইন তত্ত্ব বা মানসিক চাপৰ তত্ত্ব (Strain theory) কি?

.....

প্রশ্ন ২ ঃ সমাজতত্ত্বত অপচৰণ বা পথভ্রষ্টতাৰ অধ্যয়নত গফমেন (Goffman) কিয় গুৰুত্বপূর্ণ?

.....

প্রশ্ন ৩ ঃ প্রতিবন্ধকতা বা অক্ষমতাৰ (disability) কেইটামান আর্হি বা মডেলৰ নাম উল্লেখ কৰক।

.....

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আন্তঃসংযোগবাদ বা ইণ্টাৰচেকচনেলিটি তত্ত্বই (theory of intersectionality) জোৰ দি কয় যে লিংগ, জাতি আৰু শ্রেণীৰ দৰে সামাজিক শ্রেণীবিভাজনসমূহ ইটোৰ ওপৰত সিটো ওপৰা-উপৰিকৈ পৰে আৰু পৰস্পৰ সংযোগ হৈ অসুবিধা বা বৈষম্যৰ এক আন্তঃসংলগ্ন ব্যৱস্থা সৃষ্টি কৰে।
- কোনো এক সমাজৰ প্রতিজন সদস্যই আচৰণৰ পৰম্পৰাগত নিয়ম, চিন্তাৰ ধাৰা শিকি লয় আৰু মানি চলে তথা সেই সমাজত অনানুষ্ঠানিক আৰু আনুষ্ঠানিকভাৱে প্রণয়ন কৰা নিয়মসমূহ অনুসৰণ কৰে বুলি আশা কৰা হয়। গতিকে, এই পৰম্পৰাগতভাৱে প্রতিষ্ঠিত নীতি-নিয়মসমূহ উলংঘা কৰা যিকোনো কার্য বা আচৰণক অপচৰণ বা পথভ্রষ্টতা বুলি কোৱা হয়।
- দুৰ্খেইমৰ মতে, অপচৰণ বা পথভ্রষ্টতা এখন সমাজৰ বাবে অপৰিহার্য অংগ।
- প্রতিষ্ঠিত নিয়ম আৰু সামাজিক প্রত্যাশাৰ পৰা হোৱা অপচৰণে মানুহক বৈষম্যৰ বলি কৰিব পাৰে আৰু ইয়াৰ ফলত অসমতা আৰু এক স্তৰীকৃত সমাজৰ সৃষ্টি হ'ব পাৰে।
- প্রতিবন্ধী ব্যক্তিসকলৰ ক্ষেত্রত, শ্রম বজাৰ আৰু অর্থনৈতিক কার্যকলাপত তেওঁলোকৰ অংশগ্রহণ থকা সত্ত্বেও প্রতিবন্ধকতা এক বাধা হিচাপে থিয় দিয়ে যিয়ে তেওঁলোকক কম মজুৰি পোৱাৰ কাৰণ কৰে, তেওঁলোকৰ সংস্থাপনৰ স্থিতিক অসুৰক্ষিত কৰে আৰু তেওঁলোকৰ অর্থনৈতিক অৱস্থানক মূলসুঁতিৰ নিয়োগৰ সম্ভাৱনাৰ পৰা বাহিৰত ৰাখে। অর্থনৈতিকভাৱে সক্রিয় নোহোৱা প্রতিবন্ধী ব্যক্তিসকলৰ ক্ষেত্রত, শ্রম বজাৰত তেওঁলোকৰ অংশগ্রহণ নকৰাটোৱেই তেওঁলোকৰ সর্বজনীন প্রান্তীয়কৰণৰ পৰিসৰৰ এক মাপকাঠী হ'ব পাৰে।
- যৌনতা আৰু লিংগৰ নির্মাণ ইটো সিটোৰ অতি ওচৰত অৱস্থিত আৰু ইয়াৰে প্রতিটো বিতর্কই ইটোৱে সিটোক তথ্য যোগায় আৰু সীমিত কৰে। যৌনতা আৰু যৌন অভিমুখীতাৰ সৈতে জড়িত অসমতাসমূহ লিংগ আৰু যৌনতাক যিদৰে বুজা আৰু বিচাৰ কৰা হয়, তাৰ বাবেই সংঘটিত হয়।
- দীর্ঘদিন ধৰি, পৰম্পৰাগত বিপৰীত-লিংগীয়তা আৰু হেটেৰ'-নর্মেটিভিটিৰ পৰা আঁতৰি যোৱা যিকোনো বস্তুকে খোদ সমাজবিজ্ঞানৰ ভিতৰতো 'অপচৰণমূলক আচৰণ' হিচাপে শ্রেণীভুক্ত কৰা হৈছিল। অৱশ্যে, বর্তমান এইটো সলনি হৈছে আৰু আনকি আইন প্রণয়নৰ ক্ষেত্রতো এলজিবিটি (LGBT) ৰ বিৰুদ্ধে হোৱা বৈষম্য আৰু হিংসা ৰোধ কৰিবলৈ নতুন নীতিসমূহ প্রৱর্তন কৰা হৈছে। তথাপিও, অধিকাৰ আৰু স্বাধীনতাৰ আইনী কার্যকৰীকৰণৰ লগতে এই বিষয়সমূহৰ প্রতি থকা সামাজিক মনোভাৱ সলনি কৰাৰ বাবে এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে।

১৩.৫ অধিক জানিবলৈ

1) Barton, L. 1996. *'Citizenship and Disabled People: A Cause for Concern, in J.* Demaine and H. Entwistle (eds), Beyond Communitarianism: Citizenship, Politics and Education. London: Macmillan.
2) Becker, H. S. (2008 [1963]). Outsiders. *Studies in the sociology of deviance*. New York: Free Press.
3) Goffman, Erving (1963) *Stigma: Notes on the Management of Spoiled Identity.* New York: Simon & Schuster.
4) Durkheim, Emile (1982 [1895]) *The rules of sociological method*. New York: Palgrave MacMillan.
5) Erikson, T.Kai. 1962. *Notes on the Sociology of Deviance*, 9 Soc. Probs. 307.
6) Jenkins, Richard 1991. *Disability and Social Stratification*. The British Journal of Sociology, Vol. 42, No. 4, pp. 557-580.
7) Merton, Robert K. (1938). *"Social structure and anomie."* American Sociological Review 3(5): 672-682.
8) WHO. 2006. *Defining Sexual Health* (Report of a Technical Consultation on Sexual Health, 28-31 January 2002, Geneva). Geneva: WHO.
9) Simon, William and Gagnon, John H. 1967. Homosexuality: *The Formulation of a Sociological Perspective*. Journal of Health and Social Behavior, Vol. 8, No., pp. 177-185.

১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্টনৰ ষ্ট্ৰেইন তত্ত্বই বা মানসিক চাপৰ তত্ত্বই লক্ষ্য বা উদ্দেশ্য আৰু পৰম্পৰাগত উপায়েৰে সেই লক্ষ্যত উপনীত হ'ব নোৱাৰাৰ অসমৰ্থতাৰ মাজত থকা ব্যৱধানক বুজায়। এই অসমৰ্থতাই মানুহৰ মাজত মানসিক চাপ আৰু হতাশাৰ সৃষ্টি কৰে যাৰ ফলত কিছুমান নিৰ্দিষ্ট প্ৰতিক্ৰিয়াৰ জন্ম হয়। এইবোৰক অনুসৰণ বা অনুৰূপতা, উদ্ভাৱন, ৰীতিবাদ, পশ্চাদপসৰণ বা পলায়নবাদ, আৰু বিদ্ৰোহ হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইৱভিং গফমেন কলংক বা দাগ (stigma) অধ্যয়ন কৰাৰ বাবে এক তাত্ত্বিক গাঁথনি আগবঢ়াই অপচৰণ অধ্যয়নত গুৰুত্বপূৰ্ণ অৱিহণা যোগাইছে, যাৰ সহায়ত বৰ্তমান সময়ৰ অপচৰণ অধ্যয়নসমূহ গভীৰভাৱে পৰিচালিত হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃপ্ৰতিবন্ধকতা বা অক্ষমতাৰ তিনিটা আটাইতকৈ গুৰুত্বপূৰ্ণ আৰ্হি বা মডেল হৈছে: ব্যক্তিগত আৰ্হি (individual model), চিকিৎসা আৰ্হি (medical model) আৰু সামাজিক আৰ্হি (social model)।

১৩.৭ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ 'অপচৰণ' বা পথভ্ৰষ্টতাৰ সন্দৰ্ভত দুৰ্খেইমে কি তত্ত্ব আগবঢ়াইছে?

প্ৰশ্ন ২ ঃ কেইটামান বাক্যত LGBTQ আন্দোলনৰ বিষয়ে আলোচনা কৰক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ প্ৰতিবন্ধকতা বা অক্ষমতাৰ (Disability) তিনিটা প্ৰভাৱশালী আৰ্হি কি কি?

প্ৰশ্ন ২ ঃ প্ৰতিবন্ধকতা কেনেকৈ সামাজিক অসমতাৰ সৈতে সম্পৰ্কিত, ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ যৌনতাই সামাজিক স্তৰীকৰণৰ সৈতে কেনেকৈ সম্পৰ্ক ৰাখে?

প্ৰশ্ন ৪ ঃ ভাৰতত বৰ্তমান LGBT আন্দোলনৰ পৰিস্থিতি কেনেকুৱা, আলোচনা কৰক।

*** ***** ***

প্রসংগ পুথি

১) ব্লুমবার্গ, ৰে লেছাৰ ১৯৭৮ স্তৰবিন্যাস আর্থ-সামাজিক আৰু লিংগ সমতা। ডুবুক, আই এ: ডব্লিউ.এম. চি ব্রাউন।

২) ডেনিয়েল থোমাৰ, এগ্রেৰিয়ান ষ্ট্রাকচাৰ ইন দিপাংকৰ গুপ্ত (সম্পা.), ২০১০, ছ'চিয়েল ষ্ট্রেটিফিকেশন; নতুন দিল্লী: অক্সফর্ড ইউনিভার্চিটি প্রেছ।

৩) ডেভিছ, কিংছলি আৰু উইলবার্ট ই মূৰ; "স্তৰীকৰণৰ কিছুমান নীতি ঃ কার্যকৰীতাবাদী অৱস্থান" দিপাংকৰ গুপ্ত (সম্পা.) ২০১০ চনত; সামাজিক স্তৰীয়কৰণ; নতুন দিল্লী ঃ অক্সফর্ড ইউনিভার্চিটি প্রেছ।

৪) ফ্রেংক এন মেগিল (সম্পাদক) ২০০০ চনত; আন্তর্জাতিক সমাজবিজ্ঞান বিশ্বকোষ, নতুন দিল্লী: এছ চান্দ এণ্ড কোম্পানী লিমিটেড।

৫) গিডেন্স, এণ্টনি; ২০০৯ চনত; পুঁজিবাদ আৰু আধুনিক সামাজিক তত্ত্ব: মার্ক্স, ডার্কহেইম আৰু মেক্স ৰেবাৰৰ লেখাৰ বিশ্লেষণ, নতুন দিল্লী ঃ কেম্ব্রিজ ইউনিভার্চিটি প্রেছ।

৬) গুপ্ত, দিপাংকৰ, ২০১০; সামাজিক স্তৰীয়কৰণ, অক্সফর্ড বিশ্ববিদ্যালয় প্রেছ ঃ নতুন দিল্লী

৭) পার্ছনছ, টেলকট আৰু ৰবার্ট এফ বেলছ ১৯৫৫; পৰিয়াল, সামাজিকৰণ আৰু পাৰস্পৰিক ক্রিয়াৰ প্রক্রিয়া। নিউয়র্ক ঃ ফ্রী প্রেছ।

৮) শর্মা, কে.এল, ১৯৯৪; সামাজিক স্তৰীয়কৰণ আৰু গতিশীলতা। বাংলোৰ, হায়দৰাবাদ আৰু গুৱাহাটীঃ ৰাৱত প্রকাশন।

৯) ২০১০, সামাজিক স্তৰীকৰণৰ দৃষ্টিভংগী। হায়দৰাবাদ আৰু গুৱাহাটীঃ বাৱট প্রকাশন।

১০) স্মিথ, গেভিন; "শ্রেণী বিশ্লেষণত মার্ক্সীয় আর্হিৰ ব্যৱহাৰ" দিপাংকৰ গুপ্ত (সম্পা.); ২০১০ চনত; সামাজিক স্তৰীয়কৰণ; নতুন দিল্লী ঃ অক্সফর্ড ইউনিভার্চিটি প্রেছ।

১১) ৰেবাৰ, মেক্স; দিপাংকৰ গুপ্ত ২০১০ চনত "শ্রেণী, মর্যাদা আৰু দল"; সামাজিক স্তৰীয়কৰণ; নতুন দিল্লী: অক্সফর্ড ইউনিভার্চিটি প্রেছ

———————————————

———————————————————

———————————————